# সূত্ৰধাৰ

১৬-৩১ মাৰ্চ, ১৯৯২ □ সাত টকা

# বিজ্ঞান আৰু বিশ্বাস

এজন বাঙালী বুদ্ধিজীৱিৰ দৃষ্টিত

## সমসাময়িক অসম

## অসমীয়া উপন্যাস ১৯৭০-১৯৯১

---

কিশোৰ কলিতা . পাঠশালা

# সূত্ৰধাৰ

বিষয়-সূচী

চতুৰ্থ বছৰ, ষষ্ঠ সংখ্যা
১৬—৩১ মাৰ্চ, ১৯৯২
VoL. VI No.6
16-31 March, 1992

প্ৰচ্ছদ নিবন্ধ

মোৰ অসম আৱিষ্কাৰ □ ৫

অসমৰ প্ৰতি এক অনাবিল আকৰ্ষণ সুপ্ৰিয় বন্দোপাধ্যায়ৰ। তাতে অসমৰ অৰণ্যৰ পটভূমিত লিখা হেমেন্দ্ৰ কুমাৰ ৰায়ৰ 'যক্ষেৰ বনে' পঢ়ি তেওঁ অতিশয় আপ্লুত হৈছিল। USIS-ৰ অনুবাদ কাৰ্যৰ প্ৰকল্পৰ সৈতে জড়িত থকা সময়ত তেখেতে কেইবাবাৰো অসমলৈ অহাৰ সুযোগ পায়। এই সময়ছোৱাত অসমৰ কেইবাথৰাকীও বিশিষ্ট ব্যক্তিৰ সংস্পৰ্শলৈ অহাৰ লগতে অসমৰ কলা-কৃষ্টিৰ সম্পৰ্কেও তেখেতে যথেষ্ট জ্ঞান লাভ কৰিবলৈ সক্ষম হয়। তাৰেই ভিত্তিত তেখেতৰ প্ৰচ্ছদ নিবন্ধ – মোৰ অসম আবিষ্কাৰ

সাহিত্য

অসমীয়া উপন্যাস ১৯৭০—১৯৯১ এটি জৰীপ □ ১৬

পঞ্চাশৰ দশকৰ জনপ্ৰিয় সাহিত্য শাখাৰ ঠাই লব ধৰে উপন্যাসে। সেয়েহে ৰামধেনু যুগৰ কেইবাজনো শ্ৰেষ্ঠ কবি আৰু চুটি গল্পকাৰক সত্তৰৰ দশকত ঔপন্যাসিক হিচাপে প্ৰতিষ্ঠা লাভ কৰা দেখা যায়। সত্তৰ আৰু আশীৰ দশকত এই ঔপন্যাসিকসকলে অসমীয়া সাহিত্যলৈ আগবঢ়োৱা বৰঙনিৰ ওপৰত ভিত্তি কৰি ড° গোবিন্দপ্ৰসাদ শৰ্মাৰ লেখা – অসমীয়া উপন্যাস ১৯৭০—১৯৯১

বিজ্ঞান

বিজ্ঞান আৰু বিশ্বাস □ ১০

'বিজ্ঞানত বিনা বিচাৰে কেৱল প্ৰয়োজনীয়তাৰ ভিত্তিত কোনো কথাকে সত্য বুলি গ্ৰহণ কৰা নহয়। আনহাতে ঐতিহ্য আৰু সংস্কৃতি চেতনাই আমাৰ মনত জন্ম দিয়া মানবীয় প্ৰমূল্যসমূহে এনে কিছুমান বিশ্বাসক প্ৰশ্ৰয় দিয়ে যিবোৰৰ বেচিভাগৰেই যুক্তিযুক্ততা বিজ্ঞানিক তত্ত্বসমূহৰ দৰে প্ৰমাণ কৰিব নোৱাৰি। বিজ্ঞান আৰু বিশ্বাস এই দুয়োটা দিশতে খৰচি মাৰি আলোচনা কৰিছে ড° পবিত্ৰ কুমাৰ বৰগোহাঞিয়ে

বিচিত্ৰা ৫৪
চেলুন পৰ্ব □ ঘনকান্ত লস্কৰ

গুণী ব্যক্তিৰ ফটো □ নৰকান্ত বৰদলৈ ৫৮
৮ মাৰ্চৰ দৃষ্টিত নাৰী সংগ্ৰাম □ বিপুল শৰ্মা ৫৬

প্ৰতিবেদন ২৪
আজিৰ অসম এনেদৰেই আগবাঢ়িছে
□ দেৱব্ৰত বৰগোহাঞি

গ্ৰন্থজগত ৫০
নগেন শইকীয়াৰ গল্প
□ নলিনীধৰ ভট্টাচাৰ্য

বিতৰ্ক ৩০
'... নয়া গণতান্ত্ৰিক বিপ্লৱৰ প্ৰশ্নটো
প্ৰতিবাদ টোকা □ হেমেন দাস

বিশ্ববিদ্যালয়ৰ বাতৰি ৪২
ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্পষ্টীকৰণ
□ পঞ্জীয়ক

ব্যক্তি আৰু ঘটনা ৫২
টি, এচ খাৰমফলঙ
□ মনোৰমা বৰুৱা

অসমৰ আৰ্থিক অনগ্ৰসৰতা আৰু তাৰ প্ৰতিকাৰ ৩৪
□ কৃষ্ণপ্ৰসাদ বৰুৱা, থানেশ্বৰ বৰুৱা, শান্তিকাম হাজৰিকা

বিশেষ নিবন্ধ
অসম ঃ বৰ্তমান আৰু ভৱিষ্যত (৭) ৩৮

সম্পাদকৰ টোকাবহী ৩৩

শব্দ, চিত্ৰ, ক্ৰমশ ঃ ৩২
তিনি চিত্ৰ শিল্পী □ হেমন্ত বৰ্মন

গল্প ৪৫
চিনেমা ৬০
একপৃষ্ঠা ৬২

সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি
সম্পাদনা সহকাৰী
মালবিকা পাঠক
মুখ্য প্ৰতিবেদক
হৰেন বুঢ়াগোহাঞি
কলা নিৰ্দেশক
চম্পক বৰবৰা
কাৰ্যাধ্যক্ষ
অনিল কুমাৰ গগৈ

পূৰবী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইষ্টাৰ্ণ প্ৰেছ এন্ড পাব্লিকেশ্যনচ প্ৰাঃ লিঃ-ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী - ১-ৰ পৰা প্ৰকাশিতঃ □ ফোন- ২৪৮৫৪, ২৭৮২৩, ৩৩৬১৮

**Bombay:-**
Mr. Subhajit Mitra
12, Shankar Jyoti 10th Road.
Chembur
Bombay-400071
Ph. 555, 4491

**Calcutta:-**
Mr. Gautam Sengupta.
7/1C Lindsay Street. (1st Floor)
Calcutta-700087
Ph. 241221, 248571

**Delhi:-**
Mr. Ranaji Sen.
B-51, Soami Nagar.
New Delhi-110017
Ph. 642, 8608

বসন্ত সংখ্যা

সূত্ৰধাৰ

পহিলা এপ্ৰিলত প্ৰকাশ পাব

বিশেষ আকৰ্ষণ

চাৰিখন উপন্যাসিকা

ইংলেণ্ড প্ৰবাসী ভাৰতীয়সকলৰ জীৱনৰ পটভূমিত ৰচিত জটিল মনস্তাত্বিক উপন্যাসিকা

ডাঃ মুক্তিপ্ৰসাদ গগৈৰ 'ধীৰুভাই'

গভীৰ আত্মনুসন্ধানৰ মৰ্মস্পৰ্শী কাহিনী

ফণীন্দ্ৰ কুমাৰ দেবচৌধুৰীৰ 'সত্য সন্ধানী'

কয়লা-খনিৰ পটভূমিত লেখা প্ৰথম অসমীয়া উপন্যাসিকা

কানাই গগৈৰ 'দধিচী'

নাৰী-পুৰুষৰ সম্পৰ্কৰ ৰহস্য-সন্ধানী মনস্তাত্বিক উপন্যাসিকা

হিৰণ্য কুমাৰ ভট্টাচাৰ্যৰ 'বিকৰ্ষণ'

প্ৰবন্ধ

এন্ধাৰৰ পৰা পোহৰলৈ ◻ নলিনীধৰ ভট্টাচাৰ্য
হাৰমেন মেলভিলৰ মবিডিক ◻ কাব্যশ্ৰী মহন্ত
জীৱনটোযে কি ◻ দেবকান্ত সন্দিকৈ
দিল্লীৰ অসমীয়া সমাজ ◻ অৰবিন্দ শৰ্মা
বীথোফেন ◻ অনুদিত প্ৰবন্ধ
ব্যক্তিৰ মনৰ স্বাধীনতা, মাৰ্ক্সবাদ আৰু লৰেন্স ◻ কুমুদ বৰুৱা
আদৰ্শ ◻ ৰঘুনাথ চৌধুৰী
আত্মতত্ব আৰু ভগবৎ চিন্তা ◻ যতীন্দ্ৰনাথ শইকীয়া
সময় উকলি গ'ল তথাপি ◻ অৰুণ শৰ্মা

কবিতা

কবীন ফুকন
সনন্ত তাঁতী
এম কামালুদ্দিন আহমেদ
সৌৰভ শইকীয়া
কৌশিক দাস
গৌতম বৰদলৈ
বীৰেন গগৈ
প্ৰদীপ শৰ্মা
কিশোৰ ভট্টাচাৰ্য



ভ্ৰমণ

পেৰিচত ফৰাচী মহিলাৰ আতিথ্য ◻ নীলিমা দত্ত
গ্ৰেণাইট বিউটি ◻ প্ৰীতি কাকতি
দিৱান ◻ অনুৰাধা দাস



নাটক

আলি দোমোজাত ◻ মহেন্দ্ৰ বৰঠাকুৰ

গল্প

কৃষ্ণ ভূঞা
কমলা বৰগোঁহাই
প্ৰফুল্ল চন্দ্ৰ বৰা
মদন শৰ্মা
নবনীতা গগৈ
পদ্মপাণি



দীঘল গল্প

ড° ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য

চিনেমা

উৎপল দত্ত

পূৰবী প্ৰকাশন প্ৰাইভেট লিঃ, মনজেৰা হাউচ, পানবজাৰ, গুৱাহাটী – ৭৮১ ০০১




# মোৰ অসম আৱিষ্কাৰ

সুপ্ৰিয় বন্দোপাধ্যায়

ধীমান পাঠক ! এই লেখাটো পঢ়ি আপোনাৰ ভীষণ খং উঠিব পাৰে । লেখকৰ অজ্ঞতা আৰু মূৰ্খতা দেখি আপুনি হতবাক হব পাৰে । খং উঠিলে খংটো হেঁচামাৰি নথব । এটা পোষ্টকাৰ্ড কিংবা ইনলেণ্ডলেটাৰত মোৰ বিষয়ে যিহকে মন যায় লিখি পেলাব । তাৰ পিছত ৭, যতীন বাগ্‌চী ৰোড, কলিকতা – ৭০০ ০২৯ – এই ঠিকনাত চিঠিখন পোষ্ট কৰি দিব । লিখি পেলাব পাৰিলে মনৰ খং বহুখিনি শাম কাটে । মনটো পাতল হৈ যায় । মোৰ নাম শুনিয়েই নিশ্চয় বুজিছে – মই বঙ্গবাসী । বাৰ্ডুজ্জে আৰু কাৰ নাম হব ? বৰগোহাঞি জানো উড়িয়া হব পাৰে ? বৰগোহাঞি নামটো মনলৈ আহোতেই ভাবিলো মোলৈ চিঠি লিখাৰ লগে লগে হোমেন বৰগোহাঞিলৈকো এখন চিঠি লিখিব পাৰে । কিন্তু খুব কড়াকৈ একো নিলিখিব । মই যি কেইজন মুষ্টিমেয় সভ্যমানুহক চিনি পাওঁ এওঁলোকৰ ভিতৰত হোমেন অন্যতম । অত্যন্ত সচেতন, স্পষ্টবাদী আৰু মধুৰ স্বভাৱৰ মানুহ । মোক এই লেখা লেখুওৱাৰ মূলতে হোমেন । মই যিখন অসম দেখিছো সেইখন অসমৰ বিষয়ে সহজ-সৰল ভাষাত লিখিবলৈ হোমেনে মোক অনুৰোধ কৰিছে । লুক্‌ঢাক্ কৰাৰ দৰকাৰ নাই । মই তেওঁৰ আদেশ শিৰোধাৰ্য কৰিম । কেৱল আশা কৰিম, লেখাটো পঢ়ি মোৰ অজ্ঞতা আৰু মূৰ্খতাৰ লগে লগে অসম আৰু অসমীয়াসকলৰ প্ৰতি মোৰ গভীৰ ভালপোৱাৰ কথাও আপোনাসকলে জানিব পাৰিব । অসমৰ লগত মোৰ প্ৰণয়ৰ সূচনা হৈছিল একেবাৰে ল'ৰাকালিতেই । তেতিয়া মোৰ প্ৰিয় ফুটবল খেলৰ কেপ্তেইন টি আও । বেক আছিল শৰৎ দাস । তেৱোঁ অসমৰ ।

মোৰ প্ৰিয় কলেজ প্ৰেচিডেন্সীত মোৰ লগত পঢ়িছিল অৰুণ ভট্টাচাৰ্যই । তেওঁ অসমৰ ল'ৰা আছিল । কিন্তু কিয় ক'ব নোৱাৰো তেওঁ কেতিয়াও অসমীয়া বুলি পৰিচয় নিদিছিল । নিজকে তেওঁ চিলঙৰ মানুহ বুলি কৈছিল । অৰুণে নিজৰ পৰিয়ালটো কিয় গোপন কৰিছিল সেই বিষয়ে মই পিছত বহুত চিন্তা কৰি চাইছো । আচলতে তেওঁ বাংলা খুব ভালকৈ কব নোৱাৰিছিল । এতিয়াতো চাহাব স্কুলৰ ল'ৰা-ছোৱালীবোৰে কোনো এটা ভাৰতীয় ভাষাকেই ভালকৈ কব নোৱাৰে । সিহঁতে কিন্তু তাৰ কাৰণে অকণো লাজ অনুভৱ নকৰে । মই যি সময়ৰ কথা কৈছো সেই সময়ত লজ্জাবোধ অলপমান হলেও আছিল । মই বঙলা স্কুলৰ ছাত্ৰ । অৰুণৰ বাংলা বুজিব নোৱাৰিলেও তেওঁৰ ইংৰাজী ভালকৈয়ে বুজিব পাৰিছিলো । মোৰ চকুত অৰুণক প্ৰায় চাহাব যেনেই লাগিছিল । মই ৰঙ কণা (colour blind) মানুহ । বগা আৰু হালধীয়া ৰঙৰ মাজত পাৰ্থক্য বুজি নাপাওঁ । অৰুণ খুব চৌখিন স্বভাৱৰ মানুহ আছিল । আজি চল্লিছ বছৰ তেওঁৰ লগত মোৰ দেখা-সাক্ষাত নাই । ১৯৪৮ চনত মেট্ৰিক পাছ্ কৰা এই ভদ্ৰলোকৰ খবৰ যদি কোনোবাই জানে তেন্তে অনুগ্ৰহ কৰি মোক যেন জনায় । অসমলৈ যোৱাৰ আগৰেপৰাই অসমৰ লগত মোৰ পৰিচয় আছিল । দেউতাৰ মূৰৰ বিষৰ বেমাৰ আছিল । সেইকাৰণে মূৰৰ বিষৰ নানাবিধৰ বড়ি কিনিবলগীয়া হৈছিল । ছেৰিদন, এছপিৰিন ইত্যাদি । এটা ঔষধৰ নাম আছিল 'Aspro' । ঔষধৰ পেকেটৰ ওপৰত বিভিন্ন ভাৰতীয় ভাষাত Aspro শব্দটো লিখা হৈছিল । ইংৰাজী আৰু হিন্দীৰ বাহিৰে আৰু এটা মাত্ৰ ভাৰতীয় ভাষা পঢ়িব পাৰিছিলো । লেখা আছিল 'এচপ্ৰো' । মোৰ ধাৰণা আছিল – চাহাব কোম্পানীয়ে ভাৰতীয় ভাষা নাজানে । এতিয়াও চকু মুদিলে দেখা পাওঁ এচ্প্ৰোৰ তিনিটা বৰ্ণ । তেওঁলোকে বোধহয় বড়ি লিখিব নাজানিছিল ।

তাৰ পিছত অসমৰ লগত মোৰ পৰিচয় হ'ল ৰবীন্দ্ৰনাথৰ 'পোযেৰ কবিতা' । এই উপন্যাসৰ ঘটনাস্থল চিলং । কবিগুৰুৰ হাতৰ স্পৰ্শত চিলঙে তাৰ সমস্ত ৰূপ-বৈভৱ লৈ মোৰ চকুৰ আগত আহি হাজিৰ হৈছিল । ইয়াৰ আগতে আহিছিল হেমেন্দ্ৰ কুমাৰ ৰায়ৰ কলমত । তেতিয়া মই চেমনীয়া । তেতিয়াও এনিড ব্লাইটন আৰু মিলছ্ এণ্ড বুন প্ৰভৃতিৰ জন্ম হোৱা নাছিল । আমি পঢ়িছিলো খগেন্দ্ৰনাথ মিত্ৰ, সুনিৰ্মল বসু আৰু প্ৰেমেন্দ্ৰ মিত্ৰৰ গল্প । হেমেন্দ্ৰ কুমাৰ ৰায়ৰ 'যক্ষেৰ ধন' পঢ়ি পঢ়ি আপোন পাহৰা হৈ গৈছিলো । একেই ঘটনা ঘটিছিল বিভূতিভূষণ বন্দোপাধ্যায়ৰ 'চাঁদেৰ পাহাৰ' পঢ়োতেও । 'চাঁদেৰ পাহাৰ' আফ্ৰিকাৰ পটভূমিত লেখা । 'যক্ষেৰ বনে'ৰ পটভূমি আছিল অসমৰ অৰণ্য । কি ৰোমাঞ্চকৰ কিতাপ ! নৰমুণ্ড চিকাৰী নাগাসকলৰ ৰাজ্য, মিছিমি আৰু মিজোসকলৰ ৰাজ্য, এখন বিশাল গভীৰ নদী, বনৰীয়া হাতীৰ দৌৰাত্ম্য – এই সকলোৱে মিলি অসমক মোৰ চকুত মহিমান্বিত কৰি তুলিছিল । কিন্তু অসমখননো কেনেকৈ চাব পাৰো । দেউতা কলিকতাৰ বাসিন্দা । আমাৰ পিতৃ পৰিচয়ৰ আদি পুৰুষসকল ১৯৭১ চনত কলিকতালৈ আহিছিল, গতিকে আমাৰ তেজতো কলিকতাই আছে । আমাৰ নাতিয়ে আমেৰিকাত জন্মলাভ কৰিলেও সি যেতিয়া কয় কলিকতাত কোনো ভাল ঠায়েই নাই তেতিয়া বুজো জীৱনানন্দৰ কথাই ঠিক, আমাৰ অন্তৰত তেজৰ লগত বহুকথাই খেলা কৰে । ১৯৫৪ চনত এম-এ পৰীক্ষা পাছ্ কৰি দুবছৰ বেকাৰ হৈ থকাৰ পাছতেই USIS-ত চাকৰি পালো । বঙালী ঘৰত আবিয়ৈ ছোৱালী আৰু বেকাৰ যুৱকক বৰ হেয়জ্ঞান কৰা হয় । সেইবাবেই চাকৰি পাই মই বৰ আনন্দিত হৈছিলো । নাতিটোক প্ৰথম কোলাত তুলি লোৱাৰ বাহিৰে এনেধৰণৰ আনন্দ আগেয়ে পোৱা মোৰ মনত নপৰে । চাকৰিটো অৱশ্যে মই 'পাৰ্কিন্সনচ্ ল' অনুযায়ী পাইছিলো । ভাৰতীয় ওপৰৱালাই মোৰ বয়স কম হেতুকে মোক USIS-ৰ লগত যোগ স্থাপন কৰাৰ কথা কলে । এখেতৰ নাম আছিল ক্ষিতীশ চন্দ্ৰ ঘোষ । এই কামটোত নিয়োগ কৰি তেখেতে মোৰ পৰম উপকাৰ কৰিলে ।

অসম, বিহাৰ, উৰিষ্যা আৰু বঙ্গত কিমানবোৰ কলেজ, বিশ্ববিদ্যালয় আছে সেই বিষয়ে পঢ়িব পাৰিলো। তাৰ ভিতৰত দেখা গ'ল আয়তনত ডাঙৰ হলেও বেছি সংখ্যক কলেজ আছিল উৰিষ্যা আৰু অসমত। দুয়োখন ৰাজ্যত মুঠ ১৮খন কলেজ আৰু দুখন বিশ্ববিদ্যালয় আছিল। ১৯৬১ৰ চনৰ ভিতৰত এই দুয়োখন ৰাজ্যতে এখনৰ পাছত এখনকৈ কলেজ আৰু বিশ্ববিদ্যালয় খোলা হয়। ৰাঁচী আৰু যোৰহাটত বিশ্ববিদ্যালয় স্থাপনৰ অনুষ্ঠানসমূহতো মই উপস্থিত আছিলো। শিক্ষাৰ প্ৰতি মানুহৰ কি যে আগ্ৰহ তাক প্ৰত্যক্ষ কৰিছিলো। এখন এখনকৈ কলেজ খোলা হয় আৰু সৃষ্টি হয় অসংখ্য সপোনৰ।

সেই সপোন, সপোন হৈয়েই ৰয়। কিন্তু শিক্ষাৰ মাজেৰেই অগ্ৰগতি যে সম্ভৱ সেইকথা মানুহৰ মনলৈ আহিছিল। মই এই বিশ্ববিদ্যালয়, মহাবিদ্যালয় সমূহলৈ বক্তাৰ পৰা আৰম্ভ কৰি চিনেমা, গায়ক পৰ্যন্ত লৈ গৈছো। ছাত্ৰ আৰু শিক্ষকসকলৰ সৈতে ঘনিষ্ঠভাবে কাম-কাজ কৰিছো, তেওঁলোকক ভালো লাগিছে। এইসকলৰ কোনোবাজন বৰ্তমান উপাচাৰ্য কোনোবাজন প্ৰবীণ অধ্যাপক আৰু কোনো কোনোজন ৰাজনৈতিক নেতা। এওঁলোকৰ বহুতৰে লগত মোৰ সৌহাৰ্দ্য আছে। মোৰ পৰম সৌভাগ্য যে বাতৰি কাকতৰ অফিচত সেই সময়ত যিসকল ব্যক্তিক মই লগ পাইছিলো তেওঁলোক বৰ্তমান সংবাদপত্ৰসমূহৰ একো একোজন মুৰব্বী।

কেতিয়াবা ভাবো কেতিয়া এইবোৰ হ'ল? ভাবি মোৰ বৰ ভাল লাগে। অসম সম্বন্ধে যিসকলৰ পৰা মই জানিছিলো তেওঁলোকৰ ভিতৰত আমাৰ অফিচৰ অডিঅ' ভিছুৱেল ইউনিটৰ বৰুণ মজুমদাৰ আৰু অন্যান্য ব্যক্তিসকল আছিল। আৰু আছিল যুগান্তৰৰ অমিতাভ চৌধুৰী। বৰুণে যিদৰে পৰম আস্থাৰে ডুমডুমা, পানিতোলা, খানাপাৰাৰ কথা কয় যেন শ্ৰীহট্টতেই সকলোবোৰ আছে। কোন দোকান বজাৰত বিদেশী মুদ্ৰাৰ বেঙেনা বা বেইগান কিনি পাবি? অমিতাভৰ তুলনা নাই। চিলং তেতিয়া অসমৰ ৰাজধানী আছিল। এওঁলোকে সমগ্ৰ চহৰৰ আটাইতকৈ কম দামত থাকিবলৈ পোৱা হোটেলৰ নামো জানিছিল। ইয়াৰ বাহিৰেও মোক বাৰে বাৰে সোঁৱৰাই দিয়া হৈছিল যে অসমত ভৰি দিয়েই যাতে মই এটাও বঙালী কথা নকওঁ। হিন্দীত বা ভঙা ভঙা ঢাকাৰ ভাষা কলেও শান্তিপুৰৰ ভাষা

> ... চাৰিওদিশে সেউজীয়া বৰণৰ আভৰণ দেখি মই আচৰিত হৈছিলো। মনত ভাব হৈছিল এই দেশৰ মেঘৰ বৰণো যেন সেউজীয়া। ব্ৰহ্মপুত্ৰৰ দূৰে দূৰে নীল পাহাৰ। মই যিহেতুকে সমতলৰ মানুহ গতিকে আমাৰফালে পথাৰ-ঘাট দেখা পালেও পাহাৰ কিন্তু ক'তো দেখা নগৈছিল।

যাতে মই নকওঁ। বৰুণে নিজকে অসমৰ ভাষা বিশাৰদ বুলি ভাবিছিল আৰু 'মই ভাত খাম' ইত্যাদি বাক্য গাই মোক অবাক কৰিছিল। তেওঁ মোক শিকাই দিছিল অসমলৈ গৈ কেতিয়াও গাখীৰক দুধ বুলি, কলক কলা বুলি যাতে নকওঁ। এনেধৰণৰ জ্ঞান আহৰণ কৰি এদিন গুৱাহাটী বিমানবন্দৰ আহি পালোহি। তেতিয়া এই বিমান বন্দৰটোৰ নাম বৰঝাৰ আছিল। কি সুন্দৰ নাম আছিল সেইবোৰ। আজিৰ যিকোনো নামতকৈ বহুত ভাল। কেনেডী এয়াৰপোৰ্টতকৈও আইডেনদ্ৰাইভ এয়াৰপোৰ্ট নামটো শুনিবলৈ মোৰ বেছি ভাল লাগে।

বৰুণৰ উপদেশ মতে ষ্টেও হোটেলত উঠিলো। হোটেলখন ব্ৰহ্মপুত্ৰ নদীৰ ওচৰত আছিল যদিও মোৰ বাবে তাত থকা অসম্ভৱ আছিল। গতিকে মই কাষতেই থকা অশোক হোটেলেই মোৰ বাবে বেছি ভাল বুলি সিদ্ধান্ত কৰি তালৈ গলো। তাৰ পৰা নৃত্যৰত ব্ৰহ্মপুত্ৰক সুন্দৰকৈ দেখা পোৱা গৈছিল। বৰঝাৰত প্ৰথমে নামিয়েই চাৰিওদিশে সেউজীয়া বৰণৰ আভৰণ দেখি মই আচৰিত হৈছিলো। মনত ভাব হৈছিল এই দেশৰ মেঘৰ বৰণো যেন সেউজীয়াই। ব্ৰহ্মপুত্ৰৰ দূৰে দূৰে নীল পাহাৰ। মই যিহেতুকে সমতলৰ মানুহ গতিকে আমাৰফালে পথাৰ ঘাট দেখা পালেও পাহাৰ কিন্তু ক'তো দেখা নগৈছিল। পশ্চিমৰফালে ৰাণীগঞ্জ ষ্টেচনৰ পৰা বাওঁফালে ছাঁৰ দৰে পাহাৰ দেখি হিমালয় পৰ্বত দেখাৰ আনন্দত আত্মহাৰা হওঁ। অসমত যিফালেই যাওঁ সেইফালেই মাথো পাহাৰ আৰু নদী। মই গঙ্গানদীৰ ওপৰত অৱস্থান কৰা কলিকতা চহৰত বাস কৰো। বঙ্গৰ গঙ্গাই কেতিয়াও পাৰ ভাঙি মানুহক গৃহহাৰা নকৰে। আনহাতে অসমৰ ব্ৰহ্মপুত্ৰ কিন্তু ভয়ানক। তিব্বত চীন অতিক্ৰম কৰি ভাৰতত প্ৰবেশ কৰি নামেই মাথো সলনি নকৰে গতিও সলনি কৰে।

অসমলৈ আহোতে ধীৰেণ বেজবৰুৱাৰ কথা মোক কোনে কৈছিল মনত নাই। কিন্তু অসমলৈ আহি মই তেওঁলৈ ফোন কৰিছিলো। সেই সময়ত প্ৰেচিডেন্সী কলেজৰ সমকক্ষ কোনো কলেজ নাছিল। তথাপি কটন কলেজ আৰু ৰাভেনশ্ব কলেজৰ নাম মই শুনিছিলো। ধীৰেণ বেজবৰুৱাই কটনত ইংৰাজী পঢ়ায়। তেখেতে হোটেললৈ আহি বঙালী লোকৰ বিভিন্ন ধৰণৰ চৰিত্ৰ সম্পৰ্কে সুদীৰ্ঘ সময় ধৰি মোক পৰামৰ্শ দিছিল। ইয়াৰ পাছত কিন্তু তেখেতে মোক বঙালীসকলৰ সংগ্ৰামী সাংস্কৃতিক মনোভাব সম্বন্ধেও জ্ঞানগৰ্ভ কথা কৈছিল। ধীৰেণ সুপুৰুষ। ইংৰাজী ভাষা বৰ সুন্দৰকৈ কয়। মোৰ পৰা বিদায় লোৱাৰ আগেয়ে চান্দমাৰীত থকা তেখেতৰ ঘৰলৈ নিশা নিমন্ত্ৰণ কৰি গ'ল। সন্ধিয়া তেওঁলোকৰ ঘৰলৈ গৈ ধীৰেণৰ কিতাপৰ সংগ্ৰহ দেখি বিমোহিত হৈছিলো। ধীৰেণ পত্নী কল্পনাক সুধিছিলো 'এই কিতাপবোৰনো কোনে পঢ়ে? কিয়, ধীৰেণে পঢ়ে – কল্পনাই উত্তৰ দিছিল। সেইদিনাই মই প্ৰথম অসমীয়াসকলৰ কিতাপৰ প্ৰতি অনুৰাগৰ কথা গম পাইছিলো আৰু তাৰ পাছত মই এটা কথা বাৰে বাৰে লক্ষ্য কৰিছিলো যে অসমীয়া আৰু উড়িয়া শিক্ষিত মধ্যবিত্তসকল প্ৰতিবেশী ৰাজ্যৰ সাহিত্যৰ ক্ষেত্ৰত বঙালী শিক্ষিত মধ্যবিত্তসকলতকৈও বেছি পৰিচিত। বঙালীসকলৰ ক্ষেত্ৰত ভাষাৰ ব্যৱধানতকৈও অনীহাই ইয়াৰ মূল কাৰণ। USIS-ৰ অনুবাদ কাৰ্যৰ প্ৰকল্পৰ সৈতে কিছুদিন জড়িত আছিলো। সেই কালছোৱাত অনুবাদ কাৰ্যৰ বাবে শিক্ষিত অধ্যাপক আৰু সাহিত্যিকসকলক আনিবলৈ চেষ্টা কৰিছিলো। মোৰ কাম আছিল এজন অনুবাদক নিয়োগ কৰা আৰু সেই অনুবাদসমূহ প্ৰকাশক এজনৰ হতুৱাই ছপা কৰা। বঙালী সম্প্ৰদায়ৰ অনেক নাম




কৰা লোকক মই পাইছিলো। অসমৰ বাবে পদ্ম বৰকটকীয়ে প্ৰথমে অনুবাদ কৰিছিল। পাছত ভাৰতী শৰ্মা, লক্ষ্মীনন্দন বৰা, চন্দ্ৰপ্ৰসাদ শইকীয়া আদিয়ে এই কাৰ্যত সহায় কৰিছিল। কিতাপসমূহ ছপা কৰা হৈছিল শ্ৰীভূমি পাব্লিচিঙৰ অৰুণ পুৰকায়স্থ আৰু অসমৰ দত্তবৰুৱা, লয়াৰ্চ বুক ষ্টল আদিৰ সহযোগত। এইবোৰ কামৰ বাবে মই যোৰহাট, ডিব্ৰুগড়, গুৱাহাটী, চিলং আদিলৈ প্ৰায়েই যাবলগীয়াত পৰিছিলো। সেই দিনবোৰ বৰ আনন্দৰ আছিল। সেই সময়তেই মই অসমীয়া বাদ্যৰ প্ৰতি অনুৰক্ত হওঁ। অমল বেজবৰুৱাই ক'লা জহা চাউলৰ ভাতেৰে সৈতে চিলঙৰ মাছেৰে জিৰা-জালুকেৰে ৰন্ধা আঞ্জা খাই মই বৰ জুতি পাইছিলো। আচলতে যোৰহাটৰ গোপা হোটেলৰ বঙালী মালিকেহে মোক প্ৰকৃত অসমীয়া ৰন্ধা-বঢ়া খুৱাইছিল। চিতল মাছৰ পেটিৰ টেঙাৰ আঞ্জা। ইয়াতকৈ অমৃত আৰু কি হব পাৰে বাৰু! অসমৰেই অনিল গোস্বামী, অলকা গোস্বামী, দিবাকৰ, উপেন্দ্ৰ আৰু তেওঁলোকৰ পৰিয়ালে মোক বহুবাৰ টেঙা আৰু খাৰ খুৱাইছে। বেলিভিউ হোটেলত অপু, নিপু চৌধুৰীয়ে এবাৰ মোক সৰভোগৰ দৈ খুৱাইছিল। অসমৰ দৈ বিছনাৰ সৈতে বান্ধি অনা যায় বুলি মই শুনিছিলো। এইবাৰ নিজেই তাক প্ৰত্যক্ষ কৰিলো। সৰভোগৰ দৈ ডিঙিত লাগি ধৰাদি ধৰে আৰু মোৰ দৰে এজন মানুহৰ বাবে ইমান মাখনযুক্ত দৈ হজম কৰাও অসম্ভৱ আছিল। ইয়াৰ মাজতে কৈ থোৱা ভাল অসমৰ ভোগালী বিহুৰ পিঠা-পনা খাই মই বৰ ভাল পাইছিলো।

ৰঙিয়াত যিবাৰ অসম সাহিত্য সভাৰ বাৰ্ষিক অধিবেশন হৈছিল, সেইবাৰ নৱকান্ত বৰুৱাই মোক সেই অধিবেশনলৈ লৈ গৈছিল। প্ৰমথেশ বৰুৱাৰ পাছতেই নৱকান্ত বৰুৱা, পাৰবীন চুলতানা আৰু ভূপেন হাজৰিকাক বঙালীসকলে চিনি পাইছিল। নৱকান্ত বৰুৱাৰ এজন ককায়েককতো গোটেই ভাৰতেই জানে। তেঁৱেই মোক কৈছিল অসমত যেতিয়ালৈকে আলি, কুলি, বঙালি এই 'তিনি লি' থাকিব তেতিয়ালৈকে কংগ্ৰেছ বৰ্তি থাকিব। এই তিনি 'লি'ৰ কথালৈ পাছত আহিম। এতিয়া সেইদিনাৰ কথা কওঁ। ৰঙিয়াত বহা সাহিত্য সভাৰ মুকলি অধিবেশনৰ প্ৰধান বক্তা আছিল গিৰিধৰ শৰ্মা। তেখেতক মই আৰ্য বিদ্যাপীঠ কলেজৰ অধ্যক্ষ হিচাপে জানিছিলো। সাহিত্য সভাৰ প্ৰতি সেই অঞ্চলৰ কৃষক আৰু অন্যান্য গাঁৱৰ মানুহৰ আগ্ৰহ দেখি মোৰ বৰ ভাল লাগিছিল। মই বিভিন্ন ঠাইত বিভিন্ন সাহিত্য সভাত যোগদান কৰিছো কিন্তু মানুহৰ এনে আগ্ৰহ কতো দেখা নাই। ইয়াৰ কাৰণ দুটা হব পাৰে। হয়তো অসমীয়া সাহিত্যই যি স্তৰ পাইছে পৃথিৱীৰ কোনো সাহিত্যই সেই স্তৰ পোৱা নাই নাইবা এই বাৰ্ষিক অধিবেশনবোৰ একোখন মেলাৰ দৰে বাবেই গাঁৱৰ সৰ্বসাধাৰণ মানুহক এনেদৰে আকৃষ্ট কৰিব পাৰে। এই দুটাৰ কোনটো সত্য তাৰ উত্তৰটো মই এতিয়াও পোৱা নাই।

এই অধিবেশনৰ দ্বিতীয় অভিজ্ঞতা হ'ল সভাপতি গিৰিধৰ শৰ্মাৰ ভাষণ শুনি। এনেধৰণৰ ঘৃণা উদ্ৰেককাৰী ভাষণ আগেয়ে বা এতিয়াও কেতিয়াও শুনা নাই। তেখেতৰ ভাষণৰ মূল বক্তব্য আছিল বঙালীয়ে অসমৰ বিস্তীৰ্ণ অঞ্চল, যেনে কোচবিহাৰ, জলপাইগুৰি আদি ঠাই দখল কৰি বসবাস কৰিছে। এই ঠাইসমূহ অসমীয়াই সম্পূৰ্ণভাবে দখল কৰিব লাগিব। নহলে বঙালীৰ ষড়যন্ত্ৰত আৰু কিছুদিন পাছতেই অসমীয়াই সংখ্যালঘুত পৰিণত হব। নিজৰ দেশতেই অসমীয়া নিজে প্ৰবাসী হব। পিছত মই স্বাধীনতাৰ পৰৱৰ্তী কালৰ বিধান সভাৰ বিৱৰণী পঢ়িছো আৰু তাতো দেখিছো প্ৰায় একেই কথাৰ প্ৰতিধ্বনি। তেতিয়াৰ মুখ্যমন্ত্ৰীয়ে কৈছিল – At last Assam will be master of its own house'। সেইদিনা বুজিলো ঘৃণাৰ পাত্ৰ হৈ থাকি কাৰো ভাল নালাগে। ময়োতো বঙালী। মোৰ জীৱনৰ প্ৰথমৰ পৰাই জানো, ইংৰাজ, কংগ্ৰেছ আৰু কেন্দ্ৰইহে আমাক হেঁচা মাৰি ৰাখিছে। কিন্তু সেইদিনা উপলব্ধি হ'ল যেন মই ১৯৩০ চনৰ জাৰ্মানীতহে আছো। সেইসকলত ইহুদীসকলৰ কেনেকুৱা লাগিছিল মই অলপ অনুভৱ কৰিব পাৰিলো। নৱকান্ত দাদাই খুব অস্বস্তিবোধ কৰিছিল। মই কৰা নাই। নৱকান্ত ককাইদেৱে ক'লে 'মোৰ ভোক লাগিছে আৰু ইয়াতে মোৰ দাদা এজন আছে ব'লা তাৰ পৰাই খাই আহো।' সভা প্ৰাঙ্গনৰ পৰা নৱকান্তৰ ককায়েক জীৱকান্ত বৰুৱাৰ ঘৰলৈ কেইখোজমানৰ বাট। তালৈ গৈ নবৌৰ আপ্যায়ন পাই মোৰ ভাব হ'ল যেন গৰমৰ দিনত এছাটি ঠাণ্ডা বতাহহে লাগিল। ভোক মোৰো লাগিছিল। মোকোৰা মোকোৰে খাই পেলালো। অলপ সময়ৰ পাছতে মোৰ অৱসাদখিনি আঁতৰিল। নাৰীৰ কল্যাণময়ী ৰূপৰ জানো কিবা তুলনা আছে। মা, আই, নবৌ, বাইদেউ এওঁলোক আছে বাবেইতো পৃথিৱীখন এতিয়াও তিষ্ঠি আছে। তাৰ পিছত যেতিয়াই সেই নবৌ গৰাকীক লগ পাইছো তেতিয়াই মই সেই দিনটোৰ কথা কৈছো। মোৰ অশেষ কৃতজ্ঞতাৰ পাছত আৰু নিজে উপলব্ধি কৰিছো। অসীম ঘৃণা আৰু স্নিগ্ধ ভালপোৱাৰ মাজত ভৌগোলিক দূৰত্ব অনেক সময়তেই কেইবেঙামানহে মাত্ৰ।

বৰ্তমান উলফাৰ যিবোৰ বৃত্তান্ত পঢ়ো সেইবোৰ পঢ়ি ভয় লাগে। আমাৰ দেশখন বহুজাতি। যদি ইয়াৰ মাজত কোনোবা এটা জাতিয়ে নিজকে নিপীড়িত বুলি ভাবে তেনেহলে খুব সহজে সেই জাতিটোৱে বিশ্বাসো কৰে যে তেওঁলোক নিপীড়িত। আমাৰ মাজৰ ৰাজস্থানীসকল। কেন্দ্ৰীয় চৰকাৰৰ প্ৰত্যেক প্ৰদেশ সম্বন্ধে অসীমাজ্ঞতা – এই সকলোবোৰ মিলি এনে ধাৰণা কৰা খুবেই সহজ। পশ্চিমবঙ্গত আজি প্ৰায় ১৫ বছৰ ধৰি অগ্ৰগতি বন্ধ হৈ আছে এনে ধাৰণাৰ বশবৰ্তী হোৱাৰ বাবেহে। বাংলা বন্ধ কৰে। কিন্তু কোন বাংলাৰ কথা সেয়া পাহৰি যায়। এই মনোভাবৰ লগত অস্ত্ৰ-শস্ত্ৰৰ সংযোগ ঘটিলে লোকচানটো বৃহৎ হয়। গিৰিধৰ শৰ্মাৰ ছপা কৰা বক্তৃতা লৈ আনন্দ বাজাৰ পত্ৰিকাৰ অফিচলৈ গলো। মই অসমৰ অগ্নিগৰ্ভ পৰিস্থিতি সম্পৰ্কে অৱগত কৰালো। অমিতদা তেতিয়াও আনন্দ বাজাৰ পত্ৰিকাতেই আছিল। তেখেতে কলে তুমি প্ৰথম প্ৰথম শুনিছা বাবেই ইমান উত্তেজিত হৈছা। এইবোৰ কথাকে শুনি শুনি আমি ডাঙৰ হৈছো। গতিকে এইবোৰ কথাই আমাৰ মনত কোনো প্ৰতিক্ৰিয়া নকৰে।

'চি পি এম কুকুৰহঁত নিপাত যাওক' বুলি দেৱালত তেতিয়াও লিখা হোৱা নাছিল। 'বহিৰাগতৰ' সমস্যাটো প্ৰথমে উত্থাপিত হৈছিল আৰু শেষত 'বিদেশী' শব্দটো আহিছিল। 'বিদেশী' শব্দটো শুনি প্ৰথমে মই স্তম্ভিত হৈছিলো। আমি যে ভাৰতবৰ্ষত বিদেশী এই কথাটো মানি লবলৈ টান পাইছো। প্ৰথমটো হিন্দু মধ্যবিত্ত বঙালী আৰু দ্বিতীয়টো মৈমনচিঙীয়া খেতিয়ক। দেৱকান্তৰ সেই দুই লি। শেখ মুজিবুৰ ৰহমানৰ 'ৰক্ত যখন দিয়েছি আৰো দেব, বাংলাদেশকে স্বাধীন কৰে ছাড়বো, জয় বাংলা' উক্তিয়ে মৈমনচিঙীয়াসকলক তেওঁলোকৰ প্ৰাচীন ভাষা সম্বন্ধে সচেতন কৰি তুলিলে। আনফালে পশ্চিমবঙ্গ চি পি এমৰ অভ্যুত্থানত পুলকিত হৈ আছে।

দুই-লি ৰ ওপৰত কংগ্ৰেছে আৰু আস্থা ৰাখিব নোৱাৰিলে।

এইবোৰ দেখি শুনি কি কৰা যায় সেই সম্পৰ্কে কোনোৱেই নিশ্চিত নহয়। বড়োসকলে তেওঁলোকৰ সুকীয়া সত্ত্বা সম্বন্ধে সজাগ হৈ উঠিছে। সেইবাবে চি পি এম কুকুৰক বঙালী কুকুৰ বুলি কলে কোৱাত অনেক সুবিধা। সেইসময়ত হোমেনে এইবোৰ কথা নাগৰিক ক্ৰাকতত লিখিছে। কিন্তু সিবিলাকৰ বাবে যুক্তি বিচাৰ-বিবেচনা আদি বালি ভেটাৰ দৰে ভঙ্গুৰ। সঁচা কথা কবলৈ গলে সমগ্ৰ পূৰ্ব ভাৰতেইতো অৱহেলিত। এইক্ষেত্ৰত সকলোৱে মিলি এই এলেকাক উন্নত কৰাৰ প্ৰয়োজন আছিল। কিন্তু সেইটো হৈ নুঠিল। অসমত চীনৰ আক্ৰমণ নোহোৱা হলে কি হ'লহেঁতেন ভাবিবলৈ ভয় লাগে। এতিয়াও এ-টি ৰোডত গাড়ী অচল হৈ পৰি থাকিলে যাতায়াত কৰাৰ অসুবিধা হয়। এতিয়ালৈকে অন্য এটা উত্তৰ দক্ষিণমুৱা ৰাস্তা নহ'ল। সৎ দেশপ্ৰেমীসকলে ক্ষমতাত দীৰ্ঘদিন থকা সত্বেও অসম এতিয়াও আগৰদৰে অনুন্নতেই হৈ আছে। তাৰ বাহিৰেও কলেজত যিবোৰ পঢ়ো সেইমতেতো অসমখন অনেক সোণামুৱাৰ ... কেৱল অসমৰেই নহয় গোটেই পূৰ্বভাৰতৰ বঙালীয়ে নিজকে বিধাতাৰ শ্ৰেষ্ঠ সৃষ্টি বুলি ভাবে। এই উচ্চমন্যতাৰ কোনো কাৰণ নাই। ৰবীন্দ্ৰনাথে বঙালী ভাষা কৈছিল বুলি বঙালীসকলৰ কোনো মহিমা বৃদ্ধি হোৱা নাই। বঙালী ভাষা অৱশ্যে সমৃদ্ধ হৈছে। কিন্তু বঙালী মধ্যবিত্ত 'এতিয়াতো ইংৰাজী শিক্ষা আৰু পশ্চিমীয়া ভাবধাৰাৰ প্ৰতি বেছি আগ্ৰহী। অসমতো সেই একেই ঘটনাই ঘটিছে। বিত্তবান অসমীয়া লোকে তেওঁলোকৰ পুত্ৰ-কন্যাক জয়পুৰ, দিল্লী আদিলৈ পঢ়িবলৈ পঠায়। আগেয়ে যিসকলে প্ৰেচিডেন্সী কলেজ, কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰতি অনুৰক্ত আছিল তেওঁলোকে চেন্ট ষ্টিফেচন্ কলেজ বেছি পছন্দ কৰে। আগেয়ে যিসকলে The Statesman বা Amrita Bazar Patrika পঢ়িছিল তেওঁলোকে আজিকালি Times of India, Hindustan Times পঢ়ে। এতিয়া দিল্লীৰ সৈতে সমগ্ৰ ৰাজ্যৰ ৰাজধানীবোৰৰ বিমান সেৱা আৰম্ভ হৈছে। এতিয়া পূৰ্বভাৰতৰ কলিকতাৰ প্ৰয়োজন নাই। তাৰ বাবে বঙালীসকলৰ বিচলিত হোৱাৰ কাৰণ অৱশ্যে নেদেখো। তেওঁলোকে তেওঁলোকৰ নিজৰ সংস্কৃতিৰ সঠিক মূল্য দিলেই তেওঁলোকৰ উন্নতি হ'ব। ক্ষমা কৰিব পাঠক, মই কিন্তু অনেক অসমীয়া লোকক এতিয়াও কলিকতাক সশ্ৰদ্ধ সন্মান কৰা দেখিছো। ইয়াৰ কাৰণ নাজানো। আনফালে পাটনাত শুনিছো 'কলকত্তা অউৰ পাটনা মে কুছ ফাৰাক নেহি হ্যয়। চিৰ্ফ হমাৰা পাটনাচে টি. ৰাম নেহি। টি. ৰাম হোনেচে হমলোগ বৰাবৰ হো যায়েগা।'

বিদেশী বিতাৰণৰ সময়ত কিছু সংখ্যক অসমীয়া ডেকাই 'বৰদলৈ ট্ৰফী' ইষ্টবেঙ্গল ক্লাবক দিয়াৰ পৰিবৰ্তে নৰ্দমাত পেলাই দিয়াই অধিক শ্ৰেয় বুলি ভাবিছিল। এই কথাটোৱে মোৰ মনত বৰ বেজাৰ দিছিল। গোপীনাথ বৰদলৈ আমাৰো নেতা আছিল। সেইবাৰ মোহনবাগান আৰু মহমেদানৰ মাজত ফাইনেল খেলত অৱতীৰ্ণ হৈছিল। গতিকে মই 'টুৰ' গুৱাহাটীৰ ফালে কৰি ললো যাতে ফাইনেল খেলখন চাব পাৰো। ফাইনেল খেলৰ আগদিনা বেলিভিউ হোটেলত উঠিলোগৈ। হোটেলৰ ল'ৰাটো মোৰ দৰেই খেল পাগল আছিল। সি মোক এমোকোৰা হাঁহিৰে কলে মোহনবাগানসকল জুৱাচোৰ। মই নিজে মোহনবাগানৰ প্ৰাক্তন সদস্য। আমাৰ ক্লাবৰ বিষয়ে অন্য কোনোৱে এনেকুৱা মন্তব্য কৰিলে মই লগে লগে তাক চৰ সোধাই দিলোহেঁতেন। কিন্তু সময়ৰ

**অসম সাহিত্য সভাৰ প্ৰতি সেই অঞ্চলৰ কৃষক আৰু অন্যান্য গাঁৱৰ মানুহৰ আগ্ৰহ দেখি মোৰ বৰ ভাল লাগিছিল। মই বিভিন্ন ঠাইত বিভিন্ন সাহিত্য সভাত যোগদান কৰিছো কিন্তু মানুহৰ এনে আগ্ৰহ কতো দেখা নাই। ইয়াৰ কাৰণ দুটা হ'ব পাৰে। অসমীয়া সাহিত্যই যি স্তৰ পাইছে পৃথিৱীৰ কোনো সাহিত্যই সেই স্তৰ পোৱা নাই নাইবা এই বাৰ্ষিক অধিবেশনবোৰ একোখন মেলাৰ দৰে বাবেই গাঁৱৰ সৰ্বসাধাৰণ মানুহক এনেদৰে আকৃষ্ট কৰিব পাৰে।**

দুৰ্বিপাকত সকলো ইচ্ছাই পূৰোৱা সহজ কথা নহয়। তথাপিও ল'ৰাটোক মই নিস্তেজ কণ্ঠেৰে সুধিলো কোৱাচোন কি জুৱাচুৰি কৰিছে। ল'ৰাটোৱে কলে কোৱাৰ্টাৰ ফাইনেল খেলত জুৱাচুৰি কৰি পেনাল্টি লৈছে। মই বিস্মিত হৈ তাক পুনৰ প্ৰশ্ন কৰিলো বৰদলৈ ট্ৰফীত জানো ৰেফাৰী নাথাকে? ল'ৰাটোৱে ক'লে ৰেফাৰীটোকতো মোহনবাগানে কিনি লৈছে। মই তাক পুনৰ প্ৰশ্ন কৰিলো – ৰেফাৰীজন জানো অসমীয়া নহয়? ল'ৰাটোৱে কলে অসমীয়া হ'ল কি জগৰ লাগিল? তাক নিশ্চয় টকাৰ লোভ দেখুৱাইছে। মই তাক সুধিলো – ফাইনেল খেলৰ টিকট পামনে? সি কলে যে টিকেট হেনো ব্লেক হৈছে।

মই নিজে মোহনবাগান ক্লাবৰ সদস্য। ৰাইনো ট্ৰেভেলচৰ গোপাল বৰুৱাক টিকটৰ কথা কোৱাত তেখেতে মোক এটা টিকট যোগাৰ কৰি দিলে। দাম ২৫ টকা। মই ইমান টকা খৰচ কৰি কেতিয়াও মোহনবাগানৰ খেল চোৱা নাই। খেলৰ দিনা মোহনবাগান দলটো যিখন হোটেলত আছিল তালৈ গৈ মোহনবাগানৰ কোচ প্ৰদীপ বেনাৰ্জীলৈ চিঠি লিখি থৈ আহিলো যে মই এজন প্ৰাক্তন মোহনবাগান সদস্য। ইয়াত আহি দেখিছো মোহনবাগানৰ প্ৰতি মানুহৰ তীব্ৰ ঘৃণা। বিশেষকৈ সুব্ৰত ভট্টাচাৰ্য্যৰ মূৰ বিচাৰে এওঁলোকে। এই কথাবোৰ বেলিভিউ হোটেলৰ ল'ৰাটোৰ মুখে শুনা। মই মিনতি কৰিলো মোহনবাগানৰ খেলুৱৈসকলে যাতে ভাল খেল প্ৰদৰ্শন কৰে। ফলাফল যিয়েই নহওক।

পিছদিনা হোটেলৰ ল'ৰাজনে মোক ব্ৰেকফাষ্ট দি কৈ গ'ল মোহনবাগান আজি ৩ গলত হাৰিব। মই তাক সুধিলো তেনেধৰণৰ কোনো চুক্তি হৈছে নেকি? সি তেতিয়া খুব জোৰেৰে কলে এইবাৰ মহমেদামে নাকনি-কাননি কৰিহে এৰিব।

খুব ভাল ঠাইত মই টিকট পাইছিলো। কিন্তু ভালদৰে খেল চাব নোৱাৰিলো। কাৰণ সমুখত যুৱশক্তিয়ে এনেদৰে ভিৰ কৰি ঠিয় হৈছিল যে খেল ভালদৰে চোৱাত যথেষ্ট অসুবিধা হৈছিল। মোহনবাগানে কিন্তু ৪–১ গলৰ ব্যৱধানত জয়লাভ কৰিছিল। ৰাতি ডিনাৰৰ সময়ত সেই ল'ৰাজনৰ ম্লানমুখ দেখি কৈছিলো – বুজিছা মোহনবাগান বা ইষ্টবেঙ্গল ক্লাবে খেলিবলৈ আহিলে তোমালোকৰ কোনোৱে ট্ৰফী নোপোৱা। তেওঁলোক খেলিবলৈ নাহিলে তোমালোকৰো দুপইছা পোৱাৰ আশাত চেঁচাপানী পৰিব। গতিকে যি গাই গাখীৰ দিয়ে সেই গাইক নিৰ্যাতন কৰিব নাপায়। অৱশ্যে এইবাৰৰ পাছত মোহনবাগানে যাতে বৰদলৈ ট্ৰফীত ভাগ নলয় তাৰ বাবে মই চেষ্টা কৰিম। সেইদিনাৰ খেলৰ পাছত দুই এখন বঙালী দোকানৰ ওপৰত আক্ৰমণ কৰা হৈছিল। কলিকতালৈ ঘূৰি অহাৰ পাছত গোটেই ঘটনাৰ বিস্তৃত বিৱৰণেৰে মোহনবাগানৰ কৰ্মকৰ্তাসকলক অনুৰোধ কৰিছিলো যাতে অসমত বসবাস কৰা বঙালী লোকসকলৰ স্বাৰ্থতেই মোহনবাগানে কোনো ট্ৰফী খেলিবলৈ নাহে। যোৱাবছৰ বেঙ্কক স্পোৰ্চ অথৰিটিৰ বিৰুদ্ধে ইষ্টবেঙ্গলে অতি ভাল খেল খেলিও খেলপথাৰত অনেক টিটকাৰীহে পাইছিল। কলিকতাৰ দলবোৰৰ প্ৰকৃত লক্ষ্য হৈছে লীগ, চিল্ড, ডুৰাণ্ড, ৰোভাৰ্চ আদিৰ প্ৰতি। কেইটামান পইছাৰ বাবে অন্য খেল খেলিবলৈ যায়। আমাৰ কথাৰ কি আহে যায়। তথাপিও মোহনবাগানে কিন্তু বৰদলৈ ট্ৰফী খেলিবলৈ আৰু অহা নাই। কিন্তু মই আশা কৰিছো আকৌ মোহনবাগান বৰদলৈ ট্ৰফী খেলিবলৈ যাব, আকৌ জয়লাভো কৰিব। মই বহুবাৰ সেই ল'ৰাজনৰ কথা ভাবিছো। বঙালী হিন্দুসকলৰ প্ৰতি তাৰ কিয় এনেধৰণৰ ঘৃণা? ঐতিহাসিক কাৰণত? সেই বছৰ মহমেদান দলটোৰ এঘাৰজনৰ ভিতৰত বেছি ভাগেই আছিল বঙালী হিন্দু ব্ৰাহ্মণ। ভালপোৱাৰ দৰে ঘৃণাৰো কোনো যুক্তি নাই; মই অৱশ্যে ভাবি পাৰ পোৱা নাই।

অতি উচ্চশিক্ষিত ধীৰেণ বেজবৰুৱা আৰু অশিক্ষিত ল'ৰাটোৰ মাজত এটা কথাৰ মিল আছিল সেইটো হ'ল বঙালীৰ কথা কলেই কেনেধৰণে উজ্জীৱিত হৈ উঠে। ব্যক্তি বিশেষে মানুহৰ সৈতে মোৰ অভিজ্ঞতা মাথো ভালপোৱাৰ, ভাল লগোৱাৰ। সি ডিব্ৰুগড়ৰেই হওক বা যোৰহাটৰেই হওক নাইবা পলাশবাৰীৰেই হওক। মোৰ ভতিজা ল'ৰাই চাকৰি সূত্ৰে গুৱাহাটীলৈ গৈছিল। তেওঁ গুৱাহাটীত মোৰ ভতিজা ল'ৰা বুলি একেধৰণৰ সমাদাৰ লাভ কৰিছে। কৃতজ্ঞতাৰে মোৰ মন ভৰি পৰিছে। মোৰ অসুস্থতাৰ খবৰ শুনি অনিল গোস্বামীয়ে মোৰ আৰোগ্যৰ বাবে কামাখ্যাত পূজা দিছে। আনকি ঘৰলৈ আহি মোক প্ৰসাদ, ফুল কাপোৰ পৰ্যন্তও দি গৈছে। মই ভাষাৰে এই কৃতজ্ঞতা প্ৰকাশ কৰিব নোৱাৰো। এই দীৰ্ঘদিনৰ অসুস্থতাৰ মাজত মই কিমানবাৰ যে সপোনত গুৱাহাটীৰ ব্ৰহ্মপুত্ৰৰ শোভা দেখা পাইছো তাৰ তুলনা নাই। কেতিয়াবা উলুবাৰীত কেতিয়াবা নগাঁওত মোৰ মন উৰি ঘূৰি ফুৰিছে।

আকৌ ঘৃণাৰ কথালৈ আহো। মানুহে যিকোনো বস্তু বিচাৰে নিজ অভিজ্ঞতাৰ দ্বাৰা। দেশ বিভাজনৰ পাছৰ পৰাই বঙালীৰ মেৰুদণ্ড ভাঙি পৰিছে। বঙালী মধ্যবিত্ত উড়িয়া বা অসমীয়া মধ্যবিত্ততকৈ দৰিদ্ৰ। বঙালীৰ এক বিৰাট অংশই তেওঁলোকৰ ল'ৰা-ছোৱালীক নিজৰ ভেটি বা স্কুল-কলেজ দেখুৱাব নোৱাৰে। তথাপিও পশ্চিমবঙ্গত মুছলমান বিদ্বেষ প্ৰায় নাই। তাৰ বাহিৰেও সংখ্যালঘুসকলক লৈ বঙালীসকল খুব বিচলিত বুলি মোৰ মনে নধৰে।

মূল কলিকতাতে বঙালীসকল সংখ্যালঘু। কলিকতাৰ ভূসম্পত্তিও আৰু বঙালীৰ হৈ থকা নাই। তথাপিও কলিকতা বঙালীৰ নহয় বুলি কবলৈ জানো কাৰোবাৰ সাধ্য আছে। সংখ্যা লৈনো কি হয়। যি ৰাজ্যত ভবেন শইকীয়া, বীৰেন্দ্ৰ ভট্টাচাৰ্য্যৰ দৰে লেখক-চিত্ৰপৰিচালক আছে, নামী চিত্ৰকৰসকল আছে তেওঁলোকেনো কাক পৰোৱা কৰে। অসমীয়াই যে নিজকেই সন্মানিত কৰিবলৈ অপাৰগ সেই কথা মই বুজি পাইছো। নহলে উষা ভট্টাচাৰ্যৰ দৰে মহিলাই স্ত্ৰীশিক্ষা প্ৰসাৰৰ বাবে ইমান কাম কৰা সত্বেও তেওঁক পুৰস্কৃত কৰিবৰ বাবে অসম চৰকাৰে কোনোধৰণৰ উদ্যম নললে। তাৰ বাহিৰে মই বৰ ডাঙৰ চহৰত বাস কৰিছো বুলি মানুহৰ ব্যক্তিগত জীৱন লৈ মোৰ কোনোধৰণৰ মূৰৰ বিষ নাই। আমাৰ মাজৰেই অনেক ব্যক্তি আছে যিসকলে সত্যজিত ৰায়ে তোলা ছবি পছন্দ নকৰে। সুনীল গঙ্গোপাধ্যায়ৰ লেখাক মামুলি লেখাতকৈও বেয়া লেখা বুলি ভাবে। কিন্তু কলিকতালৈ আহিয়েই কোনো অবঙালী লোকে এওঁলোকৰ সম্বন্ধে ব্যক্তিগত কুৎসা ৰটনা কৰা শুনা নাপায়। অসমলৈ গৈ কিন্তু মই আগ্ৰহ নথকা সত্বেও বহুতৰে সম্বন্ধে বহু কথা শুনিছো যিবোৰ কথা শুনাৰ প্ৰতি মোৰ কোনো আগ্ৰহ নাই নহয়। এইবোৰ কথা মই আগেয়েও বুজি পোৱা নাছিলো। এতিয়াও নাপাওঁ।

অসমো তাৰ ব্যতিক্ৰম নহয়। এই কুৎসা ৰটনা আমাৰ জাতীয় চৰিত্ৰ। উৰিষ্যাত এইটো আছে। পশ্চিমবঙ্গতো নাই বুলি নকওঁ। কিন্তু কম আছে। নিজৰ শ্ৰেষ্ঠত্ব লৈ সকলোৱে কম বেছি পৰিমাণে বাহাদুৰি কৰে। মোৰ প্ৰাক্তন সহকৰ্মী ভাইয়াদাদাই কৈছিল তেখেতে অসমীয়া ভাষা কবলৈও পাৰে বুজিও পায়। ভাইয়াদাদাৰ আদি নিবাস মৈমনসিং। মোৰ কুটুম্বিনী মৈমনসিঙৰ। গতিকে মই শহুৰৰ ঘৰৰ মানুহক খাতিৰ কৰো। আৰু যিহেতু মোৰ কুটুম্বিনীৰ এজন দাদাৰ সৈতে কিছুদিন এখন স্কুলতেই পঢ়িছিল গতিকে তেখেতে প্ৰায়েই মোৰ অভিভাৱকৰ ভূমিকা পালন কৰিছিল। সেইবাৰ যোৰহাটৰ গেষ্ট হাউচত একেলগে আছিলো। গেষ্ট হাউচৰ ৰান্ধনিটোৰ নাম আছিল গন্ধেশ্বৰ গঁগৈ। ভাইয়াদাই তাক কলে আজি চিলঙৰ মাছ আনিবা। কালজিৰা পিহি জোল ৰান্ধিব পাৰিবা? গন্ধেশ্বৰে সকলো বস্তু ৰান্ধিব পাৰে। মইও খুব সুখী হলো। অমলে খুওৱা সেই জোলৰ সুখকৰ স্মৃতি মনত আছেই। গেষ্ট হাউচৰ পৰা ওলায়েই আকৌ চুকলৈ গ'ল ভাইয়াদাদা, গন্ধেশ্বৰক কলে শুনিছা গন্ধেশ্বৰ আঞ্জাখনত মৰীচ দিবা কিন্তু। গন্ধেশ্বৰে বুজি পোৱা বুলি মূৰ দুপিয়ালে।

ৰাতি খাবলৈ বহি দেখো আঞ্জাখনৰ ৰংটো খুব ক'লা হৈছে। কালজিৰা বটাৰ জোল ক'লাই হ'ব বুলি খাবলৈ বহিহে বুজি পালো ঘটনাটো কি ঘটিছে। ভাইয়াদাই মৰীচ বুলি জলকীয়াক বুজাইছিল। আৰু গন্ধেশ্বৰে বুজিছে জালুক বুলি। ইমান জালুকৰ গুৰি দিছিলে যে মোৰ ডিঙি জ্বলাত চেক-চেকাই গৈছিল। ভাল হওঁতে বেচ কিছুদিন লাগিছিল।

যোৱা এবছৰ ধৰি ব্ৰেইনত তীব্ৰ ৰক্তক্ষৰণ হৈ শৰীৰৰ এফাল মোৰ অবশ হৈ আছে। তথাপিও মই আশা ৰাখিছো মই অসমলৈ আকৌ যাম। পাৰিলে আকৌ এবাৰ চিলঙলৈ যাম। প্ৰথম বুজি পাইছিলো অসমীয়া ভাষা আমাৰ কত ওচৰৰ। চিলঙৰ খাচীভাষীসকলে খাচী ভাষাত কথা কয় আৰু বঙালীসকলে চিলেটি ভাষাত কথা কয়। দুয়োটা ভাষাই মোৰ বাবে অবোধ্য। গতিকে অসমীয়া ভাষা শুনিলে প্ৰাণত আনন্দৰ সঞ্চাৰ হয়। প্ৰিয় পাঠক, এইবাৰ বিদায় লোৱাৰ পাল। ভালে থাকিব নিশ্চয়। কলিকতালৈ আহিলে আমাৰ তালৈ নিশ্চয় আহিব। মাছৰ আঞ্জাৰে ভাত সাজ আমাৰ লগত খালে মই বৰ সুখী হম। মোৰ পত্নীৰ ধাৰণা অসমীয়া ভাষা আৰু মৈমনসিঙীয়া ভাষা প্ৰায় একেই। খং নাখাব। মোক এজন নামকৰা অসমীয়া লোকে কৈছিল বঙালী ভাষা আৰু অসমীয়া একেই। বাংলাত এটা 'ট'। আমাৰ দুটা। এটা দন্ত ট আৰু এটা অন্তষ্ট ট। মই ভাল পাইছিলো আপোনাৰ লগত আলোচনা কৰিও আনন্দ পাম। সূ

# বিজ্ঞান আৰু বিশ্বাস

ড০ পবিত্ৰ বৰগোহাঞি

বস্তুনিষ্ঠ জ্ঞান আৰু বিশ্বাস মানুহৰ জীৱনযাত্ৰাৰ এই অন্যতম পাথেয় দুটাৰ মাজত যোগসূত্ৰ স্থাপনৰ উপায় সততে বিচাৰি পোৱা নেযায়। বহুতৰ মতে বিশ্বাসৰ বৰ্ম খুলি নললে বিশুদ্ধ জ্ঞানৰ অন্বেষণ সাৰ্থক নহয়। বিজ্ঞান চৰ্চা মানেই হ'ল বিশুদ্ধ জ্ঞানৰ সাধনা। জ্ঞান আৰু যুক্তিৰ পোহৰত প্ৰতিটো দিশ সূক্ষ্মভাৱে বিচাৰ কৰি চাইহে একোটা বৈজ্ঞানিক তত্ত্ব আগবঢ়োৱা হয়। বিজ্ঞানত বিনা বিচাৰে কেৱল প্ৰয়োজনীয়তাৰ ভিত্তিত কোনো কথাকে সত্য বুলি গ্ৰহণ কৰা নহয়। আনহাতে ঐতিহ্য আৰু সংস্কৃতি চেতনাই আমাৰ মনত জন্ম দিয়া মানৱীয় প্ৰমূল্যসমূহে এনে কিছুমান বিশ্বাসক প্ৰশ্ৰয় দিয়ে যিবোৰৰ বেছিভাগৰেই যুক্তিযুক্ততা বৈজ্ঞানিক তত্ত্বসমূহৰ দৰে প্ৰমাণ কৰিব নোৱাৰি। সেইবোৰৰ চালিকাশক্তিৰ আহৰণক্ষেত্ৰ বিজ্ঞানৰ ক্ৰিয়াভূমি বস্তুজগত নহয়। সেয়েহে বিজ্ঞান আৰু ধৰ্মৰ মাজৰ সম্পৰ্ক বৰ মধুৰ নহয়। ধৰ্ম আৰু বিজ্ঞানৰ মাজত চলি থকা শীতল যুদ্ধৰ মূল কাৰণ হ'ল ধৰ্মত জ্ঞান আৰু যুক্তিৰ লগতে বিশ্বাসকো সমানে আসন দিয়া হয় কিন্তু বিজ্ঞানত বিশ্বাসৰ বাবে কোনো আসন ৰখা হোৱা নাই। কিন্তু আমি যদি সূক্ষ্মভাৱে পৰীক্ষা কৰি চাওঁ দেখিবলৈ পাম যে আধুনিক বিজ্ঞানৰ প্ৰকাণ্ড সৌধটো গঢ়ি উঠিছে কিছুমান বিশ্বাসৰ ভিত্তিতেই। এই বিশ্বাসসমূহ হয়তো ধৰ্মীয় বিশ্বাসৰ সমাৰ্থক নহব পাৰে কিন্তু ধৰ্মীয় বিশ্বাসৰ দৰেই এইবোৰ বিশ্বাসৰ যুক্তিযুক্ততা বিচাৰিও আমি বহুতো সময়ত বিমোৰত পৰো। তাৰ কাৰণ হয়তো এনে হব পাৰে যে বিজ্ঞান চৰ্চাৰ সময়ত প্ৰকৃতিৰ যিটো ৰূপ আমাৰ চকুৰ আগত প্ৰতিভাত হয় সেই ৰূপটোৰ গঢ় দিয়াত সক্ৰিয় ভূমিকা গ্ৰহণ কৰে আমাৰ প্ৰজ্ঞা আৰু কল্পনাই। কিন্তু আমাৰ মনৰ সকলো ক্ৰিয়া প্ৰভাৱিত হয় আমাৰ ঐতিহ্য চেতনা আৰু সমসাময়িক চিন্তাধাৰাৰ দ্বাৰা। আমাৰ এই প্ৰকৃতি দৰ্শন প্লেটো'ৰ দ্বাৰা বৰ্ণিত সেই জেলৰ কয়দীৰ বহিঃবিশ্ব দৰ্শনৰ দৰেও হব পাৰে। গ্ৰীক দাৰ্শনিক প্লেটো'ৰ The Republic নামৰ গ্ৰন্থত বৰ্ণিত এটা তাৎপৰ্যপূৰ্ণ চিত্ৰত কেইজনমান বন্দীক এটা গুহাৰ ভিতৰত শিকলিৰে এনেদৰে বান্ধি ৰখা হৈছিল যে তেওঁলোকে গুহাৰ ভিতৰৰ পৰা বাহিৰৰ বস্তুবোৰৰ কেৱল ছাঁবোৰহে দেখিবলৈ পায় প্ৰকৃত বস্তুবোৰ দেখা নেপায়। কিছুদিনৰ পাছত তেওঁলোকক যেতিয়া মুকলি কৰি দিয়া হ'ল তেতিয়া তেওঁলোকে সদায় দেখি থকা এই ছাঁবোৰকে প্ৰকৃত বস্তু বুলি ভাবিবলৈ ধৰিলে। প্ৰকৃত বস্তুবোৰৰ উজ্জ্বলতাৰ কাৰণে তেওঁলোকে সেইবোৰৰ ফাললৈ দৃষ্টি নিবই নোৱাৰিলে। লাহে লাহে যেতিয়া তেওঁলোক বাহিৰৰ পোহৰৰ প্ৰতি অভ্যস্ত হ'ল তেতিয়াহে তেওঁলোকে বাহিৰৰ সুন্দৰ পৃথিৱীখনৰ প্ৰকৃত ৰূপ দেখা পালে। আমি সকলোৱেই আমাৰ মনৰ গহ্বৰত আৱদ্ধ হৈ থাকো। যিমানেই আমি এই গহ্বৰৰ দুৱাৰ খিৰিকি বঢ়াব পাৰো সিমানেই আমি প্ৰকৃতিক অধিক সুন্দৰ ৰূপত দেখা পাবলৈ আশা কৰিব পাৰো।

বিজ্ঞানত আমি প্ৰকৃতিৰ বুকুত ঘটি থকা বিভিন্ন পৰিঘটনাবোৰ অধ্যয়ন কৰো আৰু এই অধ্যয়নলব্ধ জ্ঞানৰ ভিত্তিত একোটা বৈজ্ঞানিক তত্ত্ব বা সূত্ৰ আৱিষ্কাৰ কৰো। প্ৰাৰম্ভিক পৰ্যায়ত আমাৰ অধ্যয়ন আৰম্ভ হয় আমাৰ ইন্দ্ৰিয়গ্ৰাহ্য বস্তুবোৰক লৈ বা আমি প্ৰত্যক্ষ কৰা পৰিঘটনাবোৰক কেন্দ্ৰ কৰি। উদাহৰণ স্বৰূপে বল প্ৰয়োগৰ ফলত বস্তুৰ অৱস্থাৰ পৰিবৰ্তন কেনেদৰে হয় সেইটো নিউটনৰ গতিবিষয়ক সূত্ৰই আমাক দিছে। গছৰ পৰা পকা ফল সৰি পৰাৰ কাৰণ মহাকৰ্ষণ বলৰ সূত্ৰৰ পৰা আমি জানিব পাৰিছো। চুম্বক এডালে লো এটুকুৰা আকৰ্ষণ কৰাৰ কাৰণো চুম্বকৰ বল সম্পৰ্কীয় সূত্ৰই আমাক বুজাই দিছে। এইবোৰ সূত্ৰৰ সত্যতা পৰীক্ষাগাৰত সন্দেহাতীতভাৱে প্ৰমাণ কৰিবও পাৰি। কিন্তু আমাৰ বাস্তৱ অভিজ্ঞতাৰ জগতখনৰ পৰা কিছু উৰ্ধলৈ গৈ এই সূত্ৰসমূহ প্ৰয়োগ কৰিবলৈ বিচাৰিলে এই সূত্ৰসমূহৰ দুৰ্বলতাবোৰ প্ৰকট হৈ পৰে। উদাহৰণস্বৰূপে নিউটনৰ গতিবিষয়ক সূত্ৰকেইটা প্ৰয়োগ কৰিবৰ সময়ত আমি ধৰি লওঁ যে বস্তু এটাৰ ভৰ এটা ধ্ৰুৱক ৰাশি – বস্তুটোৰ বেগ বা ত্বৰণৰ লগত ইয়াৰ মানৰ কোনো পৰিবৰ্তন নহয়। দৈনন্দিন জীৱনত আমি যিবোৰ বেগৰ লগত পৰিচিত যেনে নদীৰ সোঁতৰ বেগ, মটৰ গাড়ীৰ বেগ বা আকাশী জাহাজৰ বেগ এইবোৰ বেগত গতি কৰি থকা বস্তুৰ বেগৰ লগত ভৰৰ কোনো পৰিবৰ্তন আমি নেদেখো। কিন্তু আমি যদি ইলেকট্ৰন, প্ৰ'টন আদি মৌলিক কণিকাবোৰৰ বেগৰ কথালৈ আহো বা পোহৰৰ বেগৰ সমপৰ্যায়ত গতি কৰি থকা কোনো বস্তুৰ কথা ভাবো আমি দেখিম যে এনেবোৰ ক্ষেত্ৰত বস্তুটোৰ ভৰ তাৰ বেগৰ ওপৰত নিৰ্ভৰশীল হৈ পৰে। বস্তুটোৰ বেগ যিমানেই বাঢ়িবলৈ ধৰে তাৰ ভৰো সিমানেই বৃদ্ধি পাবলৈ ধৰে। গতিকে আমি দেখিলো যে নিউটনৰ গতি বিষয়ক সূত্ৰ যাক সাধাৰণভাৱে নিউটনীয় বলবিজ্ঞান বুলি কোৱা হয় এই বল বিজ্ঞানৰ প্ৰয়োগ ক্ষেত্ৰ সীমিত। বেগৰ লগত বস্তুৰ ভৰৰ পৰিবৰ্তন হোৱা এই ঘটনাটো ব্যাখ্যা কৰিবৰ বাবে যিটো তত্ত্ব আৱিষ্কৃত হ'ল সেইটো হৈছে আইনষ্টাইনৰ বিশেষ আপেক্ষিকতাবাদ তত্ত্ব। সেইদৰে নিউটনৰ মহাকৰ্ষণ সূত্ৰৰ সহায়ত দোলক ঘড়ী এটাৰ দোলনকাল ব্যৱহাৰিক অৰ্থত আমি সম্পূৰ্ণ শুদ্ধকৈয়ে নিৰূপণ কৰিব পাৰো অথবা বছৰৰ কোনোবা এটা দিনৰ কোনোবা এটা সময়ত অহৰহ নিজ কক্ষপথত ঘূৰি থকা পৃথিৱীৰ অৱস্থান শুদ্ধকৈ নিৰ্ণয় কৰিবও পাৰো। কিন্তু আমি যদি বুধ গ্ৰহৰ কক্ষপথটো সূক্ষ্মভাৱে নিৰীক্ষণ কৰো তেন্তে দেখিম যে নিউটনৰ মহাকৰ্ষণ তত্ত্বই এই কক্ষপথটো যেনে ধৰণৰ হৈ থাকিব বুলি ঘোষণা কৰিছে কক্ষপথটো প্ৰকৃততে সদায় তেনে ধৰণৰ হৈ নেথাকে। সেইদৰে সূৰ্য গ্ৰহণৰ সময়ত (আন সময়ত সূৰ্যৰ পোহৰৰ বাবে ইয়াৰ ওচৰেদি পাৰ হৈ অহা আন নক্ষত্ৰৰ ৰশ্মি পৃথককৈ দেখা নেযায়) দূৰৰ নক্ষত্ৰৰ পৰা অহা পোহৰৰ ৰশ্মি নিৰীক্ষণ কৰিলে দেখা যায় যে সূৰ্যৰ কাষ পোৱাৰ সময়ত এই ৰশ্মিবোৰে পোন বাটেৰে নাহি সূৰ্যৰ গাৰ ফালে বেঁকা হৈ যায়। কিন্তু দৈনন্দিন জীৱনত আমি সদায় দেখি আহিছো যে পোহৰৰ ৰশ্মি সদায় পোন বাটেৰেই গতি কৰে। এইবোৰ পৰিঘটনাৰ কাৰণ নিউটনৰ মহাকৰ্ষণ সূত্ৰই ব্যাখ্যা কৰিব নোৱাৰে। নিউটনৰ মহাকৰ্ষণ সূত্ৰই ব্যাখ্যা কৰিব নোৱাৰে। নিউটনৰ সূত্ৰৰ এই সীমাবদ্ধতা দূৰ কৰিছে আইনষ্টাইনৰ সাধাৰণ আপেক্ষিকতাবাদ তত্ত্বই। বিজ্ঞান সাধনালব্ধ জ্ঞানৰ বিৰাট ভঁৰালটো এনে ধৰণৰ বহুতো সূত্ৰ বা তত্ত্বৰে ঠাহ খাই আছে যিবোৰৰ প্ৰয়োগক্ষেত্ৰ অতি সীমিত। কিন্তু আমি এতিয়াও নিউটনীয় বল বিজ্ঞান বা এনেধৰণৰ "অসম্পূৰ্ণ" বা আংশিক শুদ্ধ তত্ত্ববোৰ পৰিত্যাগ কৰা নাই। তাৰ কাৰণ ঘাইকৈ দুটা। প্ৰথম কথা হ'ল দৈনন্দিন জীৱনত এই সূত্ৰসমূহ প্ৰয়োগ কৰি আমি কোনো ধৰণৰ বিপদত পৰা নাই। তাতোকৈ ডাঙৰ কথা হ'ল আপেক্ষিকতাবাদ, কোৱাণ্টাম তত্ত্ব আদি যিবোৰ অধিক শুদ্ধ বা উন্নত তত্ত্ব আৱিষ্কৃত হৈছে সেইবোৰ ইমানেই জটিল যে সেইবোৰ প্ৰয়োগ কৰিবৰ কাৰণে প্ৰচুৰ বুদ্ধিবৃত্তি আৰু সময়ৰ প্ৰয়োজন। গতিকে দৈনন্দিন জীৱনত প্ৰয়োগৰ বাবে এই সূত্ৰবোৰ সুবিধাজনক নহয়।

বিজ্ঞানৰ এই আংশিক সত্য তত্ত্বসমূহৰ প্ৰতি আমাৰ যি বিশ্বাস সি আমাৰ কিছুমান ধৰ্মীয় বিশ্বাসৰ সমতুল্য। অৱশ্যে বিজ্ঞান জগতত প্ৰচলিত যি বিশ্বাসৰ কথা আমি কব খুজিছো তাৰ লগত ধৰ্মৰ লগত জড়িত বিশ্বাসৰ এটা মৌলিক পাৰ্থক্য আছে। পাৰ্থক্যটো হ'ল ভগৱানৰ অস্তিত্বক লৈ। আমি সাধাৰণতে ধৰ্ম বুলিলে যিবোৰ মতবাদৰ কথা বুজো যেনে হিন্দু ধৰ্ম, খৃষ্টান ধৰ্ম বা ইছলাম ধৰ্ম সকলোতে এই বিশ্বসংসাৰৰ স্ৰষ্টা আৰু পালন কৰোতা এজন সৰ্বশক্তিমান সৰ্বব্যাপ্ত পৰমেশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰি লোৱা হয়। এই সংসাৰত সংঘটিত সকলোবোৰ ঘটনাৰ তেঁৱেই কাৰণ। কিন্তু তেওঁ নিজে কাৰণহীন। মানুহৰ বিচাৰ বুদ্ধিয়ে ধাৰণা কৰিব পৰা সকলোবোৰ গুণৰ দ্বাৰা তেওঁ অলংকৃত। কিন্তু বিজ্ঞান চৰ্চাৰ মূল লক্ষ্যটোৱেই এনেকুৱা যে ইয়াত এনে এজন সকলো কাৰণৰে কাৰণস্বৰূপ এজন কাৰণহীন ভগৱানৰ অস্তিত্ব মানি লব নোৱাৰি। বিজ্ঞান চৰ্চাত আমি প্ৰকৃতিৰ বুকুত ঘটি থকা পৰিঘটনাসমূহ সূক্ষ্মভাৱে অধ্যয়ন কৰি সেইবোৰৰ সংঘটনৰ যুক্তিসঙ্গত কাৰণ বৈজ্ঞানিক তত্ত্বৰ ৰূপত দাঙি ধৰো। বহুত সময়ত বিজ্ঞানে বহুতো ঘটনাৰ সঠিক ব্যাখ্যা দিব নোৱাৰে। ইয়াৰ কাৰণ আমাৰ লব্ধজ্ঞানৰ সীমাবদ্ধতা। তেনে ক্ষেত্ৰত আমি আৰু গভীৰভাৱে আৰু সূক্ষ্মভাৱে প্ৰকৃতিৰ অধ্যয়ন আৰম্ভ কৰো আৰু জ্ঞান সাগৰৰ গভীৰৰ পৰা গভীৰতৰ প্ৰান্তলৈ আগবাঢ়ো। মানুহৰ বুদ্ধিৰ বিকাশ আৰু বিজ্ঞানৰ অগ্ৰগতি এনেদৰেই হয়। এই প্ৰক্ৰিয়াৰেই জ্ঞানসাগৰৰ তলিৰ পৰা বুটলি অনা মনি মুক্তাৰে আধুনিক বিজ্ঞানৰ ৰত্নখচিত সৌধটো নিৰ্মিত হৈছে। কিন্তু বিজ্ঞানে যদি আপাতদৃষ্টিত দুৰ্বোধ্য প্ৰকৃতিৰ বুকুত ঘটি থকা ঘটনাবোৰ সকলো ভগৱানৰ অপাৰ মহিমাৰে প্ৰকাশ বুলি ভাবিবলৈ ধৰে তেন্তে বিজ্ঞানীসকলৰ জ্ঞানৰ পিপাসাই নোহোৱা হৈ যাব আৰু জ্ঞান সাধনাৰ সকলো পথ ৰুদ্ধ হৈ যাব। মানৱ সভ্যতাৰ উত্তৰণৰ বাবে এনে এটা অৱস্থা নিশ্চয় আদৰণীয় নহয়। সেই বাবেই বিজ্ঞান জগতত ভগৱানৰ পদচালনাৰ স্পষ্ট ধ্বনি শুনা নেযায়। কিন্তু ধৰ্মৰ ধ্বজা বাহকসকলে কব খোজে যে অতি ক্ষীণকৈ হলেও বিজ্ঞান জগততো ভগৱানৰ পদধ্বনি শুনিবলৈ পোৱা যায়। কাৰণ স্বৰূপে তেওঁলোকে কব খোজে যে বিজ্ঞানীসকলে বিশ্বাস কৰে যে প্ৰকৃতিৰ ঘটনাসমূহ বিশেষ কিছুমান নীতিৰ দ্বাৰা পৰিচালিত। বহুতো বিজ্ঞানীয়ে এইটোও কব খোজে যে প্ৰকৃতিৰ বুকুত ঘটি থকা ঘটনাসমূহ পৰস্পৰ সম্পৰ্কৰহিত বিচ্ছিন্ন ঘটনা নহয়--- এই সকলোবোৰ ঘটনা এটা মূল নীতিৰ দ্বাৰাই পৰিচালিত। বিভিন্ন পৰিঘটনাৰ বাবে আমি আৱিষ্কাৰ কৰা সৰু বৰ বিভিন্ন তত্ত্ববোৰ একেডাল সূতাৰে গাঁঠি থোৱা এধাৰি মালাৰ বিভিন্ন ৰঙৰ মণিমুক্তাৰ বাহিৰে আন একোৱেই নহয়। বিজ্ঞানীসকলৰ এই বিশ্বাসৰ আঁত ধৰি ধৰ্মপ্ৰাণলোকসকলে কব খোজে যে প্ৰকৃতিৰ বুকুত নিৰ্দিষ্ট কিছুমান নীতি আছে বুলি যদি মানি লোৱা হয়েই বা এই সকলোবোৰ নীতি একত্ৰিত কৰি এটা মূল নীতি উদ্ভাৱন কৰাৰ সম্ভাৱনীয়তাৰ কথা যদি মানি লোৱা হয়েই তেন্তে এই নীতিসমূহৰ এজন স্ৰষ্টা নিশ্চয় থাকিব লাগিব কাৰণ বিজ্ঞানে বিশ্বাস কৰে যে কাৰণ নহলে কাৰ্য সম্পাদিত নহয়। বিজ্ঞানীসকলে সযতনে এই প্ৰশ্ন পৰিহাৰ কৰি চলে।

সকলো ধৰ্মই ভগৱানক এক সৰ্বশক্তিমান সৰ্বব্যাপ্ত পৰম সত্তাস্বৰূপে মানি লৈছে যদিও ভিন ভিন ধৰ্মৰ ঈশ্বৰ আৰাধনা বা ধৰ্মাচৰণৰ পদ্ধতি ভিন ভিন। আনকি একেটা ধৰ্মৰে ভিন ভিন শ্ৰেণীৰ মানুহৰ মাজতো ধৰ্ম আচৰণৰ ৰীতি ভিন ভিন হয়। ইয়াৰ কাৰণ হ'ল বিভিন্ন শ্ৰেণীৰ মানুহৰ বুদ্ধিৰ বিকাশৰ ভিন ভিন স্তৰ। কিছুমান মানুহৰ বুদ্ধি বৃত্তিৰ পৰিসৰ এনে ধৰণৰ যে তেওঁলোকে কল্পনা কৰা ভগৱানৰ এটা প্ৰতিমূৰ্তি চকুৰ আগত নেথাকিলে ভগৱৎ প্ৰেমৰ গভীৰত তেওঁলোকে অৱগাহন কৰিব নোৱাৰে। গতিকে তেওঁলোকে মূৰ্তি পূজা কৰে। কিছুমানে আকৌ অপাৰ গুণৰ অধিকাৰী ভগৱানৰ সকলো গুণৰ প্ৰকাশ একেজন ভগৱানৰ গাতে একেসময়তে দৃষ্ট কৰিব নোৱাৰে। তেওঁলোকে ভগৱানৰ ভিন ভিন গুণৰ অধিকাৰী বিভিন্ন দেৱদেৱীক পূজা কৰে। কিন্তু এক শ্ৰেণীৰ লোক আছে যিসকলৰ অন্তৰ্দৃষ্টি বা চিন্তাৰ গভীৰতা ইমানেই বেছি যে তেওঁলোকে সৰ্বগুণে বিভূষিত নিৰাকাৰ ব্ৰহ্মাৰ ৰূপ মনৰ পটত অংকিত কৰি ভগৱানৰ আৰাধনা কৰিব পাৰে। ভগৱানৰ অপাৰ মহিমা দৃষ্ট কৰিবৰ কাৰণে তেওঁলোকে অন্য কোনো দেৱদেৱীৰ ৰূপ কল্পনা কৰিব নেলাগে। ভগৱানৰ প্ৰতি কৰা প্ৰাৰ্থনাৰ উদ্দেশ্যও

মানুহ ভেদে ভিন ভিন। কিছুমানে ভগৱানক পিতৃৰ ৰূপত কল্পনা কৰে। তেওঁলোকৰ ধাৰণা, পিতৃয়ে যেনেকৈ নিজৰ সন্তানক সকলো বিপদ আপদৰ পৰা ৰক্ষা কৰিবলৈ যত্ন কৰে, বেয়া কাম কৰিলে শাস্তি দিয়ে আৰু ভাল কামৰ বাবে পুৰস্কৃত কৰে ঠিক তেনেকৈ 'পূজা অৰ্চনাৰ দ্বাৰা ভগৱানক সন্তুষ্ট কৰি ৰাখিব পাৰিলে তেঁৱেই আমাক সংসাৰৰ সকলো বিপদ বিঘিনিৰ পৰা ৰক্ষা কৰি থাকিব – সৎ কাম কৰিলে আমাক স্বৰ্গলৈ লৈ যাব' আৰু অসৎ কাম কৰিলে নৰকৰ যান্ত্ৰণা ভোগাব। আন এক শ্ৰেণীৰ লোকে ভগৱানৰ প্ৰতি প্ৰাৰ্থনা জনায় অন্য এক উদ্দেশ্যেৰে। তেওঁলোকে দেখিছে যে সংসাৰৰ মায়া মোহৰ বন্ধনে জীৱক নানা ধৰণে কষ্ট দিছে। জড়া, ব্যাধি, মৃত্যুৰ ভয়ে মানুহৰ মন সততে ভীতিগ্ৰস্ত আৰু দুৰ্বল কৰি ৰাখে আৰু এই দুৰ্বলতাৰ বাবেই মানুহে নকৰিবলগীয়া বহুত কাম কৰি পেলায়। মানুহৰ এই দুখ যাতনাৰ পৰা পৰিত্ৰাণৰ একমাত্ৰ উপায় হ'ল সংসাৰৰ মায়া মোহৰ বন্ধন শিথিল কৰা আৰু এই উপায় চৰিতাৰ্থ কৰাৰ শ্ৰেষ্ঠতম পথ হ'ল নিৰ্মল চিত্তে ভগৱানৰ আৰাধনা কৰা। উল্লেখযোগ্য যে আইনষ্টাইনে এই দুই শ্ৰেণীৰ মানুহৰ ভগৱানৰ ভিতৰত প্ৰথম শ্ৰেণীৰ ভগৱানক ব্যক্তিগত ভগৱান (personal God) আৰু দ্বিতীয় শ্ৰেণীৰ ভগৱানক বিশ্বজনীন ভগৱান (cosmic God) আখ্যা দিছিল। এইবোৰ হ'ল ধৰ্মৰ ক্ষেত্ৰত প্ৰচলিত কিছুমান বিশ্বাসৰ কথা। বিজ্ঞান জগততো এনেধৰণৰ কিছুমান বিশ্বাস আছে। ওপৰত উল্লেখ কৰাৰ দৰে ঈশ্বৰ-উপাসনাৰ উদ্দেশ্য সম্পৰ্কে যেনেকৈ ধৰ্ম জগতত দুই শ্ৰেণীৰ মানুহৰ দুটা ভিন্ন মত আছে বিজ্ঞান সাধনাৰ উদ্দেশ্য সম্পৰ্কেও বিজ্ঞানজগতত দুই শ্ৰেণীৰ মানুহৰ মাজত মতৰ পাৰ্থক্য আছে। কিছুমানৰ মতে বিজ্ঞান সাধনাৰ মূল লক্ষ্য হোৱা উচিত মানুহৰ জীৱনযাত্ৰাৰ মান উন্নত কৰিবৰ বাবে প্ৰকৃতিৰ সম্পদৰাজিৰ সফল প্ৰয়োগৰ সম্ভাৱনা উদ্ভাৱন কৰা। বিজ্ঞান চৰ্চাৰ দ্বাৰা আমি আৰ্থিক বা বৈষয়িক দিশত লাভবান হব লাগিব। আন এক শ্ৰেণী লোকৰ ধাৰণা বৈজ্ঞানিক গৱেষণাৰ মূল লক্ষ্য হোৱা উচিত বিশুদ্ধ জ্ঞানৰ অন্বেষণ। এই জ্ঞানৰ দ্বাৰা আমি আৰ্থিকভাবে লাভবান হওঁনে নহওঁ সেইটো গৌণ কথা। এই জ্ঞানৰ ব্যৱহাৰিক প্ৰয়োগৰ সম্ভাৱনীয়তাৰ কথা প্ৰযুক্তিবিদসকলেহে বিচাৰ কৰিব ই বিজ্ঞান চৰ্চাৰ বিচাৰ্য বিষয় হব নোৱাৰে। সেইদৰে ধৰ্মৰ ক্ষেত্ৰত যেনেকৈ ভগৱানৰ অংশস্বৰূপ ভিন ভিন দেৱদেৱীৰ অস্তিত্বক বিশ্বাস কৰা হয় বিজ্ঞান জগততো তেনেকৈ আমি আংশিক শুদ্ধ তত্ত্ববোৰকে বিশ্বাস কৰি দৈনন্দিন জীৱনত সেইবোৰকে প্ৰয়োগ কৰি আহিছো। ধৰ্মত যেনেকৈ একেজন সৰ্বশক্তিমান সৰ্বগুণৰ অধিকাৰী ভগৱানৰ অস্তিত্বৰ কথা মানি লোৱা হৈছে বিজ্ঞান জগততো তেনেকৈ সকলো আংশিক সত্য তত্ত্ব সামৰি লব পৰা প্ৰকৃতিৰ সকলো ঘটনাৰে মূল কাৰণ এটা পৰম তত্ত্বৰ অস্তিত্বৰ কথা অতি উচ্চস্তৰৰ বৈজ্ঞানিক গৱেষণাত ব্ৰতী আধুনিক বিজ্ঞানীসকলে মানি লোৱাৰ নিচিনাই হৈছে। অৱশ্যে এই মূল নীতিটো তেওঁলোকে এতিয়ালৈকে আৱিষ্কাৰ কৰিব পৰা নাই। তেওঁলোকৰ বৰ্তমানৰ সকলো বৈজ্ঞানিক গৱেষণাৰ মূল লক্ষ্য হ'ল এই নীতিটোৰ আৱিষ্কাৰ।

বিজ্ঞানীসকলে কল্পনা কৰা প্ৰকৃতিৰ এই মূল নীতিটোৰ প্ৰয়োগ ক্ষেত্ৰৰ ব্যাপকতা দেখিলে বিস্ময়ত অভিভূত হব লাগে। বৃহৎ বৃহৎ নক্ষত্ৰপুঞ্জ থূপৰ গঠনৰ পৰা আৰম্ভ কৰি অণু-পৰমাণু আৰু মৌলিক কণিকাৰ জগতখনলৈকে যিমানবোৰ ঘটনা ঘটি আছে সকলোবোৰৰ কাৰণ এই পৰম তত্ত্বটোৱেই কৈ দিব। ফ্ৰেন্সিচ্ বেকনে কৈছিল "There is no excellent beauty that hath not some strangeness in the proposition." এই তত্ত্বটোৰ প্ৰস্তাৱনাত নিহিত সৌন্দৰ্যই আধুনিক বিজ্ঞানীসকলক ইমানেই পুলকিত কৰিছে যে ব্যৰ্থতাৰ বহু তীৰ্থযাত্ৰা ইতিমধ্যে শেষ কৰাৰ পাছতো তেওঁলোকৰ উদ্যম অকণো কমা নাই। প্ৰকৃতিৰ এই পৰম তত্ত্বটোৰ সন্ধানত আধুনিক তাত্ত্বিক পদাৰ্থবিদসকলে প্ৰধানকৈ দুটা পথেৰে আগবাঢ়িছে। এক শ্ৰেণীৰ বিজ্ঞানীয়ে বিশ্বাস কৰে যে পদাৰ্থৰ অন্তিম ৰূপটো আৱিষ্কাৰ কৰিব পাৰিলেই প্ৰকৃতিৰ বুকুত ঘটি থকা সকলোবোৰ ঘটনাৰ মূল কাৰণটো জানিব পৰা যাব। উল্লেখযোগ্য যে যি ক্ষুদ্ৰতম বা অন্তিম পদাৰ্থকণা বা শক্তি গোটৰ (বা অন্য কিবা ৰূপ) সমষ্টিৰে মৌলিক কণিকাবোৰকে ধৰি এই বিশাল বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি হৈছে সেইটো এতিয়াও আৱিষ্কৃত হোৱা নাই। আন এক শ্ৰেণীৰ বিজ্ঞানীৰ বিশ্বাস যে প্ৰকৃতিৰ বুকুত শক্তিৰ যি খেলা চলি আছে তাক সঠিকভাবে বুজিব পাৰিলেই আমি আমাৰ লক্ষ্যত উপনীত হব পাৰিম। আমি জানো যে বিশ্বব্ৰহ্মাণ্ডৰ মূল উপাদান হ'ল দুটা-পদাৰ্থ আৰু শক্তি। গছ-গছনি, পৰ্বত-পাহাৰ, গ্ৰহ-নক্ষত্ৰ এইবোৰ হ'ল পদাৰ্থৰ সমষ্টি। আনহাতে পদাৰ্থৰ গতি যেনে বিজুলীতাঁৰত ইলেকট্ৰনৰ গতি, নদীৰ বুকুত পানীৰ প্ৰৱাহ বা আকাশত গ্ৰহ-নক্ষত্ৰৰ গতি এইবোৰ হ'ল শক্তিৰ প্ৰকাশ। আইনষ্টাইনৰ আপেক্ষিকতাবাদ তত্ত্বই প্ৰমাণ কৰি দেখুৱাইছে যে পদাৰ্থ আৰু শক্তি একেটা মূল বস্তুৰে ভিন ভিন ৰূপহে মাথোন-পদাৰ্থ শক্তিলৈ ৰূপান্তৰিত হব পাৰে আৰু শক্তিয়েও পদাৰ্থৰ ৰূপত আত্মপ্ৰকাশ কৰিব পাৰে। গতিকে অন্তিম বিচাৰত বিশ্বব্ৰহ্মাণ্ডৰ মূল উপাদান এটাই বুলিব পাৰি। সেইটো হ'ল শক্তি। সেয়েহে ওপৰত উল্লেখ কৰাৰ দৰে বিজ্ঞানীসকলে একে উদ্দেশ্যেৰে দুটা ভিন ভিন পথেৰে আগবাঢ়িলেও অৱশেষত তেওঁলোক যে একে ঠাইতে ওলাবগৈ সেই কথা সহজেই বুজিব পাৰি। আমি ইয়াত শক্তিৰ ক্ৰিয়াৰ কথাকে আলোচনা কৰিম।

পদাৰ্থ যেনেকৈ আমি চকুৰে দেখা পাওঁ শক্তি ঠিক তেনেদৰে দেখা নেপাওঁ। বলৰ ক্ৰিয়াৰ ৰূপতহে শক্তিয়ে আত্মপ্ৰকাশ কৰে। পদাৰ্থৰ বুকুতে শক্তি নিহিত হৈ থাকে। পদাৰ্থৰ পৰমাণু ভাঙি তাৰপৰা শক্তি বাহিৰ কৰি আনিব পাৰি। এই শক্তিয়েই বিভীষিকাৰ ৰূপ লৈ আত্মপ্ৰকাশ কৰে এটম বোমাৰ বিস্ফোৰণৰ সময়ত আৰু এই শক্তিয়েই জীৱন দায়িনীৰ ভূমিকা পালন কৰেহি সৌৰ শক্তিৰ বেশত। আধুনিক কোৱাণ্টাম তত্ত্বমতে বিশ্বব্ৰহ্মাণ্ডৰ সমস্ত পদাৰ্থ ডুব গৈ আছে শক্তিৰ সমুদ্ৰত। আমি যাক সম্পূৰ্ণ শূন্য (perfect vacuum) বুলি কওঁ যত নেকি কোনো পদাৰ্থৰ কণিকা নাই আধুনিক কোৱাণ্টাম তত্ত্ব মতে তেনে ঠাইতো শক্তিৰ ক্ৰিয়া অনবৰত চলিয়েই আছে। বিশ্বব্ৰহ্মাণ্ডত আমি যিমানবোৰ শক্তিৰ ক্ৰিয়া দেখিবলৈ পাওঁ সেই সকলোবোৰ মূল চাৰিবিধ ভিন্ন চৰিত্ৰৰ বলৰ দ্বাৰা সংঘটিত হয় বুলি ধাৰণা কৰা হৈছে। সেই চাৰিবিধ ক্ৰিয়া হ'ল সবল ক্ৰিয়া (strong interaction), দুৰ্বল ক্ৰিয়া (weak interaction), বিদ্যুৎ চুম্বকীয় ক্ৰিয়া (Electro-magnetic interaction) আৰু মহাকৰ্ষণিক ক্ৰিয়া (Gravitational interaction)। এই চাৰিবিধ বলৰ ভিতৰত শেষৰ দুবিধ কম বেছি পৰিমাণে আমাৰ সকলোৰে চিনাকি। সামগ্ৰিকভাবে বিশ্বব্ৰহ্মাণ্ডৰ গঠন আৰু ইয়াৰ ক্ৰমবিকাশ নিয়ন্ত্ৰণ কৰিছে মহাকৰ্ষণ বলে। এই বলৰ প্ৰভাৱতে গ্ৰহ, নক্ষত্ৰ, নক্ষত্ৰপুঞ্জ আৰু নক্ষত্ৰপুঞ্জৰ সমষ্টিৰে গঠিত বিৰাট নক্ষত্ৰপুঞ্জ থূপবোৰৰ সৃষ্টি হৈছে আৰু সেইবোৰে নিজ নিজ পথত গতি কৰি আছে। আমি পৃথিৱীৰ বুকুত উঠি বহি খোজকাঢ়ি ঘূৰি ফুৰিব পাৰিছো এই মহাকৰ্ষণ বলৰ প্ৰভাৱতেই। এই বল নোহোৱা হলে পৃথিৱীৰ লগত আমাৰ বন্ধন হেৰাই গ'লহেঁতেন আৰু আমি বেলুনৰ দৰে শূন্যত ভাহি ফুৰিব লগা হলহেঁতেন। কিন্তু ওপৰত আমি যি চাৰিটা বলৰ কথা কৈছো তাৰ ভিতৰত আটাইতকৈ দুৰ্বল হ'ল এই মহাকৰ্ষণ বলেই। এটা নিৰ্দিষ্ট দূৰত্বত থকা দুটা ইলেকট্ৰনৰ মাজত মহাকৰ্ষণ বল যিমান সিহঁতৰ মাজৰ বিদ্যুৎচুম্বকীয় বল (বিকৰ্ষণ বল) তাতোকৈ $১০^{৪০}$ গুণ (১ৰ পাছত ৪০টা শূন্য দিলে যিমান ডাঙৰ হব) বেছি। তথাপিও এই বলেই গোটেই বিশ্বব্ৰহ্মাণ্ডৰ গঠন নিয়ন্ত্ৰণ কৰিব পৰাৰ কাৰণটো হ'ল মহাকৰ্ষণ বলে সদায় দুটা পদাৰ্থক আকৰ্ষণহে কৰে কেতিয়াও বিকৰ্ষণ নকৰে। সেইবাবেই পদাৰ্থ দুটাৰ ভৰ যিমানেই বেছি হয় সিহঁতৰ মাজৰ আকৰ্ষণ বলো সিমানেই বেছি হয় – কাৰণ এই আকৰ্ষণ বল পদাৰ্থ দুটা গঠিত হোৱা কণিকাবোৰৰ মাজত থকা আকৰ্ষণ বলবোৰৰ সমষ্টিৰ সমান। ইয়াৰ ওপৰিও এই বলৰ কাৰ্যকৰী দূৰত্ব বা বিস্তাৰ অসীম। বস্তুৰ ভৰৰ ওপৰত মহাকৰ্ষণ বল নিৰ্ভৰশীল হোৱা বাবেই মৌলিক কণিকাৰ জগতত এই বলৰ প্ৰভাৱ নগণ্য অথচ বৃহৎ বৃহৎ পদাৰ্থৰ ক্ষেত্ৰত এই বলৰেই প্ৰাধান্য বেছি। বিদ্যুৎ চুম্বকীয় বলৰ ক্ৰিয়া হয় দুটা বৈদ্যুতিক আধানযুক্ত পদাৰ্থৰ মাজত। একেই আধানযুক্ত কণিকাৰ ক্ষেত্ৰত বিদ্যুৎচুম্বকীয় বল বিকৰ্ষণধৰ্মী আৰু বিপৰীত আধানযুক্ত কণিকাৰ মাজত এই বল আকৰ্ষণধৰ্মী। মহাকৰ্ষণ বল যেনেকৈ পদাৰ্থৰ ভৰৰ ওপৰতহে নিৰ্ভৰ কৰে ইয়াৰ বৈদ্যুতিক আধানৰ ওপৰত নিৰ্ভৰ নকৰে বিদ্যুৎচুম্বকীয় বলো ঠিক তেনেকৈ কেৱল পদাৰ্থত থকা বিদ্যুৎ আধানৰ ওপৰতহে নিৰ্ভৰ কৰে পদাৰ্থৰ ভৰৰ ওপৰত নিৰ্ভৰ নকৰে। আমি দৈনন্দিন জীৱনত দেখি অহা বস্তুবোৰত যিমান ধনাত্মক আধানযুক্ত কণিকা থাকে তাৰ সমানেই ঋণাত্মক আধানযুক্ত কণিকা থাকে। সেইবাবে এনে ধৰণৰ দুটা পদাৰ্থ ওচৰা ওচৰিকৈ ৰাখিলেও সেই পদাৰ্থ দুটা গঠিত হোৱা কণিকাবোৰৰ মাজত বিদ্যুৎচুম্বকীয় আকৰ্ষণ বল যিমান হয় বিকৰ্ষণ বলো সিমানেই হয়। সেইবাবেই মহাকৰ্ষণ বলৰ দৰেই এই বলবো বিস্তাৰ বা কাৰ্যকৰী দূৰত্ব অসীম হলেও স্থূল বস্তু জগত বা বিশ্বব্ৰহ্মাণ্ডৰ সামগ্ৰিক গঠনত এই বলৰ বিশেষ কোনো ভূমিকা নাই। কিন্তু অণু পৰমাণু আৰু মৌলিক কণিকাৰ জগতখনত এই বলৰ প্ৰতিপত্তি চমকপ্ৰদ। প্ৰকৃততে ধনাত্মক আধানযুক্ত নিউক্লিয়াচটোৰ চাৰিওফালে বিভিন্ন কক্ষপথত ঋণাত্মক আধানযুক্ত ইলেকট্ৰনবোৰ ঘূৰাই ৰাখি পদাৰ্থৰ পৰমাণুবোৰক সুস্থিৰ ৰূপ দিয়ে এই বিদ্যুৎ চুম্বকীয় বলেই। আকৌ বিভিন্ন পদাৰ্থৰ বহুতো পৰমাণু লগ লাগি বৃহৎ বৃহৎ আকাৰৰ অণুবোৰ গঠন হোৱাৰ কাৰণো এই বিদ্যুৎ চুম্বকীয় বলেই। নকলেও হব যে আমাৰ শৰীৰকে ধৰি জড় জগত আৰু জীৱজগতৰ অধিকাংশ পদাৰ্থই এনেধৰণে সৃষ্টি হোৱা অণুৰ দ্বাৰাই গঠিত। আমি দেখা পোৱা সকলোবোৰ ৰাসায়নিক বিক্ৰিয়াৰ মূল কাৰণো এই বিদ্যুৎচুম্বকীয় বলেই। বাকী দুবিধ বলৰ ক্ৰিয়া কেৱল মৌলিক কণিকাবোৰৰ সূক্ষ্ম জগতখনতেই আৱদ্ধ আৰু সেইবাবেই এই দুই বলৰ প্ৰকাশ আমি সাধাৰণভাৱে দেখিবলৈ নেপাওঁ। এইবোৰ বল বিজ্ঞানীসকলেহে দেখিবলৈ পায়। ইয়াৰ কাৰণ হ'ল এই দুবিধ বলৰ কাৰ্যকৰী দূৰত্ব অতি কম। দুটা কণিকাৰ মাজৰ দূৰত্ব প্ৰায় $১০^{১২}$ ছেণ্টিমিটাৰতকৈ (দশমিকৰ পাছত ১২টা শূন্য থাকিলে যিমান হয়) বেছি হলেই এই দুবিধ বলৰ মান নগণ্য হৈ পৰে। কিন্তু কাৰ্যকৰী দূৰত্বৰ ভিতৰত থকা দুটা কণিকাৰ মাজৰ সবল বলৰ ক্ৰিয়াই ওপৰত উল্লেখ কৰা আটাইকেইটা বলতকৈ অধিক শক্তিশালী। এই সবল বলৰ ক্ৰিয়াই পৰমাণুৰ নিউক্লিয়াচত থকা প্ৰ'টন আৰু নিউট্ৰন কণিকাবোৰক অতি ক্ষুদ্ৰ আয়তনৰ মাজত দৃঢ়ভাবে বান্ধি ৰাখিছে। এই বলে প্ৰয়োগ কৰা প্ৰবল বন্ধন বলৰ বাবেই নিউক্লিয়াচত থকা প্ৰ'টনবোৰৰ মাজৰ বিকৰ্ষণ বলৰ ক্ৰিয়াত নিউক্লিয়াচটো ভাগি যাব নোৱাৰে। কেৱল নিউক্লিয়াচৰ ভিতৰতহে যে সবল বলৰ ক্ৰিয়া হয় এনে নহয়। বিদ্যুৎচুম্বকীয় শক্তিৰ কণিকা ফ'টন আৰু লেপট্ন (Lepton) নামৰ মৌলিক কণিকাৰ শ্ৰেণীভুক্ত কণিকা ইলেকট্ৰন, মিউৱন, টাৱন আৰু নিউট্ৰিনো আৰু ইহঁতৰ প্ৰতিকণিকাবোৰৰ বাহিৰে প্ৰকৃতিত থকা অসংখ্য কণিকাৰ মাজৰ বিক্ৰিয়াত এই সবল বলে অংশগ্ৰহণ কৰে। যিবোৰ কণিকাই এই বলৰ মাধ্যমেৰে বিক্ৰিয়া কৰে সেইবোৰক সাধাৰণভাৱে হেড্ৰন শ্ৰেণীৰ (hadron) কণিকা বুলি কোৱা হয়। আধুনিক তত্ত্বমতে প্ৰ'টন, নিউট্ৰন, মেজন আদি কণিকাবোৰো মৌলিক কণিকা নহয়। সেইবোৰ কিছুমান ক্ষুদ্ৰতৰ কণিকাৰ সমষ্টি। সেই কণিকাবোৰক কোৱাৰ্ক (quarks) বোলা হয়। নিউট্ৰন, প্ৰ'টন, আদি কণিকাৰ মাজত এই কোৱাৰ্ক কণিকাবোৰ বান্ধি ৰাখে এই সবল বলৰ ক্ৰিয়াইহে। কিন্তু চতুৰ্থবিধ বল নামে কামে দুয়োফালৰ পৰাই দুৰ্বল। এই দুৰ্বলতাৰ বাবেই আন তিনিবিধ বলৰ দৰে ই কোনো কণিকা সমষ্টি একগোট কৰি বান্ধি ৰাখিব নোৱাৰে। ওপৰত উল্লেখ কৰা লেপটন শ্ৰেণীৰ কণিকাৰ মাজত বিক্ৰিয়াৰ সময়ত এই বলে অংশগ্ৰহণ কৰে। কিছুমান তেজষ্ক্ৰিয় পদাৰ্থৰ পৰা বিটা কণিকাৰ বিকিৰণ এই বলৰ ক্ৰিয়াৰ ফলতে হয় বুলি জানিব পৰা গৈছে।

এইখিনিতে এটা কথা পৰিষ্কাৰ কৰি থোৱা উচিত হব যে ওপৰত আমি বলৰ যি চাৰিটা শ্ৰেণী বিভাজনৰ কথা কৈছো সেই বিভাজন বিজ্ঞানীসকলেহে কৰা। আমি যিবোৰ তত্ত্ব (আংশিক সত্য) ইতিমধ্যে আৱিষ্কাৰ কৰিছো সেইবোৰৰ কাৰ্যকাৰিতাৰ প্ৰতি লক্ষ্য ৰাখিয়েই এই শ্ৰেণী বিভাজন কৰা হৈছে। প্ৰকৃতিত আচলতে এনে ধৰণৰ শ্ৰেণীবিভাজন থকাৰ কোনো যুক্তিসঙ্গত কাৰণ নাই। সেইবাবে আইনষ্টাইন

প্ৰমুখ্যে বিজ্ঞানীসকলে বিশ্বাস কৰে যে প্ৰকৃতিৰ কাৰ্যসমূহ যি মূল নীতি বা পৰম তত্ত্বৰ দ্বাৰা পৰিচালিত তাৰ মাজতে আমি ওপৰত উল্লেখ কৰা চাৰিটা বলৰ সম্পৰ্কত আগবঢ়োৱা আংশিক তত্ত্ববোৰ অন্তৰ্হিত হৈ আছে যেনেদৰে ভিন ভিন দেৱদেৱীৰ গুণবোৰ একেজন ঈশ্বৰৰ গুণৰ মাজত নিহিত হৈ আছে। সেয়েহে এই চাৰিটা বল একীকৃত কৰি ইহঁত যে এটা বলৰে ভিন ভিন পৰিবেশত সৃষ্টি হোৱা চাৰিটা ৰূপহে (অৱতাৰ ?) তাকে প্ৰদৰ্শন কৰিবলৈ আধুনিক একীকৃত ক্ষেত্ৰ তত্ত্বৰ (unified field theory) প্ৰবক্তাসকল আগবাঢ়িছে। এনেদৰে আগতে সম্পূৰ্ণ পৃথক বুলি ভবা দুটা তত্ত্বৰ একত্ৰীকৰণৰ অভিজ্ঞতা ইতিমধ্যে বিজ্ঞানীসকলৰ নোহোৱাকৈ থকা নাই। নিউটনৰ মহাকৰ্ষণ সূত্ৰৰ আৱিষ্কাৰৰ আগলৈকে আকাশৰ গ্ৰহ-নক্ষত্ৰবোৰৰ মাজত থকা আকৰ্ষণ বলৰ নীতি পাৰ্থিৱ বস্তুবোৰৰ ক্ষেত্ৰত প্ৰযোজ্য বলৰ নীতিতকৈ সম্পূৰ্ণ পৃথক বুলি ভবা হৈছিল। ইয়াৰ কাৰণ মানুহে দেখি আহিছে যে আকাশত থকা বস্তুবোৰে সদায় বৃত্তীয় পথতহে ঘূৰে কিন্তু পৃথিৱীত থকা বস্তুবোৰে যি কোনো দিশত গতি কৰিব পাৰে। নিউটনৰ মহাকৰ্ষণ সূত্ৰই এই ভুল ভাঙি প্ৰমাণ কৰি দেখুৱালে যে আকাশৰ গ্ৰহ, নক্ষত্ৰবোৰৰ ক্ষেত্ৰত মহাকৰ্ষণ বলৰ যি নীতি পৃথিৱীত থকা বস্তুবোৰৰ ওপৰতো মহাকৰ্ষণ বলৰ সেই একেটাই নীতি। সেইদৰে ১৮৭৩ চনত মেক্সৱেলে বিদ্যুৎচুম্বক তত্ত্ব দাঙি ধৰাৰ আগলৈকে চুম্বকত্ব আৰু বিদ্যুৎ সম্পূৰ্ণ পৃথক পৃথক ভৌতিক ধৰ্ম বুলি ভবা হৈছিল আৰু চুম্বকৰ ক্ষেত্ৰত প্ৰযোজ্য বলৰ সূত্ৰ আৰু বিদ্যুতৰ ক্ষেত্ৰত প্ৰযোজ্য বলৰ সূত্ৰৰ মাজত কোনো সম্বন্ধ নাই বুলি মানি লোৱা হৈছিল। কিন্তু মেক্সৱেলে তেওঁৰ বিদ্যুৎ-চুম্বক তত্ত্বৰ যোগেদি প্ৰমাণ কৰি দেখুৱালে যে বিদ্যুৎ আৰু চুম্বকত্ব পদাৰ্থৰ একেটা ধৰ্মৰে দুটা ৰূপহে মাথোন। পদাৰ্থত থকা বিদ্যুৎ আধানযুক্ত কণিকাৰ গতিৰ ফলতেই পদাৰ্থই চুম্বকত্ব লাভ কৰে। চুম্বক বুলি অন্য কোনো বস্তু নাই। আজি কালি বিদ্যুৎ প্ৰৱাহৰ জৰিয়তে তৈয়াৰ কৰা অতি শক্তিশালী কৃত্ৰিম চুম্বকবোৰৰ ব্যাপক ব্যৱহাৰ আমি সদায় দেখি আহিছো। গতিকে মেক্সৱেলে বিদ্যুৎ আৰু চুম্বকৰ তত্ত্ব একীকৃত কৰিলে বুলি আমি কব পাৰো।

আধুনিক একীকৃত ক্ষেত্ৰ তত্ত্বৰ মূল ভেটিটো হ'ল কোৱান্টাম ক্ষেত্ৰ তত্ত্ব। এই তত্ত্বৰ বিষয়ে সবিশেষ আলোচনা কৰা এই প্ৰবন্ধৰ উদ্দেশ্য নহয়। ইয়াৰ কেইটামান সিদ্ধান্তৰ কথাহে আমি ইয়াত উল্লেখ কৰিম। এই তত্ত্বমতে যিকোনো দুটা মৌলিক কণিকাৰ মাজত বিক্ৰিয়া হয় তৃতীয় এটা কণিকাৰ বিনিময়ৰ যোগেদি। উদাহৰণ স্বৰূপে আমি জানো যে দুটা ইলেকট্ৰন ওচৰা ওচৰিকৈ ৰাখিলে সিহঁতৰ মাজত বিকৰ্ষণ হয়। এই বিকৰ্ষণ বিদ্যুৎ চুম্বকীয় বলৰ ক্ৰিয়াৰ প্ৰভাৱত হয় বুলি আমি কওঁ। কিন্তু এই বলে কেনেকৈ ক্ৰিয়া কৰে সেইটো আমি নেজানো। আধুনিক কোৱান্টাম ক্ষেত্ৰ তত্ত্ব মতে এই ক্ৰিয়া হয় ফ'টন নামৰ ভৰহীন এটা কণিকাৰ বিনিময়ৰ জৰিয়তে। প্ৰতিটো ইলেকট্ৰনে অনবৰত কিছুমান ফ'টন কণিকা বিকিৰণ আৰু শোষণ কৰি আছে। এটা ইলেকট্ৰনে যেতিয়া এটা ফ'টন কণিকা বিকিৰণ কৰে তেতিয়া নিউটনৰ গতি বিষয়ক তৃতীয় সূত্ৰই কোৱাৰ দৰে ফ'টনটোৱেও ইলেকট্ৰনটোৰ ওপৰত এটা বিপৰীতমুখী বল (প্ৰতিক্ৰিয়া) প্ৰয়োগ কৰে। ইয়াৰ ফলত ইলেকট্ৰনটোৰ অৱস্থাৰ (বেগৰ) পৰিবৰ্তন হয়। এই ফ'টনটো যেতিয়া ওচৰতে থকা আনটো ইলেকট্ৰনে শোষণ কৰে তেতিয়া তাৰ শক্তি বৃদ্ধি পায়। ফলত এই ইলেকট্ৰনটোৰে অৱস্থাৰ পৰিবৰ্তন ঘটে। ঠিক সেইদৰে দ্বিতীয় ইলেকট্ৰনটোৱে বিকিৰণ কৰা ফ'টনো প্ৰথম ইলেকট্ৰনটোৱে শোষণ কৰে। এই দৰে ইলেকট্ৰন দুটাৰ মাজত একেৰাহে বহুতো ফ'টনৰ বিনিময় হৈ থাকে। তাৰ ফলতেই আমি দেখা বিকৰ্ষণ বলৰ উদ্ভৱ হয়। বিক্ৰিয়াৰ সময়ত বিনিময় কৰা এই কণিকাবোৰক অৱাস্তৱ কণিকা (virtual particles) বোলা হয় কাৰণ এই কণিকাবোৰ বাস্তৱত দেখা আনবোৰ কণিকাৰ দৰে পৰীক্ষাগাৰত ধৰা পেলাব নোৱাৰি। সকলোবোৰ বিদ্যুৎচুম্বকীয় ক্ৰিয়াতে এনেধৰণৰ অবাস্তৱ ফ'টন কণাৰ বিনিময় হয়। দুৰ্বল ক্ৰিয়া সংঘটনৰ সময়তো এনেধৰণৰ অৱাস্তৱ কণিকাৰ বিনিময় হয়। এই বিক্ৰিয়াত তিনিবিধ অবাস্তৱ কণিকা বিনিময় হয় বুলি ধাৰণা কৰা হৈছে। সেই কণিকা কেইটাক $W^+$, $W^-$ আৰু $Z^0$ কণিকা বুলি কোৱা হয়। এই কণিকাবোৰ কিন্তু ভৰযুক্ত – ফ'টনৰ দৰে ভৰহীন নহয়। সবল ক্ৰিয়াৰ সময়ত বিনিময় হোৱা কণিকা কেইবাবিধবো আছে। সেইবোৰক সাধাৰণ ভাৱে গ্লুৱন (Gluon) বুলি কোৱা হয়। এতিয়ালৈকে আঠবিধ এনে কণিকা আৱিষ্কৃত হৈছে। সবল বলৰ ক্ৰিয়া সম্পৰ্কীয় প্ৰচলিত তত্ত্ব মতে এই শ্ৰেণীৰ আৰু কণিকা আৱিষ্কাৰ হবলৈ বাকী আছে। $W^+$, $W^-$ আৰু $Z^0$ কণিকাৰ দৰে গ্লুৱনবোৰৰো ভৰ আছে। প্ৰটন বা নিউট্ৰন কণিকাৰ মাজত থকা কোৱাৰ্কবোৰ যি বলৰ দ্বাৰা বান্ধ খাই আছে সেই বলৰ উৎপত্তিৰ কাৰণ হল কোৱাৰ্কবোৰৰ মাজত চলি থকা গ্লুৱন কণিকাৰ বিনিময়। মহাকৰ্ষণ ক্ৰিয়াৰ সময়ত বিনিময় হোৱা কণিকাটোৰ নাম হ'ল গ্ৰেভিটন (graviton)। ফ'টনৰ দৰে গ্ৰেভিটনৰো ভৰ নাই। পৃথিৱী আৰু সূৰ্যৰ মাজত থকা আকৰ্ষণৰ কাৰণ হ'ল পৃথিৱী আৰু সূৰ্যৰ মাজত অবিৰাম চলি থকা এনেধৰণৰ অসংখ্য গ্ৰেভিটন কণিকাৰ বিনিময়। অৱশ্যে গ্ৰেভিটন কণিকাৰ অস্তিত্বৰ সঠিক প্ৰমাণ এতিয়ালৈকে পোৱা হোৱা নাই। এইবোৰ কণিকা তাত্ত্বিক বিজ্ঞানী সকলৰ মানসপুত্ৰ। কোৱান্টাম ক্ষেত্ৰ তত্ত্বৰ আন এটা সিদ্ধান্ত হ'ল কোনো এটা বলৰ কাৰ্য্যকৰী দূৰত্ব (কিমান দূৰলৈকে ক্ৰিয়া কৰিব পাৰে তাৰ জোখ) নিৰ্ভৰ কৰে এই বলৰ ক্ৰিয়াৰ সময়ত বিনিময় কৰা কণিকাটোৰ ভৰৰ ওপৰত। এই কণিকাৰ ভৰ যিমানেই বেছি হয় বলটোৰ কাৰ্যকৰী দূৰত্ব সিমানেই কমি আহে। ফ'টন আৰু গ্ৰেভিটন কণিকাৰ ভৰ শূন্য। সেইবাবে বিদ্যুৎ চুম্বকীয় বল আৰু মহাকৰ্ষণ বলৰ কাৰ্যকৰী দূৰত্ব অসীম বুলি কোৱা হয়। আন হাতে দুৰ্বল বল আৰু সবল বলৰ ক্ৰিয়াৰ সময়ত বিনিময় কৰা কণিকা কেইটা ভৰযুক্ত। সেইবাবে এই দুবিধ বলৰ কাৰ্যকৰী দূৰত্ব অতি কম।

আধুনিক তাত্ত্বিক পদাৰ্থবিদসকলৰ ধাৰণা যে ওপৰত উল্লেখ কৰা চাৰি প্ৰকাৰৰ বলৰ ক্ৰিয়া একেটা মূল সূত্ৰৰ সহায়ত প্ৰকাশ কৰিবলৈ হলে এই বলবোৰৰ ক্ৰিয়াৰ সময়ত বিনিময় হোৱা বিভিন্ন অৱাস্তৱ কণিকাবোৰ একেটা মূল কণিকাৰে ভিন ভিন ৰূপ বুলি দেখুৱাব পাৰিব লাগিব। এই উদ্দেশ্যেৰে কৰা




গৱেষণাত বিজ্ঞানী সকল সফল নোহোৱাকৈয়ো থকা নাই। এই ক্ষেত্ৰত সাফল্যৰ প্ৰথম জয়মাল্য পিন্ধিবলৈ সক্ষম হৈছে আব্দুছ ছালাম, ষ্টিভেন ৱেইনবাৰ্গ আৰু ছেলডন গ্লেছো নামৰ তিনিজন তাত্ত্বিক পদাৰ্থবিদে। তেওঁলোকে "ইলেক্ট্ৰ' উইক" (Electro weak theory) তত্ত্ব নামৰ এক তত্ত্বৰ যোগেদি বিদ্যুৎ চুম্বকীয় বল আৰু দুৰ্বল বলৰ মাজত সংযোগ সাধন কৰি বল দুটাৰ একত্ৰীকৰণ সম্পাদন কৰিছে। এই তত্ত্বৰ সহায়ত তেওঁলোকে দেখুৱাইছে যে কম শক্তিসম্পন্ন কণিকাৰ মাজত যেতিয়া বিক্ৰিয়া হয় তেতিয়া বিদ্যুৎ চুম্বকীয় বল আৰু দুৰ্বল বলৰ ক্ৰিয়া সম্পূৰ্ণ বেলেগ যেন লাগে আৰু অবাস্তৱ ফ'টন কণিকা আৰু $W^+$, $W^-$, $Z^0$ কণিকা কেইটাই সম্পূৰ্ণ বেলেগ বেলেগ কণিকাৰ দৰে আচৰণ কৰে। কিন্তু ক্ৰিয়া কৰা কণিকা কেইটাৰ শক্তি যদি যথেষ্ট পৰিমাণে বেছি হয় তেন্তে এই দুই বিধ বলে একেই সূত্ৰ মানি চলে আৰু ওপৰত উল্লেখ কৰা কণিকা কেইটাই এটা কণিকাৰ ৰূপত আত্মপ্ৰকাশ কৰে। ছালাম, ৱেইনৱাৰ্গ, গ্লেছোৰ এই তত্ত্বৰ যথাৰ্থতা ইতিমধ্যে পৰীক্ষাগাৰত প্ৰমাণিত হৈছে। ইয়াৰ পাছৰ পদক্ষেপ হিচাপে সবল বলকো উক্ত দুই বলৰ লগত একে ধৰণেৰে লগ লগাবলৈ বিচৰা হৈছে। দুৰ্বল বল, বিদ্যুৎ চুম্বকীয় বল আৰু সবল বল একীকৃত কৰি আগবঢ়োৱা তত্ত্ববোৰক সাধাৰণভাৱে GUT (Grand Unification Theory) বোলা হয়। এনেবোৰ তত্ত্বত দেখুওৱা হৈছে যে ক্ৰিয়া কৰা কণিকাবোৰৰ শক্তি যদি অতিপাত বৃদ্ধি কৰা হয় তেন্তে এটা সময়ত দুৰ্বল বল, বিদ্যুৎ চুম্বকীয় বল আৰু সবল বলৰ ক্ৰিয়া একেটা সূত্ৰৰ সহায়ত প্ৰকাশ কৰিব পাৰি আৰু এই তিনিবিধ ক্ৰিয়াত বিনিময় হোৱা বিভিন্ন অৱাস্তৱ কণিকাবোৰ একেটা কণিকাৰে ভিন ভিন ৰূপ বুলি দেখুৱাব পাৰি। কিন্তু এই তিনিটা বলৰ একত্ৰীকৰণ দেখুৱাবৰ বাবে ক্ৰিয়া কৰা কণিকাবোৰৰ শক্তি অকল্পনীয়ভাৱে বেছি লাগে। দুৰ্ভাগ্যবশতঃ ইমান উচ্চ শক্তিৰ কণিকা সৃষ্টি কৰিব পৰা যন্ত্ৰ এতিয়ালৈকে আৱিষ্কৃত হোৱা নাই। সেইবাবে পোনপটীয়াকৈ এই তত্ত্ব প্ৰমাণ কৰাটো এতিয়াও সম্ভৱ হৈ উঠা নাই। কিন্তু এই তত্ত্বৰ এটা অতি তাৎপৰ্যপূৰ্ণ পৰিণতি এই যে এই তত্ত্ব মতে আমি এতিয়ালৈকে স্থায়ী বুলি ভবা প্ৰ'টন কণিকাটো আচলতে এটা স্থায়ী কণিকা নহয়। সময়ৰ লগে লগে ইয়াৰ অৱক্ষয় হয়। তাৰ ফলত প্ৰ'টনটো নোহোৱা হৈ তাৰ ঠাইত বেলেগ বেলেগ কণিকাৰ সৃষ্টি হয়। সম্প্ৰতি প্ৰ'টনৰ এই অৱক্ষয় ধৰা পেলাবৰ বাবে সমগ্ৰ পৃথিৱী জুৰি নানা ধৰণৰ পৰীক্ষা চলিছে। আমাৰ ভাৰতৰ কোলাৰ সোণৰ খনিৰ ভিতৰতো তেনে এটা পৰীক্ষা কৰি থকা হৈছে। এই বিষয়ত এতিয়াও কোনো সন্দেহাতীত ফলাফল পোৱা হোৱা নাই। কিন্তু আটাইতকৈ ডাঙৰ সমস্যা হৈছে মহাকৰ্ষণক লৈ। মহাকৰ্ষণ বলৰ ধৰ্ম বাকী তিনিটা বলৰ ধৰ্মতকৈ ইমান পৃথক যে এই একত্ৰীকৰণত নানা ধৰণৰ জটিল সমস্যাই বিজ্ঞানীসকলক পদে পদে জুমুৰি দি ধৰিছেহি। সেয়েহে এই সম্পৰ্কত বিজ্ঞানীসকলৰ অগ্ৰগতি হতাশজনক নহলেও নিঃসন্দেহে অতি মন্থৰ।

সন্দেহ নাই যে তাত্ত্বিক আৰু প্ৰায়োগিক দুয়োটা দিশতে আধুনিক বিজ্ঞানে অভূতপূৰ্ব সাফল্য লাভ কৰিছে। বৈজ্ঞানিক তত্ত্বৰ ভিত্তিতেই মানুহে সৌঁশৰীৰে চন্দ্ৰত পদাৰ্পণ কৰি ঘূৰি আহিব পাৰিছে – ক'তো পথৰ অকণো খেলি মেলি হোৱা নাই সময়ৰো অকণো আগ পিছ হোৱা নাই। অহৰহ গতি কৰি থকা সৌৰজগতৰ বিভিন্ন গ্ৰহবোৰৰ কোনটো কেতিয়া মহাকাশৰ কোন ঠাইত আছে সেইটো সঠিকভাৱে ঠাৱৰ কৰিব পাৰিছে আৰু স্বয়ংক্ৰিয় মহাকাশযান আৰু যন্ত্ৰৰ সহায়ত নিচেই ওচৰৰ পৰা সেইবোৰৰ ফটো লৈ সেই গ্ৰহবোৰৰ বিস্তৃত বিৱৰণ দাঙি ধৰিব পাৰিছে। ৰেডিঅ', টেলিভিচন, কম্পিউটাৰ আদিৰ বিস্ময়কৰ কাৰ্য্যকলাপবোৰে আধুনিক বিজ্ঞানৰ সাফল্যৰ কথাকে সূচায়। কিন্তু আধুনিক বিজ্ঞানৰ এই সাফল্যৰ ইতিহাস বহুতো ব্যৰ্থতা আৰু বিশ্বাসভঙ্গৰ কাহিনীৰে ভৰপূৰ। বিজ্ঞানৰ যি কোনো বিষয়ত আৱিষ্কৃত প্ৰতিটো নতুন তত্ত্বই সেই বিষয়ৰ প্ৰচলিত তত্ত্বটোৰ বিফলতাৰ কথাকে সূচায়। আমি বৰ্তমান বিজ্ঞানৰ যিবোৰ তত্ত্ব সত্য বুলি মানি লৈছো ভৱিষ্যতৰ বিচাৰত সেইবোৰ হয়তো ভুল বুলি প্ৰমাণিত হবও পাৰে যেনেদৰে সুদূৰ অতীতৰ কথাকে নেলাগে এই শতিকাৰ প্ৰথমাৰ্দ্ধত প্ৰবল পৰাক্ৰমেৰে ৰাজত্ব কৰা বহুতো তত্ত্বই ইতিমধ্যে বিজ্ঞানজগতৰ পৰা অৱসৰ গ্ৰহণ কৰিছে। অনিশ্চয়তাবাদ তত্ত্ব আৰু ডিৰাকৰ ইলেকট্ৰনৰ গতি বিষয়ক সমীকৰণৰ আৱিষ্কাৰে জাৰ্মানিৰ গটিনজেন বিশ্ববিদ্যালয়ৰ অধ্যাপক নবেল বঁটা বিজেতা বিজ্ঞানী মেক্স্‌বৰ্ণক ইমানেই সেই সময়ৰ পদাৰ্থ বিজ্ঞানৰ সূত্ৰসমূহৰ ওপৰত বিশ্বাসী কৰি তুলিছিল যে ১৯২৮ চনত তেওঁ এদল ভ্ৰমণকাৰীৰ আগত মন্তব্য কৰিছিল যে পদাৰ্থ বিজ্ঞানৰ প্ৰায় সকলোবোৰ সত্যই ইতিমধ্যে আৱিষ্কৃত হৈছে আৰু মাত্ৰ ছমাহমানৰ পাছতে এই বিষয়ত নতুনকৈ গৱেষণা কৰিব লগীয়া আৰু কোনো বিষয় বস্তুৱেই নেথাকিব। কিন্তু অৱস্থাই এনে ৰূপ লগে যে তাৰ প্ৰায় ২৫ বছৰৰ পাছতেই আন এজন নবেল বঁটা বিজেতা বিজ্ঞানী ৰবাৰ্ট ওপেন হেইমাৰে লিখিব লগীয়া হ'ল "Physics will change even more ; if it is radical and unfamiliar we think that the future will be only more radical and not less, only more strange and not more familiar and that it will have its own new insights for the inquiring human spirit." ওপেন হেইমাৰৰ এই ভৱিষ্যতবাণী কিমান শুদ্ধ সেইটো উপলব্ধি কৰিবলৈ আজি বোধহয় কাৰো অসুবিধা নহয়। আজিও বিজ্ঞানীসকলে প্ৰকৃতিৰ সকলো কাৰ্যকাৰণ ব্যাখ্যা কৰিব পৰা যি পৰম তত্ত্বৰ সপোন দেখিছে সিও নিশ্চয় তেওঁলোকৰ বৰ্তমানৰ তত্ত্বসমূহৰ প্ৰতি থকা গভীৰ বিশ্বাসৰ পৰাই উদ্ভূত। ধৰ্মত যেনেকৈ কিছুমান বিশ্বাসৰ মাজেদিয়েই মূল লক্ষ্য ভগৱানৰ আৰাধনা কৰা হয় বিজ্ঞানতো তেনেদৰে বিজ্ঞানীসকলৰ মূল লক্ষ্য পৰম তত্ত্বটোৰ সন্ধান কৰিবলৈ যাওঁতে তাৰে অংশস্বৰূপ প্ৰচলিত তত্ত্বসমূহৰ মাজেদিয়েই এই অনুসন্ধান কৰিব লাগিব। মাজে সময়ে বিশ্বাসৰ ভেটি থৰক বৰক হলেও আমি এই বিশ্বাসসমূহ সম্পূৰ্ণৰূপে ত্যাগ কৰিব নোৱাৰো। আমাৰ সাধনালব্ধ জ্ঞানৰ ওপৰত থকা বিশ্বাসেইহে আমাক আমাৰ মূল লক্ষ্যৰ ফালে আগুৱাই লৈ যাব। আমাৰ ভকতীয়া কথাতো আছে "বিশ্বাসে মিলয় হৰি তৰ্কে বহুদূৰ।"

# অসমীয়া উপন্যাস ১৯৭০-১৯৯১

## এটি জৰীপ

ডঃ গোবিন্দ প্ৰসাদ শৰ্মা

পঞ্চাশৰ দশকৰ যি আধুনিক অসমীয়া সাহিত্য 'ৰামধেনু'ক কেন্দ্ৰ কৰি গঢ়ি উঠিছিল, সেই সাহিত্যৰ আটাইতকৈ চহকী দিশ দুটা আছিল কবিতা আৰু চুটি গল্পৰ। ষাঠিৰ দশকত এপিনে যেনেকৈ 'ৰামধেনু'ৰ সাহিত্যিক বাতাবৰণ ভঙ্গ হ'বলৈ ধৰিলে, ঠিক তেনেকৈ পঞ্চাশৰ দশকত প্ৰতিষ্ঠা লাভ কৰা কবি সকলৰ কবিতাৰ সলনি মাৰ্কিন নতুন কবিতাৰ আদৰ্শ আৰু আৰ্হিৰ কবিতাইহে প্ৰাধান্য লাভ কৰিবলৈ আৰম্ভ কৰিলে। লগে লগে পঞ্চাশৰ দশকৰ জনপ্ৰিয় শাখা চুটি গল্পইও জনপ্ৰিয়তা আৰু প্ৰাধান্য হেৰুৱাবলৈ ধৰিলে; আৰু এই অন্যতম জনপ্ৰিয় সাহিত্য-শাখাৰ ঠাই ক্ৰমে ক্ৰমে লবলৈ ধৰিলে উপন্যাসে। সেয়েহে আমি দেখোঁ, ৰামধেনু যুগৰ কেইবাজনো আগশাৰীৰ কবি আৰু চুটি গল্পকাৰক সত্তৰৰ দশকত ঔপন্যাসিক হিচাপেও প্ৰতিষ্ঠা লাভ কৰা। ৰামধেনু যুগৰ এনে কবি আৰু গল্পকাৰেই সত্তৰ আৰু আশীৰ দশকত কেইবাখনো মূল্যবান উপন্যাস অসমীয়া সাহিত্যলৈ আগবঢ়াইছে।

এই বিষয়ত প্ৰথম দৃষ্টান্তটোৱেই হ'ব স্বয়ং 'ৰামধেনু'ৰ সম্পাদক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ। পঞ্চাশৰ দশকতেই যদিও ঔপন্যাসিক হিচাপেও ভট্টাচাৰ্য আৱিৰ্ভূত হৈছিল, আৰু ষাঠিৰ দশকত তেখেতৰ এখন অন্যতম শ্ৰেষ্ঠ উপন্যাস প্ৰকাশিত হৈছিল, তথাপি ১৯৭০ চনত প্ৰকাশ পালে তেখেতৰ দুখন মূল্যবান প্ৰধান সাহিত্যকৰ্ম - 'মৃত্যুঞ্জয়' আৰু 'প্ৰতিপদ'। সেইদৰে ৰামধেনু যুগৰ শীৰ্ষস্থানীয় আধুনিক কবি নৱকান্ত বৰুৱাই যদিও পঞ্চাশৰ দশকতে উপন্যাসত হাত দিছিল, ১৯৭২ চনতে প্ৰকাশিত হ'ল তেখেতৰ শ্ৰেষ্ঠ উপন্যাস 'কৰা দেউতাৰ হাড়'। ৰামধেনু যুগৰ অন্য এজন অতি সংবেদনশীল কবি আৰু গল্পকাৰ হোমেন বৰগোহাঞিয়ে ষাঠিৰ দশকৰ পৰা উপন্যাস ৰচিবলৈ লৈ ১৯৭৫ চনত অসমীয়া সাহিত্যলৈ আগবঢ়ালে তেখেতৰ অন্যতম শ্ৰেষ্ঠ উপন্যাস 'পিতাপুত্ৰ'। একে কথা ক'ব পাৰি চুটি গল্পৰ ক্ষেত্ৰ প্ৰায় এৰি উপন্যাসৰ ক্ষেত্ৰত প্ৰতিষ্ঠিত হোৱা চন্দ্ৰপ্ৰসাদ শইকীয়া, মেদিনী চৌধুৰী, লক্ষ্মীনন্দন বৰা আদিৰ বিষয়েও। এই সকল লেখক আৰু ইয়াত বাহিৰে ষাঠি, সত্তৰ, আশী আৰু নব্বৈৰ দশকত আৱিৰ্ভূত হোৱা ঔপন্যাসিক সকলৰ অৰিহণাৰে সত্তৰৰ দশকৰ পৰা আজিলৈ অসমীয়া উপন্যাস হৈ উঠিছে অসমীয়া সাহিত্যৰ এটা প্ৰধান আৰু সম্পদশালী শাখা।

পঞ্চাশৰ দশকত প্ৰতিষ্ঠা লাভ কৰা কবিসকলৰ কবিতাৰ সলনি মাৰ্কিন নতুন কবিতাৰ আদৰ্শ আৰু আৰ্হিৰ কবিতাইহে প্ৰাধান্য লাভ কৰিবলৈ আৰম্ভ কৰিলে। লগে লগে পঞ্চাশৰ দশকৰ জনপ্ৰিয় শাখা চুটি গল্পইও জনপ্ৰিয়তা আৰু প্ৰাধান্য হেৰুৱাবলৈ ধৰিলে; আৰু এই অন্যতম জনপ্ৰিয় সাহিত্য-শাখাৰ ঠাই ক্ৰমে লবলৈ ধৰিলে উপন্যাসে।

অসমীয়া উপন্যাসৰ বৈচিত্ৰ্যৰ প্ৰতি শ্ৰোতা আৰু পাঠকসকলক সজাগ কৰিবলৈ আমাৰ আলোচ্য কালছোৱাৰ উপন্যাসবোৰৰ জৰীপ আমি বিষয়বস্তুৰ পিনৰ পৰা ভাগ কৰি কৰোঁহক। আৰু ইয়াৰ বাবে প্ৰথমতে ৰাজনৈতিক উপন্যাস বিলাকলৈকেই চকু দিওঁ। পূৰ্বতে 'ৰাজপথে ৰিঙিয়ায়' (১৯৫৫) আৰু 'ইয়াৰুইংগম' (১৯৬০)ৰ যোগে নিজকে এজন সচেতন ৰাজনৈতিক ঔপন্যাসিক হিচাপে প্ৰতিষ্ঠা কৰা বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই ১৯৭০ চনত প্ৰকাশিত 'প্ৰতিপদ' উপন্যাসত ত্ৰিছৰ দশকৰ শেষৰ পিনৰ ডিগবৈ তেল শোধনাগাৰৰ বনুৱা সকলৰ যি ধৰ্মঘট, তাক সন্তোষজনক কলাৰ ৰূপত প্ৰকাশ কৰিছে। ডিগবৈ শোধনাগাৰৰ সাধাৰণ বনুৱা আৰু তেওঁলোকৰ মাজৰ সাধাৰণ নেতাসকলৰ দৈনন্দিন জীৱনৰ কথা আৰু ধৰ্মঘটক কেন্দ্ৰ কৰি কৰা সকসুৰা কামৰ মাজেদি এফালে প্ৰগতিবাদী আদৰ্শ আৰু চিন্তা, আন ফালে মানৱীয় প্ৰমূল্য অতি আবেদনশীল ৰূপত ইয়াত প্ৰতিফলিত হৈছে। উপন্যাসখনি যদিও ঘটনাপ্ৰধান, তথাপি ই গতানুগতিক কাহিনীৰ এক উপন্যাস নহয়। ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়' একে বছৰতে প্ৰকাশিত একে পৰ্যায়ৰ অন্য এখন উপন্যাস। গান্ধীৰ নেতৃত্বৰ ভাৰতীয় স্বাধীনতা আন্দোলনে ইয়াত শীৰ্ষ পৰ্যায়ত বৃটিছ চৰকাৰৰ চৰম দমনমূলক কাৰ্যৰ প্ৰতিক্ৰিয়াত সহিংস হৈ উঠাৰ এটি অৱস্থা ইয়াত জীৱন্ত হৈ উঠিছে। গান্ধী আৰু অসমীয়া বৈষ্ণৱ ধৰ্মৰ অহিংস নীতি সাৰোগত কৰি স্বাধীনতা আন্দোলনত নমা অসমৰ কেতবোৰ স্বাধীনতা যোদ্ধাৰ পৰিস্থিতিত পৰি হিংসাত্মক কাৰ্যত লিপ্ত হব লগীয়া সময়ৰ মানসিক সংঘাত অতি মৰ্মস্পৰ্শী ৰূপত ইয়াত ফুটি উঠিছে। দুয়োখন উপন্যাসৰ আংগিক আৰু চৰিত্ৰ সৃষ্টিত মাৰ্কিন ঔপন্যাসিক হেমিংওৱেৰ প্ৰভাৱৰ সুখকৰ ফল ধৰা পৰিছে। পৰম্পৰাগত কাহিনী কথনৰ মাজেদি উপন্যাস দুখনৰ বিষয়বস্তু ফুটাই নুতুলি হেমিংওৱেৰ দৰেই এদল লোকৰ কাৰ্য আৰু সংলাপৰ মাজেদি ইয়াৰ বৃত্তান্ত আগবঢ়াত দুইখন উপন্যাসেই নাটকীয় গুণ লাভ কৰিছে।

ৰাজনৈতিক উপন্যাসৰ ক্ষেত্ৰত এই কালছোৱাত প্ৰকাশিত আৰু দুখন উপন্যাসৰ নাম আমি ইয়াত লব লাগিব। তাৰে ভিতৰৰ হোমেন বৰগোহাঞিৰ 'কুশীলৱ' (১৯৭০) গুৱাহাটীত বাস্তৱতে সংঘটিত হোৱা এক ব্যাপক অগ্নিকাণ্ডক কেন্দ্ৰ কৰি ৰচিত। এই অগ্নিকাণ্ডৰ পশ্চাৎ ভূমিত লেখকে দেখুৱাইছে এক ৰাজনৈতিক অভিসন্ধি, আৰু তাৰ মাজেদি উত্তৰ-স্বাধীনতাকালৰ আমাৰ সন্মানিত ৰাজনৈতিক নেতা সকলৰ গোপন কুকাৰ্য। একেদৰে অনিল ৰায়চৌধুৰীৰ 'কাণ্ডাৰী'য়ে (১৯৭৯) ১৯৭৪ চনৰ ভাৰত জোৰা ৰেল ধৰ্মঘট প্ৰগতিবাদী ভাবধাৰাৰে অসমৰ পৰিস্থিতিত অংকিত কৰিছে।

কেইবাখনো ঐতিহাসিক উপন্যাসো এই কালছোৱাত প্ৰকাশিত হৈছে। নৱকান্ত বৰুৱাৰ 'ককাদেউতাৰ হাড়'ৰ নাম এই ক্ষেত্ৰত প্ৰথমতে লব লাগিব। আহোম ৰাজ শাসনৰ অধীন, অষ্টাদশ শতিকাৰ নগাওঁৰ দুটি প্ৰতিপত্তিশালী পৰিয়ালৰ কাহিনী কথিত হোৱা এই উপন্যাসত সেই সময়ৰ নগক্ৰা সমাজখন অতি সুন্দৰকৈ প্ৰতিফলিত হৈছে। লেখকৰ ইতিহাস চেতনাই এই উপন্যাসত অতীতক কেৱল কৌতূহলোদ্দীপক ঘটনাৰ উৎস হিচাপে জ্ঞান নকৰি, অতীতক গ্ৰাহ্য কৰিছে মাথোন এক বিগত বৰ্তমান বুলি। লেখকৰ ভাষাৰ কাব্যিক গুণে অতীতৰ এটি পৰিবেশ সৃষ্টি কৰাত বিশেষভাৱে অৰিহণা যোগাইছে। এই গোটৰে আৰু এখন কাব্যধৰ্মী ঐতিহাসিক উপন্যাস হ'ল দেবেন্দ্ৰনাথ আচাৰ্যৰ 'অন্য যুগ অন্য পুৰুষ' (১৯৭১)। অতীতৰ কোনো বিশেষ বাস্তৱ পুৰুষ বা নাৰীক বা কোনো বিশেষ ঘটনাক ইয়াত অংকিত বা প্ৰতিফলিত কৰাৰ সলনি অতীতৰ এটা বিশেষ সামাজিক পৰিবেশহে ইয়াত সৃষ্টি কৰা হৈছে। আৰু এই পৰিবেশ পুনৰ্নিৰ্মাণ বাস্তৱ হৈয়ো কাব্যিক – যেন চুৰ্ৰিয়েলিষ্টিক্। আচাৰ্যই ইয়াৰ পিছত আৰু দুখন ঐতিহাসিক উপন্যাস ৰচনা কৰিছিল যদিও – 'কালপুৰুষ' (১৯৭৬) আৰু 'জংগম' (১৯৮২) – এই দুয়োখন উপন্যাসত পূৰ্বৰখনৰ কাব্যিক গুণ বাহাল নাথাকিল। ধীৰেন্দ্ৰনাথ বৰঠাকুৰৰ 'ৰাঙ্গীচাহেবা' (১৯৮০) আৰু অৰবিন্দ শৰ্মাৰ 'বন্দী' অন্য দুখন উল্লেখযোগ্য ঐতিহাসিক উপন্যাস।

জীৱনীমূলক উপন্যাসত এই কালছোৱা বেছ চহকী। মাধৱদেৱৰ জীৱনকলৈ মেদিনী চৌধুৰীৰ 'বণ্ডুকাবেহাৰ' (১৯৭৬), বিষ্ণুৰাভাৰ জীৱনক লৈ তেখেতৰে 'ফেৰেংগাদাও' (১৯৮২), শংকৰদেৱৰ জীৱনক লৈ আব্দুল মালিকৰ 'ধন্য নৰ তনু ভাল' (১৯৮৭) অম্বিকাগিৰীৰ জীৱনকলৈ কুমুদ গোস্বামীৰ 'উল্কাৰ পোহৰ' (১৯৮৬) আৰু মাৰ্ক্সবাদী কৰ্মী আৰু কবি ধীৰেন দত্তৰ জীৱনকলৈ চিদানন্দ শইকীয়াৰ 'জুয়ে পোৰা সোণ' (১৯৮৬) এই ছোৱা কালৰে সৃষ্টি। মেদিনী চৌধুৰীয়ে মাধৱদেৱক কেৱল চৰিত পুথিৰ দৃষ্টিভংগীৰে অতিমানৱ বা মহাপুৰুষ বুলি নাচাই 'বণ্ডুকাবেহাৰ'ত মানৱীয় ৰূপতহে চাইছে। যুগটোৰ বিষয়ে থকা লেখকৰ ঐতিহাসিক জ্ঞানে উপন্যাসখনৰ মূল্য চৰাইছে। অৱশ্যে মাধৱদেৱ মানুহজন ইয়াত সজীৱ হৈ ধৰা নিদিলে। 'বণ্ডুকাবেহাৰ'ত লেখকৰ ঐতিহাসিক তথ্য-জ্ঞান যেনেদৰে প্ৰশংসনীয়, 'ধন্য নৰতনু ভাল' তো আব্দুল মালিকৰ শংকৰদেৱৰ যুগৰ ঐতিহাসিক জ্ঞান একেদৰেই প্ৰশংসনীয়। 'বণ্ডুকাবেহাৰ'ত মাধৱদেৱৰ চৰিত্ৰটি যেনেকৈ জীৱন্ত হৈ নুঠিল, 'ধন্য নৰ তনু ভাল' তো শংকৰদেৱ মানুহজন স্পষ্ট হৈ নুঠিল। আনহাতে 'বণ্ডুকাবেহাৰ'ত তথ্য যেনেকৈ কাহিনীৰ লগত লেখকে অংগীভূত (integrated) কৰি দিব পাৰিছিল, 'ধন্য নৰ তনু ভাল'ত মালিকে সেইদৰে তেওঁৰ অহৃত সকলো তথ্য কাহিনীৰ অংগীভূত কৰি দিব নোৱাৰিলে। যুগটোৰ চিভিন্ন দিশৰ বহুতো বিৱৰণ ইয়াত কাহিনীৰ লগত সম্পৰ্ক ৰহিত প্ৰবন্ধৰ আকাৰতেই যেন ৰৈ গ'ল। মেদিনী চৌধুৰীৰ 'ফেৰেংগাদাও'ত বিষ্ণুৰাভাৰ জীৱন আৰু ব্যক্তিত্ব কিন্তু বেছ সজীৱ আৰু স্পষ্ট হৈ ধৰা দিছে। গতিকে স্বাভাৱিকতে কাহিনীতকৈয়ো চমকপ্ৰদ বিষ্ণুৰাভাৰ জীৱনৰ এই উপন্যাস অতি আমোদজনক হৈ উঠিছে।

কিছু তলৰ পৰ্যায়ৰ যদিও আৰু 'ফেৰেংগাদাও'ৰ সমানে মনোৰম হৈ নুঠিল যদিও এজন মাৰ্ক্সবাদী বিপ্লৱী ধীৰেন দত্তৰ জীৱনৰ অৱলম্বনত ৰচিত 'জুয়ে পোৰা সোণ'খনো সুখপাঠ্য। কিন্তু কুমুদ গোস্বামীৰ 'উল্কাৰ পোহৰ'ত উপন্যাসৰ ৰসৰ যেন বিজুতি ঘটিছে। অম্বিকাগিৰীৰ জীৱনৰ বহু কথা ইয়াত সন্নিবিষ্ট হোৱা সত্ত্বেও, মানুহজনৰ জীৱনটি যেন ত্ৰিমাত্ৰিক ৰূপত (three dimensional) পুনৰ্নিৰ্মিত নহ'ল। কনকলতাৰ চুটি জীৱনটো সম্পৰ্কে বেছি সমল পাবলৈ নাই যদিও সীমিত সমলেৰেই সেই অগ্নিযুগৰ পটভূমিত কনকলতাক অংকিত কৰিছে বীৰেন বৰকটকীয়ে তেওঁৰ শেহতীয়া উপন্যাস 'মৃত্যু গচকি আনা জয় জিনি'ত। কিন্তু জীৱনীমূলক উপন্যাসৰ ভিতৰত সত্তৰ আৰু আশীৰ দশকৰ শ্ৰেষ্ঠ কৰ্ম হ'ল তিলোত্তমা মিশ্ৰৰ 'স্বৰ্ণলতা' (১৯৯১)। নৱকান্ত বৰুৱাৰ 'ককাদেউতাৰ হাড়' যদি ইতিহাস চেতনা আৰু অতীতৰ জ্ঞানৰ সৈতে কাব্যিক কল্পনাৰ আনন্দদায়ক সমাহাৰ, তিলোত্তমা মিশ্ৰৰ 'স্বৰ্ণলতা' অতীতৰ পদ্ধতিমূলক জ্ঞান আৰু বিশ্লেষণী শক্তিৰ এক সুখকৰ কলাৰূপ। উনবিংশ শতাব্দীৰ বৌদ্ধিক-সাহিত্যিক আৰু সামাজিক-সাংস্কৃতিক দিশৰ অন্যতম পিতৃপুৰুষ গুণাভিৰাম বৰুৱাৰ জীয়ৰী স্বৰ্ণলতাৰ শিশুকালৰ পৰা যৌৱনকালতে বিধৱা হৈ দ্বিতীয়বাৰ বিবাহপাশত আৱদ্ধ হোৱালৈকে এই কালছোৱাৰ উপন্যাসৰ ৰূপেই হ'ল 'স্বৰ্ণলতা'।

গুণাভিৰাম বৰুৱাৰ দ্বিতীয় পত্নীৰ সন্তান স্বৰ্ণলতাই নগাওঁত জন্মি আৰু ঘৰতে শিক্ষা লৈ গুণাভিৰামৰ বৌদ্ধিক আৰু আদৰ্শগত প্ৰভাৱত ডাঙৰ হয়। সময়ত পিতৃৰ আচঁনিক্ৰমে তেওঁ কলিকতাৰ বেথুন স্কুলত পঢ়িবলৈ যায় আৰু তাত সংস্পৰ্শলৈ আহে ভাৰতীয় নৱজাগৰণৰ জনদিয়েক বৌদ্ধিক নেতা আৰু তেওঁলোকৰ পৰিয়ালৰ। ইয়াৰ ছবি, এহাতে লেখিকাৰ যুগটো সম্পৰ্কে পদ্ধতিমূলক জ্ঞান আৰু বিশ্লেষণ শক্তিৰ বলত আৰু আনহাতে নিয়ন্ত্ৰিত কল্পনা আৰু মাৰ্জিত ৰুচিৰ বলত, উজ্জ্বল হৈ উঠিছে। এই চিত্ৰত সেই সময়ৰ অসম

আৰু বংগৰ বৌদ্ধিক আৰু সাংস্কৃতিক জগত দুখনিও দুয়োখনিৰ মাজৰ সম্পৰ্কৰে লেখিকাৰ অধ্যয়নপুষ্ট ঐতিহাসিক দৃষ্টি উদ্ভাসিত হৈ উঠিছে। জীৱনীমূলক উপন্যাস হিচাপে 'স্বৰ্ণলতা'ৰ এটি বৈশিষ্ট্য আছে। ওপৰত আলোচিত আটাইবোৰ জীৱনীমূলক উপন্যাসেই বিষয়ৰ থূলমূলকৈ সমগ্ৰ জীৱনটোৰেই চিত্ৰণ হোৱাৰ বিপৰীতে 'স্বৰ্ণলতা'ই বিষয়ৰ জীৱনৰ গঠনমূলক স্তৰটোহে (formation stage) সামৰিছে। যৌৱন কালৰ এটা বিশেষ অৱস্থাত স্বৰ্ণলতাৰ মানসিক গঠনৰ প্ৰক্ৰিয়া যেতিয়া সম্পূৰ্ণ হৈছে আৰু পিতৃৰ অধীন আৰু সহযোগৰ জীৱনছোৱাৰো সমাপ্তি ঘটিছে, তেতিয়াই উপন্যাসখনৰো সামৰণি পৰিছে। স্বাভাৱিকতে স্বৰ্ণলতাৰ বাহ্যিক জগতখন প্ৰত্যক্ষ কৰাৰ লগে লগে ইয়াত আমি সমানে প্ৰত্যক্ষ কৰো স্বৰ্ণলতাৰ মনোজগতখন। এনে উপন্যাসকে জাৰ্মানি ভাষাত কয় Bildungrowan; আৰু তাৰ ইংৰাজী ৰূপান্তৰ কৰা হৈছে novel of development বুলি। অসমীয়াত আমি এনে উপন্যাসক গঠন-প্ৰক্ৰিয়াত্মক উপন্যাস আখ্যা দিব পাৰো।

গোষ্ঠী-জীৱন কেন্দ্ৰিক দুখন অতি ভাল উপন্যাস আমি এই কালছোৱাত পাইছো – ৰং বং তেৰাঙৰ 'ৰংমিলিৰ হাঁহি' (১৯৮০) আৰু উমাকান্ত শৰ্মাৰ 'এজাক মানুহ এখন অৰণ্য' (১৯৮৬)। অসমৰ চাহ বাগিচাৰ বনুৱা সম্প্ৰদায়ৰ জীৱন আৰু সমাজখনকেই বিষয়বস্তু হিচাপে লৈ অসমীয়াত কোনেও আৰু ইয়াৰ আগতে উপন্যাস ৰচনা কৰা নাছিল। বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'সেউজী পাতৰ কাহিনী' (১৯৫৯), যোগেশ দাসৰ 'ডাৱৰ আৰু নাই' আৰু বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'কালৰ হুমুনিয়া' (১৯৮২) যদিও চাহ বাগিচাৰ পটভূমিত ৰচিত আৰু সেইবোৰত চাহ বনুৱা সম্প্ৰদায়ৰ জীৱনৰ একো একোখন চিত্ৰ পোৱা যায়, তথাপি সেইবোৰত বিষয়বস্তু আছিল অন্য। উমাকান্ত শৰ্মাৰ 'এজাক মানুহ এখন অৰণ্য'ৰ বিষয়বস্তুৱেই কিন্তু চাহ বাগিচাৰ বনুৱা সম্প্ৰদায়হে কেতিয়া কেনে পৰিস্থিতিত তেওঁলোক অসমলৈ আহিল, কি প্ৰক্ৰিয়া আৰু কেনে শক্তিৰ টনা-আঁজোৰাত তেওঁলোক চাহ বাগিচাৰ ভিতৰত থাকিও অসমীয়া জীৱনৰ আৰু সমাজৰ অংগাংগী হৈ পৰিল – ইয়াৰ এটি সুন্দৰ হৃদয়গ্ৰাহী অথচ বিশ্বাসযোগ্য, পূৰ্ণাঙ্গ ছবি এই উপন্যাসত অংকিত হৈছে। ইয়াত চিত্ৰিত জীৱন আৰু ঘটনাৱলী যদিও নিতান্ত বাস্তৱ, তথাপি ইয়াৰ কাল্পনিক কাহিনী আৰু চৰিত্ৰৱলী এক বিশেষ অনুভূতিসিক্ত ভাষা আৰু কাব্যিক দৃষ্টিভংগীৰে ৰচিত হোৱাত ইয়াৰ আবেদন বাঢ়িছে। চাহ বাগিচাৰ বনুৱা জীৱন আৰু সমাজ সংস্কৃতিৰ চিত্ৰ হিচাপে, চাহ বাগিচাৰ বনুৱা আন্দোলন আৰু বনুৱা সকলৰ ভাৰতীয় জাতীয় আন্দোলনত অংশ গ্ৰহণৰ চিত্ৰ হিচাপে, চাহ বাগিচাৰ বনুৱা সকল ক্ৰমে ক্ৰমে অসমীয়া জাতীয় জীৱনৰ অঙ্গীভৱনৰ মনোৰম চিত্ৰ হিচাপে উমাকান্ত শৰ্মাৰ 'এজাক মানুহ এখন অৰণ্য' অসমীয়া সাহিত্যৰ অতি প্ৰয়োজনীয় কিন্তু দেৰিকৈ লাভ কৰা এক মূল্যৱান সম্পদ।

ৰং বং তেৰাঙৰ 'ৰংমিলিৰ হাঁহি'ত আনহাতে আমি অসমৰ কাৰ্বিসকলৰ পাশ্চাত্য মিশ্যনাৰী সকলে বৃটিছৰ আমোলত মিকিৰ পাহাৰত মিশ্যন খোলাৰে পৰা স্বাধীনতা প্ৰাপ্তিৰ পৰৱৰ্তীকাললৈ কাৰ্বিসকলৰ সমাজ আৰু সংস্কৃতি বিৱৰ্তন এটা অতি মনোৰম কিন্তু সুপৰিকল্পিত কাহিনীৰ মাজেদি ফুটাই তোলা হৈছে। কাৰ্বিসমাজৰ ই এক সুচিন্তিত সমালোচনাৰূপেও ধৰা দিছে। পূৰ্বতে এনে এক প্ৰয়াস কৰিছিল জয়ন্ত ৰংপীয়ে তেওঁৰ 'পুৱাতে এজাক ধনেশ' (১৯৭৭) উপন্যাসিকাত। তাতো কাৰ্বি সমাজৰ অৰ্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক দিশ ফুটি উঠিছিল যদিও উপন্যাস হিচাপে সি সংযুতিৰ দিশত সফল নহ'ল। অৱশ্যে তাৰ কাব্যোপম ভাষা আৰু বৰ্ণনাৰীতি এক বিশেষ সম্পদ আছিল। ডিমাছাসকলৰ জীৱন আৰু সমাজ লৈ ৰচিত নগেন বৰুৱাৰ 'গাজা উডীছা' আৰু স্বৰ্ণ বৰাৰ 'ডিয়ুং নদীৰ গীত' লৈকো আমি এই সন্দৰ্ভত আঙুলিয়াব লাগিব।

সময় বাগৰি যোৱাৰ লগে লগে সমাজলৈ পৰিবৰ্তন আহে, সামাজিক প্ৰমূল্যৰ পৰিবৰ্তন ঘটে আৰু মানুহৰ মানসিক দৃষ্টিভংগী সলনি হয়। ইয়াৰ ফলতে প্ৰতি দুই প্ৰজন্ম বা পুৰুষৰ মাজত ধৰা পৰে বহল ফাঁক। অসমীয়া সমাজত ধৰা পৰা এনে সামাজিক পৰিবৰ্তনৰ ছবি কেইবাজন ঔপন্যাসিকেও আমাৰ আলোচ্য কালছোৱাত অংকন কৰিছে। তাৰে ভিতৰত আমি প্ৰথমতে নাম লবলগীয়া উপন্যাসখন হ'ল হোমেন বৰগোহাঞিৰ 'পিতাপুত্ৰ' (১৯৭৫)। স্বাধীনতা আন্দোলনৰ কালৰ চাম লোকৰ মানসিকতা আৰু আদৰ্শ আৰু উত্তৰ স্বাধীনতা কালৰ প্ৰজন্মৰ মানসিকতা আৰু আদৰ্শ তুলনাত্মক দৃষ্টিভংগীৰে দেখুওৱা এই উপন্যাসে ভাৰতীয় তথা অসমীয়া জাতিৰ এই দুটি যুগৰ প্ৰকৃতি আৰু আদৰ্শ তুলি ধৰিছে। বৰগোহাঞিৰ ভাষাৰ বলিষ্ঠ খৰস্ৰোত গতি আৰু বিশিষ্ট আবেদনশীলতাৰে এই উপন্যাস অসমীয়া গ্ৰাম্য সমাজৰো এখন ছবি হৈ ধৰা দিছে।

কালান্তৰৰ অন্য এক সাৰ্থক সৃষ্টি হ'ল চন্দ্ৰপ্ৰসাদ শইকীয়াৰ 'জন্মান্তৰ' (১৯৭৮) উপন্যাসখন। স্বাধীনতাৰ আগৰ দুই পুৰুষ আৰু পিছৰ এপুৰুষৰ জীৱন-কাহিনীৰ মাজেদি এটি অভিজাত পৰিয়ালত পুৰণি প্ৰমূল্যবোৰৰ ঠাইত নতুন প্ৰমূল্যৰ অংকুৰণ এই উপন্যাসে চিত্ৰিত কৰিছে। শীলভদ্ৰৰ 'মধুপুৰ' উপন্যাসিকাই আনহাতে গণতান্ত্ৰিক ভাবধাৰাৰ প্ৰসাৰৰ লগে লগে গোৱালপাৰাৰ জমিদাৰী চহৰ এখনৰ সামন্তবাদী ৰীতি-নীতি আৰু প্ৰমূল্যৰ ক্ৰমবিলোপৰ সুন্দৰ চিত্ৰ এখন অংকিত কৰিছে। যশস্বী নাট্যকাৰ অৰুণ শৰ্মাই সত্তৰৰ দশকত উপন্যাসৰ ক্ষেত্ৰলৈকো আহিছিল। তেখেতৰ উপন্যাস 'উভলা শিপা'ই (১৯৭৯) বৰ্তমানৰ ঔদ্যোগিক আৰু বাণিজ্যিক সভ্যতাৰ নগৰকেন্দ্ৰিক আবহাওৱাত অসমীয়া সমাজৰ পৰম্পৰাগত যৌথ পাৰিবাৰিক গাঁথনি ভাঙি চিঙি যোৱাৰ চিত্ৰ অংকিত কৰিছে। সম্পূৰ্ণ গাৱঁলীয়া পৰিবেশত গাৱঁলীয়া অভিজ্ঞতাৰ প্ৰতিফলন থকা আমাৰ নিচেই কম সংখ্যক উপন্যাসৰ ইও এখন। সম্পূৰ্ণ গ্ৰাম্য পৰিবেশৰ গ্ৰাম্য সমাজৰ অন্য এক কাহিনী হ'ল মহেন্দ্ৰ বৰঠাকুৰৰ 'বৃহন্নলা' (১৯৮৩)। পূৰ্বৰ নিকা, মুকলিমুৰীয়া গাৱঁলীয়া সমাজখন আজিৰ দুনীতিপৰায়ণ ৰাজনীতিৰ পৰিবেশে বিক্ষত কৰাৰ কাহিনী এই উপন্যাসে দাঙি ধৰিছে। সময় বিশেষত গঢ় লৈ উঠা কেতবোৰ সামাজিক প্ৰথা আৰু ব্যক্তিৰ ওপৰত তাৰ ফল দেখুওৱা হৈছে ভবেন শইকীয়াৰ 'অন্তৰীপ' (১৯৮৬)





উপন্যাসত। প্ৰাক্‌স্বাধীনতা কালত পুৰুষ প্ৰধান অসমীয়া সমাজত নাৰীসত্তাই পোৱা আঘাত আৰু নাৰীসত্তাৰ ওপৰত তাৰ প্ৰতিক্ৰিয়া এই উপন্যাসে দাঙি ধৰিছে। ইয়াৰ কাহিনীৰ প্ৰথমাৰ্ধ বেছ আকৰ্ষণীয় যদিও দ্বিতীয়াৰ্ধত অন্য এটি প্ৰজন্ম আগুৰিবলৈ যাওঁতে লেখকে গাঁথনিৰ আটিলতাৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱালে; ফলত ইয়াৰ কাহিনীও হৈ পৰিল বিক্ষিপ্ত।

বৰ্তমান সময়ৰ আৰ্থিক সমস্যাই মানুহক কেনেকৈ মানৱীয় পৰ্যায়ৰো তললৈ ঠেলি দিছে, তাৰ কেইখনমান সাৰ্থক ছবি আমাৰ আলোচ্য কালৰ উপন্যাসে অংকন কৰিছে। তেনে উপন্যাসৰ এখন হ'ল নিৰুপমা বৰগোহাঞিৰ 'ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ' (১৯৭৯)। নদীপৰীয়া গাওঁ এখনৰ জীৱনৰ ছবি ফুটাই তোলা এই উপন্যাসখনে অসমীয়া গ্ৰাম্য অৰ্থনীতিৰ বিপৰ্যয় আৰু ইয়াৰ ফলত গাৱঁৰ পৰা চহৰলৈ হ'ব ধৰা নিৰৱচ্ছিন্ন প্ৰব্ৰজনৰ এক কৰুণ, নিষ্ঠুৰ কাহিনী সাৰ্থক কলা ৰূপত তুলি ধৰিছে। আনহাতে আৰ্থিক শোষণে মানুহক মানৱ পৰ্যায়ৰ তললৈ ঠেলি দিয়াৰ অন্য এক কৰুণ চিত্ৰ হ'ল মামণি ৰয়চম গোস্বামীৰ 'মামৰে ধৰা তৰোৱাল' (১৯৮০)। সমাজে মানৱীয় প্ৰয়োজনীয়তাৰ কথা আওকাণ কৰি পতিত কৰি থোৱা লোকৰ মাজতো লেখিকাই ইয়াত মানৱতা প্ৰত্যক্ষ কৰিছে আৰু সেই শোষিত, পতিত সকলৰ জয়যাত্ৰাক ওলগনি জনাইছে। আনহাতে প্ৰতিষ্ঠিত সমাজখনৰ তথাকথিত সন্মানিত নেতা সকলৰ মুখাৰ তলৰ নিষ্ঠুৰতা আৰু ধূৰ্তালি ইয়াত ঘৃণনীয় ৰূপত প্ৰতিফলিত হৈছে। এই উপন্যাসৰ কাহিনীৰ কথন-ৰীতি অগতানুগতিক আৰু তাৰ ভাষা অনুভূতিসিক্ত আৰু কাব্যগন্ধী।

আৰ্থিক সমস্যাই মানৱতাক নিষ্পেষণ কৰাৰ লগে লগে সামাজিক গাঁথনিতো কুপ্ৰভাৱ পেলোৱাৰ এটি সৰু কিন্তু মনত সাঁচ বহুওৱা মূল্যৱান কাহিনী হ'ল হোমেন বৰগোহাঞিৰ 'মৎস্যগন্ধা' (১৯৮৭)। দৰাচলতে আৰ্থিক দুৰৱস্থাৰ বাবে শোষণৰ পাত্ৰী হোৱা ইয়াৰ নায়িকা আপাততঃ বলি হৈছে আমাৰ সমাজৰ পৰম্পৰাগত বৰ্ণবৈষম্য বা জাতিবিদ্বেষৰ। কিন্তু অৰ্থনৈতিক শ্ৰেণীবিভেদক জাতিভেদৰ ৰূপত চাই আৰু সজাই সন্তীয়া আবেগ উদ্ৰেক কৰিব খোজা, আৰু বৰ্তমান তেনে সস্তীয়া আবেগৰ ৰাজনীতিৰে খেল খেলিবলৈ আগবঢ়া কেতবোৰ লোকৰ আৰু ৰাজনৈতিক দলৰ হানিকৰ প্ৰচেষ্টাৰ বিপৰীতে এই উপন্যাসে এটা বৰ স্বাস্থ্যকৰ দৃষ্টিভংগী দাঙি ধৰিছে। এই উপন্যাসে সোৱঁৰাই দিছে যে আৰ্থিক নিষ্পেষণৰ আৱৰণত ধৰা পৰা বৰ্ণবিদ্বেষ বা জাতিভেদ কেৱল হিন্দু সমাজৰ তথাকথিত উচ্চতম জাতিৰ মাজতেই সীমাৱদ্ধ নহয়। জাতিবিদ্বেষ, অস্পৃশ্যতাৰ ভাব তথাকথিত নিম্নজাত বা আৰ্যেতৰ জাতবোৰৰ মাজতো সমানে বিৰাজমান। এনে জাতবোৰৰ মাজৰ এই বিদ্বেষৰ কুফলো সমানেই হানিকৰ। অতি কম কথাৰ মাজেৰে এই ক্ষুদ্ৰ উপন্যাসখনৰ কাহিনী তীব্ৰ গতিত আগবাঢ়ি গৈছে; আনহাতে নিটোল ৰূপৰ ক্ষুদ্ৰ কাহিনীটোৱে ইয়াত গুৰুত্বপূৰ্ণ আৰ্থ-সামাজিক বিষয়বস্তু কৃতকাৰ্যতাৰে দাঙি ধৰিছে।

**সত্তৰৰ দশকৰ পৰা এতিয়ালৈ এয়াই অসমীয়া উপন্যাসৰ হেৰৰূপ। ইয়াৰ পৰাই এই কথা স্পষ্ট হয় যে আংগিকৰ ক্ষেত্ৰত পৰীক্ষা-নিৰীক্ষা তেনেই সীমিত হ'লেও বিষয়বস্তুৰ পিনৰ পৰা এইছোৱাকালৰ উপন্যাস বেছ বৰ্ণাঢ্য আৰু গুৰুত্বপূৰ্ণ। বেছি উপন্যাসতে পৰম্পৰাগত কাহিনীকথনহে ধৰা পৰে যদিও অন্ত কিছুসংখ্যক উপন্যাস এইছোৱা কালে লাভ কৰিছে, য'ত ধৰা পৰে অনুভূতিসিক্ত কাব্যোপম ভাষা, ইংগিতাময়তা, চিত্ৰ আৰু প্ৰতীক ধৰ্মিতা**

মানৱীয় পৰিস্থিতিৰ কাৰুণ্যই কেতিয়াবা লেখকৰ হৃদয়ত এনেভাৱে দোলা দিয়ে যে সি লেখকৰেই ব্যক্তিগত অনুভূতিলৈ ৰূপান্তৰিত হয়। এনে মানৱীয় কাৰুণ্যৰ ব্যক্তিগত অনুভূতিৰ ৰূপো অসমীয়া উপন্যাসত প্ৰতিফলিত হৈছে। স্বাভাৱিকতে এনে উপন্যাসত মানৱীয় আৰু সামাজিক সমস্যা ধৰা পৰা সত্ত্বেও এনে উপন্যাসে পৰিগ্ৰহ কৰে লিৰিকেল্ প্ৰকৃতি। মামণি ৰয়চম গোস্বামীৰ 'নীলকণ্ঠী ব্ৰজ' (১৯৭৪) এনে এখন উপন্যাস। ব্ৰজধামে বা বৃন্দাবনৰ কট্‌কটীয়া আচাৰ আৰু তাৰ তথাকথিত ধৰ্মীয় পৱিত্ৰ পৰিবেশত এফালে হতভাগিনী ৰাধেশ্যামীইঁতৰ শোষিত জীৱনৰ কাৰুণ্য আৰু আনফালে ধৰ্মীয় অনুষ্ঠানসমূহৰ মুৰব্বী শ্ৰেণীৰ দুৰ্নীতি আশ্ৰিত সুখসম্ভোগৰ ছবি এই উপন্যাসে দাঙি ধৰিছে। এই আটাইবোৰ যি গৰাকীৰ চকু আৰু মনৰ পৰ্দাত ধৰা দিছে, সেই অকাল বিধৱা গাভৰু গৰাকীৰ নিজস্ব প্ৰাণৰ বেদনা আৰু অন্তৰৰ অনুভূতিও ৰাধেশ্যামীইঁতৰ এই দুখৰ সহগ (correlative) হিচাপে ধৰা পৰিছে। আৰু ইয়াৰ প্ৰকাশভংগী তথা ভাষা হ'ল নিতান্ত কাব্যিক আৰু সংবেদনশীল। এপিনৰ পৰা ই অনীতা দেশাইৰ 'ক্ৰাই, দ্য পীকক্' (১৯৬৩, Cry, the Peacock) উপন্যাসখনৰ দৰে এক neurotic sensibility-ৰ কাব্যিক প্ৰকাশ, তথাপি একে সময়তে ই আমাৰ অৱক্ষীয়মান ধৰ্মীয় পৰম্পৰাৰ অমানৱীয় গোড়ামিৰ এক মৌন অথচ তীব্ৰ প্ৰতিবাদ। এক বিশেষ অনুভূতিসিক্ত ভাষা (felt or emotive language) আৰু প্ৰভূত প্ৰতীক আৰু চিত্ৰকল্পৰ ব্যৱহাৰে ইয়াৰ সমগ্ৰ পৰিবেশ কৰি তুলিছে দগধা বাস্তৱৰ মাজতেই স্বপ্নময় – যেন আকৌ এক চুৰ্ৰিয়েলিষ্টিক্ উপন্যাসৰেই এয়া পৰিবেশ।

মামণি ৰয়ছম গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা (১৯৮৬) ওপৰোক্ত উপন্যাসৰ সেই অনুভূতি ঘন পৰিবেশ অনুপস্থিত হ'লেও সেই এক পীড়িত আত্মাৰ একেটা মৌন প্ৰতিবাদ ইয়াতো ধৰা পৰে। ধৰ্মৰ নামত মানৱতাক চেপা দি নিঃশেষ কৰা আমাৰ সমাজৰ যি ধৰ্মীয় পৰম্পৰা, তাৰ বিপক্ষে

এই উপন্যাসৰ কাহিনী এক বলিষ্ঠ প্ৰতিবাদ। সামন্ত অৰ্থনীতিৰ প্ৰতিপত্তি অন্ত পেলাই এক সমাজবাদী আৰ্থ-সামাজিক কাঠামো গঢ়ি উঠাৰ আভাসো এই উপন্যাসে বহণ কৰিছে। তদুপৰি ভাৰতীয় ধৰ্মীয় মানৱতাৰ ঠাইত পাশ্চাত্য ধৰ্ম নিৰপেক্ষ মানৱতাবাদক এই উপন্যাসৰ কাহিনীয়ে স্বাগতম জনাইছে। বাস্তৱ- আনকি স্থান বিশেষে ডকুমেন্টৰি প্ৰকৃতিৰ, বহুলাংশে কামৰূপী স্বাদ আৰু ভাষাৰে ৰচিত এই উপন্যাসেও আকৌ সামগ্ৰিক ভাবে কাব্যিক ৰূপ পৰিগ্ৰহ কৰি এক বিচিত্ৰ কলাকৰ্ম হিচাপে ধৰা দিছে।

প্ৰবীণা শইকীয়াৰ 'সিংহ দুৱাৰ' (১৯৮২) খনতো লিৰিকেল প্ৰকৃতিৰ বহু পৰিমাণে ধৰা পৰে। অৱশ্যে ৰোমান্টিক প্ৰকৃতিৰ এই উপন্যাসত সমসাময়িক বাস্তৱ জীৱনৰ সমস্যা এটিকে তুলি ধৰা হৈছে। গাঁৱত উপজি ডাঙৰ হৈ চহৰৰ উচ্চ শিক্ষাৰে শিক্ষিত হৈ চহৰতে প্ৰতিষ্ঠিত হোৱা ইয়াৰ ডেকা নায়কে নিজস্ব অভিজ্ঞতাৰ পৰা বুজি উঠিছে যে চহৰৰ মানুহে গ্ৰাম্য, অমাৰ্জিত বা ৰুচিহীন বুলি জ্ঞান কৰা গাঁৱৰ মানুহৰ সৰলতা আৰু সততাহে আজিৰ মানুহৰ বাবে আশাৰ বিষয়। উপন্যাসৰ সমাজ-সচেতন, বুদ্ধিজীৱী নায়কৰ শিক্ষিতা পত্নীৰ আদি ভাগৰ কল্পনাবিলাস শেষৰ পিনে সুস্থিৰ, অধ্যাত্ম চিন্তালৈ পৰ্যবসিত হৈছে। আনপিনে চহৰীয়া সভ্যতাৰ প্ৰতিনিধি মণিকাৰ চহৰীয়া সভ্যতাৰ মোহত পৰি হোৱা প্ৰতাৰণা চহৰীয়া সভ্যতাৰ হৃদয়হীনতাই সৃষ্টি কৰা তাইৰ বুকুৰ কেন্সাৰৰ প্ৰতীকৰ ৰূপ লৈছে। এনে প্ৰতীক আৰু কল্পচিত্ৰৰ সফল ব্যৱহাৰ উপন্যাখনত আৰু বহুতো আছে যিয়ে উপন্যাসখনৰ অনুভূতিসিক্ত ভাষাৰ লগ লাগি ইয়াক কাব্যিক প্ৰকৃতি দান কৰিছে।

জীৱনৰ শেষ ছোৱাৰ অৰ্থাৎ বাৰ্ধক্যৰ কৰুণ অভিজ্ঞতা আৰু অনুভূতিৰ এক সংবেদনশীল প্ৰকাশ হ'ল শীলভদ্ৰৰ উপন্যাস 'গধূলি' (১৯৮১)। জীৱনৰ সকলো কৰ্তব্য নিয়াৰিকৈ সমাধান কৰি জীৱনৰ শেষৰ অৱস্থাত উপনীত হৈ ইয়াৰ বৃদ্ধ নায়কে মুখামুখি হৈছে এটি প্ৰশ্নৰ- জীৱনৰ সাৰ্থকতা ক'ত আৰু কি? সমগ্ৰ জীৱনটোত দেখাত তেওঁৰ কোনো ডাঙৰ ঘটনাই নঘটিল। সেই পিনৰ পৰা তেওঁৰ জীৱন যেন অসাৰ্থক। কিন্তু ক'তো একো আউল নলগাকৈ কাটি যোৱা তেওঁৰ বৈচিত্ৰ্যহীন, সৰল জীৱনটোৰো কিবা এটা যেন সাৰ্থকতা আছে বুলি কিহবাই তেওঁৰ মনৰ পিছপিনৰ পৰা তেওঁক ক'ব খোজে। জীৱনৰ সামৰণিৰ পিছত দেখাত তেওঁৰ একো ৰৈ নগ'লেও কিবা এটা যেন ক'ৰবাত ৰৈ যাব। অজ্ঞাতসাৰে হ'লেও কিবা এটা আদৰ্শ- কিবা এটা প্ৰমূল্যৰ অনুধাৱনত জীয়াই থকাৰ মূল্য সূক্ষ্ম কলাৰ মাজেদি দোহাৰা এই লিৰিকেল উপন্যাসখনি অসমীয়া সাহিত্যত এক বিৰল বিষয়বস্তুৰ উপন্যাস।

বৈপৰীত্যৰ অধ্যয়নৰ বাবে আমি শীলভদ্ৰৰ 'গধূলি'ৰ পিছতে হোমেন বৰগোহাঞিৰ 'অস্তৰাগ' (১৯৮৬)-খন আলোচনা কৰিব পাৰো। 'অস্তৰাগ'ৰ কেন্দ্ৰীয় চৰিত্ৰটিও জীৱনৰ অন্তিম অৱস্থাত উপনীত এক বুঢ়া মানুহ; তেওঁৰ জীৱনতো দেখাত হয়তো একো ডাঙৰ বা বৈচিত্ৰ্যপূৰ্ণ ঘটনা ঘটা নাছিল। কিন্তু তেওঁৰ নিজস্ব ব্যক্তিত্ব আৰু আদৰ্শৰে তেওঁ সাৰ্থকভাবে, বহুতক আনকি অনুপ্ৰাণিত কৰি জীয়াই থাকি জীৱনৰ সামৰণি মাৰিবলৈ ওলাইছে। কিন্তু এনে এক মানুহৰো বাৰ্ধক্যৰ বয়সজনিত অক্ষমতা, ৰুগ্নতা আৰু এইবোৰে অনা লাঞ্ছনাৰ বাস্তৱতাৰ মাজেদি এই উপন্যাসত মানুহৰ জীৱনো যে পশু-পক্ষীৰ জীৱনতকৈ উচ্চ বা ভিন্ন নহয়, তাৰো পৰিণতি একেই- এই প্ৰকৃতিবাদী (naturalism) ভাবধাৰা ব্যক্ত কৰা হৈছে। শীলভদ্ৰই যদি সাধাৰণ জীৱনতো মহত্ত্বৰ অনুসন্ধান কৰি সাধাৰণ জীৱনক 'গধূলি'ত আদৰ্শায়িত কৰিছে, তেন্তে হোমেন বৰগোহাঞিয়ে তেওঁৰ 'অস্তৰাগ'ত বিশিষ্ট বা মহৎ জীৱনতো সাধাৰণত্ব আৰোপ কৰি, মানুহৰ দশাক প্ৰকৃতিৰ উদ্ভিদ-পশু-পক্ষীৰ দশাৰ লগত অভিন্ন জীৱনক নিৰ্মোহভাবে প্ৰত্যক্ষ কৰিছে। এই দৃষ্টিভঙ্গী প্ৰকৃতিবাদী বাবেই আমি ইয়াত দেখো পৰিস্থিতিৰ ফটোগ্ৰাফধৰ্মী হুবহু বিৱৰণ- য'ত একালৰ মহৎ, আদৰ্শ শিক্ষককো দেখা পাওঁ জীৱনৰ শেষ অৱস্থাত নিজৰ বিচাত নিজে লেটি লৈ থাকি মৃত্যুৰ ক্ষণ গণনা কৰা। ইয়াৰ সাৱলীল ভাষা আৰু ঠায়ে ঠায়ে দাৰ্শনিক বক্তৃতা কিতাপখনৰ অন্যতম সম্পদ।

অৰূপা পটংগীয়া কলিতাৰ 'মৃগনাভি' (১৯৮৭) অন্য এক সামাজিক বাস্তৱতা ফুটাই তোলা লিৰিক্‌ধৰ্মী উপন্যাস। আমাৰ সমাজত নাৰীৰ মানুহ হৈ জীয়াই থকাৰ বাটৰ অন্তৰায়ৰ বাস্তৱ সমস্যাটি এটি গতানুগতিক কাহিনীৰ মাজেদি প্ৰকাশ নকৰি কবিতা সুলভ চিত্ৰকল্প, ধ্বনি, ইংগিত আদিৰ মাজেদি ইয়াত প্ৰকাশ কৰা হৈছে। ইয়াৰ অনুভূতিসিক্ত ভাষা আধুনিক কবিতাৰ দৰেই দ্ব্যৰ্থবোধক আৰু পৰোক্ষাৰ্থক। অৱশ্যে উপন্যাসিকাখনিৰ আদি ভাগৰ কলা সমৃদ্ধি অন্ত ভাগলৈ বাহাল নথকাত ই সম্পূৰ্ণৰূপে নিখুঁত কলাকৰ্ম হৈ নুঠিল। শেহতীয়াভাবে অন্য এখন অতি আবেদনশীল, লিৰিক্‌ধৰ্মী উপন্যাস ৰচনা কৰি অসমীয়া সাহিত্যলৈ এটি লেখত লব লগীয়া অৰিহণা আগবঢ়ালে ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্যই। তেওঁৰ 'মৰুদ্যান' (? শুদ্ধৰূপ-মৰূদ্যান) (১৯৯১) উপন্যাসিকাখনিত অসমীয়া সাহিত্যত পোনপ্ৰথমবাৰৰ বাবে চেতনা-স্ৰোত পদ্ধতি সাৰ্থক ৰূপত ব্যৱহৃত হৈছে। পূৰ্বতে কেবাজনো কৃতী লেখক এই পদ্ধতিৰ ব্যৱহাৰত নিষ্ফল হোৱাৰ বিপৰীতে এই তৰুণ লেখকৰ এই পদ্ধতিত কৃতকাৰ্যতা আমাৰ সকলোৰে বাবে আনন্দৰ কথা। তাতকৈয়ো ডাঙৰ কথা, এই পদ্ধতিৰ বাবে যি আধুনিকতাবাদী মানসিকতাৰ প্ৰয়োজন হয়, সেই মানসিকতাই এই উপন্যাসত প্ৰস্ফুটিত হৈছে। অৰ্থাৎ বিষয়বস্তু আৰু টেক্‌নিকৰ অতি সুখকৰ সমন্বয় এই উপন্যাসত ধৰা পৰিছে। আজিৰ যুগৰ দুৰন্ত জীৱন যুদ্ধত হাত দাঙি দি নিৰ্লিপ্ত হৈ পৰা এজন যুৱকৰ তীব্ৰ প্ৰতিযোগিতাত লিপ্ত সকলৰ সংসাৰখনত অনুভূত হোৱা নিঃসংগতা, বিচ্ছিন্নতা আৰু বিষাদৰ ই এক অতি সুন্দৰ গদ্য-কবিতা।

এই কালছোৱাতে নাৰীবাদী উপন্যাসৰ ধাৰা এটিয়ো প্ৰবৰ্তিত হোৱাৰ চিন ধৰা পৰিছে নিৰুপমা বৰগোহাঞিৰ 'অন্য জীৱন' (১৯৮৭)-খনিৰ যোগেদি। যদিও ৰজনীকান্ত বৰদলৈৰ 'ৰহদৈ লিগিৰী' (১৯৩০) আৰু দণ্ডিনাথ কলিতাৰ 'সাধনা' (১৯২৮) উপন্যাসতো আমাৰ এই যুগত এক আন্দোলন হিচাপে গঢ়ি উঠা নাৰীবাদী ভাবধাৰা আৰু চেতনা ধৰা পৰিছিল বুলি আমিয়েই দেখুৱাইছো, তথাপি তেতিয়া লেখকসকলে সচেতনভাবে এই ভাবধাৰা প্ৰকাশ কৰিবলৈ সেইবোৰ উপন্যাস ৰচনা কৰা নাছিল। নিজস্ব অভিজ্ঞতাৰ প্ৰকাশত নিষ্ঠাবান হোৱা বাবে আৰু মনোভংগীৰ উদাৰতাৰ বাবে সেইসকল ঔপন্যাসিকৰ উপন্যাসত মাথোন এই চেতনা স্বতঃস্ফুৰ্ত ভাবেই যেন প্ৰকাশ পাব পাৰিছিল। কিন্তু নিৰুপমা বৰগোহাঞিয়ে সম্পূৰ্ণ সচেতনভাবেই আৰু সুখকৰ কলাৰ ৰূপত তেওঁৰ 'অন্য জীৱন' উপন্যাসত নাৰীবাদ তুলি ধৰিছে। এক নাৰীৰ গাৰ্হ্যস্থ আৰু সমাজ জীৱনৰ কেতবোৰ সৰু-বৰ অভিজ্ঞতাৰ মাজেদি ইয়াত আমাৰ সমাজত কেনেকৈ নাৰীয়ে মানৱীয় মৰ্যাদা পাব পৰা নাই, তেওঁলোকৰ ব্যক্তিসত্তা পুৰুষ নিৰ্দ্দিষ্ট জীৱন পদ্ধতিত কেনেকৈ চেপা খাই আছে তাৰ এটি ছবি অতি আবেদনশীল ৰূপত ইয়াত প্ৰতিফলিত হৈছে। এই উপন্যাস সুখপাঠ্য হৈয়ো গুৰুভাবাপন্ন; সামাজিক চেতনা প্ৰকাশক হৈয়ো সাহিত্যিক আনন্দদায়ক। লেখিকাৰ 'চম্পাৱতী' (১৯৯০) এই ধাৰাৰ অন্য এক উপন্যাস।

নাৰীবাদৰ বিপৰীতে মানৱতাবাদলৈ আহোহক। আপেক্ষিকভাবে অন্য এজন নতুন লেখক ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰীৰ 'অনুৰাধাৰ দেশ (১৯৮৯) মানৱতাবাদক বিষয়বস্তু হিচাপে লোৱা এখন সাৰ্থক উপন্যাস। পৰম্পৰাগত এটি কাহিনীৰ মাজেদি মানুহ যে জাতি-দেশ-ভাষাৰ গণ্ডীৰ উৰ্ধ্বত, মানুহৰ প্ৰকৃত পৰিচয় যে ইউৰোপীয়, ভাৰতীয়, উড়িয়া, অসমীয়াৰো ওপৰত কেৱল মানুহ হিচাপেই- এই মানৱতাবাদী বাণী ইয়াত এটি অতি আকৰ্ষণীয় কাহিনীৰ মাজেদি সুন্দৰকৈ তুলি ধৰা হৈছে। লেখকৰ ভাষা সৰল অথচ আবেদনশীল; কাহিনীকথন পৰম্পৰাগত অথচ হৃদয়গ্ৰাহী আৰু বুদ্ধিদীপ্ত।

অসমীয়া বেছিভাগ উপন্যাসেই কাহিনী সৰ্বস্ব হোৱাৰ বিপৰীতে কাহিনীকথনৰ ওপৰত গুৰুত্ব কমাই এক বিশেষ পৰিস্থিতিৰ মাথোন সৃষ্টি কৰি তাৰ মাজতে এটি ভাব বা বক্তব্য প্ৰকাশ কৰাৰ এটি প্ৰশংসনীয় চেষ্টা কৰিছে অন্য কেইজনমান আপেক্ষিকভাবে নতুন লেখকে। তাৰ ভিতৰত আছে 'বোধিদ্ৰুমৰ ছাঁ'ৰ লেখক পৰাগ কুমাৰ ভট্টাচাৰ্য, 'সূৰ্যমুখী'ৰ লেখক শৈলেন ভট্টাচাৰ্য, আৰু 'নিজস্ব'ৰ লেখক ভুবন কলিতা। যুগৰ মানসিকতাক উপন্যাসৰ মাধ্যমেৰে প্ৰত্যক্ষ কৰিবলৈ চেষ্টা কৰিছে এইসকল লেখকৰে সমসাময়িক অন্য কেইগৰাকীমান লেখকে। তাৰ ভিতৰত আমি নাম লব পাৰো 'কটন কলেজ' আৰু 'ফিনিক্স পখীৰ গান'ৰ লেখক নবীন বৰুৱা আৰু 'এজন দধীচিৰ অন্বেষণ'ৰ লেখক পোলেন বৰকটকীৰ।

অনুভূতিসিক্ত ভাষা আৰু ৰোমান্টিক মনোভংগীৰে কেইখনমান আবেদনশীল উপন্যাস ৰচনা কৰি উলিয়াইছে আৰু কেইগৰাকীমান আপেক্ষিকভাবেই তৰুণ লেখকে। তাৰে ভিতৰত অগ্ৰণী হ'ল ভূপেন্দ্ৰনাথ শৰ্মা। তেওঁৰ 'উড্ডীন উত্তৰীয়' (১৯৭৫) মনোমহা ৰূপত কথিত এক ৰোমান্টিক কাহিনী। ইয়াৰ অনুভূতিসিক্ত ভাষা আৰু আবেদনশীল কাহিনীয়ে লেখকৰ বিশেষ সম্ভাৱনাৰ ইংগিত দিয়ে। অন্য এগৰাকী আপেক্ষিকভাবে তৰুণ লেখক ত্ৰৈলোক্য ভট্টাচাৰ্যই তেওঁৰ 'সাঁচিপাতৰ পুথি' (১৯৭৩) বৃটিছে অসম অধিকাৰ কৰাৰ সময়ত বেপ্টিষ্ট মিশ্যনাৰীসকলে অসমীয়া ভাষা আৰু সাহিত্যৰ বাবে কৰা কাৰ্যাৱলীৰ মাজৰ নিষ্ঠা আকৰ্ষণীয় ভাবে দাঙি ধৰিছে। ঐতিহাসিক উপন্যাস হিচাপে ইয়াৰ চৰিত্ৰ আৰু কাৰ্যাৱলী বাস্তৱ; কিন্তু সেই বাস্তৱতাক দাঙি ধৰা কাহিনীৰ কথনত লেখকে এক বিশেষ প্ৰতিভাৰ পৰিচয় দিছে।

ৰোমান্টিক কল্পনাৰে আৰু অনুভূতিসিক্ত ভাষাৰে হৃদয়স্পৰ্শী কাহিনীৰ সৃষ্টি কৰা কেইজনমান তৰুণ ঔপন্যাসিকৰ নামো আমি ইয়াত লোৱা উচিত হ'ব এইবোৰ উপন্যাসত ধৰা পৰা তেওঁলোকৰ সম্ভাৱনালৈ চাই। আলোক শৰ্মাৰ 'উপেক্ষিত অংগনা' (১৯৭৭), বসন্ত দাসৰ 'পিৰামিড' (১৯৮৩) আৰু প্ৰণৱপ্ৰাণ ভট্টাচাৰ্যৰ 'নক্ষত্ৰৰ দৰে জাগ্ৰত' এওঁলোকৰ প্ৰস্তাৱনাৰ স্বাক্ষৰ। এনে ৰোমান্টিক উপন্যাসৰ বিপৰীতে কেতবোৰ বাস্তৱ সত্যক লৈ লিখা উপন্যাসো তৰুণসকলে ৰচনা কৰিছে। তাৰে ভিতৰত এখন হ'ল ধ্ৰুৱজ্যোতি বৰাৰ থিচিচ্ নভেলৰ শাৰীত লব পৰা 'লোহা' (১৯৮৫) উপন্যাসিকাখনি। ইয়াৰ চৰিত্ৰবোৰ কাল্পনিক যদিও মোৱামৰীয়া গণ-অভ্যুত্থানৰ সময়ত উপস্থাপিত এই উপন্যাসে ঐতিহাসিক সত্যনিষ্ঠাৰে- প্ৰায় ডক্যুমেন্টৰী ৰূপত সেই সময়ৰ অসমৰ লোহা প্ৰথাৰ এটি আভাস দিছে। লগতে সেই সময়ৰ আৰ্থ-সামাজিক ব্যৱস্থাৰো এটি আভাস ইয়াত ফুটি উঠিছে। অন্য দুখন বাস্তৱধৰ্মী উপন্যাস ভগৱান শৰ্মাৰ 'মেৰঘৰ' আৰু 'বিষণ্ণ প্ৰহৰ'ত সমসাময়িক সমাজৰ বাস্তৱতা ফুটাই তোলা হৈছে। দিনেশ শৰ্মাৰ 'আপোনজন'ত আকৌ সমসাময়িক গ্ৰাম্য জীৱনৰ বাস্তৱতা তথা প্ৰমূল্যৰ ক্ষয় দেখুওৱা হৈছে। ফুলেন বৰ্মনৰ 'হাতী ৰজা হোৱাৰ কথা'ত (১৯৮৪) বৰ্তমান চৰকাৰী বিভাগৰ দুৰ্নীতি ডক্যুমেন্টৰী পদ্ধতিৰেই অংকিত কৰা হৈছে।

খাটি খোৱা লোক, আৰ্থিকভাবে নিঃস্ব শ্ৰেণীৰ প্ৰতি সহানুভূতি আৰু শ্ৰেণী সংগ্ৰামৰ চেতনা ধৰা পৰা প্ৰগতিবাদী উপন্যাসো এইছোৱা কালত ওলাই আছে। তাৰে ভিতৰত আমি আঙুলিয়াব পাৰো অনিল ৰায়চৌধুৰীৰ 'শত্ৰু', মুকুট ভট্টাচাৰ্যৰ 'গতি' (১৯৮৪) আৰু 'হেৰোৱা বাটৰ আঁত' (১৯৮৫)-লৈ। এই গোটতে আমি আৰু নাম লব পাৰো ভুবন মোহন মহন্তৰ 'বৰষা গৰজে ঘন', অচ্যুত শৰ্মাৰ 'সূৰ্যশিখা' আৰু তোষেশ্বৰ চেতিয়াৰ 'লৌহপিঞ্জৰা'ৰ।

সত্তৰৰ দশকৰ পৰা এতিয়ালৈ এয়াই অসমীয়া উপন্যাসৰ ৰেহৰূপ। ইয়াৰ পৰাই এই কথা স্পষ্ট হয় যে আংগিকৰ ক্ষেত্ৰত পৰীক্ষা-নিৰীক্ষা তেনেই সীমিত হ'লেও বিষয়-বস্তুৰ পিনৰ পৰা এইছোৱা কালৰ উপন্যাস বেছ বৰ্ণাঢ্য আৰু গুৰুত্বপূৰ্ণ। বেছি উপন্যাসতে পৰম্পৰাগত কাহিনীকথনহে ধৰা পৰে যদিও, অন্ততঃ কিছু সংখ্যক উপন্যাস এইছোৱা কালে লাভ কৰিছে, য'ত ধৰা পৰে অনুভূতিসিক্ত কাব্যোপম ভাষা, ইংগিতময়তা, চিত্ৰ আৰু প্ৰতীকধৰ্মিতা। ঐতিহাসিক আৰু জীৱনীমূলক একাধিক ভাল উপন্যাস এই কালছোৱাত আমি পাইছো। পঞ্চাশৰ দশকত উন্মেষ হোৱা অসমীয়া উপন্যাসৰ আধুনিকতাবাদী ধাৰাটি ধীৰ গতিত হ'লেও এই দুই দশকতো বৈ আছে। গতিকে ক'ব পাৰি এই দুই দশকৰ অসমীয়া সাহিত্যৰ উপন্যাস হ'ল এটা সম্পদশালী, সজীৱ দিশ। সাম্প্ৰতিক অসমীয়া সাহিত্যৰ প্ৰধান শাখা হিচাপে ই সমসাময়িক অসমীয়া সমাজৰ চেতনা, সমস্যা, প্ৰমূল্য আৰু গতি-প্ৰকৃতিৰ দাপোণস্বৰূপ।

# এ এছ ডি চি প্ৰচণ্ড প্ৰত্যাহ্বানৰ সমুখীন

হিতেন মহন্ত

কাৰ্বি আংলঙৰ স্বায়ত্ত শাসিত ৰাজ্য দাবী সমিতিয়ে সম্প্ৰতি এক প্ৰত্যাহ্বানৰ সমুখীন হৈছে। সংক্ষেপে এ এছ ডি চি-ৰ সমুখত এতিয়া চৰকাৰী পক্ষৰ উপৰিও আন এটা পক্ষ প্ৰতিবন্ধক হিচাপে থিয় দিছে। সেইটো হ'ল কাৰ্বি আংলঙৰ নাগৰিক অধিকাৰ সুৰক্ষা সমিতি। এই নাগৰিক অধিকাৰ সুৰক্ষা সমিতিয়ে কাৰ্বি আংলঙৰ অনা কাৰ্বি জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰে বুলি দাবী উত্থাপন কৰিছে। নাগৰিক অধিকাৰ সুৰক্ষা সমিতিয়ে স্বায়ত্ত শাসিত ৰাজ্যৰ পৰিবৰ্তে জিলা পৰিষদক অধিক ক্ষমতা দিয়াৰ বাবে দাবী কৰিছে। নাগৰিক অধিকাৰ সুৰক্ষা সমিতিৰ নেতৃত্ব দিছে চন্দ্ৰ বসুমতাৰী নামৰ এজন লোকে। এওঁ আগেয়ে কাৰ্বি আংলঙৰ ইউনাইটেড পিপলচ্ কনফাৰেন্স দলৰ নেতা আছিল আৰু এতিয়া কাৰ্বি আংলং জিলা পৰিষদৰ সদস্য।

নাগৰিক অধিকাৰ সুৰক্ষা সমিতিয়ে কাৰ্বি আংলঙৰ কিমান সংখ্যক লোকৰ সমৰ্থন লাভ কৰিছে বা কিমান সংখ্যক লোকক প্ৰতিনিধিত্ব কৰে সেইটো এটা বিতৰ্কিত বিষয় হ'লেও এই সংগঠনটোৰ উত্থানে যে স্বায়ত্ত শাসিত ৰাজ্য দাবী সমিতিৰ নেতৃবৰ্গক বিপাণ্ডত পেলাইছে সেই বিষয়ে কোনো সন্দেহ নাই। অ-ৰাজনৈতিক সংগঠন বুলি দাবী কৰিলেও নাগৰিক অধিকাৰ সুৰক্ষা সমিতিৰ উত্থানৰ আঁৰত যে ৰাজনৈতিক উদ্দেশ্য নিহিত সেই বিষয়ে তিলমাত্ৰও সন্দেহ নাই। নাগৰিক অধিকাৰ সুৰক্ষা সমিতিৰ মূল শ্লোগান হ'ল বৰ্তমানৰ কাৰ্বি আংলঙৰ জিলা পৰিষদে অনা কাৰ্বি জনগোষ্ঠীক প্ৰাপ্য সা-সুবিধাৰ পৰা বঞ্চিত কৰিছে। জিলা পৰিষদে নিযুক্তি, ভূমি পট্টন আৰু অৰ্থনৈতিক সা-সুবিধা দিয়াৰ ক্ষেত্ৰত বৈষম্যমূলক নীতি গ্ৰহণ কৰিছে। এক কথাত ক'বলৈ গ'লে স্বায়ত্ত শাসিত ৰাজ্য দাবী সমিতিৰ নেতৃত্বৰ হাতত কাৰ্বি আংলঙৰ অনা কাৰ্বি জনগোষ্ঠীৰ ভৱিষ্যৎ সুনিশ্চিত নহয়। সংগঠনটোৰ নেতৃবৃন্দই যুক্তি প্ৰদৰ্শন কৰিছে যে স্বায়ত্ত শাসিত জিলা পৰিষদৰ শাসন কালতেই অনা কাৰ্বিৰ এই অৱস্থা হৈছে। গতিকে স্বায়ত্ত শাসিত ৰাজ্য লাভ কৰিলে অনা কাৰ্বিৰ অৱস্থা ইয়াতকৈ অধিক দুৰূহ হ'ব। নাগৰিক অধিকাৰ সুৰক্ষা সমিতিৰ এই ৰাজনৈতিক শ্লোগানে স্বাভাৱিকতে অনা কৰ্বি জনগোষ্ঠীৰ সৰ্বসাধাৰণ ৰাইজক আকৰ্ষিত কৰিব। কিয়নো ৰাজনৈতিক অধিকাৰ যিয়েই লাভ নকৰক লাগিলে কৰ্ম সংস্থান আৰু ভাত-কাপোৰৰ সমস্যাই মানুহৰ মূল সমস্যা। অনা কাৰ্বি জনগোষ্ঠীৰ সমুখত এনে ধৰণৰ শ্লোগান দাঙি ধৰি সংগঠনটোৱে অতি কৌশলেৰে স্বায়ত্ত শাসিত ৰাজ্যৰ পৰিবৰ্তে জিলা পৰিষদক অধিক ক্ষমতা দিয়াৰ দাবী উত্থাপন কৰেছি। এই অধিক ক্ষমতাৰ মূল বিষয়টো হ'ল জিলা পৰিষদক বাজেট প্ৰস্তুতকৰণৰ ক্ষমতা প্ৰদান। সংগঠনটোৱে প্ৰচাৰ কৰিছে যে কাৰ্বি আংলঙৰ ৰেমা নগা, কুকি নগা আদি জনগোষ্ঠীয়েও স্বায়ত্ত শাসিত ৰাজ্যৰ বিৰোধিতা কৰিছে। সংগঠনটোৱে তথ্য দাঙি ধৰি কৈছে যে ১৯৭১ চনৰ লোকপিয়ল অনুসৰি কাৰ্বি আংলং জিলাৰ মুঠ জনসংখ্যা ৩,৭৯,৩১০ জন। ইয়াৰে কাৰ্বি জনসংখ্যা ১,৬৮,৫২৩ জন। অনা কাৰ্বি জনসংখ্যা ২,১০,৭৮৭ জন। অৰ্থাৎ কাৰ্বি জনসংখ্যাৰ তুলনাত অনা কাৰ্বি জনগোষ্ঠীৰ জনসংখ্যা বেছি। সেয়ে স্বায়ত্ত শাসিত ৰাজ্য লাভ কৰিলে এককভাবে কাৰ্বি জনসংখ্যা বেছি হ'লেও সন্মিলিত সংখ্যা গৰিষ্ঠ অনা কাৰ্বি জনগোষ্ঠীক শাসন কৰিবলৈ সুবিধা পাব। অৰ্থাৎ সংখ্যা গৰিষ্ঠৰ ওপৰত সংখ্যা লঘুৰ শাসন প্ৰবৰ্তিত হ'ব। এনে ধৰণৰ ৰাজনৈতিক শ্লোগান দাঙি ধৰি নাগৰিক অধিকাৰ সুৰক্ষা সমিতি এক ৰাজনৈতিক শক্তি হিচাপে স্বায়ত্ত শাসিত ৰাজ্য দাবী সমিতিৰ সমুখত থিয় দিছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে অসম আন্দোলনৰ সময়তো নাগৰিক অধিকাৰ সুৰক্ষা সমিতি নামেৰে এটা সংগঠনৰ জন্ম হৈছিল। এই নাগৰিক অধিকাৰ সুৰক্ষা সমিতিয়ে বিভিন্ন সংখ্যা লঘু জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰা বুলি দাবী উত্থাপন কৰিছিল। অসম আন্দোলনৰ নেতৃবৃন্দৰ সমুখত ৰাজনৈতিক শক্তি হিচাপে থিয় দি অসম আন্দোলনৰ বিৰোধিতা কৰিছিল। সেই একেই ধৰণে এতিয়া কাৰ্বি আংলঙত নাগৰিক অধিকাৰ সুৰক্ষা সমিতিয়ে স্বায়ত্ত শাসিত ৰাজ্য দাবী আন্দোলনৰ বিৰোধিতা কৰি স্বায়ত্ত শাসিত ৰাজ্য দাবী সমিতিৰ বিৰুদ্ধে ৰাজনৈতিক যুদ্ধত অৱতীৰ্ণ হৈছে। স্বায়ত্ত শাসিত ৰাজ্য দাবী সমিতিৰ নেতৃবৃন্দই এই ৰাজনৈতিক যুদ্ধৰ মোকাবিলা কেনেদৰে কৰে সেইটোৰ ওপৰতে এতিয়া স্বায়ত্ত শাসিত ৰাজ্য দাবী আন্দোলনৰ সাফল্য নিৰ্ভৰ কৰিছে। ইতিমধ্যে স্বায়ত্ত শাসিত ৰাজ্য দাবী সমিতিয়ে নাগৰিক অধিকাৰ সুৰক্ষা সমিতিৰ অভিযোগ ভিত্তিহীন বুলি বাতৰি কাকতৰ জৰিয়তে স্পষ্টীকৰণ দিছে। নিযুক্তি, ভূমি পট্টন, অৰ্থনৈতিক সা-সুবিধাৰ ক্ষেত্ৰত অনা কাৰ্বি জনগোষ্ঠীক বঞ্চিত কৰা নাই বুলি স্বায়ত্ত শাসিত ৰাজ্য দাবী সমিতিয়ে প্ৰত্যুত্তৰ দিছে। মুঠতে অভিযোগ প্ৰতি অভিযোগেৰে এতিয়া দুয়োটা পক্ষই কাৰ্বি আংলঙৰ বতাহ গৰম কৰিছে।

আটাইতকৈ গুৰুতৰ বিষয়টো হ'ল এয়ে যে জিলা পৰিষদৰ শাসনত থকা স্বায়ত্ত শাসিত ৰাজ্য দাবী সমিতিৰ নেতৃবৃন্দৰ বিৰুদ্ধে এতিয়া ব্যাপক দুৰ্নীতিৰ অভিযোগ উঠিছে। নাগৰিক সুৰক্ষা সমিতিয়ে তথ্য দাঙি ধৰি কৈছে যে জিলা পৰিষদৰ অধীনত সমষ্টি বিকাশ সমিতি গঠন কৰা হৈছে। এই সমিতি গঠন কৰি ফুলনি সমষ্টিত নাদ আৰু নলীনাদ আঁচনিৰ বাবে ১,৫৮,০০০ টকা মুখ্য কাৰ্যবাহী সদস্য ডাঃ জয়ন্ত ৰংপীয়ে অনুমোদন জনায়। ফুলনি সমষ্টি বিকাশ সমিতিয়ে এই সম্পূৰ্ণ টকা আদায় কৰি ফুলনিৰত থকা চেন্ট্ৰেল বেংক অৱ ইণ্ডিয়াত জমা কৰে। কিন্তু অভিযোগ মতে নতুন ১০টা নাদ বহুওৱা আৰু দুটা নাদৰ মেৰামতিৰ কাম কৰা নহ'ল। সেই দৰে লাংখাৰ সমষ্টিতো একেই ঘটনা ঘটিছে। পথ যোগাযোগ আঁচনিৰ বাবে ২,৫০,০০০ টকা অনুমোদন জনোৱা হৈছিল। কিন্তু যিটো কামৰ বাবে ১,০৫,৬৫০ টকা অনুমোদন জনোৱা হৈছিল সেই কাম একেবাৰে কৰা নহ'ল।

আনহাতে এ, এছ, ডি, চি-ৰ নেতৃবৰ্গ যে কেৱল নাগৰিক সুৰক্ষা সমিতিৰ প্ৰত্যাহ্বানৰ সমুখীন হৈছে এনে নহয়, স্বায়ত্ত শাসিত ৰাজ্য দাবী আন্দোলনৰ অন্যতম কৰ্ণধাৰ এলবিন টেৰণেও এতিয়া এ এছ ডি চি-ৰ পৰা ফালৰি কাটি গৈছে। স্বায়ত্ত শাসিত ৰাজ্য দাবীৰ লক্ষ্যৰ পৰা আঁতৰি ডাঃ জয়ন্ত ৰংপী, হলিৰাম তেৰাং আদি নেতাসকলে একনায়কত্ববাদী মনোভাবেৰে জিলা পৰিষদৰ কাম-কাজ পৰিচালনা কৰাৰ অভিযোগ উত্থাপন কৰি এলবিন টেৰণৰ নেতৃত্বত একাংশ সদস্য এ, এছ, ডি, চি-ৰ পৰা আঁতৰি গৈছে। এ, এছ, ডি, চি-ৰ বাবে নিঃসন্দেহে ই এটা মাথমাৰ। এলবিন টেৰণৰ দৰে নেতা আঁতৰি যোৱাৰ লগে লগে এ, এছ, ডি, চি-ৰ পূৰ্বৰ শক্তি বহু পৰিমাণে হ্ৰাস পাইছে।

আচলতে ক্ষমতাত অহাটোৱেই এ, এছ, ডি, চি-ৰ কৌশলগত ভুল হৈছিল। ক্ষমতালৈ অহাৰ পিছত যিকোনো নেতাৰ ভৰি পিছল খোৱাটো অতি স্বাভাৱিক। ডাঃ জয়ন্ত ৰংপী, হলিৰাম তেৰাং আদিৰ ক্ষেত্ৰতো সেই একেই হৈছে। স্বায়ত্ত শাসিত ৰাজ্য বিৰোধিতা কৰা ৰাজনৈতিক শক্তিয়ে এ, এছ, ডি, চি জিলা পৰিষদৰ ক্ষমতালৈ অহাটো বিচাৰিছিল। এই বিৰোধী ৰাজনৈতিক শক্তি অন্ততঃ এটা কথাত নিশ্চিত আছিল যে এ, এছ, ডি, চি-ৰ নেতৃবৃন্দ ক্ষমতালৈ অহাৰ লগে লগে স্বায়ত্ত শাসিত ৰাজ্য দাবী আন্দোলন কিছু পৰিমাণে হ'লেও স্তিমিত হ'ব। অন্ততঃ ভাৰতবৰ্ষৰ ৰাজনৈতিক ইতিহাসে সেইটোকে কয়। ভাৰতবৰ্ষত বাওঁপন্থী দল ক্ষমতালৈ অহাৰ লগে লগে বাওঁপন্থী আন্দোলনৰো জোৱাৰ বহু পৰিমাণে হ্ৰাস পায়। এ এছ ডি চি-ৰ ক্ষেত্ৰতো বৰ্তমান সেই একেই ঘটনা ঘটিছে। আগেয়ে কাৰ্বি আংলঙৰ জনসাধাৰণৰ অভাৱ-অভিযোগ লৈ এ, এছ, ডি, চি আন্দোলন কৰিছিল। গতিকে জনসাধাৰণৰ বিপুল সমৰ্থন লাভ কৰিবলৈ সক্ষম হৈছিল। কিন্তু ক্ষমতালৈ অহাৰ পিছতে এ এছ ডি চি-ৰ নেতৃবৰ্গই কাৰ্বি আংলঙৰ জনসাধাৰণৰ অভাৱ-অভিযোগ দূৰ কৰাৰ দায়িত্ব ল'ব লগীয়া হৈছে। এনে কৰিবলৈ লওঁতে স্বাভাৱিকতে তেওঁলোকে মূল লক্ষ্যত মনোনিবেশ কৰিব নোৱৰা হৈছে। সেইদৰে ক্ষমতালৈ অহাৰ লগে লগে একাংশ নেতা অৰ্থলোভী হৈ পৰাটোও স্বাভাৱিক। ফলস্বৰূপে এ এছ ডি চি-ৰ একাংশ নেতাৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ উঠিছে। এনেবোৰ কাৰণতে এ এছ ডি চি-ৰ নেতৃবৃন্দই পূৰ্বৰ জনপ্ৰিয়তা হেৰুওৱাটোও আচৰিত কথা নহয়।

এফালে নতুন ৰাজনৈতিক শক্তিৰ উত্থান আৰু আনফালে দলত হোৱা ভাঙোনৰ বাবে কাৰ্বি আংলঙৰ স্বায়ত্ত শাসিত ৰাজ্য দাবীৰ আন্দোলন এতিয়া প্ৰচণ্ড প্ৰত্যাহ্বানৰ সমুখীন হৈছে। এ এছ ডি চি-য়ে এই প্ৰত্যাহ্বানৰ কেনেদৰে মোকাবিলা কৰে সেইটোৰ ওপৰতে স্বায়ত্ত শাসিত ৰাজ্য দাবী আন্দোলনৰ সাফল্য নিৰ্ভৰ কৰিছে। সূ


## বহাগতে পাতি যাওঁ বিয়া

মাঘৰ ভোগালী বিহুটি পাৰহৈ যোৱাৰ লগে লগে বহাগৰ বিহুটিলৈ আমাৰ মনত পৰে। মাঘ, ফাগুন, চ'ত আৰু বহাগ এই চাৰি মাহেই অসম দেশত থকা আটাইকেইটা খিলঞ্জীয়া জনগোষ্ঠীৰ উৎসৱ, সবাহ, ঘূৰাফুৰা ভালকৈ খাৱন-পিন্ধন, প্ৰেম-প্ৰীতি আৰু বিয়া-বাৰুত সোমোৱা সময়। শীত আৰু বসন্তই অসমৰ আকাশ বতাহ আৰু সমাজত আনন্দ উলাহ আৰু প্ৰেম-মাদকতা তথা সুৱাসেৰে আমোল-মোলাই তোলে। যেতিয়া বহুতেই বিয়াৰ বাবে আনন্দত নাচি-বাগি ফুৰে তেতিয়াই আকৌ বহুতো ডেকা বা গাভৰুৱে কিহবা অজান ভয় আশংকাৰ আন্ধাৰত বাট বিচাৰি নেপাই খপজপাই ফুৰে আৰু বিয়াত সোনকালে সোমাবলৈ অমান্তি হয়। কিয় এনে হয় সেয়া বহুত কথা! মনত ৰাখিব এনে কোনো সমস্যা বা ৰোগ নাই যাৰ বাবে বিবাহৰ কোনোবা অযোগ্য হ'ব পাৰে! হেজাৰ হেজাৰ জনৰ যৌন সমস্যা আৰু ৰোগ সমূহ দূৰ কৰি আমি হেজাৰ জনলৈ আনি দিছো নৱ প্ৰেৰণা! আমি সকলো যৌন সমস্যা তথা ৰোগৰ ১00% স্থায়ী নিৰাময়ৰ গহীন অংগীকাৰ আগবঢ়াওঁ।

**ডাঃ এ, নেইছাৰ এম, ডি**
**উত্তৰ ভাৰতৰ সৰ্বশ্ৰেষ্ঠ যৌন বিশেষজ্ঞ**
**জেউতি ছেক্স ক্লিনিকছ**
**কুমাৰপাৰা, গুৱাহাটী-৭৮১00৯**

# আজিৰ অসম এনেদৰেই আগবাঢ়িছে

দেৱব্ৰত বৰগোহাঞি

বৰ ভয়াবহ গতিৰে অসমখন শান্তিৰ ফালে অগ্ৰসৰ হৈছে। বৰ ঠুনুকা হৈ আছে প্ৰতিটো মুহূৰ্ত। কাৰোবাৰ অলপ কঠিন পৰশতে চুৰ্চুমৈ হৈ যাব পাৰে অসমৰ ভৱিষ্যত। অসমৰ মুখ্যমন্ত্ৰী কিম্বা ভাৰতৰ প্ৰধানমন্ত্ৰী গৰাকীয়েও হয়তো ডাঠি ক'ব নোৱাৰে – অসমলৈ শান্তি আহিবই বুলি। সেইদৰে অসম সংযুক্ত মুক্তি বাহিনীৰ নেতাসকলেও এই বিষয়ত দৃঢ় প্ৰতিশ্ৰুতি দিবলৈ অসমৰ্থ হ'ব পাৰে। এই ক্ষেত্ৰত একমাত্ৰ অসমৰ সমগ্ৰ জনসাধাৰণৰ আন্তৰিকতা আৰু সদিচ্ছাৰ ওপৰতে "স্থায়ী শান্তি" নিৰ্ভৰ কৰিছে। অসমখনক বধ্যভূমিৰ পৰা বচাব পৰা শক্তি একমাত্ৰ অসমৰ ৰাইজৰ মাজতেই গোপনে লুকাই আছে। আৰু হয়তো এই ৰাইজৰ মাজতেই লুকাই আছে অতি নগণ্য সংখ্যক কূটবুদ্ধিৰ লোক। যিসকলে বিচাৰে অসমখন বধ্যভূমিত পৰিণত হওক। নিপাত যাওক অসমীয়া জনসাধাৰণ। ইয়াতেই হ'ব, নৰমেধ যজ্ঞৰ আয়োজন কৰা পুৰোহিত সবৰ ন্যস্ত স্বাৰ্থ পূৰণ। অসমৰ ৰাইজে অৱশ্যে মৰ্মে মৰ্মে উপলব্ধি কৰিছে শান্তি আমাৰ বাবে কিমান প্ৰয়োজন!

ফেব্ৰুৱাৰী মাহৰ পৰা অসমত আলফা আৰু চৰকাৰৰ আলোচনাক লৈ সংবাদ সমূহ উতলি উঠিছে। বাতৰি উৰাবাতৰিৰ সীমা সংখ্যা নোহোৱাকৈ কাকতবোৰৰ সম্পাদকে খবৰ ছপাই ৰেকৰ্ডৰ সৃষ্টি কৰিছে। আলফাৰ কেন্দ্ৰীয় পৰিষদৰ সভা শোণিতপুৰ জিলাত বহিছিল নে নগাওঁ জিলাত বহিছিল তাক লৈও এক প্ৰচণ্ড হুলস্থূলৰ সৃষ্টি হ'ল। ২৫ ফেব্ৰুৱাৰীত বাতৰি ওলাল আলফাৰ মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱাই আলোচনাত সন্মতি জনোৱা নাই, কিন্তু আলোচনা অনুষ্ঠিত হ'ব। আকৌ পিছদিনাই বাতৰি ওলাল আলফাই আলোচনা নকৰে বুলি। অসম চৰকাৰে সেনা বাহিনীক সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশ দিলে। কিন্তু ভুলবশতঃ সেনা বাহিনীয়ে অসমৰ বিভিন্ন ঠাইত অভিযান আৰম্ভ কৰিলে। বহুতকে গ্ৰেপ্তাৰ কৰিলে। অৱশ্যে কেইঘন্টামানৰ পিছত সেনাবাহিনীয়ে তেওঁলোকৰ অভিযান বন্ধ কৰিলে। গুৱাহাটীৰ মাজ-মজিয়াৰ পৰা গ্ৰেপ্তাৰ কৰা আলফাৰ শীৰ্ষ নেতা মুনিন নবিশক লগে লগেই মুক্তি দিয়া হ'ল। আনহাতে শোণিতপুৰ জিলাৰ জৰাবাৰীত সামৰিক বাহিনী আৰু আলফা সদস্যৰ মাজত সংঘৰ্ষ হোৱাত অভয় হাতীকাকতী নামৰ এজন আলফা নেতাৰ মৃত্যু হয়। ২৮ ফেব্ৰুৱাৰীৰ দিনা আলফাৰ চাৰিগৰাকী শীৰ্ষস্থানীয় নেতাই আলোচনাৰ বাবে দিল্লীলৈ যাত্ৰা কৰে। এখেতলোক ক্ৰমে সংগঠনটোৰ উপসভাপতি শ্ৰীপ্ৰদীপ গগৈ, ৰবীন নেওগ, অমৰ মিৰি সন্দিকৈ আৰু টাৰ্জান বৰা। আলফাৰ কেন্দ্ৰীয় পৰিষদৰ সভাত আলোচনাত নবহাৰ সিদ্ধান্ত লৈছে বুলি দুখনমান সংবাদপত্ৰত বৰ বৰ হৰফেৰে বাতৰি প্ৰকাশ পাইছিল। কিন্তু তেনেবোৰ উৰা বাতৰি অন্তঃসাৰশূন্য হৈ পৰিল যেতিয়া আলোচনাৰ বাবে উপসভাপতি প্ৰদীপ গগৈৰ নেতৃত্বত চাৰি জনীয়া দলটো দিল্লী পালেগৈ। প্ৰকৃততে আলফাৰ কেন্দ্ৰীয় পৰিষদৰ সভাত কি সিদ্ধান্ত লোৱা হৈছিল, তাৰ একো ভূ-কে কোনেও ২৮ ফেব্ৰুৱাৰীলৈকে পোৱা নাছিল। অসমৰ ৰাইজক একাংশ বাতৰি-কাকতে ফেব্ৰুৱাৰী মাহৰ শেহৰ সপ্তাহটো পৰ্যন্ত আনকি আজিও এসোপামান কল্পনাশ্ৰয়ী আৰু আভুৱা ভৰা বাতৰিহে যোগান ধৰি আহিছে। ফলত ৰাইজ বাৰুকৈয়ে বিভ্ৰান্তিত পৰিছে।

আলফাৰ কেন্দ্ৰীয় সমিতিৰ বৈঠকত কি সিদ্ধান্ত লৈছিল তাক আমি ২৯ ফেব্ৰুৱাৰীত স্বাক্ষৰিত আলফাৰ সভাপতি অৰবিন্দ ৰাজখোৱাৰ বিবৃতিটোৰ আধাৰতে বিশ্লেষণ কৰি চাব পাৰো। উল্লিখিত প্ৰচাৰ পত্ৰিকাত আলফা আৰু চৰকাৰৰ প্ৰস্তাবিত আলোচনাক আলফাৰ সভাপতি গৰাকীয়ে 'স্বাধীনতা সংগ্ৰামৰ এটি অংশ' বুলি গণ্য কৰিছে। সেইদৰে একে প্ৰসঙ্গতে সজোৰে ঘোষণা কৰি কৈছে যে, "আলোচনাৰ নামত ষড়যন্ত্ৰৰ আলোচনাত বহিবলৈ আমি ৰাজী নহয়। সশস্ত্ৰ নীতি কোনো এক সংগ্ৰামত অন্তৰ্ভুক্ত কৰিলেই ই কেতিয়াও সশস্ত্ৰ সংগ্ৰাম হৈ নপৰে" বুলি কোৱা উক্তিষাৰে গভীৰ তাৎপৰ্য বহণ কৰিছে। নিৰস্ত্ৰ গণতান্ত্ৰিক প্ৰক্ৰিয়াক এতিয়াও দলিয়াই পেলোৱা নাই বুলি আলফাৰ সভাপতি গৰাকীয়ে স্পষ্ট ভাষাৰে ঘোষণা কৰিছে। **"আলোচনাক আমাৰ স্বাধীনতা সংগ্ৰামৰ অংশ হিচাপে গণ্য কৰো।"** – আলফাৰ চেয়াৰমেনৰ এনে অকপট বক্তব্যক অসমৰ লগতে ভাৰত চৰকাৰে ভালদৰে হৃদয়ঙ্গম কৰা উচিত। লগতে, অসমৰ অনবৰতে অশান্তি বিচৰা অসমপ্ৰেমী (?) বুদ্ধিজীৱী সকলেও, অৰবিন্দ ৰাজখোৱাৰ উদ্দেশ্যক অলপ হলেও সন্মান কৰা উচিত।

অসমৰ বৃহত্তম ছাত্ৰ-সংগঠন সদৌ অসম ছাত্ৰসংস্থাই অলপতে এটা বিবৃতিৰে আলফা আৰু চৰকাৰৰ মাজত শীঘ্ৰে আলোচনা অনুষ্ঠিত কৰিবলৈ দাবী জনাইছে। ২৮ ফেব্ৰুৱাৰীত প্ৰকাশিত এটা বিবৃতিত সদৌ অসম ছাত্ৰসংস্থাৰ সভাপতি শ্ৰীসৰ্বানন্দ সোনোৱাল আৰু সাধাৰণ সম্পাদক শ্ৰীসমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই কয় যে আলফাৰ দাবীসমূহ ভাৰতৰ অখণ্ডতা ৰক্ষা কৰিও অসমৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক ভাবে অৱহেলিত হৈ থকাৰ কাৰণবোৰ দূৰ কৰাতো সম্ভৱপৰ বুলি ছাত্ৰসংস্থাই বিশ্বাস কৰে। হিংসা বৰ্জিত পৰিবেশ ব্যাহত হ'লে আলফা আৰু চৰকাৰ দুয়োপক্ষক প্ৰশ্ন তুলিবলৈ জনসাধাৰণৰ সম্পূৰ্ণ অধিকাৰ থাকিব বুলি দৃঢ়তাৰে ব্যক্ত কৰে। সদৌ অসম ছাত্ৰসংস্থাই যে আজি আন্তৰিকতাৰে আলফা আৰু চৰকাৰৰ মাজত আলোচনা বিচাৰিছে, তাক সুন্দৰ ভাবে দেখুৱাইছে বিবৃতিটোৰ শেহৰ ছোৱাই – "পৃথিৱীৰ কোনো ৰাজনৈতিক সমস্যা বা প্ৰশ্ন আলোচনা অবিহনে সমাধান হোৱা নাই। সেইবাবেই সদৌ অসম ছাত্ৰসংস্থাই আলোচনাৰ মাধ্যম মুকলি হোৱাটো আন্তৰিকতাৰে কামনা কৰে।" অসমৰ সমগ্ৰ জনসাধাৰণৰ সমুখত ছাত্ৰসংস্থাৰ এই স্পষ্ট বিবৃতিয়ে যথেষ্ট ৰেখাপাত কৰিব বুলি ধাৰণা হৈছে। আনহাতে, অসমৰ আঞ্চলিক আৰু সৰ্বভাৰতীয় দলবোৰে আলফা চৰকাৰৰ আলোচনাৰ বাবে একো নিজাববীয়া সুদৃঢ় প্ৰচেষ্টা হাতত লোৱা চকুত পৰা নাই। মাত্ৰ অতি কৌশলেৰে দূৰৈৰ পৰা মাজে মাজে একোটা বিবৃতি দিয়া দেখা যায়। য'ত সদিচ্ছা, আন্তৰিকতা আদি একোৱেই প্ৰকাশ নাপায়। আলফাৰ কেন্দ্ৰীয় প্ৰচাৰ সচিব সিদ্ধাৰ্থ ফুকনে বিবৃতি এটাত উল্লেখ কৰিছিল যে, আলফাই সশস্ত্ৰ সংগ্ৰাম পৰিত্যাগ কৰা নাই। প্ৰস্তাৱিত আলোচনাক কৌশলগত কাৰণ হিচাপেহে ব্যৱহাৰ কৰিছে। শ্ৰীফুকনৰ এই কথাষাৰৰ পৰা গম পোৱা যায় যে আলফাৰ কিছুমান সদস্যই সহজে আলোচনা কৰাটো মানি লব পৰা নাই। সেইদৰে সেই একেচাম সদস্যই সশস্ত্ৰ সংগ্ৰাম পৰিত্যাগ কৰিব বিচৰা নাই। ফলত উক্ত চামটোক সন্তুষ্ট কৰিবলৈ গৈহে যে প্ৰচাৰ সচিব গৰাকীয়ে তেনেদৰে ক'ব লগা হৈছে বুলি অনুমান কৰিব পাৰি।

অলপতে অৰ্থাৎ যোৱা ১ মাৰ্চত, আলফাৰ কামৰূপ জিলা শাখাই এক বিবৃতিৰে ঘোষণা কৰিলে যে, "অসমৰ যুৱকে হাতত তুলি লোৱা অস্ত্ৰ অসমবাসীৰ সামূহিক স্বাৰ্থৰ বাদে আন কোনো ব্যক্তিগত বা ৰাজনৈতিক ন্যস্ত স্বাৰ্থৰ বাবে ব্যৱহাৰ হোৱাৰ আমি বিৰোধী। গতিকে তথাকথিত 'কৌশলগত' কাৰণত নহৈ প্ৰকৃতাৰ্থত এক সুষ্ঠ আৰু গণতান্ত্ৰিক পৰিবেশ ৰচনাৰে প্ৰস্তাৱিত আলোচনা হ'ব লাগে।"

আলফাৰ কামৰূপ শাখাৰ সভাপতি শ্ৰীৰাজেশ বৰা আৰু সম্পাদক শ্ৰীসূৰ্য বৰাই এই একেটা বিবৃতিতে যথেষ্ট স্পষ্ট ভাষাৰে ঘোষণা কৰিছে যে জনগণক আমি পুনৰবাৰ সামৰিক সন্ত্ৰাসৰ বলি হ'বলৈ কোনো পথ্যেই এৰি দিব নোৱাৰো। 'কৌশলগত' কাৰণ বাদ দি অসমৰ প্ৰকৃত শান্তিৰ বাবেহে আলফাই চৰকাৰৰ লগত আলোচনা কৰাটো কামৰূপ শাখাৰ আলফাৰ লগতে সমগ্ৰ অসম বাসীয়ে আন্তৰিকতাৰে কামনা কৰে। বিশেষকৈ অসমৰ স্থায়ী শান্তিৰ বাবে।

আলফাৰ মুখ্য সেনাধ্যক্ষৰ স্থিতিক লৈ ইতিমধ্যে বহুতো বিতৰ্কৰ সৃষ্টি হৈছে। প্ৰস্তাৱিত আলফা-চৰকাৰৰ শান্তি আলোচনাক বাধা দিবলৈ বিচৰা সকলে পৰেশ বৰুৱাৰ নীৰৱতাক ইচ্যু হিচাপে ব্যৱহাৰ কৰিবলৈ তৎপৰ হৈ উঠিছে। তেওঁলোকে কৈছে যে প্ৰস্তাৱিত আলোচনাত মুখ্য সেনাধ্যক্ষৰ সন্মতি নাই। আলোচনা বিৰোধীসকলে পৰেশ বৰুৱাৰ মনৰ খবৰ কেনেকৈ সংগ্ৰহ কৰিলে সিহে এটা আচৰিত খবৰ। বিশ্বাসযোগ্য সূত্ৰৰ পৰা জানিব পৰা মতে শ্ৰীপৰেশ বৰুৱা খুব সম্ভৱ নজৰ বন্দী হৈ বাংলাদেশতে আছে। **কাৰণ অসমৰ পৰা যোৱা আলফাৰ সদস্যসকলে বাংলাদেশত পৰেশ বৰুৱাৰ লগত বঙালী ভাষাতহে কথা পাতিব লাগে। অন্য ভাষাত বোলে কথা পাতিবলৈ নিদিয়ে।** এইখিনিতে প্ৰশ্ন হয় কিয় অন্য ভাষাত কথা পাতিবলৈ নিদিয়ে? ইয়াতেই সন্দেহ হয় যে আলফাৰ মুখ্য সেনাধ্যক্ষ গৰাকীক বাংলাদেশৰ চৰকাৰে নজৰ বন্দী কৰি ৰাখিছে নেকি? কাৰণ অলপতে পৰেশ বৰুৱাক আলোচনাৰ সন্দৰ্ভত লগ কৰিবলৈ বাংলাদেশলৈ যোৱা পাঁচ গৰাকী আলফাৰ উচ্চস্তৰীয় নেতাক বাংলাদেশ চৰকাৰে আটক কৰিছে। অলপ দিনৰ আগতে মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱা বেংককলৈ অস্ত্ৰ-শস্ত্ৰ ক্ৰয়ৰ বাবে যোৱা বাতৰিৰ একো সত্যতা নাই বুলি অসম চৰকাৰে আমাক জানিবলৈ দিছে। প্ৰস্তাৱিত আলোচনাৰ প্ৰতি পৰেশ বৰুৱাই কি স্থিতি লৈছে তাক আমি চেয়াৰমেন অৰবিন্দ ৰাজখোৱালৈ লিখাৰ চিঠিৰ দ্বাৰাই গম পাওঁ। তাত মুখ্য সেনাধ্যক্ষ গৰাকীয়ে জনাইছিল যে আলফাৰ সাধাৰণ পৰিষদৰ সিদ্ধান্তই তেখেতৰো সিদ্ধান্ত হ'ব। অৱশ্যে এইটো ঠিক যে শ্ৰীবৰুৱাই স্পষ্ট স্থিতি কিবা কাৰণত (?) প্ৰকাশ কৰাৰ পৰা বিৰত আছে!

২৮ ফেব্ৰুৱাৰীত প্ৰদীপ গগৈৰ নেতৃত্বত যোৱা চাৰিজনীয়া দলটোৱে কেন্দ্ৰীয় চৰকাৰৰ লগত কি কি বিষয়ৰ ওপৰত আলোচনা কৰিলে তাৰ সবিশেষ এতিয়ালৈকে কোনেও গম পোৱা নাই। কিন্তু ১ এপ্ৰিল পৰ্যন্ত সেনা-বাহিনীৰ অভিযান স্থগিতকৰণৰ দ্বাৰা ধাৰণা কৰিব পাৰি যে আলোচনা তথা অস্ত্ৰ সম্বৰণ অচিৰেই আৰম্ভ হ'ব পাৰে। খুব কম দিনৰ ভিতৰতে আলফাৰ সাধাৰণ পৰিষদ বহাৰ সম্ভাৱনীয়তাও নুই কৰিব নোৱাৰি। যি কি নহওক অসমৰ ৰাইজে অতি সোনকালে প্ৰস্তাৱিত আলোচনাৰ লগতে শান্তিৰ বাতাবৰণ সোনকালে ঘূৰি আহিব বুলি আশা কৰিব পাৰে।

## বুদ্ধিজীৱী গ্ৰেপ্তাৰঃ

মাৰ্চ মাহৰ প্ৰথম সপ্তাহত অগা-পিছাকৈ অসমৰ তিনিগৰাকী বুদ্ধিজীৱীক প্ৰস্তাৱিত আলফা-চৰকাৰৰ শান্তি আলোচনাত বিধি-পথালি দিয়াৰ অভিযোগত ৰাষ্ট্ৰীয় নিৰাপত্তা আইন (N.S.A)-ৰ অধীনত গ্ৰেপ্তাৰ কৰে। এওঁলোক হ'ল ক্ৰমে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা আৰু 'মানৱ অধিকাৰ সংগ্ৰাম সমিতি'ৰ অন্যতম নেতা নিলয় দত্ত, সাদিন কাকতৰ সম্পাদক অজিত কুমাৰ ভূঞা আৰু বুধবাৰ কাকতৰ সম্পাদক পৰাগ কুমাৰ দাস। অসম চৰকাৰে আজি বিছুদিনৰ আগতে ঘোষণা কৰিছিল যে অসমৰ শান্তিত বাধা প্ৰদান কৰা কোনো ব্যক্তিকেই ক্ষমা কৰা নহব। লাগিলে তেওঁ সাংবাদিকেই হওক বা কংগ্ৰেছ (ই)-ৰ নেতাই হওক। এই ঘোষণাৰ এদিনৰ পিছতে চৰকাৰে শ্ৰীনিলয় দত্তক গ্ৰেপ্তাৰ কৰে। চৰকাৰৰ মতে শ্ৰীদত্তই নগাঁৱত ভাৰতীয় সংবিধানৰ প্ৰতিলিপি ৰাজহুৱা ভাবে দাহ কৰিও অন্য এক গুৰুতৰ অপৰাধ কৰিছিল।

'সাদিন'ৰ সম্পাদক অজিত কুমাৰ ভূঞা আৰু 'বুধবাৰ' কাকতৰ সম্পাদক পৰাগ দাসক গ্ৰেপ্তাৰ কৰাৰ বাবে যিমান চিঞৰ-বাখৰ হব বুলি ভবা হৈছিল, এতিয়ালৈকে সিমান হোৱা চকুত পৰা নাই। গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকত কেইখনৰ সম্পাদক কেইগৰাকীৰ মতামতত আমি দেখিবলৈ পাওঁ যে সম্পাদক দুগৰাকীক গ্ৰেপ্তাৰৰ বাবে প্ৰথমতে চৰকাৰক গৰিহণা দিছে আৰু তাৰ পিছত প্ৰকৃততে কোনটো অপৰাধত আটক কৰা হৈছে তাৰ উচিত ব্যাখ্যা দিবলৈ চৰকাৰৰ ওচৰত দাবী জনোৱা হৈছে। এওঁলোক দুয়ো গৰাকী সম্পাদক মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ প্ৰধান নেতা আছিল। চৰকাৰে দোহাৰিছে যে

এওঁলোকক বাতৰি কাকতৰ সাংবাদিক হিচাপে গ্ৰেপ্তাৰ কৰা হোৱা নাই। ৰাষ্ট্ৰ বিৰোধী কামত জৰিত থকাৰ বাবেহে গ্ৰেপ্তাৰ কৰিছে। অসম চৰকাৰে এই ক্ষেত্ৰত অতি সোনকালে স্পষ্টীকৰণ এটা দিয়াৰ প্ৰয়োজন হৈছে। যদি প্ৰকৃততে এই সম্পাদক দুগৰাকী আৰু অধিবক্তা গৰাকীয়ে কিবা আইন বিৰুদ্ধ কাম কৰিছিল তাৰ সবিশেষ ৰাইজক জনোৱা উচিত। চৰকাৰৰ এইটো দায়িত্বৰ ভিতৰতো পৰে। সাংবাদিক মনজিৎ মহন্ত আৰু ৰাজীৱ বৰাৰ গ্ৰেপ্তাৰো এই ক্ষেত্ৰত প্ৰণিধানযোগ্য। উল্লেখযোগ্য অসম সংযুক্ত মুক্তি বাহিনীক আৰম্ভণিৰে পৰা প্ৰায় সমৰ্থন দি থকা এই কাকত দুখনৰ সম্পাদকক গ্ৰেপ্তাৰ কৰাৰ পিছত আজিলৈকে আলফাই একো বিবৃতি ৰখা নাই। এই বিষয়ে এজন বিশিষ্ট বুদ্ধিজীৱীক সোধাত কৈছিল, "সঁচাই **মযো বৰ আচৰিত হৈছো। কাকত দুখনে নিজকে আলফাৰ অভিভাৱক বুলি বহুত দিনৰ পৰা পৰোক্ষ ভাবে অসমৰ ৰাইজক চিনাকি দি আহিছিল। পিছে তেওঁলোকৰ এই দূৰ্দ্দশাৰ দিনত আলফাই একো লোকোৱা দেখিহে হাঁহি উঠিছে। আচলতে সন্থৰ সংযুক্ত মুক্তি বাহিনীয়েও অশান্তিৰ** সৈতে সহবাস কৰিবলৈ বিচৰা নাই।"

যোৱা ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীৰ প্ৰেছ ক্লাবত বহা সাংবাদিক সকলৰ এখন সভাত চৰকাৰী কাৰ্যসূচী আৰু শাসক দলৰ বা-বাতৰি প্ৰকাশ সন্দৰ্ভত সাংবাদিক কৰ্ম পৰিষদে পূৰ্বতে চৰকাৰ বৰ্জন কৰাৰ যি সিদ্ধান্ত লৈছিল তাক প্ৰত্যাহাৰ কৰিছিল। সাংবাদিক মনজিৎ মহন্ত আৰু ৰাজীৱ বৰাক চৰকাৰে আজি তিনিমাহমানৰ আগতে গ্ৰেপ্তাৰ কৰি জেল-হাজোতত ৰখাৰ বাবে সাংবাদিকৰ কৰ্ম পৰিষদে এই সিদ্ধান্ত লৈছিল। ফলত সৰ্বসাধাৰণ ৰাইজৰ যথেষ্ট অসুবিধা হৈছিল। কাৰণ চৰকাৰী কাৰ্যসূচীৰ লগত জনসাধাৰণৰ কল্যাণৰ প্ৰশ্নটো আহি পৰে। ৰাইজে গাঁঠিৰ ধন ভাঙি বাতৰি কাকত কিনি পঢ়ে কিবা এটা জানিবলৈ, বুজিবলৈ আৰু চৰকাৰৰ পৰা প্ৰাপ্য সুবিধাৰ বিষয়ে সবিশেষ জ্ঞাত হবৰ বাবেহে। গতিকে সাংবাদিকসকলে চিন্তা কৰা উচিত এই কথাবোৰহে। এতিয়া কাৰ্যসূচী প্ৰত্যাহাৰৰ সিদ্ধান্ত উঠাই লোৱাৰ এসপ্তাহ নহ'লেই দুজন সাংবাদিকক পুনৰ চৰকাৰে অভিযুক্ত কৰি আটক কৰিলে। এওঁলোকক হয়তো আজিও মুক্তি দিব পাৰে নাইবা ছমাহলৈকে মুক্তি নিদিব পাৰে। এই ক্ষেত্ৰত সাংবাদিকসকলে প্ৰতিবাদৰ কাৰ্যসূচী লয় নে নলয় সেয়া আমাৰ বিচাৰ্য বিষয় নহয়। কথা হ'ল আমাৰ অসমৰ সৰ্বসাধাৰণ ৰাইজক যাতে আন্দোলনৰ কাৰ্যসূচীয়ে ক্ষতিগ্ৰস্ত কৰিব নোৱাৰে, তাৰ প্ৰতিহে সকলোৱে চোকা দৃষ্টি ৰখা প্ৰয়োজন।

যোৱা ৮ মাৰ্চত মুকালমুৱাত নলবাৰী জিলাৰ সাংবাদিক সংস্থাৰ ২য় বাৰ্ষিক অধিবেশন অনুষ্ঠিত হয়। উল্লেখযোগ্য যে উক্ত সভাত অসমৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই মুখ্য অতিথি হিচাপে যোগদান কৰিছিল। সভাত ভাষণ দি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰকৃত সাংবাদিকসকলক তেওঁ কোনোদিনেই অৱমাননা কৰা নাই। ১৯৭২ চনত তেখেতৰ **ৰাজ্যিক মন্ত্ৰিত্বৰ কালছোৱাত তেৱেঁই সাংবাদিকসকলক প্ৰথমে পেঞ্চন দিয়াৰ ব্যৱস্থা কৰিছিল। সাংবাদিকসকলে আমাৰ হৈ কাম কৰাটো আমি নিবিচাৰো বুলি মুখ্যমন্ত্ৰীয়ে ব্যক্ত কৰে। ছপা আখৰৰ প্ৰতিটো কথাকে আমাৰ গাঁৱৰ ৰাইজে সত্য বুলি ভাবি পৱিত্ৰ জ্ঞান কৰে। সেয়েহে গাঁৱৰ ৰাইজক সঠিক খবৰ যোগানৰ লগতে সত্য বাতৰি পৰিৱেশনৰ যোগেদি সাংবাদিকসকলে এক গুৰু দায়িত্ব পালন কৰিব পাৰে বুলি মুখ্যমন্ত্ৰীয়ে দোহাৰে।** যোৱা চাৰি মাৰ্চৰ নিশা সাংবাদিক দুগৰাকীক গ্ৰেপ্তাৰ কৰাৰ পিছত এইখনেই আছিল মুখ্যমন্ত্ৰীৰ প্ৰথম সাংবাদিক মেল। প্ৰণিধানযোগ্য যে নলবাৰী জিলা সাংবাদিক সংস্থাই এই সভাত মুখ্যমন্ত্ৰী শইকীয়াক বিপুল ভাবে আদৰণি জনায়।

## বিৰোধী দল ঐক্যবদ্ধ, চৰকাৰ হুচিয়াৰ

৯ মাৰ্চৰ পৰা অসম বিধান সভাৰ ৩৩ দিনীয়া বাজেট অধিবেশন আৰম্ভ হৈছে। যোৱা ৮ মাৰ্চৰ দিনা চি পি আইৰ বিধায়ক শ্ৰীপ্ৰমোদ গগৈৰ ব্যসভৱনত বিৰোধী দলসমূহৰ এখন বৈঠক অনুষ্ঠিত হৈ যায়। সভাত সকলো বিৰোধী দলে একত্ৰিত হৈ চৰকাৰৰ বিৰুদ্ধে যুঁজ দিয়াৰ সিদ্ধান্ত লৈছে। নিবনুৱাক নিযুক্তি, মূল্যবৃদ্ধি, বুদ্ধিজীৱী গ্ৰেপ্তাৰ আদি বিষয়ত বিধান সভাত বিৰোধী দলৰ তীব্ৰ প্ৰশ্নবাণৰ লগত শাসক দলৰ মন্ত্ৰীসকলে মোকাবিলা কৰিব লাগিব। চৰকাৰৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ অনাৰ সম্ভাৱনাই খুবেই বিৰাজমান। বিত্ত বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰীয়ে অসমবাসীক চমক লগোৱাকৈ বাজেট এখন উপহাৰ দিব পাৰে বুলিও কোৱামেলা কৰা শুনা গৈছে। প্ৰকৃত প্ৰতিচ্ছবিৰ বাবে অসমৰ ৰাইজে আৰু দুদিনমান অপেক্ষা কৰিব লাগিব।

**চৰকাৰে এইবোৰ কি কৰিছে:** যোৱা ৪ মাৰ্চত চি পি আই আৰু চি পি এম-ৰ নেতৃত্বত দিছপুৰ জনতা ভৱনৰ সমুখত অনুষ্ঠিত বিক্ষোভ সমাবেশত পুলিচে লাঠি চালনা কৰে। ফলত কেইবাগৰাকীও নেতাক আঘাতপ্ৰাপ্ত অৱস্থাত হাস্পাতালত ভৰ্তি কৰাব লগা হয়। কেন্দ্ৰীয় বাজেটৰ প্ৰতিবাদ তথা প্ৰয়োজনীয় বস্তুৰ মূল্য বৃদ্ধিত ৰাজনৈতিক দল দুটাই আয়োজন কৰা বিক্ষোভত অংশগ্ৰহণকাৰীসকলৰ ওপৰত আৰক্ষীয়ে লাঠি চালনা কৰাটো দুৰ্ভাগ্যৰ বিষয়। সেইদৰে আকৌ ৯ মাৰ্চত মৰাধনশ্ৰীৰ হত্যাকাণ্ডৰ প্ৰতিবাদত সদৌ অসম নেপালী ছাত্ৰ সংস্থাই আয়োজন কৰা প্ৰতিবাদ কাৰ্যসূচী পালন কৰোতে জনতা ভৱনৰ সমুখত আৰক্ষীয়ে লাঠি চাৰ্জ কৰে। এই প্ৰতিবেদকে নিজ চকুৰে দেখিছে, আহত এগৰাকী মহিলাক কেইবাগৰাকীয়ে ধৰি হাস্পাতাললৈ নিয়াৰ দৃশ্য। লাঠিৰ কোবত মানুহ গৰাকী পৰি গৈছিল। কেইবাগৰাকীও কৰ্মকৰ্তাক চিকিৎসালয়লৈ পঠাব লগীয়া অৱস্থা হয়।

চৰকাৰক প্ৰশ্ন কৰিব পাৰিনে, এনে অমানৱীয় ঘটনাবোৰৰ বিষয়ে? গাঁৱৰ পৰা অহা সহজ-সৰল এই মানুহবোৰে কিবা আইন ভংগ কৰিলেও চৰকাৰে কিঞ্চিত নৰম-নীতি লৈ হৃদয় জয় কৰাৰ পথ লব নোৱাৰেনে? আমি আশা কৰিছো চৰকাৰে এইবোৰ বিষয়ৰ ওপৰত সচেতন দৃষ্টি ৰাখিব। নহ'লে এসময়ত জনতা ভৱন বুলি ক'লে মানুহে ভয়তে আহিবলৈ এৰি দিয়াৰ অৱস্থা এটাও আহি পৰিব পাৰে।






# অসমৰ কয়লা উদ্যোগ আৰু ভিতৰ চ'ৰাত এভুমুকি

স্বপ্না বেজবৰুৱা

১৮৮২ চনতে আৰম্ভ হোৱা অসমৰ কয়লা উদ্যোগে ইতিমধ্যে ১১০ বছৰত ভৰি দিছে। অসম ৰেলৱে এণ্ড ট্ৰেডিং কোম্পানী নামৰ বৃটিছ কোম্পানীটোৱে সংক্ষেপে এ, আৰ, টি, কোম্পানীয়ে আৰম্ভ কৰা কয়লা উদ্যোগ ১৯৭৩ চনত ৰাষ্ট্ৰীয়কৰণ হোৱাৰ পাছত ক'ল ইণ্ডিয়াৰ হাতলৈ যায়। হস্তান্তৰৰ পাছত ইয়াক উত্তৰ পূব কয়লাক্ষেত্ৰ নামেৰে নামকৰণ কৰা হয়। এই উত্তৰ পূব কয়লাক্ষেত্ৰৰ মুখ্য কাৰ্যালয় মাৰ্ঘেৰিটাত অৱস্থিত। বৰ্তমান এই কয়লাক্ষেত্ৰৰ উৎপাদন কাৰ্য প্ৰধানকৈ বৰগোলাই, লিডু আৰু টিপঙত চলি আছে।

বৰগোলাই আৰু টিপঙত অন্তৰ্খনন পদ্ধতিৰে কয়লা উম্ঘাটন কৰা হয়। লিডুৰ লাচিত কয়লাখনিত এই পদ্ধতিৰে কয়লা উম্ঘাটন কৰা হয় যদিও গুৰু অংশ কয়লা টিৰাপ কলিয়াৰিৰ পৰা মুক্তখনন পদ্ধতিৰে (open cast mining) আহৰণ কৰা হয়। বৰ্তমান লিডুৰ এই মুক্তখনন কাৰ্যইহে অসমৰ কয়লা উদ্যোগ জীয়াই ৰাখিছে বুলি ক'ব পাৰি। কাৰণ উৎপাদনৰ ফালৰ পৰা চালে দেখা যায় ১৯৯১ চনত অন্তৰ্খনন পদ্ধতিৰে কয়লা আহৰণ কৰা হৈছিল মাত্ৰ ৮৭৪৯৬ টন আৰু মুক্তখনন পদ্ধতিৰে কয়লা আহৰণ কৰা হৈছিল– ৪৭৬১১৯ টন। যেতিয়া টিপঙত অন্তৰ্খনন পদ্ধতিৰে ১ লাখ টন উৎপাদন হৈছিল তেতিয়া লিডুৰ টিৰাপ কলিয়াৰিত মুক্তখনন পদ্ধতিৰে ৬ লাখ টন কয়লা উৎপাদন কৰা হৈছিল।

এইদৰে উৎপাদিত হোৱা কয়লাৰ পৰা অসমে প্ৰতি টনত ১০৮ টকাকৈ ৰয়েল্টি লাভ কৰে। কিন্তু অসমৰ বুকুৰ পৰা আহৰণ কৰা এই সম্পদৰ পৰা আমি প্ৰকৃত প্ৰাপ্য মূল্য পাইছোনে? উৎপাদিত এই সম্পদ সুৰক্ষিতনে? অসমৰ জনসাধাৰণে ইয়াৰ পৰা লাভবান হৈছেনে? এনেবোৰ প্ৰশ্ন মনলৈ আহিলে দেখা যায় যে অসমৰ কয়লা উদ্যোগৰ পৰা অসম লাভবান হোৱাতকৈ এক শ্ৰেণীৰ ব্যৱসায়ী গোষ্ঠী আৰু কিছুমান অসমীয়া তথা অনা-অসমীয়া ব্যক্তিহে লাভবান হৈছে। অৰ্থাৎ এই উদ্যোগত সমূহীয়া স্বাৰ্থতকৈ ব্যক্তি স্বাৰ্থইহে গা কৰি আহিছে আৰু নতুন নতুন সুবিধাবাদী গোষ্ঠী ওলায়েই আছে। সম্প্ৰতি এই প্ৰতিষ্ঠানটোত গা কৰি উঠা দুৰ্নীতি, অনিয়ম, বিশৃংখলতাই যিকোনো বৃহৎ প্ৰতিষ্ঠানকে চেৰ পেলাই যোৱাৰ উপক্ৰম হৈছে।



উত্তৰ পূব কয়লা ক্ষেত্ৰৰ মুখ্য কাৰ্যালয়

কয়লাখনিত প্ৰধানকৈ গা কৰি উঠা ব্যাধিটো হ'ল কয়লাৰ চুৰি কাৰ্য। লিডুৰ মুক্তখনন পদ্ধতিৰে আহৰণ কৰা কয়লাসমূহ একেবাৰে সুৰক্ষিত নহয়। ৰাষ্ট্ৰীয় ঘাই পথ আৰু ৰেল লাইনৰ কাষতে দম কৰি ৰখা কয়লা সমূহ ৰেল, ট্ৰাক, বস্তাৰে অহৰহ চুৰি হৈ আছে। কয়লাখনিত জমা কৰি ৰখা কয়লাৰ দ'মৰ পৰা কয়লাবোৰ চিমেন্ট বা ধানৰ বস্তাত ভৰাই চুৰ কৰি বিশেষ ব্যক্তিক বিক্ৰী কৰে। প্ৰতি চিমেন্টৰ বস্তাত ১০ টকা আৰু ধানৰ বস্তাত ৪০ টকা দৰ। এইদৰে বিভিন্ন মানুহৰ পৰা কয়লা কিনি ৰাখি জমা কৰা হয় আৰু নিৰ্দ্দিষ্ট সময়ত ট্ৰাক হিচাপে বিক্ৰী কৰা হয়। প্ৰতি ট্ৰাকত প্ৰায় ৮ টনকৈ কয়লা যায়। আৰু প্ৰতি টনৰ দাম প্ৰায় ৯০০ টকা। এইদৰে হোৱা চুৰি কাৰ্যত ওচৰ চুবুৰীয়াৰ পৰা খনিৰ শ্ৰমিক, শ্ৰমিক পত্নী, ল'ৰা-ছোৱালী আদি জৰিত থাকে। তেওঁলোকক উৎসাহিত কৰে এক শ্ৰেণীৰ দালালে। এনে কাৰ্য দিন ৰাতি অহৰহ চলি থাকে। খনিৰ নিজস্ব নিৰাপত্তাৰক্ষী থাকে যদিও তেওঁলোকে নীৰৱ দৰ্শকৰ ভূমিকা পালন কৰে। এই চুৰি কাৰ্যৰ লাভৰ অংশ তেওঁলোকেও পায়। সেয়ে চুৰি কৰিবলৈ দিয়াটোকহে তেওঁলোকৰ কৰ্তব্য বুলি ভাবে।

কয়লা চুৰ কৰাৰ দ্বিতীয় পদ্ধতিটো হ'ল ৰাতিৰ। কিছুমান দীঘল হাতৰ বাহুবল থকা অত্যুৎসাহী, দুঃসাহসী লোকে হাতত অস্ত্ৰ-শস্ত্ৰ লৈ বলপূৰ্বকভাবে ট্ৰাকত কয়লা তুলি লৈ যায়। এনে কাৰ্যত প্ৰায়েই কিছুমান উচ্চ পদস্থ বিষয়া জৰিত থাকে বুলি অভিযোগ উঠিছে। কিন্তু এই ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰে শ্ৰমিক সংগঠনৰ কৰ্মকৰ্তাসকলে। যোৱা ৭ জানুৱাৰী তাৰিখে ট্ৰাকেৰে কয়লা চুৰি কৰা কাৰ্যত বিদ্যা চৰকাৰ আৰু অশোক শীল নামেৰে শ্ৰমিক সংগঠনৰ দুজন কৰ্মী ধৰা পৰিছিল। কিন্তু বিভিন্ন মহলৰ হেঁচাৰ ফলত আৰক্ষীৰ ওচৰত এই

পাবত গজা নেতা এতিয়া উত্তৰ পূব কয়লা ক্ষেত্ৰত উঠি ৰজা বহি ৰজা। চাকৰিৰ পৰা ঠিকা ঠুকলিলৈকে সকলো সুবিধা তেওঁলোকেই ভোগ কৰি আছে। শুনিবলৈ পোৱা মতে মুক্ত খনন কাৰ্য বন্ধ কৰা আন্দোলনৰ সময়ত কেইবাজনো নেতাই কৰ্তৃপক্ষৰ পৰা বহু হেজাৰ টকাও আদায় কৰিছিল।

উল্লেখযোগ্য যে এসময়ৰ সচেতন নেতাসকলৰ চকুৰ আগতে কয়লা চুৰি এটা ব্যৱসায়ত পৰিণত হৈছে। কিন্তু এতিয়া তেওঁলোক ধৃতৰাষ্ট্ৰ।

মুক্ত খনন কাৰ্যৰ এটা মন কৰিবলগীয়া দিশ হ'ল যে এই খনন কাৰ্যৰ বাবে চাৰিটা মাইনিং কোম্পানীক ঠিকা দিয়া হৈছে। লগতে এক সামান্য অংশত উত্তৰ পূব কয়লা ক্ষেত্ৰই নিজে উৎপাদন কৰে। এই যে চাৰিটা কোম্পানীক ঠিকা দিয়া হৈছে তেওঁলোকে উৎপাদন কাৰ্যত থলুৱা লোকক নিয়োগ নকৰে। সেয়ে হ'লে কয়লাৰ পৰা কেৱল ৰয়েল্টি পোৱাৰ বাহিৰে অসমৰ উন্নয়নত অন্য প্ৰকাৰে সহায় নকৰে। যদিও ব্যৱসায়িক লাভৰ কাৰণে বাহিৰৰ কোম্পানীৰ যোগেদি উৎপাদন কাৰ্য সমাধা কৰিব লগা হয় তেন্তে নিয়োগৰ ক্ষেত্ৰত থলুৱা লোকক নিয়োগ কৰাৰ বাধ্যবাধকতা থাকিব লাগে। তেতিয়াহে কয়লা উদ্যোগৰ পৰা অসমৰ আৰ্থিক দিশত লাভবান হোৱাৰ উপৰিও ই নিবনুৱা সমস্যা সমাধানত সহায় কৰিব।

অসমত কেৱল লিডুৰ আশে পাশেই আৰু ১০০ বছৰলৈকে কয়লা উৎপাদন কৰিব পৰা যাব। গোটেই লিডু অঞ্চল কয়লাৰে ভৰি আছে। আৰু অন্যান্য অঞ্চলতো পৰীক্ষা নিৰীক্ষা চলাই থকা হৈছে। এটা সূত্ৰে জানিব পৰা মতে প্ৰায় ২০০ বছৰলৈকে অসমৰ কয়লা উৎপাদন অব্যাহত থাকিব পৰাকৈ কয়লা সম্পদ আছে। গতিকে এই দুটা শতিকাতো যদি কয়লা চুৰি কাৰ্য, থলুৱা লোকক বঞ্চিত কৰা কাৰ্য অব্যাহত থাকে তেন্তে কয়লা উদ্যোগৰ পৰা অসম একো আশা কৰিব নোৱাৰিব। বৰঞ্চ কেইজনমান পুঁজিপতি আৰু ব্যৱসায়িক গোষ্ঠীহে লাভবানৰ হব আৰু অসমৰ বুকু উদং হৈ গৈ থাকিব। যোৰ পুৰি হাত পালেই। এতিয়াই অসমৰ সম্পদৰ সুৰক্ষা আৰু সুপ্ৰয়োগৰ বাবে চিন্তা নকৰিলে পাছত কেৱল ছাইকে গাত ঘঁহিব লাগিব। সু

বিতৰ্ক

# "--- নয়া গণতান্ত্ৰিক বিপ্লৱৰ প্ৰশ্নটো" প্ৰতিবাদ টোকা

হেমেন দাস

যোৱা ১-১৫ ফেব্ৰুৱাৰী সংখ্যা সূত্ৰধাৰত ডঃ প্ৰফুল্ল মহন্তৰ "স্বাধীন অসমৰ দাবীৰ প্ৰসঙ্গত নয়া গণতান্ত্ৰিক বিপ্লৱৰ প্ৰশ্নটো" শিতানৰ প্ৰবন্ধটো পঢ়িলো। তেখেতে ভাৰতৰ স্বাধীনতা আৰু ৰাষ্ট্ৰ সম্পৰ্কত লিখা কথাৰ লগত একমত হোৱাৰ পথ বিচাৰি নেপালো। তেখেতে কৈছে "ভাৰত এখন সম্পূৰ্ণ স্বাধীন ৰাষ্ট্ৰ নহয়।" কিয় নহয় তাৰ কাৰণ দৰ্শাবলৈ গৈ তেখেতে কৈছে "ভাৰতীয় বৃহৎ বুৰ্জোৱাই জাতীয়-বুৰ্জোৱাৰ সহযোগত ক্ষমতা দখল কৰিলেও সাম্ৰাজ্যবাদৰ নিয়ন্ত্ৰণ অব্যাহত আছে।" এয়া অতি ভুল ব্যাখ্যা। ভাৰতৰ "বৃহৎ বুৰ্জোৱাই জাতীয় বুৰ্জোৱাৰ সহযোগত ক্ষমতা দখল" কৰা কথাৰ কোনো ভিত্তি নাই। প্ৰায় অৰ্দ্ধ-শতাব্দী ধৰি চলি থকা ভাৰতৰ স্বাধীনতা সংগ্ৰামে দ্বিতীয় বিশ্ব যুদ্ধৰ পিছত গণবিপ্লৱৰ ৰূপ ধাৰণ কৰা বুলি কব পাৰি। ভাৰতৰ বিভিন্ন ঠাইত কৃষক বিদ্ৰোহ, শ্ৰমিক ধৰ্মঘট, ছাত্ৰ ধৰ্মঘট আদিয়ে অভূতপূৰ্ব ৰূপ ধাৰণ কৰে। অনেক ঠাইত সৈন্য বাহিনী আৰু নৌবাহিনীয়ে বিদ্ৰোহ কৰে। এনে অৱস্থা চলি থাকিলে বৃটিছ বিৰোধী-গণ আন্দোলনৰ নেতৃত্ব ভাৰতীয় জাতীয় কংগ্ৰেছৰ হাতৰ পৰা যাব বুলি কংগ্ৰেছ নেতৃত্বও শংকিত হৈ উঠে। এই পৰিপ্ৰেক্ষিততে বৃটিছ সাম্ৰাজ্যবাদ, জাতীয় কংগ্ৰেছ আৰু মুছলিম লীগৰ নেতৃবৃন্দই দেশখনক ভাৰতবৰ্ষ আৰু পাকিস্তানত বিভক্ত কৰে। ইয়াৰ ফলস্বৰূপে ১৯৪৭ চনৰ ১৫ আগষ্টত বৃটিছে ভাৰতৰ ৰাজনৈতিক ক্ষমতা কংগ্ৰেছ নেতৃবৃন্দৰ হাতলৈ হস্তান্তৰিত কৰে। "বৃহৎ বুৰ্জোৱাই" "ক্ষমতা দখল" কৰা নাই; তেওঁলোকৰ হাতলৈ ক্ষমতা হস্তান্তৰিতহে হৈছে। ভাৰতবৰ্ষই কোনো কোনো বিষয়ত সাম্ৰাজ্যবাদৰ সৈতে আপোচ কৰা সঁচা, কিন্তু অনেক বিষয়ত সাম্ৰাজ্যবাদৰ বিৰোধিতাও কৰিছে। গতিকে ভাৰতবৰ্ষৰ স্বাধীনতা অসম্পূৰ্ণ নহয়। এই স্বাধীনতা পূৰ্ণ স্বাধীনতা। ডঃ মহন্তই যি যুক্তিত "ভাৰতবৰ্ষ এখন সম্পূৰ্ণ স্বাধীন ৰাষ্ট্ৰ নহয়" বুলি কৈছে স্বাধীনোত্তৰ ভাৰতৰ ইতিহাসে সেই যুক্তিৰ অন্তঃসাৰশূন্যতাহে প্ৰমাণ কৰে।

ভাৰতে স্বাধীনতা লাভ কৰা সময়তেই বিশ্বৰ দেশসমূহ দুটা শিবিৰত বিভক্ত হয় – সাম্ৰাজ্যবাদী শিবিৰ আৰু সমাজবাদী শিবিৰ। চীন, ভিয়েটনাম, কিউবা, উত্তৰ কোৰিয়া আদি বিপ্লৱে সমাজবাদী শিবিৰৰ শক্তি বৃদ্ধি কৰে। (ছোভিয়েট ইউনিয়নৰ পতনৰ পিছত বৰ্তমান এই শিবিৰ দুৰ্বল হৈছে।) সাম্ৰাজ্যবাদী শিবিৰে বিভিন্ন দেশক আৰু বিশেষকৈ সদ্য স্বাধীন দেশ সমূহক নিজৰ নিয়ন্ত্ৰণাধীন কৰি ৰাখিবলৈ আক্ৰমণাত্মক সামৰিক মৈত্ৰী গঢ়ি তোলে। ইয়াৰ নেতৃত্ব লয় সাম্ৰাজ্যবাদী মাৰ্কিন যুক্তৰাষ্ট্ৰই। ভাৰত পূৰ্ণ স্বাধীন দেশ কাৰণেই সাম্ৰাজ্যবাদৰ স্বাৰ্থত SEATOৰ সদস্যভুক্ত নোহোৱাকৈ থাকিব পাৰিছিল। নৱলব্ধ স্বাধীনতা সুৰক্ষিত কৰাৰ উদ্দেশ্য আগত ৰাখি ভাৰতে গোষ্ঠী নিৰপেক্ষতাৰ নীতি গ্ৰহণ কৰে। ভাৰতৰ স্বাধীনতা ৰক্ষাৰ বাবেই ভাৰত-ছোভিয়েট মৈত্ৰী চুক্তি স্বাক্ষৰিত কৰে। "সাম্ৰাজ্যবাদৰ নিয়ন্ত্ৰণ অব্যাহত" থকা কোনো দেশৰ পক্ষে সাম্ৰাজ্যবাদ বিৰোধী শিবিৰৰ নেতৃত্বত থকা এখন দেশৰ লগত এনে চুক্তি কৰা সম্ভৱপৰ নহ'লহেঁতেন। (এতিয়া আৰু সেই ছোভিয়েট ইউনিয়ন নাই।) তদুপৰি বিভিন্ন আন্তৰ্জাতিক ঘটনাৱলীত ভাৰতৰ ভূমিকাৰ কথাও উল্লেখযোগ্য। কোৰিয়াৰ শান্তিচুক্তি সম্পাদনত ভাৰতবৰ্ষৰ ভূমিকা, ভিয়েটনাম, লাওস আৰু কম্বোডিয়া সম্পৰ্কে চুক্তি সম্পাদনৰ বাবে অনুষ্ঠিত জেনেভা সন্মিলনত ভাৰতৰ অংশগ্ৰহণ আৰু সক্ৰিয় ভূমিকা, শান্তিপূৰ্ণ সহাৱস্থানৰ পঞ্চশীল নীতিৰ ভিত্তিত তিব্বত সম্পৰ্কে চীন-ভাৰত চুক্তি আৰু এফ্ৰো-এচীয় দেশসমূহৰ বান্দুং সন্মিলন আৰু ইয়াত ভাৰতৰ গৌৰৱপূৰ্ণ ভূমিকা (এই ঘটনাসমূহ নেহৰু চৰকাৰৰ দিনৰ) আদি ঘটনাসমূহে নিৰ্ভুল ভাবে প্ৰমাণ কৰে যে ভাৰতৰ ওপৰত "সাম্ৰাজ্যবাদৰ নিয়ন্ত্ৰণ অব্যাহত" থকা বুলি কোৱা কথাৰ কোনো ভিত্তি নাই, সত্যতা নাই।

বস্তুগত জগতখনহে আমাৰ চিন্তা-চেতনাৰ জনক। বিপ্লৱী তত্ত্বই অৰ্থাৎ মাৰ্ক্সবাদে এই শিক্ষাকে দিয়ে। গতিকে বস্তুগত জগতখনৰ পৰা শিক্ষা গ্ৰহণৰ চেষ্টা কৰিলেহে বিপ্লৱী তত্ত্ব প্ৰয়োগ কৰাত সফল হব পৰা যায়।

(২) নয়া গণতান্ত্ৰিক বিপ্লৱৰ কৰ্মসূচী দাঙি ধৰাৰ চেষ্টা কৰোতে ডঃ মহন্তই ৰাষ্ট্ৰৰ ভুল ব্যাখ্যা দাঙি ধৰিছে। তেখেতে কৈছে "ৰাষ্ট্ৰৰ ধৰ্মই হৈছে শোষিত শ্ৰেণীক দমন কৰাটো।" ডঃ মহন্তৰ এই ব্যাখ্যা শুদ্ধ বুলি ধৰি ললে আমি মানি লব লাগিব যে চীন, ভিয়েটনাম, কিউবা আদিৰ ৰাষ্ট্ৰয়ো নিজ নিজ দেশৰ শোষিত শ্ৰেণীক দমন কৰি আছে। মোৰ বিশ্বাস ডঃ মহন্তয়ো এই কথা মানি নলব। ৰাষ্ট্ৰ দুই প্ৰকাৰৰ। পুঁজিপতিৰ ৰাষ্ট্ৰ আৰু সৰ্বহাৰাৰ ৰাষ্ট্ৰ। পুঁজিপতিৰ ৰাষ্ট্ৰই শ্ৰমিক-কৃষক আদি শোষিত শ্ৰেণীসমূহৰ ওপৰত দমন পীড়ন চলায় পুঁজিবাদী শোষণ ব্যৱস্থা জীয়াই ৰখাৰ স্বাৰ্থত আৰু সৰ্বহাৰাৰ ৰাষ্ট্ৰই শোষক শ্ৰেণীক দমন কৰিব লগা হয় মানুহে মানুহৰ ওপৰত চলোৱা শোষণ ব্যৱস্থাৰ বিলুপ্তিৰ বাবে। দুয়োবিধ ৰাষ্ট্ৰৰ বিষয়ে লেনিনে কৈছে –

"Bourgeois states are most varied in form, but their essence is the same, all these states whatever their form, in the final analysis are invariably the dictatorship of the bourgeoisie. The transition from capitalism to communism is certainly bound to yeild a tremendous abundance and variety of political forms, but the essence will inevitably the same; the dictatorship of the proletariat."

ডঃ মহন্তই "সাম্ৰাজ্যবাদ, সামন্তবাদ আৰু বৃহৎ পুঁজিপতি" – এই "তিনিটা দৈত্যক" ৰাষ্ট্ৰ যন্ত্ৰ বুলি কৈছে। মাৰ্ক্স, এঙ্গেলচ আৰু লেনিনে এনে কথা কোৱা নাই। তেওঁলোকে আইন-আদালত, পুলিচ, মিলিটাৰী আৰু আমোলাকহে ৰাষ্ট্ৰযন্ত্ৰ বুলি কৈছে। সকলো মাৰ্ক্সবাদী-লেনিনবাদীয়ে তেখেতসকলৰ মতহে গ্ৰহণ কৰিছে।

(৩) পৃথিৱীৰ যি কোনো দেশৰ বিপ্লৱৰ পৰা আমি শিক্ষা লাভ কৰাৰ পক্ষপাতি। বিশেষকৈ ৰুচ বিপ্লৱ, চীন বিপ্লৱ আৰু ভিয়েটনামৰ বিপ্লৱৰ পৰা আমাৰ দেশৰ শোষিত শ্ৰেণীসমূহে শিক্ষালাভ কৰাই উচিত। সেইবুলি সেইবোৰ দেশৰ বিপ্লৱৰ ৰণনীতি আৰু ৰণকৌশল আমাৰ দেশত প্ৰযোজ্য নহব পাৰে। মাও-চে-তুঙে (মাও-জে-দোং) চীনৰ নয়া গণতান্ত্ৰিক বিপ্লৱৰ কৰ্মসূচী ৰচনা কৰাৰ সময়ত চীন দেশ অৰ্দ্ধ ঔপনিবেশিক দেশ আছিল। সেইখন কৰ্মসূচী ১৯৯২ চনৰ সম্পূৰ্ণ স্বাধীন ভাৰতত প্ৰয়োগ কৰাৰ চিন্তা কৰা কাৰ্যক মাৰ্ক্সবাদ-লেনিনবাদ সম্মত কাৰ্য নহয় বুলিয়েই কব লাগিব। সু

পূৰবী প্ৰকাশনৰ পৰা

নতুন আৰু বৰ্ণাঢ্য সাজেৰে প্ৰকাশ পালে–

জনক্ৰান্তি

প্ৰতি দেওবাৰে

সকলো ধৰণৰ প্ৰবন্ধ-পাতি পঠোৱাৰ ঠিকনা–
সম্পাদক,
জনক্ৰান্তি
মনজেৰা হাউচ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী- ১

(এজেন্সিৰ বাবে চাৰ্কুলেচন মেনেজাৰৰ লগত যোগাযোগ কৰক)

OKDISCD

# তিনি চিত্ৰ শিল্পী

হেমন্ত বৰ্মন

সাম্প্ৰতিক ভাৰতৰ তিনি গৰাকী বিশিষ্ট চিত্ৰকৰৰ শিল্পকৰ্মৰ বিষয়ে আজি কিছুদিন আগতে দূৰদৰ্শনৰ জৰিয়তে এখন তথ্যচিত্ৰ চোৱাৰ সুযোগ হৈছিল। ভাৰতৰ চাৰিখন মহানগৰ দিল্লী, বোম্বাই, কলিকতা আৰু মাদ্ৰাজৰ লগত সততে যোগাযোগ ৰাখিব নোৱাৰিলে আধুনিক চিত্ৰকৰ সকলৰ শিল্পকৰ্মৰ লগত পৰিচয় হোৱাৰ সম্ভাৱনা নিচেই কম। তেওঁলোকৰ ছবি চোৱাৰ সুযোগ অন্ততঃ পোৱা নাযায়। গুৰুত্বপূৰ্ণ তিনি গৰাকী চিত্ৰকৰ– নলিনী মালানী, ভিভান সুন্দৰম আৰু ভূপেন খাখাৰ সমকালীন ভাৰতীয় শিল্পীসকলৰ অন্যতম। মধ্যবিত্ত জীৱনৰ দ্বন্দ্ব সংঘাত আৰু ৰুচিৰ তীৰ্যক ৰূপকাৰ ভূপেন খাখাৰৰ প্ৰায় শেহতীয়া চিত্ৰৰ বিষয়ে যোৱা বছৰ এই শিতানত আমি লেখিছিলো। সেই সুযোগ হৈছিল তেওঁৰ এখন প্ৰদৰ্শনীত উপস্থিত থকা বাবে। নলিনী মালানী আৰু ভিভান সুন্দৰমৰ মূল চিত্ৰ চোৱাৰ সুযোগ হোৱা নাই। অৰুণ খোপকাৰে নিৰ্মাণ কৰা 'ফিগাৰ্ছ অফ থট্ছ'ৰ আবেদন সেয়ে আজিও মনত সজীৱ হৈ আছে। খোপকাৰৰ তথ্যচিত্ৰই মাথো তিনিগৰাকী চিত্ৰকৰৰ জীৱন আৰু চিত্ৰ পৰিচিতিৰেই আভাস দিয়া নাই– চিত্ৰকৰসকলৰ ভাব জগততো ভুমুকি মাৰিছে। নেপথ্য সংগীতত তিনিগৰাকী শিল্পীৰ চিত্ৰকৰ্মৰ মৰ্মত প্ৰবেশ কৰি প্ৰয়োজন সাপেক্ষে নাগৰিক জীৱনৰ যান্ত্ৰিকতা– যান-বাহন, গাড়ীৰ ব্ৰেক ধৰাৰ শব্দ, খহি পৰা অট্টালিকাৰ শব্দ, মানুহৰ মন গহনৰ যাত্ৰা– পানীৰ শব্দ, পাহাৰ খহাৰ শব্দ, হিমাচলৰ লোক গীত আদি ব্যৱহাৰৰ জৰিয়তে চিত্ৰৰ দৃশ্যগ্ৰাহ্য আবেদনক অধিক শক্তিশালী ৰূপেৰে দৰ্শকৰ চেতনা আচ্ছন্ন কৰি ৰাখিছে অৰুণ খোপকাৰে ; তিনিগৰাকী চিত্ৰকৰৰ ভিন্ন বিষয়বস্তু এইদৰেই উদ্ভাসিত হৈছে দশৰ্কৰ মনত।

ভূপেন খাখাৰে (১৯৩৪, বোম্বাই) বৰ্ণনাধৰ্মী চিত্ৰমোদী আৰু পৰম্পৰাগত অৰ্থত কম শক্তিশালী ড্ৰয়িঙৰ সহায়ত মধ্যবিত্ত জীৱনৰ অন্তঃসাৰশূন্যতাক এক অভিনবত্ব দান কৰিছে। লাহে লাহে তেওঁৰ এই বৰ্ণনা ৰীতি এক ধ্ৰুপদী ৰূপ লৈছে– মন্দিৰ, মধ্যবিত্তই ব্যৱহাৰ কৰা ৰুচিহীন উজ্জ্বল ৰং, চহৰ, ৰেষ্টোৰাঁ, বাট-পথ, অলিগলি খাখাৰৰ বৰ্ণনাধৰ্মী চিত্ৰৰ বিষয়। আনহাতে নলিনী মালানীৰ (১৯৪৬, বোম্বাই) চিত্ৰত মধ্যবিত্ত জীৱনৰ মানসিক জগত উন্মোচিত হৈছে। পানী ৰং আৰু সৰু সৰু কেনভাছত ব্যথিত অভিজ্ঞতাৰ, খং ক্ষোভ মালানীৰ চিত্ৰত মন্থিত ৰূপত প্ৰকাশ পাইছে। মালানীৰ সমসাময়িক জীৱনৰ ভিন্ন অভিজ্ঞতাৰ লগত হোৱা প্ৰতিক্ৰিয়াৰ সাৰ সংকলন হ'ল তেওঁৰ চিত্ৰসমূহ। ভিভান সুন্দৰম (১৯৪৩)-ৰ পৰিক্ৰমা অন্য ধৰণৰ। ইতিহাসৰ পৰা মানুহৰ মনৰ জগতত মনুষ্যত্বৰ সন্ধানে ভিভান সুন্দৰমৰ প্ৰিয় বিষয়। আনৱিক ধ্বংসলীলাৰ পৰা ছফদৰ হাচমীৰ ভাবনালৈকে ভিভানৰ ভাবৰ পৰিমণ্ডল বিস্তৃত।

তিনিওগৰাকী শিল্পীৰ চিত্ৰ ভাবনা জীৱনবোধ আৰু চিত্ৰৰ আবেদনক মূৰ্ত কৰি তুলিছে– অৰুণ খোপকাৰৰ পৰিচালনা, কেমেৰাৰ ব্যৱহাৰ আৰু নেপথ্য সংগীতৰ শক্তিশালী সঞ্চাৰে।

## এটা কবিতা পঢ়ি

এই শিতানত আমি চিত্ৰৰ কথাকেই প্ৰাধান্য দি আহিছো। এইবাৰ শব্দৰ শক্তিৰ বিষয়েও এবাৰ কওঁ। কবিতাটি কোনো বিখ্যাত কবিৰ নহয়। আধুনিক কবিতা। সংকটকালীন জীৱনৰ এক হৃদয়পৰশা আবেদনেৰে সমৃদ্ধ। সংকটকালীন এই উপলব্ধিত কোনো পক্ষ-বিপক্ষৰ চিন্তাত কবিৰ শব্দচয়ন ভাৰাক্ৰান্ত হোৱা নাই। জীৱনৰ পৰা মৰ্মৰিত হোৱা ভাবনাই কবিতাটিৰ সম্পদ। শব্দৰ মায়াজালো নাই। নাই ভাবৰ কুহেলিকা। পষেকীয়া শ্ৰীময়ীত প্ৰকাশিত লাবণ্য ফুকনৰ "ভাইটিলৈ এখন চিঠি" নামৰ কবিতাটিত বৰ্তমান সময় মূৰ্ত হৈ উঠিছে তাৰ সমস্ত ক্ৰূৰতালৈ।

খবৰ কাগজ হাতত ল'লেই আয়ে
সোধেই
'বাবাৰ নামটো পাইছ নেকি ?'

□ □ □

ফুট গধূলিতে শুইপৰা
ভনীজনীয়ে তই আহিবি বুলি
ৰাতি দুপৰলৈকে বাট চাই
থাকে
তই নাহ নাই
অন্ততঃ জীয়াই আছ বুলি খবৰ
এটাকে দে

□ □ □

কিখনলো কৰিছ তইঁতে
এইখন দেশ গুচি কিবা হ'ল
মানুহ নামৰ জন্তুটো যে কি
হিংস্ৰ !
মোৰ আগতে সিহঁতে
ভনীজনীক ধৰ্ষণ কৰিলে
জাননে তই ?

আল্ফা আৰু সেনাবাহিনীয়ে চলোৱা অভিযানৰ সময়ছোৱাৰ ইয়াতকৈ সৰল আৰু সুন্দৰ চিত্ৰ আৰু কি হব পাৰে ? ভয়ঙ্কৰ সময়ৰ সাহিত্যৰ এই চানেকি নিঃসন্দেহে প্ৰশংসাৰ যোগ্য।

## এখন স্কুলৰ আধাৰ শিলা

আধাৰ শিলা সংস্কৃতি এতিয়া আমাৰ অঙ্গ। বৃহৎ উদ্যোগৰ পৰা বিউটি পাৰ্লৰলৈকে আধাৰ শিলা স্থাপনৰ ৰাজসিক অনুষ্ঠান সশব্দে হৈ থাকে। অলপতে দুগৰাকী উদ্যোগী ডেকাই ৰাজধানীৰ চুপাৰ মাৰ্কেটত আধাৰ শিলাই নহয় এখন শিল্পকলা বিদ্যালয়ৰ পাতনি মেলিছে। সাংস্কৃতিক কৰ্মী জলদবৰণ মহন্তৰ উদ্যোগ আৰু শান্তিনিকেতনৰ পৰা অহা নিবনুৱা ভাস্কৰ কৃষ্ণ গোস্বামীৰ তত্বাৱধানত আৰম্ভ হৈছে সুকুমাৰ কলা নিকেতন সংগীত শিল্পকলাৰ নতুন বিদ্যালয়। কৃষ্ণ গোস্বামী মাজুলীৰ চামগুৰি সত্ৰৰ ঐতিহ্যবাহী যুৱক। বিদ্যালয়খনি উন্মোচন কৰে শিল্পী নীলপবন বৰুৱা আৰু দীপালী বৰঠাকুৰে।





# বিদ্যাৰ ব্যৱসায়

যোৱা বহু বছৰৰ পৰাই আমাৰ দেশত তথাকথিত গৱেষণা আৰু তাৰ ফলশ্ৰুতি-স্বৰূপ ডক্টৰেট ডিগ্ৰীৰ কাৰণে শিক্ষক সকলৰ মাজত এটা প্ৰবল হাবিয়াস দেখা গৈছে। এক শ্ৰেণীৰ পণ্ডিতে নিজৰ জ্ঞানৰ পৰিধি বঢ়াবৰ কাৰণেই গৱেষণা বা উচ্চতৰ জ্ঞানানুশীলনত লিপ্ত হয় – সেই বিষয়ে কোনো সন্দেহ নাই। কিন্তু ডক্টৰেট যশঃপ্ৰাৰ্থী সকলো পণ্ডিতৰ ক্ষেত্ৰত এই কথা প্ৰযোজ্য নহয়। বেছি ভাগ শিক্ষকৰ কাৰণেই ডক্টৰেট ডিগ্ৰীটো হ'ল চাকৰিত পদোন্নতিৰ এটা সঁজুলি বা সোপান মাত্ৰ। সেয়েহে দেখা যায় যে এবাৰ কোনোমতে ডক্টৰেট ডিগ্ৰীটো অৰ্জন কৰি পদোন্নতি আৰু দৰ্মহা-বৃদ্ধিৰ পথ সুগম কৰি লোৱাৰ পিছত এনেকুৱা বেছি ভাগ ডক্টৰেট ডিগ্ৰীধাৰীয়েই বাকী সমস্ত জীৱনৰ কাৰণে অধ্যয়ন আৰু চিন্তা-চৰ্চ্চাৰ চেষ্টা সমূলি এৰি দিয়ে। উচ্চতৰ জ্ঞানানুশীলনৰ বাহন-স্বৰূপ আলোচনী বা কাকতত তেওঁলোকৰ প্ৰবন্ধ-পাতিও খুব কমেইহে প্ৰকাশ হোৱা দেখা যায়। আদৰ্শ শিক্ষক কেনেকুৱা হোৱা উচিত সেই বিষয়ে ব্যাখ্যা কৰি জে বে এইছ হলডেনে কৈছিল যে যিহেতু আধুনিক জগতত জ্ঞান-বিজ্ঞানৰ অতি দ্ৰুত-গতিৰে বিকাশ ঘটে, সেই কাৰণে বেছি ভাগ পাঠ্য-পুথিয়েই দুই-এবছৰৰ ভিতৰতে অচল হৈ যায়। সেই কাৰণে প্ৰকৃত আদৰ্শ শিক্ষকে কেতিয়াও কেৱল পাঠ্য-পুথিৰ ওপৰতে নিৰ্ভৰ নকৰি অবিৰাম অধ্যয়নৰ দ্বাৰা ছাত্ৰসকলক জ্ঞান-বিজ্ঞানৰ নিত্য নতুন তথ্য আৰু তত্ত্ববোৰ শিকাবলৈ চেষ্টা কৰা উচিত। অৰ্থাৎ তেওঁ নিজে পাঠ্য-পুথিতকৈ সদায় আগবাঢ়ি থাকিবলৈ চেষ্টা কৰা উচিত। এনেকুৱা আদৰ্শ শিক্ষক আমাৰ দেশত কেইজন ওলাব সেই কথা একমাত্ৰ ভগৱানেহে জানে। এই কথাও প্ৰমাণিত হৈছে যে নিঃস্বাৰ্থ জ্ঞান-সাধনাৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হোৱাৰ পৰিৱৰ্তে কেৱল চাকৰিত পদোন্নতিৰ কথা চিন্তা কৰি ডক্টৰেট ডিগ্ৰী অৰ্জন কৰিবলৈ চেষ্টা কৰাৰ ফলত বেছি ভাগ শিক্ষকেই গৱেষণাৰ কাৰণে এনেবোৰ গতানুগতিক আৰু সহজ-সাধ্য বিষয় বাছি লয়, যিবোৰ বিষয়ৰ গৱেষণা সমাজৰ কোনো কামত নালাগে। ভাৰতত জ্ঞান-চৰ্চাৰ গতি-বিধি অধ্যয়ন আৰু বিশ্লেষণ কৰি এজন বিখ্যাত সাংবাদিকে কেইবছৰমানৰ আগতে টাইমছ্ অব্ ইণ্ডিয়া কাকতত প্ৰকাশিত এটা প্ৰৱন্ধত লিখিছিল ঃ "যিহেতু ভাৰতত সম্প্ৰতি গৱেষণাৰ পৰা বিশেষ একো আৰ্থিক লাভ নহয়, সেই কাৰণে এবাৰ ডক্টৰেট ডিগ্ৰী অৰ্জন কৰাৰ পিছত বেছি ভাগ পণ্ডিতেই নতুন নতুন গৱেষণা চিৰকালৰ কাৰণে ত্যাগ কৰি পাঠ্য-পুথি লিখা বা চেমিনাৰৰ কাৰণে ভেজাল গৱেষণা প্ৰবন্ধ লিখাৰ নিচিনা অৰ্থকৰী ব্যৱসায়ত আত্ম-নিয়োগ কৰে। চেমিনাৰবোৰেও পণ্ডিত সকলক বিনামূলীয়া প্ৰমোদ-ভ্ৰমণ কৰাৰ সুবিধা দিয়াৰ ওপৰিও শিক্ষা-জগতৰ ক্ষমতাশালী ব্যক্তিসকলৰ সংস্পৰ্শলৈ অহাৰ সুযোগ দিয়ে। তাৰ ফলত তেওঁলোকে অন্যান্য শিক্ষা-কেন্দ্ৰ আৰু বিশ্ববিদ্যালয়বোৰৰ পৰীক্ষক পদ, বাছনি-কমিটিৰ সদস্য পদ আদি লাভ কৰি আৰু বেছিকৈ ধন ঘটাৰ সুযোগ পায়।" চেমিনাৰবোৰত পণ্ডিত সকলে পাঠ কৰা প্ৰবন্ধবোৰৰ মান বা মূল্যৰ বিষয়ে আলোচনা কৰি একেজন সাংবাদিকেই পুনৰ লিখিছে ঃ "পণ্ডিত সকলে চেমিনাৰত পাঠ কৰা বা আনকি পাণ্ডিত্যপূৰ্ণ আলোচনীবোৰত প্ৰকাশ কৰা প্ৰবন্ধবোৰৰ বিষয়ে বেছি কথা নোকোৱাই ভাল। ইচ্ছা কৰিলেই যি কোনো মানুহে গণ্ডাই গণ্ডাই তেনে প্ৰবন্ধ লিখিব পাৰে। যিহেতু বেছি ভাগ শ্ৰোতা বা পাঠকেই তেনেবোৰ প্ৰবন্ধৰ প্ৰকৃত উৎসৰ বিষয়ে সমূলি অজ্ঞ, সেই কাৰণে এই পণ্ডিতসকলে ধৰা পৰাৰ একো ভয় নোহোৱাকৈ বিদেশী আলোচনী বা কিতাপৰ পৰা প্ৰতিটো শব্দ চুৰ কৰি এনে প্ৰবন্ধ লিখিব পাৰে।"

বিভিন্ন কাৰণত ভাৰতত জ্ঞান-চৰ্চাৰ মানৰ যে দ্ৰুত অৱনতি ঘটিছে, সেই বিষয়ে কোনো সন্দেহ নাই। আটাইতকৈ ডাঙৰ কাৰণ হ'ল – আধুনিক বাণিজ্যিক সভ্যতাত বিদ্যাও এটা পণ্য-দ্ৰব্যত পৰিণত হৈছে। ভাৰতত বেছি ভাগ পণ্য-দ্ৰব্যই ভেজাল হোৱাৰ দৰে বিদ্যা, গৱেষণা আৰু ডিগ্ৰীও ভেজাল হৈ পৰিছে। ডক্টৰেট-ডিগ্ৰীধাৰী বেছিভাগ ভাৰতীয় পণ্ডিতৰেই শুদ্ধ ইংৰাজী ভাষাত গৱেষণা-গ্ৰন্থ লিখাৰ ক্ষমতা নাই। ফলত এক শ্ৰেণীৰ পণ্ডিতৰ কাৰণে আনৰ তথাকথিত গৱেষণা-গ্ৰন্থ 'সম্পাদনা' কৰি ধন ঘটাবো সুযোগ ওলাইছে। মুঠতে এসময়ৰ অতি সন্মানিত আৰু লোভনীয় ডক্টৰেট ডিগ্ৰীটোত আজি এক শ্ৰেণী তথাকথিত পণ্ডিতৰ অৰ্থ-লিপ্সা আৰু যশো-লিপ্সাৰ কলুষ-স্পাৰ্শ লাগি সি সমূলি অৰ্থহীন আৰু অশ্ৰদ্ধেয় হৈ পৰিছে। উলুৰ লগত বগৰি পোৰাৰ দৰে ভেজাল ডক্টৰেট ডিগ্ৰীধাৰীসকলৰ ভিৰৰ মাজত পৰি প্ৰকৃত নিষ্ঠাবান আৰু জ্ঞানান্বেষী পণ্ডিত সকলো সমাজৰ সন্দেহ-ভাজন হৈ পৰিছে।

অসম চৰকাৰে কেৱল প্ৰথম শ্ৰেণীৰ এম এ আৰু ডক্টৰেট ডিগ্ৰীধাৰী কলেজ শিক্ষক সকলকহে নতুন উচ্চ নিৰিখৰ দৰ্মহা দিবলৈ সিদ্ধান্ত লোৱাৰ ফলত উচ্চ শিক্ষাৰ ক্ষেত্ৰত এটা নতুন ব্যাধিয়ে দেখা দিছে। অসমৰ বে-চৰকাৰী কলেজবোৰত শতকৰা ২০ জন মানহে প্ৰথম শ্ৰেণীৰ এম এ শিক্ষক আছে। গতিকে স্বাভাৱিকতেই বাকী ৮০ জনৰ বহুতেই পদোন্নতি আৰু দৰ্মহা বৃদ্ধিৰ প্ৰয়োজনত ডক্টৰেট ডিগ্ৰী অৰ্জন কৰিবলৈ প্ৰয়াস কৰিছে বা কৰিব। অৰ্থাৎ উচ্চতৰ জ্ঞানাৰ্জনৰ এই প্ৰেৰণাটো হ'ব প্ৰধানত ঃ আৰ্থিক। সিও দোষণীয় নহয়, যদিহে তেওঁলোকৰ গৱেষণা বা জ্ঞান-সাধনাৰ মূলতে আন্তৰিক ব্যক্তিগত পৰিশ্ৰম আৰু নিষ্ঠা থাকে। কিন্তু ইতিমধ্যে বজাৰত এট গুজব ওলাবলৈ আৰম্ভ কৰিছে যে কোনো কোনো উচ্চাভিলাষী শিক্ষকে ইতিমধ্যেই ডক্টৰেট ডিগ্ৰী কিনিবলৈ অৰ্থাৎ নগদ অৰ্থ-মূল্যৰ বিনিময়ত আনৰ হতুৱাই গৱেষণা গ্ৰন্থ লিখাবলৈ আৰম্ভ কৰিছে। ভাৰতৰ, আনকি বিদেশৰো বহুতো বিশ্ববিদ্যালয়ৰ ডিগ্ৰীৰ বজাৰৰ যি সকলে খবৰ ৰাখে, তেওঁলোকে জানে যে এনে ডিগ্ৰী কিনা-বেচা সমূলি অসম্ভৱ নহয়। বিদ্যাৰ বেপাৰীসকলৰ নীচ মনোবৃত্তিয়ে যাতে বিদ্যা-মন্দিৰবোৰ কলুষিত কৰিব নোৱাৰে বা জ্ঞান-সাধনাৰ স্বীকৃতি-স্বৰূপ ডক্টৰেট ডিগ্ৰীটোৰ অবমূল্যায়ন ঘটাব নোৱাৰে, তাৰ কাৰণে অসমৰ বিশ্ববিদ্যালয় কেইখন অতিশয় সতৰ্ক আৰু কঠোৰ হোৱা প্ৰয়োজন। গৱেষণাৰ কাৰণে বিষয় বাছনি কৰোতে জ্ঞানৰ বৃদ্ধি আৰু বিকাশৰ লগে লগে সামাজিক উপযোগিতাৰ প্ৰতিও দৃষ্টি ৰখা উচিত। লগতে মৌখিক পৰীক্ষাবোৰত অতিশয় কঠোৰতা অৱলম্বন কৰা বাঞ্ছনীয়।

*(পুনৰ্মুদ্ৰিত)*

# অসমৰ আৰ্থিক অনগ্ৰসৰতাৰ কাৰণ আৰু তাৰ প্ৰতিকাৰ

অসমৰ অৰ্থনৈতিক অনগ্ৰসৰতাৰ কাৰণ আৰু তাৰ প্ৰতিকাৰ সম্বন্ধে অসমৰ বিশিষ্ট ব্যক্তিসকলৰ পৰা সংগ্ৰহ কৰা এলানি প্ৰবন্ধটোৰ প্ৰথমটো আছিল বিশিষ্ট প্ৰশাসনিক বিষয়া আৰু অৰ্থনীতিবিদ যতীন হাজৰিকাৰ। যোৱা সংখ্যা (১-১৫ মাৰ্চ, '৯২) 'সূত্ৰধাৰ'ত শ্ৰীহাজৰিকাৰ প্ৰবন্ধটো প্ৰকাশ হৈছিল। এই সম্পৰ্কীয় এইবাৰৰ প্ৰবন্ধকেইটি লিখিছে অসমৰ বিভিন্ন অনুষ্ঠানৰ পৰিচালনাৰ সৈতে জড়িত বিশিষ্ট বেংকাৰ **কৃষ্ণপ্ৰসাদ বৰুৱা**, **থানেশ্বৰ বৰুৱা** আৰু অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ বিত্ত বিভাগৰ সদস্য **শান্তিকাম হাজৰিকাই**।

## কৃষ্ণপ্ৰসাদ বৰুৱা



ঔদ্যোগিক উন্নয়ন অবিহনে কোনো দেশেই অৰ্থনৈতিকভাবে সমৃদ্ধ হব নোৱাৰে। ইতিহাসত আমি লক্ষ্য কৰিছো যে উন্নত দেশবোৰ ঔদ্যোগিকভাবেও উন্নত। মূলতঃ ঔদ্যোগিক উন্নতিয়ে দেশৰ অৱস্থা পৰিৱৰ্তনৰ ক্ষেত্ৰত মুখ্য ভূমিকা পালন কৰে। সম্পদৰ ক্ষেত্ৰত অসম এখন বৰ সমৃদ্ধ ৰাজ্য। কিন্তু দুৰ্ভাগ্যবশতঃ অসমৰ সম্পদসমূহৰ উপযুক্ত ব্যৱহাৰ হোৱা নাই। ঔদ্যোগিক বিকাশৰ বাবে অসমৰ দৰে অনগ্ৰসৰ ৰাজ্য এখনত নিম্নোক্ত প্ৰাথমিক প্ৰয়োজনসমূহ পূৰণৰ বাবে চেষ্টা কৰিব লাগিব ঃ

(১) সুস্থ আৰু উপযুক্ত ঔদ্যোগিক বাতাবৰণ।

(২) উদ্যোগ প্ৰতিষ্ঠাৰ মুল ভেটি – অব্যাহত শক্তিৰ যোগান, ভূমি, পানীযোগান আৰু উপযুক্ত যোগাযেগে বা পৰিবহণ ব্যৱস্থা। পৰিবহণ ব্যৱস্থাৰ উন্নতিৰ লগতে বাট-পথৰ উন্নয়নৰ কথাটোও সাঙোৰ খাই আছে। এই দিশসমূহলৈ লক্ষ্য ৰখাটো হব লাগিত চৰকাৰৰ দায়িত্ব।

(৩) মূলধন – অসমত মূলধন যোগান হতাশজনক। গুজৰাট, কৰ্ণাটক বা ভাৰতৰ অন্যান্য উন্নত ৰাজ্যৰ দৰে অসমৰ স্থানীয় উদ্যোগীসকল বৃহৎ বা মজলীয়া উদ্যোগ প্ৰতিষ্ঠা কৰিব পৰাকৈ সামৰ্থ্যবান নহয়। সেইবাবে চৰকাৰে কিছু লাভজনক সা-সুবিধা আগবঢ়াই ৰাজ্যখনৰ বাহিৰৰ উদ্যোগীক ইয়াত উদ্যোগ প্ৰতিষ্ঠা কৰিবৰ বাবে আগ্ৰহী কৰি তুলিব পাৰে। ঔদ্যোগিক খণ্ডৰ প্ৰসাৰ ঘটাৰ লগে লগে স্বাভাৱিকভাবে নিয়োগৰ ক্ষেত্ৰও বৃদ্ধি পাব। আনহাতে উদ্যোগ প্ৰতিষ্ঠাৰ সমান্তৰালভাবে আনুষঙ্গিক কাম-কাজ আদিৰ ক্ষেত্ৰও মুকলি হব। গুৱাহাটী শোধনাগাৰ প্ৰতিষ্ঠাৰ ফলত যদি এহেজাৰ মানুহে কৰ্মসংস্থান লাভ কৰি প্ৰত্যক্ষভাবে লাভবান হৈছিল, একলাখ মানুহ লাভবান হৈছিল পৰোক্ষভাবে। উদ্যোগ প্ৰতিষ্ঠাৰ লগে লগে অঞ্চল এটাৰ বাতাবৰণ সলনি হৈ যোৱাৰ লগতে মানুহৰ সাধাৰণ দৃষ্টিভঙ্গীৰো পৰিৱৰ্তন ঘটে। ফলত সাধাৰণভাবে ঔদ্যোগিক পৰিবেশ এটা গঢ় লৈ উঠে। পৰিবেশ আৰু নিয়োগৰ ক্ষেত্ৰত হোৱা পৰিৱৰ্তনৰ উপৰিও উদ্যোগ প্ৰতিষ্ঠাৰ জৰিয়তে চৰকাৰে ও ৰাজহ লাভ কৰে। উদাহৰণস্বৰূপে আসাম এচবেষ্টাছৰ দৰে সৰু উদ্যোগ এটাৰ পৰাই চৰকাৰে বছৰত ৰাজহ লাভ কৰে ২৫ কোটি টকা। গতিকে বৃহৎ বা মজলীয়া উদ্যোগ প্ৰতিষ্ঠা হলে ইয়াতকৈ বহুগুণে বেছি পৰিমাণৰ ৰাজহ চৰকাৰে লাভ কৰিব পাৰিব।


> আসাম এচবেষ্টাছৰ দৰে সৰু উদ্যোগ এটাৰ পৰাই চৰকাৰে বছৰত ৰাজহ লাভ কৰে ২৫ কোটি টকা।

মানৱ সম্পদৰ উপযুক্ত ব্যৱহাৰৰ অভাৱো অসমৰ ঔদ্যোগিক বিকাশৰ ক্ষেত্ৰত এক প্ৰধান অন্তৰায়। কাৰণ কাৰিকৰী ক্ষেত্ৰ আৰু অন্যান্য ক্ষেত্ৰতো প্ৰশিক্ষণপ্ৰাপ্ত অসমীয়া যুৱকৰ অভাৱৰ বাবে বাহিৰৰ প্ৰাৰ্থীৰ দ্বাৰাই প্ৰয়োজন পূৰাব লগা হয়। এই বিশেষ ক্ষেত্ৰটোত চৰকাৰে বৰ গুৰুত্বপূৰ্ণ ভূমিকা লব পাৰে। অসমৰ প্ৰতিভাসম্পন্ন যুৱক-যুৱতীক ঔদ্যোগিক ক্ষেত্ৰৰ বিভিন্ন দিশৰ চৰকাৰী শিক্ষাগ্ৰহণৰ সুযোগ দিয়াৰ দায়িত্ব চৰকাৰে ল'ব পাৰে। অসমৰ বাহিৰৰ বিভিন্ন প্ৰতিষ্ঠানত এনে প্ৰশিক্ষণ লোৱাৰ বা সেইবোৰ বিষয়ত অধ্যয়ন কৰাৰ সুবিধা আছে। উদ্যোগ এটা প্ৰতিষ্ঠাৰ ক্ষেত্ৰত কৰা বিনিয়োগৰ অংশ বুলি ধৰি লৈ অসমৰ যুৱক যুৱতীক এনে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। নহলে প্ৰস্তাৱিত নুমলিগড় শোধনাগাৰ বা গেছ ক্ৰেকাৰ আদি প্ৰতিষ্ঠা হোৱাৰ পিছত অসমৰ স্থানীয় যুৱকে সেইবোৰত নিযুক্তি লাভ কৰাটো কঠিন হব। সেয়ে চৰকাৰে এইটো দিশত গুৰুত্ব সহকাৰে চিন্তাচৰ্চা কৰাটো প্ৰয়োজন যাতে প্ৰয়োজনীয় পদসমূহত ৰাজ্যৰ ভিতৰৰ উপযুক্ত প্ৰাৰ্থীক নিযুক্তি দিব পৰা যায়।

অসমৰ কিছু নবীন উদ্যোগীয়ে অসমত উদ্যোগ স্থাপন কৰিবলৈ আগ্ৰহী হৈছিল কিন্তু চৰকাৰে প্ৰয়োজনীয় সা-সুবিধা আগ বঢ়োৱাৰ ক্ষেত্ৰত কৰা কৃপণালিৰ বাবেই চুবুৰীয়া ৰাজ্যত উদ্যোগ স্থাপন কৰিবলৈ তেওঁলোক বাধ্য হৈছে। এই ক্ষেত্ৰত উৰিষ্যাৰ ৰাজ্যিক চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ প্ৰশংসনীয়। তেওঁলোকে ৰাজ্যৰ বাহিৰৰ উদ্যোগীক উদ্যোগ প্ৰতিষ্ঠাৰ বাবে সকলো সুবিধা আগবঢ়াই আমন্ত্ৰণ কৰি নিছে। আমাৰ অসমৰ উদ্যোগীয়েও উৰিষ্যা চৰকাৰৰ সাহায্য লাভ কৰিছে। এই ধৰণৰ উদাৰ আৰু সময়োপযোগী দৃষ্টিভঙ্গী গ্ৰহণ কৰা বাবেই স্বাধীনতা পৰবৰ্তী বছৰবোৰতো অসমতকৈ পশ্চাদপদ হৈ থকা উৰিষ্যা আজি কেইবছৰমানৰ ভিতৰতে সমৃদ্ধিশালী হৈ উঠিব ধৰিছে। আমাৰ অসম চৰকাৰেও উৰিষ্যা চৰকাৰৰ আৰ্হি অনুসৰণ কৰি সুফল লাভ কৰিব পাৰে।

***লেখক পৰিচিতি ঃ*** *অসম বিত্তীয় নিগমৰ প্ৰাক্তন পৰিচালন সঞ্চালক, ইউনাইটেড বেংক অব ইণ্ডিয়াৰ সঞ্চালক, জীৱনবীমা নিগমৰ সঞ্চালক শ্ৰীকৃষ্ণপ্ৰসাদ বৰুৱাই জীৱনৰ প্ৰথমছোৱা (১৯৩৬ চন)ত বিহাৰত কৰা চাকৰিটোৰ দৰমহা আছিল ত্ৰিশ টকা মাত্ৰ। সেইসময়ৰ ইম্পিৰিয়েল বেংক (এতিয়াৰ ষ্টেটবেংক)ৰ এজেণ্ট হিচাপে স্বাধীনতা-পৰবৰ্তী সময়ছোৱাত (১৯৫৩ চনত) অসমত বেংকৰ প্ৰথম শাখা খোলা হৈছিল শ্ৰীবৰুৱাৰ উদ্যোগত তেজপুৰত। (তাৰ আগতে মাত্ৰ ডিব্ৰুগড় আৰু শ্বিলঙতহে বৃটিছে এই বেংকৰ শাখা খুলিছিল।) পূৰ্বাঞ্চল বেংকৰ প্ৰতিষ্ঠাপক সঞ্চালকসকলৰ অন্যতম শ্ৰীবৰুৱাই বৰ্তমানেও N.E.I.T.Co. অসম ঔদ্যোগিক উন্নয়ন নিগম, অসম পেট্ৰো কেমিকেলচ্‌, Assam Tea Corporation আদিৰ সঞ্চালকৰ গুৰু দায়িত্ব বহণ কৰি আছে।*

## থানেশ্বৰ বৰুৱা



ভাৰতৰ অন্যান্য ৰাজ্যৰ তুলনাত অসম অৰ্থনৈতিকভাবে অত্যন্ত অনগ্ৰসৰ অৱস্থাত থকাৰ বিভিন্ন কাৰণ আছে। এই কাৰণসমূহৰ ভিতৰত নিম্নোল্লিখিত কেইটা হ'ল বিশেষভাবে উল্লেখ কৰিবলগীয়া ঃ

(১) অসমৰ ভৌগোলিক পৰিস্থিতি আৰু পৰিবহণ ব্যৱস্থা বা সুচল যোগাযোগ ব্যৱস্থাৰ অভাৱ যাক আমি transport bottleneck বুলি কওঁ।

(২) অসমীয়া মানুহক শুদ্ধ পথত নেতৃত্ব দিব পৰা লোকৰ আৰু উদ্যমৰ অভাৱ।

(৩) ভাৰতবৰ্ষৰ শাসনযন্ত্ৰৰ কেন্দ্ৰস্থল দিল্লী অসমৰ পৰা বহুত দূৰৈত। তাত আমাৰ কান্দোন বা চিক্ৰৰ-বাখৰ গৈ নাপায়গৈ। তদুপৰি দেখা গৈছে যে দিল্লীৰ কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টিত ভাৰতৰ পূব সীমা কলিকতাতে শেষ হৈছে। গতিকেই কেন্দ্ৰীয় চৰকাৰে বা কেন্দ্ৰীয় অনুষ্ঠানবোৰে অসমৰ ক্ষেত্ৰত চৰম অৱহেলা কৰা দেখা যায়। ইয়াৰ এটা উদাহৰণ দিব পাৰি। কেন্দ্ৰীয় বিত্তীয় নিগমবোৰে অসমৰ ঔদ্যোগিক বিকাশৰ বাবে দিয়া বিত্তীয় সাহায্য আন ৰাজ্যৰ তুলনাত একেবাৰে কম। ১৯৮৯-৯০ চনৰ মাৰ্চ মাহলৈ পোৱা হিচাপমতে ভাৰতবৰ্ষত এই নিগমবোৰে আগবঢ়োৱা বিত্তীয় সাহায্য (per capita assistance) আছিল গড়ে ৯০৫টকা কিন্তু অসমৰ ক্ষেত্ৰত এই সাহায্য আছিল গড়ে ২০১ টকা আৰু ঋণ সাহায্যৰ পৰিমাণ আছিল অসমত ৩৯৯.১৬ কোটি টকা, গুজৰাটত ৭৬৯৫ কোটি টকা আৰু মহাৰাষ্ট্ৰত আছিল ১০৫৯২ কোটি টকা। গতিকেই দেখা গৈছে যে অসমৰ ক্ষেত্ৰত যথেষ্ট পুঁজিৰ বিনিয়োগ ঘটা নাই আৰু সেইবাবেই কৃষি বা ঔদ্যোগিক ক্ষেত্ৰৰ বিকাশো বাধাপ্ৰাপ্ত হৈছে।

কেন্দ্ৰীয় চৰকাৰৰ আন আন বৈষম্যমূলক আচৰণেও অসমৰ অৰ্থনৈতিক দিশৰ বাহিৰেও সামাজিক আৰু ৰাজনৈতিক দিশতো বহু প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে আৰু এইবোৰো অসমৰ অগ্ৰগতিৰ প্ৰতিবন্ধক হৈছে।

প্ৰায় সকলো ক্ষমতা দিল্লীত কেন্দ্ৰীভূত হোৱাৰ কাৰণে আৰু আৰ্থিক বিকাশৰ ক্ষেত্ৰত অত্যধিক নিয়ন্ত্ৰণ কৰাৰ ফলত অসমেই নহয়, গোটেই দেশখনেই অৰ্থনৈতিক বিপৰ্যয়ৰ মুখামুখি হৈছে।

এই প্ৰসঙ্গতে আন এটা উদাহৰণ উল্লেখযোগ্য। কেন্দ্ৰীয় চৰকাৰে অসমত স্থাপন কৰা তেল শোধনাগাৰৰ পৰা বৰ্তমানে প্ৰায় ৮০০০ কিউবিক মিটাৰ গেছ উৎপাদন হয়, কিন্তু ইয়াক উপযুক্তভাবে আমাৰ প্ৰয়োজনত নলগোৱাৰ ফলত ইয়াৰ প্ৰায়খিনি গেছেই জ্বলাই নষ্ট কৰিবলগাত পৰিছে। আৰু বছৰি প্ৰায় কেইবা শ কোটি টকা এনেদৰে অপব্যয় কৰা হৈছে। অথচ উপযুক্ত প্ৰযুক্তিৰ ব্যৱহাৰেৰে এই গেছখিনিকে আমাৰ গাওঁ-চহৰবোৰ পোহৰোৱাৰ কামত লগালে আমাৰ বিদ্যুতৰ খৰচো ৰাহি হ'লহেঁতেন, আৰু বিদ্যুতৰ তুলনাত বহুখিনি সস্তাতে এই সুবিধা পোৱা গ'লহেঁতেন। এই গেছৰ সহায়ত কম খৰচতে শিল্প উৎপাদনো সম্ভৱ হ'লহেঁতেন।

গুজৰাটত তেল শোধনাগাৰ স্থাপন কৰাৰ লগে লগে তাৰ পৰা উৎপাদন হব পৰা প্ৰাকৃতিক গেছখিনি উদ্যোগৰ

বিকাশত লগাৰ পৰাকৈ আঁচনি তৈয়াৰ কৰি তাক কাৰ্যকৰী কৰিছিল। সেয়ে তাত শিল্প-সামগ্ৰীৰ উৎপাদন ব্যয় হ্ৰাস কৰি প্ৰতিযোগিতামূলক বজাৰত নমাটো সম্ভৱ হৈছে। অসমৰ ক্ষেত্ৰত ইয়াৰ কেনেকৈ ব্যতিক্ৰম হ'ল তাক বুজা নাযায়।

এনেবোৰ বিসঙ্গতি দূৰ কৰিবলৈ চৰকাৰ আগবাঢ়ি আহিলে আমাৰ অৰ্থনৈতিক বিকাশত বহুখিনি বৰঙণি যোগাব পাৰিলেহেঁতেন।

(৪) অসমীয়া মানুহৰ উদ্যম আৰু শ্ৰম সহিষ্ণুতাৰ অভাৱো যে আমাৰ উন্নতিৰ এক ডাঙৰ প্ৰতিবন্ধক হৈ আছে তাক স্বীকাৰ কৰিব লাগিব। আগতে অসম এখন উৰ্বৰা মাটিৰ ভোগালী দেশ আছিল আৰু কম শ্ৰম কৰিয়েই মানুহে ইয়াত সুখে-সন্তোষে দিন কটাব পাৰিছিল ; আৰু সেই কাৰণেই বাহিৰৰ পৰাও ইয়ালৈ মানুহৰ সোঁত বৈছিল।

কিন্তু সময়ৰ পৰিবৰ্তনৰ লগে লগে জনসংখ্যা বৃদ্ধি হোৱাৰ বাবে আৰু আৱশ্যকীয় উদ্যমৰ অভাৱত আজি আমি প্ৰয়োজনীয় খাদ্য সামগ্ৰীখিনিও উৎপাদন কৰাত ব্যৰ্থ হৈছো। গতিকেই অধিক পৰিশ্ৰম কৰাটো নিতান্তই প্ৰয়োজন হৈ পৰিছে। অন্যথা অকল খাদ্য-সামগ্ৰী আমদানি কৰোতেই বছৰি আমাৰ প্ৰায় ৭৫০ কোটি টকা ব্যয় হৈ আছে। আমাৰ নিজস্ব উৎপাদন বৃদ্ধি কৰিব পাৰিলে এই ব্যয় ৰোধ কৰিব পৰা যাব আৰু তেতিয়া সেই ধনখিনি উদ্যোগ আদিত বিনিয়োগ কৰিব পৰা যাব।

অসমীয়া মানুহ সোৰোপা বুলি এটা প্ৰবাদ আছে। কিন্তু এতিয়া এই এলেহুৱা স্বভাৱৰ পৰিবৰ্তন আনিবলৈ আমি গভীৰভাৱে চিন্তা কৰাৰ আৱশ্যক হৈ পৰিছে।

কিছুমান সৰুসুৰা কথা বা কামেও কেতিয়াবা আমাৰ স্বভাৱৰ ওপৰত বহুতখিনি প্ৰভাৱ পেলায়।

আমি যদি আমাৰ জীৱনধাৰা বা কৰ্মসূচী অথবা দৈনন্দিন সময়সূচীৰ কিছুমান পৰিবৰ্তন আনিব পাৰো, যেনে অফিচ-কাছাৰী-স্কুল আদি আৰম্ভ কৰাৰ সময় কিছু আগবঢ়াই ৰাতিপুৱা ৮ বজাৰ পৰা আৰম্ভ কৰো তেনেহলে ঘৰৰ সকলো মানুহেই পুৱা ৫ বজাত উঠি ব্যস্ত হৈ পৰিব লাগিব আৰু ঘৰুৱা

> আগতে অসম এখন উৰ্বৰা মাটিৰ ভোগালী দেশ আছিল আৰু কম শ্ৰম কৰিয়েই মানুহে ইয়াত সুখে-সন্তোষে দিন কটাব পাৰিছিল ;

কাম-কাজখিনি ৮ বজাৰ আগতে সমাধা কৰি ল'ৰা-ছোৱালীক স্কুললৈ পঠাব পাৰিব আৰু অফিচ কাছাৰীত কাম কৰা কৰ্মচাৰীসকলকো দিনটোৰ বাবে উলিয়াই দিব পাৰিব। আৰু তেতিয়া ঘৰত থকা মহিলাসকলেও অন্যান্য ঘৰুৱা কামত মনোনিবেশ কৰিবলৈ বেছি আহৰি পাব। ৰাতিপুৱা বতৰ শীতল থকা বাবে মানুহৰ কাৰ্য শক্তি থাকে ; গতিকে অধিক কাম কৰিবলৈ সমৰ্থ হ'ব। এনেধৰণৰ কাৰ্যসূচী আৰম্ভ কৰিলে মানুহে আলস্য কৰি বহি থাকিবলৈ সময় নাপাব আৰু তেওঁলোক অধিক কৰ্মশীল হৈ অধিক উৎপাদনত বৰঙণি যোগাব। বিদেশত এই ধৰণৰ কৰ্মদিনৰ প্ৰচলন আছে। ল'ৰা-ছোৱালীবোৰকো সৰুৰে পৰা মাক-বাপেকে আত্মনিৰ্ভৰশীল হবলৈ তৈয়াৰ কৰোৱা উচিত হ'ব, যাতে এটা সময়ত তেওঁলোক প্ৰত্যেকেই উপাৰ্জনক্ষম হৈ নাগৰিক হিচাপে স্বীকৃতি লাভ কৰিব পাৰে।

*লেখক পৰিচিতি : অসমৰ সমবায় বেংক আৰু সমবায় আন্দোলনৰ এগৰাকী আগশাৰীৰ বিষয়া শ্ৰীযুত থানেশ্বৰ বৰুৱাই ১৯৭৫-৭৭ চনত অসম চাহ নিগমৰ Consultant হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। ইংলেণ্ডত বেংকিঙৰ শিক্ষা আৰু প্ৰশিক্ষণ লাভ কৰা বৰুৱাক তাত থকা কালতে এটা বিশেষ সময়ৰ বাবে International Co-operative Allianceৰ সভ্য মনোনীত কৰি সন্মান দেখুৱাইছিল। এই আন্তৰ্জাতিক অনুষ্ঠানটোৰ পৰা এনে সন্মান লাভ কৰা এৱেঁই প্ৰথম অসমীয়া। অসম ৰাজ্যিক সমবায় মাৰ্কেটিং ফেডাৰেচন (বৰ্তমানৰ statefed)ৰ প্ৰতিষ্ঠাপক সম্পাদক, নগালেণ্ডৰ ৰাজ্যিক সমবায় বেংকৰ জেনেৰেল মেনেজাৰ আৰু Nagaland state Raw-Material corporationৰ পৰিচালন সঞ্চালকৰ গুৰু দায়িত্ব পালন কৰি অহা শ্ৰীবৰুৱা গুৱাহাটীৰ Co-operative City Bankৰ বৰ্তমানৰ সভাপতি। বেংকটোৰ প্ৰতিষ্ঠাতাসকলৰো তেওঁ অন্যতম।*

## শান্তিকাম হাজৰিকা

অসমৰ অৰ্থনৈতিক অনগ্ৰসৰতাৰ কাৰণসমূহ ঐতিহাসিক বুলি আখ্যা দিব নোৱাৰি। কয়লা, পেট্ৰোলিয়াম, চাহ আদি শিল্পসমূহ প্ৰায় ডেৰশ বছৰৰ পুৰণি। দৰাচলতে ভাৰতবৰ্ষত অসমৰ নিচিনা সমৃদ্ধ ঔদ্যোগিক ইতিহাস থকা বুলি গৌৰৱ কৰিব পৰা ৰাজ্যৰ সংখ্যা নগণ্য। স্বাধীনতা লাভৰ সময়ত অসম সমগ্ৰ দেশৰ ভিতৰতে এখন উন্নত ৰাজ্য আছিল। ১৯৫০-৫১ বছৰত অসমত জনমূৰি আয়ৰ পৰিমাণ আছিল ৫২০ দশমিক ১, যিটো ৰাষ্ট্ৰীয় জনমূৰি আয়-সূচী (৪৬৯ দশমিক ৭) তকৈ উৰ্ধ্বত আছিল। তত্ৰাচ, ১৯৮৪-৮৫ বছৰত অসমৰ ক্ষেত্ৰত এই সূচী বৃদ্ধি পালে কেৱল ৫৬৯ দশমিক ৭ লৈ, আৰু আনহাতে সৰ্বভাৰতীয় সূচী হল ৭৮২ দশমিক ৬।

ইয়াৰ অৰ্থ এইটোৱেই যে অসমত এক ঔদ্যোগিক ভিত্তি থকা সত্ত্বেও সেইটো স্বাধীনোত্তৰ কালৰ উন্নয়ন প্ৰক্ৰিয়াৰ সময়ছোৱাত সম্প্ৰসাৰিত কৰিব পৰা নহল। প্ৰাক-স্বাধীনতা কালত ঔদ্যোগিকৰণৰ প্ৰক্ৰিয়াটো প্ৰধানতঃ সামন্তবাদী চৰিত্ৰৰ আছিল – ই আছিল প্ৰাকৃতিক সম্পদ-ভিত্তিক, আৰু শোষণমূলক। দুৰ্ভাগ্যৰ কথা সে স্বাধীনোত্তৰ কালতো প্ৰাকৃতিক সম্পদ-ভিত্তিক উদ্যোগৰ বাহিৰে অন্যলৈ আমি আমাৰ দৃষ্টি প্ৰসাৰিত কৰিব নোৱাৰিলো। দুলিয়াজান, জাগীৰোড, বঙাইগাঁও, পাঁচগ্ৰাম, নামৰূপত আমি প্ৰাকৃতিক সম্পদ-ভিত্তিক উদ্যোগ গঢ়ি তুলিলো, আৰু স্বাধীনতাৰ চল্লিশ বছৰৰ পিছতো আমি এটা তেল শোধনাগাৰ স্থাপনৰ বাবে চিঞৰ-বাখৰ কৰো, যেন এইটো আমাৰ বাবে এটা জীৱন-মৰণ সমস্যাহে !

আমি কিন্তু আমাৰ প্ৰাকৃতিক সম্পদসমূহ বিজ্ঞানসন্মত বা সঠিকভাবে পৰিচালনা কৰিব নোৱাৰো। আমি আমাৰ বনজ সম্পদ উদং কৰিলো, যোৱা ৩৫ বছৰে আমি আমাৰ প্ৰাকৃতিক গেছৰ সৰহখিনি জ্বলাই পেলালো পাটকাই পৰ্বতমালাক কয়লা উদ্ধাৰ কৰিবলৈ নগ্ন কৰিলো, আৰু আমাৰ ভাল ভাল তৈলক্ষেত্ৰসমূহ ৰোগগ্ৰস্ত কৰিলো। একেঁদৰেই আমিতো প্ৰাকৃতিক সম্পদৰ ভিত্তিত যথেষ্ট সংখ্যক "ডাউনষ্ট্ৰীম" উদ্যোগ স্থাপন কৰিব নোৱাৰিলোৱেই, এটা উপযুক্ত ঔদ্যোগিক অন্তৰ্গাঁথনিবো সৃষ্টি কৰিব বা অসমৰ মূল উদ্যোগ-সমূহক পৰিপোষণ কৰিবলৈ আনুষঙ্গিক উদ্যোগ স্থাপনো কৰিব নোৱাৰিলো।

প্ৰথিতযশা অৰ্থনীতিবিদ এ কে ক্যেইৰ্নক্ৰচে কৈছিল : "উন্নয়নৰ সচাৰ কাঠি মানুহৰ মনৰ থাকে, থাকে সেইবোৰ অনুষ্ঠান-প্ৰতিষ্ঠানত য'ত তেওঁলোকৰ চিন্তা-ভাবনা প্ৰকাশ পায় আৰু থাকে ধ্যান-ধাৰণা আৰু অনুষ্ঠানত সুযোগে কৰা খেলাত"। অসমত যে অৰ্থনৈতিক উন্নয়ন অনা-অৰ্থনৈতিক কাৰণৰ ওপৰত নিৰ্ভৰশীল সেইটো ইয়াতে সুন্দৰকৈ প্ৰমাণিত হৈছে।

পঞ্জাৱ, মহাৰাষ্ট্ৰ বা গুজৰাটৰ স্বাধীনোত্তৰ কালৰ উন্নতি প্ৰাকৃতিক সম্পদৰ ভিত্তিত গঢ়ি উঠা নাই। আমি পাহৰিয়েই পেলাইছো যে আমাৰখন এখন কৃষিভিত্তিক ৰাজ্য, ইয়াৰ ৭০ শতাংশ লোকে জীৱিকাৰ বাবে কৃষিকৰ্মৰ ওপৰত নিৰ্ভৰ কৰে, ৮৫ শতাংশই বাস কৰে গাওঁ অঞ্চলত। এনে হোৱা সত্ত্বেও আমি কৃষি কৰ্মৰ প্ৰতি আৰু কৃষি-ভিত্তিক উদ্যোগক হেলা কৰি আহিছো। কৃষি কাৰ্যৰ ক্ষেত্ৰত স্বাধীনোত্তৰ কালত উন্নয়নৰ পৰিমাণ শূন্য প্ৰায়। আমি ভূমি সংস্কাৰৰ অৰ্থে কোনো প্ৰচেষ্টাই চলোৱা নাই আৰু তাৰে পৰিণতিস্বৰূপে গ্ৰাম্য ঋণগ্ৰস্ততা আৰু চহৰ অঞ্চললৈ প্ৰব্ৰজন ভয়লগা হাৰত বৃদ্ধি পাইছে। অথচ পঞ্জাৱ, তামিলনাডু বা মহাৰাষ্ট্ৰই দেখুৱাই দিছে যে কৃষি কাৰ্যৰ উন্নয়ন আৰু সামগ্ৰিক অৰ্থনৈতিক উন্নয়নৰ মাজত নিশ্চিত সম্পৰ্ক বিদ্যমান।

অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত অসমৰ বিফলতাৰ বাবে অযোগ্যতা, আত্ম-স্বাৰ্থ চৰিতাৰ্থ কৰাত বাদে আন সকলোৰে প্ৰতি অনীহা আৰু আমাৰ মানুহৰ দুৰ্নীতি-কলুষিত মনবোৰকেই জগৰীয়া কৰিব লাগিব। নহলে, সকলো কেঁচা সামগ্ৰী আৰু দুৱাৰডলিতে এখন বজাৰ থকা সত্ত্বেও কাছাৰ চেনিকল চলাব নোৱৰাৰ কাৰণ কি ? অসমতে প্ৰচুৰ জল সম্পদ থকা সত্ত্বেও অসমত প্ৰয়োজন হোৱা মাছ অন্ধ্ৰপ্ৰদেশে যোগাব লাগে কিয় ? সন্দেহজনক কাৰ্যক্ষমতাৰ প্ৰতিষ্ঠান আমি গঢ়ি তোলো কিয় ? আমি স্থাপন কৰা যি কোনো প্ৰতিষ্ঠান গঢ়ি উঠোতে অত্যধিক বেছি সময় আৰু খৰচৰ প্ৰয়োজন হয় কিয় ? সিদ্ধান্ত এটা গ্ৰহণ কৰাৰ ছবছৰৰ পিছতো বহুলভাবে ৰবাই কৰা আই-আই-টিৰ নামত আজিলৈকে এচপৰা ইটাও পৰা নাই কিয় ?

> অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত অসমৰ বিফলতাৰ বাবে অযোগ্যতা, আত্ম-স্বাৰ্থ চৰিতাৰ্থ কৰাত বাদে আন সকলোৰে প্ৰতি অনীহা আৰু আমাৰ মানুহৰ দুৰ্নীতি-কলুষিত মনবোৰকেই জগৰীয়া কৰিব লাগিব।

অসমৰ ৰাইজৰ স্খলনৰ কাৰণসমূহ বিচাৰি বেছি দূৰলৈ যোৱাৰ প্ৰয়োজন নাই। প্ৰাক-স্বাধীনতা কালৰ অসমত ঔদ্যোগিক উন্নয়ন যি সামান্য হৈছিল সেয়াও চেগা-চোৰোকা বিধৰ আছিল আৰু সেইবোৰত থলুৱা ৰাইজৰ সম্পৰ্কও আছিল সৰ্বনিম্ন। স্বাধীনোত্তৰ কালত সকলো খণ্ডতে হোৱা উন্নয়ন অথবা প্ৰগতি, সেয়া ঔদ্যোগিক ক্ষেত্ৰতে হওক বা আনতে, হৈছে কেৱল চৰকাৰী খণ্ডত হে। অন্যান্য উন্নত ৰাজ্যৰ দৰে অসমৰ গাওঁ অথবা নগৰ অঞ্চলৰ সমাজৰ ওপৰত প্ৰভাৱ পেলাব পৰাকৈ ব্যক্তিগত ঔদ্যোগিক খণ্ড নায়েই। ফলস্বৰূপে সমগ্ৰ অসমীয়া সমাজখন কেৱল চৰকাৰী যন্ত্ৰ আৰু চৰকাৰৰ দ্বাৰা পৰিচালিত উন্নয়নমূলক কাৰ্যাৱলীৰ লগতহে পৰিচিত। বৰ্তমানে প্ৰচলিত চৰকাৰী কৰ্ম-সংস্কৃতিৰ যিটো ৰূপ তাৰ পটভূমিত অসমীয়া ৰাইজে আচল কামৰ সংজ্ঞাকে বুজিব নোৱাৰে। সেয়ে কঠোৰ শ্ৰম-বিমুখ এক নতুন মূল্যায়ন পদ্ধতিয়ে গঢ় লৈছে, শাৰীৰিক শ্ৰমৰ প্ৰতি বিতৃষ্ণা জাগিছে, আৰু কৰ্ম-জীৱনৰ সকলো স্তৰতে প্ৰভাৱ বিস্তাৰ কৰা দুৰ্নীতিৰ প্ৰতি এক আওকণীয়া মনোভাবে গঢ় লৈছে। সমগ্ৰ শিক্ষিত অসমীয়া সমাজেই হয় চৰকাৰী চাকৰিত আত্মনিয়োগ কৰিছে নহয় চৰকাৰী চাকৰিৰ পিছত দৌৰিছে। সেয়ে অসমীয়া সমাজত আমি "নিবনুৱা বাছ মালিক সংস্থা" দেখা পাওঁ, অৰ্থাৎ আমাৰ মানুহে স্ব-নিয়োজিত হলেও নিজকে নিবনুৱা বুলিয়ে ভাবি থাকে যেতিয়ালৈকে চৰকাৰী চাকৰি এটা নাপায়। যিখন সমাজ নিজক চোৱা-চিতা কৰিবলৈ অনিচ্ছুক আৰু কেৱল চৰকাৰেই তেওঁলোকৰ সকলো কৰি দিব বুলি ভাবি থাকে, তেনে এখন সমাজ অৰ্থনৈতিক প্ৰগতি বা উন্নয়নৰ বাবে যোগ্য নহয়। শিক্ষিত অসমীয়া সমাজে যিটো মূল্যায়ন পদ্ধতি গ্ৰহণ কৰিছে সেইটোৱেই হল অসমৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত প্ৰধান অন্তৰায়।

গতিকে অৰ্থনৈতিক বিকাশৰ বাবে অসমক প্ৰথমতে আমূল সামাজিক পৰিবৰ্তনৰ দৰকাৰ। দিল্লী অথবা কেন্দ্ৰক অসমক অৱহেলা কৰা বুলি দোষাৰোপ কৰাটো অৰ্থহীন। অসমীয়া সমাজেই ভাৰতৰ অন্যান্য ৰাজ্যক অসমতকৈ তুলনামূলকভাবে বেছি গুৰুত্বপূৰ্ণ বুলি গণ্য কৰিবলৈ সুযোগ দিছে। যিসকলে নিজক সহায় কৰে সেইসকলকহে ঈশ্বৰেও সহায় কৰে। দিল্লীৰ ঈশ্বৰসকলেও যিসকলে সহায় কৰিবলৈ সমৰ্থ সেইসকলকহে সহায় কৰে। পঙ্গু মন এটাৰ অধিকাৰী এজনক সহায় কৰিবলৈ নিশ্চয় কোনোৱেই ইচ্ছুক নহয়।

*লেখক পৰিচিতি : শান্তিকাম হাজৰিকা অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ বিত্ত বিভাগৰ ভাৰপ্ৰাপ্ত সদস্য।*

*সূত্ৰধাৰৰ ১-১৫ এপ্ৰিল সংখ্যাটি বিহুসংখ্যা হোৱা হেতুকে আৰু পৰৱৰ্তী সংখ্যাটিৰ প্ৰকাশ বন্ধ থাকিব বাবে এই প্ৰবন্ধলানিৰ পৰৱৰ্তী প্ৰবন্ধটি প্ৰকাশ হ'ব ১-১৫ মে' সংখ্যাত।* সূ

# অসম ঃ বৰ্তমান আৰু ভৱিষ্যত (৭)

সুজিত চৌধুৰী

অসমৰ স্বাধীনতাৰ দাবীত যিসকলে হাতত অস্ত্ৰ তুলি লৈছে, সেই সকলে স্বাধীন অসমৰ ভৱিষ্যত সম্পৰ্কে চিন্তাভানা কৰিছেনে নাই আৰু তেনেধৰণৰ চিন্তা কৰিবলৈ তেওঁলোক সক্ষম হয়নে নহয়, সেই বিষয়ে নিশ্চয় কিছু সংশয় হয়। কিন্তু যিসকলে অস্ত্ৰ লোৱা নাই তেওঁলোকৰ মাজতো স্বাধীন অসমৰ দাবীৰ সমৰ্থক আছে আৰু তেওঁলোকৰ মাজত উন্নতমানৰ চিন্তাশীল লোকো আছে। তেওঁলোকেও কিন্তু বিষয়টো আঁতি গুৰি খৰচি মাৰি বিবেচনা কৰা যেন মনে নধৰে। এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে অসমত যিমানবোৰ আঞ্চলিক দলে অসমীয়া জাতিৰ স্বাৰ্থৰ কথা কয় তেওঁলোকৰ প্ৰত্যেকেই কিবা নহয় কিবা ধৰণে সম্প্ৰসাৰিত স্বায়ত্তশাসনৰ কথা কয়। এই দলবিলাকৰ সমৰ্থকসকলক একত্ৰিত কৰি হিচাপ কৰিলে দেখা যাব যে বুদ্ধিজীৱী শ্ৰেণীকে ধৰি অসমীয়া মধ্যবিত্ত সমাজৰ সংখ্যাগৰিষ্ঠ অংশটি নিঃসন্দেহে এই স্বায়ত্ত শাসনৰ দাবীৰ পিছত আছে। স্বায়ত্ত শাসনৰ এই যে দাবী সি কাৰ্যত ঃ কুৰি দশকৰ ভাৰতীয় জাতীয় কংগ্ৰেছে যি স্বৰাজ কথা কৈছিল তাৰেই সমতুল্য! ১৯২৮ চনৰ আগলৈকে ভাৰতীয় জাতীয় কংগ্ৰেছে পূৰ্ণ স্বাধীনতাৰ কথা কোৱা নাছিল; 'স্বৰাজ' শব্দটোৰ অন্তৰালত মূল কথাটো লুকাই আছিল। যি কি নহওক যি সকলে অসমৰ পূৰ্ণ স্বায়ত্ত শাসনৰ কথা কৈছে, তেওঁলোকৰো যে শেষ পৰ্যন্ত পূৰ্ণ স্বাধীনতাই লক্ষ্য হ'ব সেই বিষয়ে সন্দেহৰ অৱকাশ কম। অথচ স্বাধীন অসমৰ ভৱিষ্যতৰ বিষয়ে গোপনে বা প্ৰকাশ্যে লিখিত আকাৰে কোনো তত্ত্বগত আলোচনা হোৱা নাই বুলিবই পাৰি। বৌদ্ধিক পৰ্যালোচনাৰ অবিহনে এনে এটা ডাঙৰ সিদ্ধান্ত যদি সমাজৰ অগ্ৰণী অংশৰ দ্বাৰা গৃহীত হৈ যায়, তেতিয়া হলে তাৰ মাজত বিপৰ্যয়ৰ ইংগিতহে স্পষ্ট ভাবে পোৱা যাব।

যিকোনো ৰাষ্ট্ৰসংগঠনৰ . প্ৰাথমিক চৰ্তই হৈছে অৰ্থনৈতিক সংস্থান আৰু সেই সম্পৰ্কে আলোচনা হোৱা দৰকাৰ পৰিসংখ্যাৰ ভিত্তিত। দুৰ্ভাগ্যবশতঃ অসমৰ স্বাভাৱিক ৰাজহ কিমান আৰু ৰাজ্যৰ প্ৰশাসনিক ব্যয় নিৰ্বাহৰ পাছত

**অসমৰ মানুহ জীয়াই থাকিবৰ বাবে যিমান নিত্য ব্যৱহাৰ্য বস্তুৰ প্ৰয়োজন, তাৰ কোনোটোতেই অসম স্ব-নিৰ্ভৰশীল নহয়। চাউল, দাইল, নিমখ, মিঠাতেল এইবোৰ অসমলৈ আহিব কোন পথেৰে ? বিকল্প পথ বা জলপথ দিব পাৰিব একমাত্ৰ বাংলাদেশে।**

ৰাজ্যৰ উন্নয়নৰ বাবে কিমানখিনি অৰ্থ বাকী থকা সম্ভৱ, এনেধৰণৰ প্ৰাথমিক তথ্য পৰ্যন্ত বিবেচনা নকৰাকৈয়ে স্বাধীন অসমৰ তত্ত্বটোৱে প্ৰচাৰ আৰু প্ৰতিষ্ঠা লাভ কৰিছে। সাংবাদিক কনকসেন ডেকাই কিছুদিনৰ আগতে উষ্মা প্ৰকাশ কৰি লিখিছিল যে – আজিকালি এনে এটা ধাৰণাৰ সৃষ্টি কৰা হৈছে যেন অসমৰ চাহ আৰু তেলেৰেই কেন্দ্ৰীয় চৰকাৰখন বাচি আছে। ইয়াৰ পাছত অৱশ্যে তেওঁ নিজেই এই ধৰণৰ প্ৰচাৰৰ অসাৰতা প্ৰতিপন্ন কৰি দেখুৱাইছে।

১৯৮০ চনত দিল্লী আৰু কলিকতাৰ ষ্টেটছমেন কাকতত ডঃ সুশান্তকৃষ্ণ দাসে কেন্দ্ৰ-ৰাজ্য আৰ্থিক সম্পৰ্কৰ পৰিপ্ৰেক্ষিতত অসমৰ অৱস্থান সম্পৰ্কে এটা প্ৰবন্ধ লিখিছিল (Spotlight on Assam, The Statesman. Nov. 2-3, 1980)। ১৯৭৩ চনৰ পৰা ১৯৭৯ চন পৰ্যন্ত পোৱা তথ্যৰ ভিত্তিত এই প্ৰবন্ধটো লিখা হৈছিল। সেই প্ৰবন্ধত ডঃ দাসে হিচাপ কৰি কিছু সিদ্ধান্ত দিছে। অনুবাদত কথাবোৰ সঠিক নহ'বও পাৰে বুলি ভাবিয়েই ইংৰাজীতেই তুলি দিয়া হ'ল – Comparison with the revenue performance of all states brings several points to light. First, while a state's own taxes never average less than 40 percent of the total revenue, Assam's average is never more than 40 per cent. Secondly, this is a steady rise in the yields from own taxes in all states (the percentage of increasing from 41.54 in 1971-72 to 47.08 in 1976-77) except in Assam where the rates fluctuated between 32.50 percent (1964-65) and 22.66 percent (in 1974-75), the range of fluctuation being 9.85 percent against 5.54 percent for all states. Thirdly, while a decline in the ratio of Assam's own taxes that of shared taxes has been continuous, it has been more or less steady for other states. Finally, the ratio of grants and loans to overall revenue has always been higher for Assam that for other states. In short, Assam's financial self reliance was always less than the average for all other states. (ইয়াৰ other states বুলি কওঁতে সপ্তম ফাইনেন্স কমিচনে যি ১৫ খন ৰাজ্যক big state বুলি কৈছিল, তাকে বুজোৱা হৈছে)

এই সম্পৰ্কে আৰু বিস্তৃত তথ্য দি ডঃ দাসে দেখুৱাইছে ঃ The completed figures give the following readings. Firstn the per capita shared taxes for Assam (Rs. 27.51) was lower than the per capita share of all states (Rs. 31.31). Secondly, Assam's per capita share of grants (Rs. 68.92 for 1978-79) was generally double of thats of other states (Rs. 37.10). In 1974-75 it was more than three times (Rs. 51.49 for Assam and Rs. 16.75 for the rest). Similarly, the ratio of grants to Assam was substantially higher than the population ratio of Assam, being 5.25 : 2.83 (percent) in 1978-79. Thirdly, per capita central loans were also higher for Assam compared to the rest.

আৰু কিছু তথ্য দিয়াৰ পাছত ডঃ দাসে মন্তব্য কৰিছে ঃ Since Assam's receipts of federal grants and loans are proportionatly the highest, and its share of population the lowest among the 15 larger states, if logically follows that Assam's per capita share of federal transfer is much highei than that of other states of comparable states...... If the divergence index in the real barometer of the fiscal authorities, it would appear the Assam is the most favoured not only among the 15 larger states but also among the four in the lower spectum of per capita income."

**অসম. যিহেতু বিকল্প পথৰ বাবে বাংলাদেশৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ-শীল হৈ পৰিব, গতিকে ন্যায্যমূল্যতকৈ অধিক বিচৰাৰ সুযোগ বাংলাদেশৰ থাকিব। তাৰ বিৰুদ্ধে অসমে কোনো আপত্তি কৰিব নোৱাৰিব। কাৰণ, ভাৰতৰ যিদৰে অসমৰ প্ৰতি সাংবিধানিক দায়িত্ব আছে, বাংলাদেশৰ সেইটো নাই।**

উল্লেখ কৰা প্ৰয়োজন যে, এই তথ্য সংগ্ৰহ কৰা হৈছে ১৯৭৯ চনলৈকে। ইয়াৰ পাছত বিশেষকৈ অগপ-ৰ শাসনকালত অসম বিশেষ সাহায্যপ্ৰাপ্ত ৰাজ্যৰ তালিকাত অন্তৰ্ভুক্ত হৈছে। অৰ্থাৎ অসমলৈ কেন্দ্ৰীয় সাহায্যৰ পৰিমাণ যথেষ্ট বৃদ্ধি পাইছে। কিন্তু ৰাজ্যৰ অৰ্থনৈতিক সংকট আগতকৈ অধিক ঘনীভূতহে হৈছে। প্ৰশাসনিক ব্যয় ইমান বেছিকৈ বাঢ়িছে যে কেন্দ্ৰীয় উন্নয়ন অনুদান পৰ্যন্ত প্ৰশাসনিক ক্ষেত্ৰত খৰচ কৰিব লগা হৈছে। যি কি নহওক, সকলো মিলি কথাটো হ'ল এই যে – আৰ্থিক দিশৰ ফালৰ পৰা অসম এখন আত্মনিৰ্ভৰশীল ৰাজ্য নহয় আৰু স্বাধীনতাৰ পৰৱৰ্তীকালত নিজস্ব সম্পদ উৎপাদনৰ ক্ষেত্ৰত ইয়াৰ সাফল্যও প্ৰশ্নাতীত নহয়। অসম কেন্দ্ৰৰ দ্বাৰা বঞ্চিত হৈছে, এই কথা তথ্যৰ ফালৰ পৰা সম্পূৰ্ণ মিছা। বৰং সমজাতীয় ৰাজ্যৰ তুলনাত অসমৰ ভাগ্যত তুলনামূলক ভাবে কেন্দ্ৰৰ সাহায্য আগতকৈ বেছিহে মিলিছে বুলি ক'ব পাৰি।

অৱশ্যে এনে কথাও ক'ব পাৰি যে সকলো ক্ষেত্ৰতে আৰ্থিক সংস্থানেই শেষ কথা নহয়। অসমীয়া মানুহে বৰং দাৰিদ্ৰ্যকেই বৰণ কৰি ল'ব কিন্তু অসম্মান স্বীকাৰ কৰি নলয়। স্বাধীনতা স্পৃহাৰ অন্তৰালত এনেধৰণৰ আবেগও এটা যুক্তি হৈ পৰে আৰু আমি সেইটো লঘু কৰি দেখুৱাব বিচৰা নাই। প্ৰশ্ন হৈছে এনেধৰণৰ বেদনাবোধৰ লগত অন্য কোনো কাৰণ জড়িত হৈ আছে নেকি ? কোনো অস্তিত্বহীন বা লঘু বিষয়ক যদি সম্পূৰ্ণ প্ৰচাৰ মাধ্যমৰ যোগেদি যথাৰ্থ আৰু গুৰুত্বপূৰ্ণ বুলি প্ৰতিষ্ঠা কৰা হয়, তেতিয়াহলে সময়ৰ অগ্ৰগতিৰ লগে লগে বাস্তৱৰ ঘৰ্ষণত তাৰ প্ৰকৃত স্বৰূপ ওলাই পৰিব।

তেতিয়া বিষয়টোৰ অকিঞ্চিৎকৰত্বই সেই আবেগক সম্পূৰ্ণ বিপৰীত প্ৰতিক্ৰিয়াৰ ফালে ঠেলি দিব। আমি আগতেই দেখুৱাইছো যে অসমীয়া ভাষা আৰু সংস্কৃতিৰ বিপন্নতা সম্পৰ্কে যি ধাৰণাই এতিয়ালৈকে জনসাধাৰণক আচ্ছন্ন কৰি ৰাখিছে, বাস্তৱ ক্ষেত্ৰত তাৰ কোনো ভিত্তি নাই। সম্প্ৰসাৰণৰ ক্ষেত্ৰত প্ৰতিৰোধ আছে সঁচা, কিন্তু সেই প্ৰতিৰোধ কেন্দ্ৰই সৃষ্টি কৰা নাই। সেইটো ৰাজ্যৰ ভিতৰতেই সৃষ্টি হৈছে। প্ৰধানতঃ দুটা দিশৰ পৰা সেই প্ৰতিৰোধ আহিছে। চৰকাৰী ভাষা আইন প্ৰণয়নৰ সময়ৰ পৰাই বৰাক উপত্যকাত অসমীয়া ভাষা প্ৰয়োগ লৈ স্পৰ্শকাতৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈ আহিছে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ বঙালী সকলে কিন্তু কোনো সময়তেই সেই প্ৰতিক্ৰিয়াৰ লগত নিজৰ কণ্ঠ মিলোৱা নাই। আৰু দ্বিতীয়

OKDISCD

প্ৰতিৰোধটো আহিছে অসমৰ জনজাতীয় সমাজৰ মাজৰ পৰা। বড়ো আৰু কাৰ্বিসকলৰ মাজত সেই প্ৰতিৰোধে আজি প্ৰকাশ্য ৰাজনৈতিক ৰূপ লৈছে। বৰ্তমানৰ ৰাজনৈতিক মানচিত্ৰ লৈ যদি অসম স্বাধীন হয়, তেন্তে সেই প্ৰতিৰোধ তেতিয়াও থাকিব। অৰ্থাৎ অসমীয়া ভাষা আৰু সংস্কৃতি সম্প্ৰসাৰণৰ যি আকাংক্ষা অসমীয়া মানুহৰ মনত সঞ্চাৰিত কৰা হৈছে, ভাৰত ৰাষ্ট্ৰৰ লগত ৰাজনৈতিক সম্পৰ্ক ছিন্ন কৰিলেও সেই আকাংক্ষা পূৰণ হোৱা অতি কঠিন হ'ব। বৰাক উপত্যকাক অসমৰ বাহিৰলৈ ঠেলি দিলে অৱশ্যে সমস্যাটোৰ এটা দিশৰ সমাধান হৈ যায়। বুৰঞ্জীবিদ হেৰম্ব বৰপূজাৰীয়ে সেই সমাধানৰেই পৰামৰ্শ দিছিল। কিন্তু, যিহেতু অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ সংখ্যাগৰিষ্ঠ অংশই বৰাক উপত্যকাক অসমীয়াকৰণ সম্ভৱ বুলি ভাবে সেই কাৰণে বৰাক উপত্যকাক অসমৰ বাহিৰলৈ ঠেলি দিবলৈ চেষ্টা কৰা হোৱা নাই। আনহাতে বৰাক উপত্যকাৰ মধ্যবিত্ত সকলৰ মাজতো স্বাতন্ত্ৰ্যৰ আকাংক্ষা আছে। কিন্তু বঙালী হিন্দু-মুছলমানৰ ৰাজনৈতিক অৱস্থান ইমানেই বিপৰীতমুখী যে কোনো পক্ষই সাহসেৰে সেই শ্লোগান তুলিব নোৱাৰে। জনজাতীয় সকলৰ প্ৰতিৰোধৰ কাৰণ আৰু পটভূমি আগতেই আলোচনা কৰা হৈছে। মূলতঃ অতি উৎসাহী অসমীয়াকৰণৰ প্ৰয়াসেই যে সেই বিপত্তি ঘটাইছে তাত সন্দেহৰ অৱকাশ নাই। অসমীয়া জাতিসত্তাৰ বিকাশ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ হলে আজি হওক বা কালি হওক, এই বিষয়ে সহনশীল, সংবেদনপূৰ্ণ, দীৰ্ঘম্যাদী পৰিকল্পনা প্ৰয়োজন হ'ব। ভাৰতবৰ্ষৰ লগত থকা বা নথকাৰ লগত এই কথাটোৰ কোনো সম্পৰ্ক নাই।

স্বাধীন অসমৰ পৰিকল্পনাৰ আটাইতকৈ ডাঙৰ ত্ৰুটি হৈছে ইয়াৰ ৰচয়িতাসকলে পাহৰি গৈছে যে অসম চাৰিও ফালে স্থলভাগেৰে আগুৰা এখন ৰাজ্য (landlocked) এতিয়া এটা কল্পিত পৰিস্থিতিৰ কথা ধৰা যাওক, অসম যদি সশস্ত্ৰপথেৰে স্বাধীন হ'বলৈ হয় তেন্তে ভাৰতৰ লগত শত্ৰুতাৰ মাজেৰেহে এইটো সম্ভৱ হ'ব পাৰে। সেই ক্ষেত্ৰত সুদীৰ্ঘকালৰ বাবে অসমৰ পশ্চিম সীমান্তইদি যোগাযোগৰ সকলো পথেই বন্ধ থাকিব। অসমৰ মানুহ জীয়াই থাকিবৰ বাবে যিমান নিত্য ব্যৱহাৰ্য বস্তুৰ প্ৰয়োজন, তাৰ কোনোটোতেই অসম স্ব-নিৰ্ভৰশীল নহয়। চাউল, দাইল, নিমখ, মিঠাতেল এইবোৰ অসমলৈ আহিব কোন পথেৰে? বিকল্প পথ বা জলপথ দিব পাৰিব একমাত্ৰ বাংলাদেশে। বস্তুতঃ বাংলাদেশক এইক্ষেত্ৰত অনিবাৰ্য বিকল্প বুলিব পাৰি। বাংলাদেশী বিতাৰণৰ বাবে যিসকলে আন্দোলন কৰিলে, তেওঁলোকৰ চৰমপন্থী অংশই যেতিয়া আশ্ৰয় ভিক্ষা আৰু সাহায্যৰ বাবে বাংলাদেশলৈকে যাব লগা হ'ল, তেতিয়াই সেই অনিবাৰ্যতা প্ৰকট হৈ উঠিল। ধৰি

অসমীয়া জাতিয়ে তাৰ ভ্ৰুণাৱস্থাৰ পৰাই স্বাভাৱিক আদান-প্ৰদানৰ দুৱাৰ সকলো সময়তে পশ্চিমৰ দিশেহে খোলা ৰাখিবলৈ বিচাৰিছে, পূবফালে নহয়। ভৌমনৰকৰ পৰা পালবংশ পৰ্যন্ত সকলো ৰজাই পশ্চিম দিশেহে নিজৰ সাম্ৰাজ্য বিস্তাৰৰ চেষ্টা কৰিছিল।

লোৱা হ'ল, বাংলাদেশে অসমক বিকল্প পথ খুলি দিলে। আন্তৰ্জাতিক ৰাজনীতি আৰু আন্তৰ্জাতিক বাণিজ্য দুয়োটাই মূলতঃ বিনিময়ৰ ওপৰত নিৰ্ভৰ কৰে। নিশ্চয় বাংলাদেশে কেৱল পৰোপকাৰৰ বাবে এইটো নকৰে। বিনিময়ত তেওঁলোকেও কিছু বিচাৰিব। অসম যিহেতু বিকল্প পথৰ বাবে বাংলাদেশৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীল হৈ পৰিব, গতিকে ন্যায্যমূল্যতকৈ অধিক বিচৰাৰ সুযোগ বাংলাদেশৰ থাকিব। তাৰ বিৰুদ্ধে অসমে কোনো আপত্তি কৰিব নোৱাৰিব। কাৰণ, ভাৰতৰ যিদৰে অসমৰ প্ৰতি সাংবিধানিক দায়িত্ব আছে, বাংলাদেশৰ সেইটো নাই। যি মূল্যই বাংলাদেশে দাবী নকৰক কিয় সেই দেশৰ জনসংখ্যাৰ হেঁচাৰ বোজা কমাবলৈ বাংলাদেশে বিচাৰিলে তাতো যে আপত্তি কৰাৰ কোনো-থল নাথাকিব সেইটো দিনৰ পোহৰৰ দৰেই স্পষ্ট। এইটো এটা মাত্ৰ দিশ। বৈদেশিক নীতিৰ ক্ষেত্ৰত, নদীৰ পানী বিতৰণৰ ক্ষেত্ৰত, সকলো সময়তে বাংলাদেশৰ নিয়ন্ত্ৰণৰ অধীনত থকাটো সেই ক্ষেত্ৰত অপৰিহাৰ্য হৈ উঠিব।

আনহাতে এই কথাও মনত ৰখা দৰকাৰ যে সামগ্ৰিকভাৱ উত্তৰ পূৰ্বাঞ্চলৰ ৰাজনৈতিক পটপৰিবৰ্তন নহলে কেৱল অসম স্বাধীন হোৱা একেবাৰে অসম্ভৱ।

অৰ্থাৎ অসম যদি স্বাধীন হয়, তেন্তে উত্তৰ পূৰ্বাঞ্চলৰ পাৰ্বত্য ৰাজ্যসমূহো স্বাধীন হ'ব। বৰ্তমান প্ৰতিবেশী এই ৰাজ্যবোৰৰ কোনো কোনো উগ্ৰপন্থী দলৰ লগত স্বাধীন অসমৰ প্ৰবক্তাসকলৰ একধৰণৰ মিত্ৰতা আছে। কিন্তু সেইটো এই কাৰণেই সম্ভৱ হৈছে যে ভাৰতক এই সকলো গোষ্ঠীয়েই সাধাৰণ শত্ৰু (common enemy) হিচাপে বিবেচনা কৰে। সেই সাধাৰণ শত্ৰু যেতিয়া অপসৃত হ'ব, তেতিয়া যে এই বুজাবুজিৰো অৱসান ঘটিব সেই কথা কোৱা বাহুল্য। কোৱা প্ৰয়োজন যে এই আটাইবোৰ ৰাজ্যৰ লগত অসমৰ সম্পৰ্ক তিক্ত হোৱাৰ নিচিনা পৰিস্থিতি এতিয়াই চলি আছে। সীমান্ত সংঘৰ্ষৰ একাধিক ঘটনাই তাৰ ইংগিত বহণ কৰিছে।

কোৱা নিষ্প্ৰয়োজন যে গোটেই কথাটোৱেই আমি এটা কল্পিত পৰিস্থিতিৰ কথা চিন্তা কৰি আলোচনা কৰিছো। কিন্তু য'ত বিচ্ছিন্নতাবাদী চিন্তা জনসাধাৰণৰ মনত সঞ্চাৰিত হৈছে, তাত বিচ্ছিন্নতাৰ ভৱিষ্যত সম্পৰ্কে অলপ সুদূৰ প্ৰসাৰী চিন্তাৰ নিশ্চয় প্ৰয়োজন আছে। আৰু এনে আলোচনা মুকলি ভাবে হোৱা উচিত। দেশৰ সাৰ্বভৌমত্বৰ দোহাই দি এনে আলোচনা হেঁচি ৰখাটো ক্ষতিকৰ হ'ব। কাৰণ তেতিয়া এতিয়া যিটো হৈছে সেইটোৱেই হ'ব – গোপন বৈঠকত গুপ্ত স্থানত স্বাধীন অসমৰ ৰঙীন স্বপ্ন ৰচা হ'ব আৰু জনসাধাৰণৰ ওচৰত সেইবোৰ আৰু ৰঙীন কৰি দাঙি ধৰা হ'ব। গোপনীয়তাৰ আৱৰণে তাত যি ৰোমাণ্টিকতাৰ বাতাবৰণ সৃষ্টি কৰিব তাৰ ফলত নেতিবাচক সত্য দিশবোৰ আৰু কোনোদিনেই উন্মোচিত হোৱাৰ সুযোগ নাপাব।

স্বাধীন অসমৰ ভৱিষ্যত সম্পৰ্কে যি প্ৰতিকূল সম্ভাৱ্যৰ কথা আমি দেখুৱালো, সেইটো নিতান্ত প্ৰাথমিক পৰ্যালোচনা মাত্ৰ। এই বিষয় সম্পৰ্কে ইয়াতকৈও গভীৰ ভাবে আৰু অনেকেই নিশ্চয় চিন্তা কৰিছে, কিন্তু তেওঁলোকৰ বক্তব্য লোকচক্ষুৰ আগলৈ অহা নাই। ধৰা যাওক, ভাৰতীয়ত্বৰ লগত চিৰন্তন বিচ্ছেদৰ প্ৰশ্নটো মানসিক দিশৰ ফালৰ পৰা শেষ পৰ্যন্ত সাধাৰণ অসমীয়া মানুহৰ ওচৰত কিমানদূৰ গ্ৰহণযোগ্য হ'ব, সেই কথাটো জানো এবাৰৰ কাৰণেও বিবেচনা কৰি চোৱা হৈছে?

যিসকলে অসমৰ ইতিহাসৰ সাক্ষ্য টানি আনি ক'ব খোজে যে অসম কোনোদিনেই সৰ্বভাৰতীয় অংগনত প্ৰবেশ কৰা নাছিল, তেওঁলোকৰ ওচৰত ইতিহাসৰ ঘটনাৰ দিশটোহে অধিক গুৰুত্ব পাইছে, ইতিহাসৰ স্বাভাৱিক প্ৰৱণতাৰ দিশটোৱে নহয়। অসমীয়া জাতিয়ে তাৰ ভ্ৰুণাৱস্থাৰ পৰাই স্বাভাৱিক আদান-প্ৰদানৰ দুৱাৰ সকলো সময়তে পশ্চিমৰ দিশেহে খোলা ৰাখিবলৈ বিচাৰিছে, পূবফালে নহয়। ভৌমনৰকৰ পৰা পালবংশ পৰ্যন্ত সকলো ৰজাই পশ্চিম দিশেহে নিজৰ সাম্ৰাজ্য বিস্তাৰৰ চেষ্টা কৰিছিল। তেওঁলোকৰ মানস মানচিত্ৰত ব্ৰহ্মদেশ, শ্যামদেশে কেতিয়াও প্ৰবেশাধিকাৰ পোৱা নাছিল। মহাপুৰুষ শঙ্কৰদেৱে সৰ্বভাৰতীয় ভাবাদৰ্শৰ পৰাই তেওঁৰ মানৱতাবাদী দৰ্শন আৰু সামাজিক বিপ্লৱৰ উপাদান আহৰণ কৰিছিল। ৰুদ্ৰসিংহ নিজে পূব দিশৰ পৰাই আহিছিল; কিন্তু মোগলৰ বিৰুদ্ধে যেতিয়া যুদ্ধৰ পৰিকল্পনা কৰিছিল তেতিয়া তেওঁ পশ্চিম দিশৰ ভাৰতীয় মিত্ৰহে অনুসন্ধান কৰিছিল। পূবদিশৰ আদিভূমিৰ প্ৰাসঙ্গিকতাই তেওঁৰ স্বপ্নতো স্থান পোৱা নাছিল। আজি ক্ষণিকৰ বিভ্ৰান্তিৰ বাবেই যে ভাৰতীয়ত্ব অকিঞ্চিতকৰ বুলি ভবা হৈছে, তাৰ স্থায়ী বিচ্ছেদে অসমীয়াৰ ভাব পৰিমণ্ডলত যি শূন্যতাৰ সৃষ্টি কৰিব সিয়েই এটা সময়ত দুৰ্বহ হৈ উঠিব পাৰে।

এটা কথা এইখিনিতে উল্লেখ কৰা প্ৰয়োজন। আল্‌ফাৰ পক্ষে সশস্ত্ৰ বিপ্লৱৰ মাজেৰে অসমক স্বাধীন কৰা যে সাময়িক বিচাৰত সম্পূৰ্ণ অসম্ভৱ সেই কথা নকলেও চলে। কিন্তু আল্‌ফাৰ প্ৰয়াসৰ জনমানসত যি তৰঙ্গৰ সৃষ্টি হৈছে, তাক যথাযথভাবে প্ৰতিপালন কৰিব পাৰিলে সুদূৰ বা অদূৰ ভৱিষ্যতত ভাৰতবৰ্ষৰ লগত অসমৰ বিচ্ছেদ সম্পূৰ্ণ অসম্ভৱ নহয়। ভাৰতবৰ্ষৰ শাসকশ্ৰেণীৰ মাজত যে এটা আঞ্চলিক উপাদান আছে সেই কথা স্বীকাৰ কৰা ভাল। তেওঁলোকৰ এটা নিজস্ব অৰ্থনৈতিক হিচাপ আছে। অসম সহ সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ ওপৰত ভাৰতীয়ৰ চাপটো বজায় ৰখাটোও শেষ পৰ্যন্ত সেই হিচাপৰ ওপৰতেই নিৰ্ভৰ কৰিব। পোনপটীয়া কথাত এই অঞ্চলৰ মানুহৰ উত্তাল ক্ষোভে যদি এনেকুৱা আকাৰ ধাৰণ কৰে যাৰ ফলত প্ৰশাসনিক ব্যয় হৈ পৰিব দুৰ্বহ, অৰ্থনৈতিক লেনদেন হৈ পৰিব প্ৰচ্ছন্দভাবে ক্ষতিকাৰক, প্ৰতিৰক্ষাৰ দায়িত্বও কমি যাব – তেতিয়া হয়তো শাসক শ্ৰেণীয়ে অসমৰ বিচ্ছিন্নতা স্বীকাৰ কৰি ল'বলৈ অকণো পিছ নুহোঁহকিব।

উল্লেখ কৰা দৰকাৰ যে এই শ্ৰেণীটোৱে এই ধৰণৰ হিচাপ-নিকাচ কৰিয়েই শেষ পৰ্যন্ত ১৯৪৭ চনৰ দেশ বিভাজনত ৰাজি হৈছিল। মানচিত্ৰৰ পবিত্ৰতা আৰু অখণ্ডতা এটা মন ভুলোৱা কথাৰ কথা মাত্ৰ। ৰাষ্ট্ৰৰ নীতি শেষ পৰ্যন্ত পৰিচালিত হয় অৰ্থনীতিৰ সূত্ৰ ধৰি। সেই বিচাৰত অসমৰ বিচ্ছিন্নতাক ভাৰতীয় শাসক শ্ৰেণীয়ে তুলনামূলকভাবে কম ক্ষতিকাৰক বুলি মানি ল'বহে পাৰে। সেই কাৰণে বিচ্ছিন্নতাৰ প্ৰশ্নটোক অসমৰ মানুহে বিবেচনা কৰিব লাগিব একমাত্ৰ নিজৰ ভৱিষ্যতৰ সম্ভাৱ্য লাভালাভৰ কথা বিচাৰ কৰি; ভাৰতীয়সকলে তেওঁলোকৰ দাবী কিমানদূৰ প্ৰতিৰোধ কৰিব পাৰিব সেই কথা বিচাৰ কৰি নহয়। আমাৰ বিবেচনাত স্বাধীন অসম অসমীয়া আৰু অনাঅসমীয়া উভয় গোষ্ঠীৰ পক্ষেই ক্ষতিকৰ হ'ব। এই সিদ্ধান্তৰ বাহিৰে আন কিবা সিদ্ধান্তত উপনীত হ'বলৈ হ'লে প্ৰথমতে আমাৰ যুক্তি খণ্ডন কৰি ল'ব লাগিব। সূ

# ক্ৰিকেট

ইংৰাজসকলৰ আধ্যাত্মিকতা-বোধ খুব প্ৰবল নহয়। সেই কাৰণে তেওঁলোকে ক্ৰিকেট খেল আৱিষ্কাৰ কৰিলে– যাতে তাৰ দ্বাৰাই তেওঁলোকে অনন্তৰ এটা ধাৰণা লাভ কৰিব পাৰে।

*জৰ্জ বাৰ্ণাৰ্ড শ্ব*

মই ভাবো যে ক্ৰিকেট সোৰোপালি কৰি সময় কটোৱাৰ এটা উপায়ৰ বাহিৰে আন একো নহয়। তাকে যেনিবা কৰা হয় সংগঠিতভাবে।

*উইলিয়াম টেম্পল, ৰেপটন হাইস্কুলৰ (ইংলণ্ড) প্ৰধান শিক্ষক*

ইউৰোপৰ মূল ভূ-খণ্ডৰ বেছিভাগ মানুহেই ভাবে যে জীৱনটো হ'ল এটা খেলা। ইংৰাজসকলে ভাবে যে ক্ৰিকেট এটা খেলা।

*জৰ্জমাইকছ*

ক্ৰিকেট খেলি থাকোতে বউলাৰসকলে যিভাবে বলটো নিজৰ গোটেই গাতে ঘঁহি থাকে সেই দৃশ্যটো মই বৰ শালীন বুলি নাভাবো।

*মানচেষ্টাৰ ইভনিং নিউজত প্ৰকাশিত এখন চিঠি*

হাৰ্বাৰ্ট ষ্ট্ৰাডউইকে উইকেট-কিপাৰসকলক উপদেশ দিছিল– 'সদায় নিজৰ প্ৰস্ৰাবেৰে হাত দুখন ধুবা। প্ৰস্ৰাবে হাত যিমান ৰুক্ষ কৰিব পাৰে আন একোৱেই সিমান নোৱাৰে।

*ডেভিদ লেমন, ক্ৰিকেট সাংবাদিক*

ষ্টেলিনে যদি ক্ৰিকেট খেলিবলৈ শিকিলেহেঁতেন তেনেহ'লে পৃথিৱীখন এতিয়াতকৈ বহুত বেছি বাসযোগ্য হ'লহেঁতেন।

*ডঃ আৰ ডাউনি, লিভাৰপুলৰ বিশ্বপ*

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্পষ্টীকৰণ

সূত্ৰধাৰৰ ১-১৫ জানুৱাৰী, ১৯৯২ আৰু পৰবৰ্তী দুটা সংখ্যাত স্বপ্না বেজবৰুৱাৰ দ্বাৰা পৰিবেশিত আৰু প্ৰকাশিত "ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনিয়ম আৰু অনীতিৰ ৰাজত্ব চলিছে" শীৰ্ষক বাতৰি আৰু লেখিকাৰ মন্তব্যসমূহ বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ হৈছে। সেয়েহে ইয়াৰ এক স্পষ্টীকৰণ আকাৰে টোকা এটা পুনৰাই যুগুত কৰি পৰম শ্ৰদ্ধেয় পাঠক-পাঠিকা তথা বিশ্ববিদ্যালয়খনক আগুৱাই নিয়াৰ বাবে প্ৰত্যক্ষ বা পৰোক্ষভাবে সহায় সহযোগিত আগবঢ়োৱা, দিহা-পৰামৰ্শ দি অহা সকলোৰে জ্ঞাতাৰ্থে দাঙি ধৰা হ'ল।

বিশ্ববিদ্যালয়ত ডিগ্ৰীৰ দৰ-দাম নহয়। প্ৰবক্তা শ্ৰীমতী ইৰা শৰ্মাৰ এম, ফিল পৰীক্ষাৰ সন্দৰ্ভত উত্থাপিত অনিয়মৰ সত্যতা নাই। প্ৰচলিত নীতিৰ আধাৰতেই তেখেতে ডিগ্ৰী লাভ কৰিছে। বাহিৰৰ বিশ্ববিদ্যালয়ৰ প্ৰথিতযশা অধ্যাপকে তেওঁৰ ভাইভা (Viva) লোৱাৰ পাছতেই ডিগ্ৰী দিয়া হৈছিল।

কাৰ্যবাহী পৰিষদৰ দুগৰাকী সদস্য ক্ৰমে প্ৰথিতযশা শিক্ষাবিদ ড° দণ্ডেশ্বৰ গঁগৈ আৰু পদ্মশ্ৰী শ্ৰীমতী ইন্দিৰা মিৰি আৰু ক'ৰ্ট সভাৰ যশস্বী সাহিত্যিক আৰু কথাশিল্পী চৈয়দ আব্দুল মালিকক যোৱা সমাবৰ্তন অনুষ্ঠানত সন্মানসূচক ডক্টৰেট ডিগ্ৰী প্ৰদান কৰা হৈছিল। এই কেইগৰাকী গুণবান, শ্ৰদ্ধাবান ব্যক্তিয়ে বিশ্ববিদ্যালয়খনৰ বিভিন্ন কৰ্তৃপক্ষৰ সদস্য হোৱা গুণেই এই সন্মান লাভ কৰা নাই অথবা নিজৰ নাম নিজেই প্ৰস্তাৱ কৰা নাছিল। কাৰ্যবাহী পৰিষদৰ এই অনুমোদনক কেন্দ্ৰ কৰি এঁতিয়া বিতৰ্কৰ সৃষ্টি কৰা দুৰ্ভাগ্যজনক তথা বেদনাদায়ক। আৰু সেইসকল বিদ্বান আৰু যশস্বী লোকৰ কাৰণে অপমানজনকো।

চাৰ্টিফিকেট চাৰিখন হেৰোৱা কাৰ্যৰ তদন্ত কৰা হৈছে। এই চাৰ্টিফিকেট কেইখনৰ ক্ৰমিক সংখ্যালৈ ইতিমধ্যেই বাতিল কৰি ৰাজহুৱা জাননী প্ৰকাশ কৰা হৈছে। এই চাৰ্টিফিকেট কেইখন যদি বিক্ৰী কৰা বুলি ভবা হৈছে, সেয়া লেখিকাৰ শুদ্ধ মন্তব্য নহয়।

নাম ভৰ্তিকৰণত কৰ্তৃপক্ষৰ হস্তক্ষেপ নহয়। বি, শইকীয়াৰ নাম ভৰ্তিকৰণক (Admission) কেন্দ্ৰ কৰি বিতৰ্কৰ সৃষ্টি কৰা হৈছে আনকি তেওঁ অৰ্জন কৰা নম্বৰৰ ওপৰতো যেন সন্দেহ থাকি গ'ল, এনে আভাসো দিয়া হৈছে। এনে লেখাই স্বাভাৱিকতে পৰীক্ষকসকলৰ বিৰুদ্ধে কৰা অবাঞ্চিত মন্তব্যৰহে ইঙ্গিত দিয়ে। অসমীয়া বিভাগত নাম ভৰ্তিৰ ক্ষেত্ৰত অনিয়ম হোৱা নাই।

পদাৰ্থ বিজ্ঞান বিভাগত ৰীডাৰ (Reader) পদত ড° কুঞ্জ দেউৰীক নিয়মীয়া ভাবে নিযুক্তি দি সেই পদতেই চাকৰি স্থায়ীকৰণ কৰা হৈছে। ড° পি, কে, ভূঞাৰ নিযুক্তিও বিধিসন্মত। উল্লেখযোগ্য যে এই পদৰ বাবে ড° ভূঞা আৰু ড° দেউৰীও প্ৰাৰ্থী আছিল। এই পদ পূৰণৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীসকলৰ সাক্ষাৎ গ্ৰহণ কৰি বাছনি সমিতিয়ে ড° ভূঞাক প্ৰথম আৰু ড° দেউৰীক দ্বিতীয় নমিনেচন (Nomination) দিয়ে। সেই মতে কাৰ্যবাহী পৰিষদে নিযুক্তি দিয়ে। ড° দেউৰীক নিযুক্তি দিয়া পদটো সুকীয়া। এটা পদতে দুজনক নিযুক্তি দিয়া হোৱা নাই।

পেট্ৰোলিয়াম টেক্‌ন'ল'জি (Petroleum Technology) বিভাগৰ মুৰব্বী শ্ৰীবিনয় দুৱৰাৰ নিযুক্তিৰো প্ৰকৃত তথ্য প্ৰকাশ পোৱা নাই। উল্লেখযোগ্য যে এই বিভাগৰ অধ্যাপকৰ পদ এটা পূৰণৰ বাবে আবেদন বিচাৰি বিজ্ঞাপন দিয়া সত্বেও প্ৰায় দহ বছৰে প্ৰাৰ্থী পোৱা নাই। সেয়েহে এই বিভাগৰ ৰীডাৰ পদত তেল উদ্যোগৰ প্ৰাক্তন বিষয়া শ্ৰীদুৱৰাক নিযুক্তি দিব লগীয়া হৈছিল। ইউ, জি, চি, (U.G.C.)-ৰ নিৰ্দ্দেশনা অনুযায়ী উপযুক্ত ব্যক্তিক ৬৫ (পঁয়ষষ্ঠি) বছৰ বয়সলৈ নিযুক্তি দিব পাৰি। শ্ৰীদুৱৰাই এতিয়াও বয়সৰ সীমা অতিক্ৰম কৰা নাই। সেইদৰে মহাবিদ্যালয়ৰ উন্নয়ন পৰিষদৰ সঞ্চালক পদত ড° মোহিনী শইকীয়াক আৰু গ্ৰন্থাগাৰ পদত শ্ৰীৰমেশ ফুকনক কাৰ্যবাহী পৰিষদে নিযুক্তি দিছে। ইয়াৰ অন্তৰালত কাৰো স্বাৰ্থ জড়িত নহয়।

অৱসৰ গ্ৰহণ কৰা পদাৰ্থ বিজ্ঞান বিভাগৰ ৰীডাৰ ড° ৰাম প্ৰসাদ দেউৰীক সময়ে সময়ে তদৰ্থ ভিত্তিত নিনয়োগ কৰি তেখেতৰ সেৱা গ্ৰহণ কৰা হৈছে। অধ্যাপক ড° মহেন্দ্ৰ বৰা বৰ্তমান এখন ইংৰাজী দৈনিক কাকতৰ সম্পাদক আৰু অধ্যাপক ড° লীলা গঁগৈ অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব (Historical & Antiquarian Studies) বিভাগৰ পূৰ্ণকালীন সঞ্চালক পদত অধিষ্ঠিত। অধ্যাপক ড° বৰালৈ প্ৰফেছৰ অব্ এমিৰিটাচ্ (Proffessor of Emiritus) সন্মান জনাবলৈ ইউ, জি, চি, (U.G.C.) লৈ প্ৰস্তাৱ দিয়া হৈছে।

অষ্টম পৰিকল্পনাৰ অধীনত ইউ, জি, চি (U.G.C.)-য়ে মঞ্জুৰ কৰা পদসমূহ সৃষ্টি কৰা হৈছে। উল্লেখযোগ্য যে U.G.C-য়ে Do No. F-5/89 (cup) D- III Dt. 16.8.91. চিঠি যোগে অষ্টম পৰিকল্পনাত মঞ্জুৰ কৰা পদ পূৰণৰ বাবে বিশ্ববিদ্যালয়ক কৰ্তৃত্ব দিছে। অধ্যাপক ড° মহেন্দ্ৰ বৰাই অৱসৰ গ্ৰহণ কৰাত খালি হোৱা নিয়মীয়া পদটোৰ বিপৰীতেহে বিজ্ঞাপন দি, সাক্ষাৎ গ্ৰহণ কৰি ড° নগেন শইকীয়াক বাছনি কৰি নিযুক্তি দিয়া হৈছে। ইংৰাজী বিভাগৰ অধ্যাপক পদটো পূৰণৰ ক্ষেত্ৰত ওপৰত উল্লেখ কৰা ইউ, জি, চি-ৰ নিৰ্দ্দেশ মানি চলা হৈছে।

চাকৰি স্থায়ীকৰণ কৰা যি গৰাকী শিক্ষকৰ (প্ৰকৃততে শিক্ষয়িত্ৰী) প্ৰসঙ্গ উল্লেখ কৰা হৈছে সেই গৰাকী প্ৰবক্তাক চাকৰি বিধিৰ ভিতৰতে স্থায়ীকৰণ কৰা হৈছে। চাকৰি বিধি অনুসৰি চাকৰি কাল এবছৰ সম্পূৰ্ণ কৰাৰ পিছতেই স্থায়ীকৰণ কৰাৰ নিয়ম। কিবা কাৰণত কৰা নহ'লেও দুবছৰৰ মূৰত আপোনা-আপুনি শিক্ষক-শিক্ষয়িত্ৰীসকলে নিজৰ পদত স্থায়িত্ব লাভ কৰে। এই নীতি অনুসৰি চাকৰি স্থায়ীকৰণ কৰিবলৈ বাকী থকা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ পদত কাৰ্যবাহী পৰিষদে সময়ে সময়ে সিদ্ধান্ত গ্ৰহণ কৰি আহিছে। ব্যক্তিগত অসূয়া আদিৰ কাৰণে যাতে কোনো শিক্ষক-শিক্ষয়িত্ৰী এনে মূলগত অধিকাৰৰ পৰা বঞ্চিত নহয়, তাৰ প্ৰতি লক্ষ্য ৰখাটোও কৰ্তৃপক্ষৰ দায়িত্ব।

বিশ্ববিদ্যালয় আইনৰ ২৯ নং ধাৰামতে শিক্ষক নিযুক্তি দিয়াৰ বাবে বাছনি কৰা হয়। বিশ্ববিদ্যালয়ৰ ইতিহাসত ২৭।১১।৯১ ইং তাৰিখৰ বাছনিৰ ঘটনা বিৰল নহয়। বৰ্তমান উপাচাৰ্য অহাৰ আগেয়েও মাত্ৰ এজন বিশেষজ্ঞৰ উপস্থিতিত অধ্যাপক পদলৈ বাছনি কৰাৰ উদাহৰণ আছে। বহুতো সময়ত এজন বা দুজন সদস্যৰ অনুপস্থিতিত বাছনি হৈ আহিছে। আইনৰ ২৯ ধাৰাত উল্লেখ কৰা বিশেষজ্ঞৰ সংখ্যাতকৈও কম সংখ্যক বিশেষজ্ঞৰ উপস্থিতিত বাছনি সম্পন্ন কৰি অধ্যাপক, ৰীডাৰ আদি পদতো নিযুক্তি দিয়া পৰম্পৰাৰ উদাহৰণ আছে। কৈ থোৱা ভাল হব যে আমাৰ ৰাজ্যখনৰ সেই সময়ৰ পৰিস্থিতিৰ কাৰণেই (সম্ভৱতঃ) বিশেষজ্ঞ আহিব বুলি কথা দিও আহিব নোৱৰাত ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক পদৰ বাবে আয়োজন কৰা সাক্ষাৎকাৰৰ দিন দুবাৰো বাতিল কৰা হৈছিল। এনেকৈ বাতিল হ'লে বিশ্ববিদ্যালয়ৰো যথেষ্ট অসুবিধা আৰু খৰচ হয়। ২৭।১১।৯১ তাৰিখে অনুষ্ঠিত হোৱা বাছনিত উপস্থিত থকা বিশেষজ্ঞসকলৰ দুজনেই প্ৰথিতযশা পণ্ডিত। এগৰাকী মগধ বিশ্ববিদ্যালয়ৰ Constituent College (Post graduate College)-ৰ যশস্বী অধ্যাপক আৰু আন গৰাকী পাটনা বিশ্ববিদ্যালয়ৰ অধ্যাপক। বুৰঞ্জী বিভাগতো যি সাক্ষাৎকাৰ গ্ৰহণ কৰা হৈছে তাতো বিধিসন্মতভাবে বিশেষজ্ঞ নিমন্ত্ৰণ কৰি তেওঁলোকৰ পৰামৰ্শক্ৰমে কাৰ্য ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু ক'তো অনিয়ম কৰা হোৱা নাই। এই বাছনিৰ ভিত্তিতেই কাৰ্যবাহী পৰিষদে ইতিমধ্যে সংশ্লিষ্ট প্ৰাৰ্থীসকলক নিযুক্তি দিছে।

পৰীক্ষা পৰিচালনা কৰাৰ ক্ষেত্ৰত বিভিন্ন স্তৰত উপযুক্ত কৰ্তৃপক্ষৰ অনুমোদন লৈ নিয়মভিত্তিক কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা হয়। এই বিষয়ে বিতং ভাবে প্ৰকাশৰ বাবে আমি অপাৰগ।

উপ-পঞ্জীয়ক (বিত্ত) পদত ৰাজনীতি বিজ্ঞান বিভাগৰ কোনো প্ৰবক্তা অধিষ্ঠিত নোহোৱাটোহে আমি কৈছো। সেই পদৰ বাবে বিজ্ঞাপন দিয়াত উপযুক্ত প্ৰাৰ্থী আবেদন কৰিও বঞ্চিত হোৱা নাই। বিজ্ঞাপনৰ চৰ্ত পূৰণ কৰা এজন প্ৰাৰ্থীক বাছনি কৰি নিযুক্তি দিয়া হৈছিল। তেওঁ যোগদান নকৰাত এতিয়া এই পদ পূৰণৰ বাবে ৰাজ্য চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে।

অসমীয়া ৰিভাগত প্ৰাক্তন মুখ্যমন্ত্ৰীৰ ভায়েকক বাছনি সমিতিয়ে মনোনয়ন নিদিয়াটো সঁচা। বিভাগীয় পৰিচালনা সমিতিৰ পৰামৰ্শক্ৰমে তেওঁক তদৰ্থ ভিত্তিত নিয়োগ কৰাটো নীতি বহিৰ্ভূত নহয়। এই পদৰ বাবে বিজ্ঞাপন পুনৰাই প্ৰকাশ পাব; তেতিয়া উপযুক্ত প্ৰাৰ্থী নিযুক্তি হ'লেই এনে তদৰ্থ নিয়োগৰ আৱশ্যক নহব। সকলো তদৰ্থ নিয়োগৰ ক্ষেত্ৰতেই এই নীতি প্ৰযোজ্য। সময়ে সময়ে কৰা এনে তদৰ্থ নিয়োগ এতিয়াই নহয়, যোৱা পঁচিশ বছৰেই চলি আহিছে।

উপাচাৰ্যৰ বাসভৱনক কেন্দ্ৰ কৰি বিত্তীয় খেলি-মেলিৰ অভিযোগ অনা হৈছে। এই ভৱনত কিমান টকা ব্যয় হ'ল তাক আগন্তুক ক'ৰ্ট সভাৰ বাজেট অধিবেশনত জনোৱা হব.। তাৰ আগেয়ে আমি এই হিচাপ ৰাজহুৱাভাবে প্ৰকাশ কৰাৰ বাবে অপাৰগ। প্ৰশাসনীয় ভৱনটো সম্পূৰ্ণ হৈ উঠিলে সদ্যহতে উপাচাৰ্যৰ কাৰ্যালয় হিচাপে ব্যৱহাৰ কৰা কোঠা সমূহৰ বিষয়ে পিছলৈ সিদ্ধান্ত গ্ৰহণ কৰা হব যদিও, এই ভৱনতেই উপাচাৰ্যৰ এটা Residential Office ৰখা হব। য'ত একান্ত সচিবৰ সৈতে গোপনীয় নথি-পত্ৰাদি ৰখা হব। সকলো বিশ্ববিদ্যালয়তে এনে ব্যৱস্থা আছে।

উপাচাৰ্যৰ ভ্ৰমণ আৰু ভ্ৰমণ বানচ বিধিসন্মত। ৰাজনীতি বিজ্ঞান বিভাগৰ (বৰ্তমান) অধ্যাপিকা ড° নিকুঞ্জলতা দত্তলৈ Mutual Educational Exchange Fulbright Programme-ৰ অধীনত Post-Doctoral গৱেষণা কৰাৰ বাবে আমেৰিকালৈ যোৱা বাবদ, বিশ্ববিদ্যালয়ৰ Finance Committee-ৰ অনুমোদনৰ ওপৰত কাৰ্যবাহী পৰিষদে বিবেচনা কৰি ৪০,০০০·০০ (চল্লিছ) হেজাৰ টকাৰ বিত্তীয় অনুদান দিছে। শিক্ষামূলক বিদেশ ভ্ৰমণৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীসকলক সময়ে সময়ে এনে অনুদান দি অহা হৈছে। যোৱা প্ৰায় চাৰি বছৰত যোল্ল গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে এনে বা সমপৰ্যায়ৰ আঁচনিৰ দ্বাৰা উপকৃত হৈছে। ইয়াৰ পূৰ্বতে কেইবাগৰাকীও গৱেষক গৱেষিকা শিক্ষকে এনে অনুদান লাভ কৰিছে। শিক্ষক-শিক্ষয়িত্ৰীসকলে গৱেষণা বা আন্তৰ্জাতিক চেমিনাৰত গৱেণামূলক প্ৰবন্ধ পাঠ কৰি বিশ্ববিদ্যালয়ৰ গৌৰৱহে কঢ়িয়াই আনিছে।

ষষ্ঠ পৰিকল্পনাৰ অন্তৰ্ভূক্ত ভৱন সমূহৰ নিৰ্মাণ সম্পূৰ্ণ হৈ নুঠাটো সঁচা। ইয়াৰ বাবে ব্যয় বৃদ্ধি হোৱাটো সত্য যদিও ইয়াৰ দ্বাৰাই কোনো ব্যক্তি অথবা গোষ্ঠীক উপকৃত কৰা বুলি অনা অভিযোগ একেবাৰেই অযুক্তিকৰ। আমি জনাবলৈ

পাই সুখী যে যোৱা ৩ ফেব্ৰুৱাৰীত অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই গণিত আৰু পৰিসংখ্যা বিভাগৰ ভৱনটোৰ তলৰ মহলা উদ্বোধন কৰি গ'ল। বাকী ভৱন সমূহো অনতিপলমে সম্পূৰ্ণ হৈ উঠিব। ষষ্ঠ পৰিকল্পনা আৰু সপ্তম পৰিকল্পনাৰ মাজ ভাগলৈ বৰ্তমানৰ উপাচাৰ্য গৰাকী অসম চৰকাৰৰ অইন পদত আছিল আৰু তেখেতে উপাচাৰ্যৰ পদ গ্ৰহণ কৰিয়েই এই ভৱন সমূহৰ নিৰ্মাণৰ কাম সমাপ্ত কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

অন্য কিছু আকৰ্ষণীয় দিশৰ ভিতৰত উল্লেখ কৰা বিষয় সমূহৰ সন্দৰ্ভতো আমাৰ বক্তব্য আছে।

উপ-পঞ্জীয়ক (শৈক্ষিক) ড° মনোৰঞ্জন শৰ্মাক জন-সম্পৰ্কৰ (Public Relations) দায়িত্ব দিয়াটো সঁচা। স্বায়ত্ত শাসিত এই শিক্ষানুষ্ঠানখনৰ কোনো কোনো শিক্ষক-কৰ্মচাৰী সকলে অবৃত্তিগত (Non-Professional) অবৃত্তিজীৱী (Non-working) সাংবাদিকতা কৰাটো উপ-পঞ্জীয়ক ড° শৰ্মাৰ বাবেও নিষিদ্ধ নহয়। জন-সম্পৰ্ক ৰক্ষাৰ দায়িত্ব বহণ কৰা বিষয়াজনে বিভিন্ন প্ৰচাৰ মাধ্যমৰ লগত জড়িত হোৱাটো তেনেই স্বাভাৱিক। বিশ্ববিদ্যালয়ৰ নীতি-নিয়ম, চাকৰি বিধি উলংঘা নকৰাকৈ সংবাদ সাহিত্যলৈ বৰঙণি যোগোৱা প্ৰতিজন বিষয়া, কৰ্মচাৰীয়ে এখন শিক্ষানুষ্ঠানৰ বাবে গৌৰৱৰহে কথা।

পৰীক্ষা নিয়ন্ত্ৰক জ্যেষ্ঠতম বিষয়া হিচাপেই পঞ্জীয়কৰ দায়িত্বত আছে। আগৰজন পঞ্জীয়কে উচ্চ ন্যায়ালয়ত তৰা গোচৰ নিষ্পত্তি নোহোৱালৈ এই ব্যৱস্থাই নিয়ম ভিত্তিক চলিব। ইয়াত কাৰো স্বাৰ্থ জড়িত নহয়। প্ৰশাসনীয় পৰিচালনাৰ এক নিখুঁত ব্যৱস্থাহে।

শৈক্ষিক দিন-পঞ্জীখন উন্নয়নৰ বাবে গঠনমূলক দিহা পৰামৰ্শ আদৰি লোৱা হব। আমাৰ বিশ্ববিদ্যালয়ত পৰীক্ষা পাতিবলৈ সুকীয়া হল (Hall) বা ভৱন নথকাত পৰীক্ষাৰ সময়ত কেতবোৰ বিভাগৰ শ্ৰেণী কোঠা ব্যৱহাৰ কৰাৰ ফলত পাঠদান ব্যাহত হোৱাটো স্বাভাৱিক।

ভোলা শৰ্মা আয়োগৰ প্ৰতিবেদন কাৰ্যবাহী পৰিষদে পুনৰ বিবেচনা কৰি গ্ৰহণ কৰিছে।

বিশ্ববিদ্যালয় কৰ্তৃপক্ষই এটা গোচৰৰ সন্দৰ্ভত ন্যায়ালয়ত আপীল কৰাৰ বাহিৰে শিক্ষকৰ বিৰুদ্ধে আদালতত কোনো গোচৰ তৰা নাই। দুজনমান শিক্ষকেহে বিশ্ববিদ্যালয়ৰ বিৰুদ্ধে গোচৰ তৰিছিল। আদালতৰ ৰায় কেতিয়াও অৱমাননা কৰা হোৱা নাই।

বি, এড, শ্ৰেণীৰ অসমীয়া বিষয়ৰ প্ৰবক্তা পদ পূৰণৰ ক্ষেত্ৰত অনা অভিযোগ সত্য নহয়। এই বিভাগৰ শিক্ষক পদৰ বাবে বি, এড, ডিগ্ৰী প্ৰয়োজনীয় যদিও কেতিয়াবা কেতিয়াবা সংশ্লিষ্ট বিষয় এটাৰ ক্ষেত্ৰত উপযুক্ত অৰ্হতা থকা ব্যক্তি পোৱা গ'লেও একেলগে বি, এড, ডিগ্ৰী থকা প্ৰাৰ্থী পোৱা নেযায়। এনে পৰিস্থিতিত বিষয় জ্ঞানৰ পৰা অৰ্হতা বিচাৰ কৰি বি, এড, ডিগ্ৰী নথকা প্ৰাৰ্থীক নিযুক্তি দিয়াৰ নিয়ম প্ৰচলিত। এনে প্ৰাৰ্থীয়ে পিছত বি, এড, ডিগ্ৰী অৰ্জন কৰে। সদ্যহতে অসমীয়া বিভাগৰ প্ৰবক্তা পদটোৰ বাবে ওপৰত উল্লেখ কৰা চৰ্ত অনুসৰিও উপযুক্ত প্ৰাৰ্থী নোলোৱাত বাছনি সমিতিয়ে কোনো প্ৰাৰ্থীকে মনোনয়ন নিদিয়াত পদটো খালি হৈ আছিল। ছাত্ৰ-ছাত্ৰীসকলৰ পাঠ গ্ৰহণৰ পৰা ক্ষতি নহওক বুলিয়েই সম্পূৰ্ণ অস্থায়ী ভিত্তিত এজন ব্যক্তিক নিয়োগ কৰাটো হয়। ইয়াত কোনো স্বাৰ্থ জড়িত নহয়। এই পদটোৰ বাবে পুনৰাই বিজ্ঞাপন দিয়া হৈছে। উপযুক্ত প্ৰাৰ্থীহে নিয়োগ কৰা হব।

স্পষ্টীকৰণত প্ৰায় সকলোখিনি কথাই সামৰি লোৱাৰ চেষ্টাৰ ক্ৰুটি কৰা নাই, তথাপিও কিবা বিষয় বৈ গ'লে ইচ্ছুক পাঠক-পাঠিকা, তথা শ্ৰদ্ধেয় ব্যক্তিয়ে বিশ্ববিদ্যালয়লৈ আহিলে সকলো তথ্য নথিপত্ৰ সহ পৰীক্ষা কৰিব পাৰিব। যোৱা চাৰে-চাৰি বছৰত গৱেষণা কৰি প্ৰায় ১০০ (এশ) গৱেষকে পি, এইচ ডি, (Ph. D) পোৱা আৰু কেইবাটাও বিষয়ত এম, ফিল (M. Phil) আদি খোলা কথাই বিশ্ববিদ্যালয়ৰ প্ৰগতিৰ কথাহে সূচায়। চৰিত্ৰ হনন কৰা সহজ, গঠনমূলক পৰামৰ্শ দিয়াটোহে টান।

লেখিকা তথা আন সাংবাদিকসকল ইয়ালৈ আহিলে ডিব্ৰুগড় বিশ্ববিদ্যালয় শিক্ষক সংস্থা (DUTA) আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় শিক্ষক সংঘ (DUTU)ক কৰ্মচাৰী সংঘ, বিষয়া সংস্থাৰ (Officers' Association) কৰ্মকৰ্তাসকলক এবাৰ লগ পাই গলে বিশ্ববিদ্যালয় সম্বন্ধে অধিক তথ্য পাব যিয়েই এই অনুষ্ঠানটিৰ সম্বন্ধে এক নিৰপেক্ষ ছবি দাঙি ধৰিব।

উদ্দেশ্য প্ৰণোদিত হৈ লেখিকাই বিশ্ববিদ্যালয়খনৰ কেইবাজনো বিষয়া, শিক্ষকৰ চৰিত্ৰ হননত সমল যোগোৱা বাতৰি পৰিবেশন কৰি বিভ্ৰান্তিকৰ পৰিবেশৰ সৃষ্টি কৰাৰ এক প্ৰয়াস হে আমি দেখিবলৈ পাইছো।

বিশ্ববিদ্যালয় এটা নৈৰ্ব্যক্তিক অনুষ্ঠান। ইয়াৰ মূল্যায়ন আৰু সিদ্ধান্তসমূহ আইনমতে গঠিত কৰ্ট সভা, কাৰ্যবাহী পৰিষদ, একাডেমিক কাউন্সিল, স্নাতকোত্তৰ বোৰ্ড, নিম্নস্নাতক বোৰ্ড আদিয়ে সততে কৰি আছে। গণতান্ত্ৰিকভাবে গ্ৰহণ কৰা নীতিয়ে কেতিয়াবা কোনো ব্যক্তিক অসন্তুষ্ট কৰাটো অস্বাভাৱিক নহয় আৰু এনে অসন্তুষ্ট সূত্ৰসমূহক বাতৰি পৰিবেশনৰ একমাত্ৰ উৎস হিচাপে গ্ৰহণ কৰিলে বস্তুনিষ্ঠ সাংবাদিকতাত যে অসুবিধা হয় তাক আমি কোৱাটো নিষ্প্ৰয়োজন।

বিশ্ববিদ্যালয়খনৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, বিষয়া-কৰ্মচাৰীৰ মনৰ বতৰা জানিবলৈ ব্যক্তিগতভাৱে প্ৰত্যেককে লগ পোৱাটো সম্ভৱ নহলেও স্বীকৃতিপ্ৰাপ্ত সংস্থাসমূহৰ প্ৰতিনিধিৰ পৰাই তেওঁলোকৰ প্ৰতিক্ৰিয়া জনাৰ বাবে সাংবাদিকে বিশেষ অসুবিধাৰ সন্মুখীন নহলহেঁতেন।

দোষ-গুণৰ সমষ্টিয়ে ব্যক্তি, অনুষ্ঠান। ইয়াক মূল্যায়ন কৰাৰ ক্ষেত্ৰত মহাপুৰুষ মাধৱদেৱৰ এই পদফাকি মনত ৰাখিলে উত্তৰণৰ পথত আগবাঢ়িব পাৰিব–

"অধমে কেৱলে দোষ লৱয় মধ্যম গুণ
দোষ লৱে কৰিয়া বিচাৰ।
উত্তমে কেৱল গুণ লৱয় উত্তমোত্তমে
অল্পগুণ কৰয় বিস্তাৰ।"

এই স্পষ্টীকৰণত ঠাই পোৱা বিষয় সমূহলৈ ভৱিষ্যতে বিশ্ববিদ্যালয়ৰ ফালৰ পৰা কোনো বাদানুবাদত প্ৰৱেশ কৰাৰ ইচ্ছা নাই।

পঞ্জীয়ক,
ডিব্ৰুগড় বিশ্ববিদ্যালয়
ডিব্ৰুগড়, অসম





# মিনিষ্টাৰ অহাৰ দিনা

যতীন মিপুন



স্থানীয় কলেজৰ খেল পথাৰত ৰাজহুৱা সভা পতাৰ সিদ্ধান্ত লোৱা হ'ল।

কলেজৰ খেল পথাৰৰ পৰা আধা ফাৰ্লংমান দূৰৈত মহকুমাধিপতিয়ে হেলিপেড তৈয়াৰ কৰোৱালে হেলিকপ্টাৰেদি আহিব লগীয়া মিনিষ্টাৰৰ বাবে।

যোৱা সপ্তাহত মিনিষ্টাৰ আহিব বুলি প্ৰগ্ৰেম পোৱাৰে পৰা কমলাবাৰী, গড়মূৰ, জেংৰাই, ৰতনপুৰ, হালধিবাৰী আৰু গেজেৰাৰ স্থানীয় নেতা আৰু দলীয় কৰ্মীৰ কৰ্ম ব্যস্ততাৰ ফলত গাত তৎ নাই যেন হ'ল।

বহু বছৰৰ মূৰত ৰাজ্যৰ উল্লেখযোগ্য মিনিষ্টাৰ হেলিকপ্টাৰেদি মাজুলীলৈ আহিব। গাত তৎ নাই যেন হ'বৰে কথা। উজনি মাজুলীৰ গেজেৰা-হালধিবাৰীত খহনীয়া, কমলাবাৰীত খহনীয়া, নামনি মাজুলীত খহনীয়া, নিমাতি-কমলাবাৰী ঘাটত অনিয়মীয়া ফেৰী, মাজুলী-লক্ষীমপুৰৰ মাজৰ খেৰ সুঁতিত দলঙৰ ব্যৱস্থা, মাজুলীত অৱস্থিত প্ৰখ্যাত সত্ৰলৈ চৰকাৰী দান-বৰঙণি, জনজাতি গৱেষণা কেন্দ্ৰ, মাজুলীৰ কলেজসমূহৰ চৰকাৰীকৰণ আৰু প্ৰতি বছৰে ব্ৰহ্মপুত্ৰৰ বানে জুৰুলা কৰা মাজুলীৰ বাবে স্থায়ী বানপানী ৰোধৰ ব্যৱস্থা ইত্যাদি ইত্যাদিকৈ এশ এবুৰি সমস্যা আৰু দাবীৰ চনদ মিনিষ্টাৰক দিবৰ বাবে তৈয়াৰ কৰা হ'ল জেংৰাইমুখ কলেজৰ গাতে লাগি থকা স্থানীয় নেতা জলেশ্বৰ পেগুৰ ঘৰত।

যোৱাবাৰ নিৰ্বাচনত বিপক্ষ দলৰ প্ৰাৰ্থীৰ হাতত মাথোন পাঁচশ ভোটৰ ব্যৱধানত হাৰ মানিব লগা হোৱা জলেশ্বৰ পেগুৰ ব্যক্তিগত অনুৰোধত মাজুলীলৈ মুখ্যমন্ত্ৰী অহাৰ কথা আছিল।

মুখ্যমন্ত্ৰী ডাঙৰীয়াই হঠাৎ দিল্লীলৈ যাব লগা হোৱাত এজন প্ৰভাৱশালী মিনিষ্টাৰক তেখেতে ব্যৱহাৰ কৰা হেলিকপ্টাৰতে পঠাব। সেয়ে সমগ্ৰ মাজুলীৰ স্থানীয় নেতা, স্কুল-কলেজৰ ছাত্ৰ তথা শিক্ষক আহি নিজ নিজ দাবীসমূহ মিনিষ্টাৰক দাখিল কৰিবৰ বাবে জলেশ্বৰ পেগুৰ ঘৰত গোট খাইছেহি। মিনিষ্টাৰক সাক্ষাৎ কৰিব লগীয়া অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ লিষ্ট, দাবী বা অনুৰোধসমূহ তৈয়াৰ কৰি জলেশ্বৰ পেগুৰ যোগেদি গড়মূৰত থকা মহকুমাধিপতিৰ ওচৰত দাখিল কৰি মহকুমাধিপতিৰ অনুমতি সাপেক্ষে মিনিষ্টাৰক সাক্ষাৎ কৰিব লাগিব। ব্যক্তিগত অনুষ্ঠান হিচাপে গ'লে মহকুমাধিপতিয়ে বিশেষ গুৰুত্ব নিদিব পাৰে, কিন্তু জলেশ্বৰ পেগুৰ যোগেদি গ'লে কথাবোৰ সহজ হয়। কাৰণ জলেশ্বৰ পেগুৰ ক্ষমতা আৰু প্ৰভাৱৰ কথা সমগ্ৰ মাজুলীবাসীয়ে জানে; জানে মহকুমাধিপতিয়েও।

এনেবোৰ কথাৰ বাবেই কমলাবাৰীৰ ৰাইজৰ হৈ দ্বীগেন নাথ, প্ৰফুল্ল বৰা, গনেশ মিলি, স্থানীয় কলেজ আৰু সত্ৰৰ লৈ কৰুণাপ্ৰাণ দেৱগোস্বামী, গড়মূৰৰ নন্দেশ্বৰ পামেগাম, প্ৰদীপ ভূঞা, জেংৰাইৰ লম্বোদৰ দলে, বিবেক পেগু, ৰতনপুৰৰ মনবৰ পেগু, হালধিবাৰীৰ কুমুদ বৰা, গেজেৰা হাইস্কুলৰ প্ৰধান শিক্ষক মনেশ্বৰ দলে আদিয়ে জলেশ্বৰ পেগুৰ ঘৰত গোট খালেহি।

জলেশ্বৰ পেগুৰ চাংঘৰৰ তুংগীং বা বাৰান্দাত সকলো বহাৰ পিছত পেগুৰ পৰিবাৰে আপ'ং খোৱা সকলৰ বাবে আপং আৰু চাহপানী খোৱা সকলৰ বাবে চাহৰ যোগাৰ কৰি দিয়াৰ পিছত আপং বাটিত এঢোক মাৰি পেগুৱে ক'লে, "সকলোৱে দাবী আৰু প্ৰস্তাৱসমূহ ঠিক মতে আনিছাতো? গোটেইবোৰ এক কৰি সমগ্ৰ মাজুলীবাসীৰ বাবে প্ৰস্তাৱ আকাৰে মিনিষ্টাৰক দিব লাগিব।"

"একেলগে দিয়াতকৈ বেলেগে বেলেগে দিলে ভাল হ'ব নেকি!" চাহপানীৰ বাটি হাতত লৈ কমলাবাৰীৰ প্ৰফুল্ল বৰাই পুনৰ ক'লে, "মোৰ দদাইৰ ল'ৰা বিলাতত আছেগৈ, এই দ্বীগেন নাথৰ পুতেক বি, এ, এম এ পঢ়োৱা প্ৰফেছাৰ হৈছেগৈ। আমাৰ কমলাবাৰী এতিয়াও অৱহেলিত হৈ আছে। আমি সুকীয়াকৈ মিনিষ্টাৰক লগ ধৰাহে ভাল হ'ব। আপোনাৰ দল এইবাৰ ক্ষমতাত আছে বাবে আহিলো, নহ'লে আমি এছ, ডি, অ'-ৰ ওচৰলৈকে গ'লোহেঁতেন।"

"আমাৰ গড়মূৰ অঞ্চলকো কম অৱজ্ঞা কৰা নাই! আমাকো আমাৰ সমস্যা কোৱাৰ সুযোগ দিব লাগিব।" আপং বাটি হাতত লৈ গড়মূৰৰ নন্দেশ্বৰ পামেগামে ক'লে।

"ঠিক আছে তইঁতক মিনিষ্টাৰক নিজৰ সমস্যাৰ কথা কোৱা সুযোগ দিয়া যাব, যদিও তইঁতৰ কোনে কোন পাৰ্টিক যোৱা ইলেক্চনত ভোট দিলি মোৰ জনা আছে। আৰু মাত্ৰ পাঁচশ এটা ভোট পোৱা হ'লে ময়েই আজি–! এতিয়া ক'চোন আপং খোৱা বামুণ, তোৰ প্ৰস্তাৱ একেলগে দিবিনে বেলেগে দিবি?" কমলাবাৰী কলেজৰ অধ্যাপক কৰুণাপ্ৰাণ দেৱগোস্বামীলৈ চাই জলেশ্বৰ পেগুৱে সুধিলে।

"এতিয়া আপং খোৱা বামুণহে হ'লোগৈ! হেৰৌ, আপং হ'ল তাহানিৰ সোমৰস, আমি সকলোৱে খোৱা উচিত। বিশ্ববিদ্যালয়ত পঢ়োতে আপং নাপাই চুলাই মদকে কিমান খালো! যাইহক আমাৰ দাবী আৰু প্ৰস্তাৱবোৰ মিনিষ্টাৰক একেলগে দিয়াই ভাল হ'ব। মাজুলীনো কিমানখন! সকলোৰে দাবীবোৰ একেলগ কৰি দিয়া যাওক।" আপং বাটিত সোহা এটা মাৰি কৰুণাপ্ৰাণ দেৱগোস্বামীয়ে ক'লে।

"আমাৰ ৰতনপুৰৰ নতুন কলেজখনৰ বাবে চৰকাৰী সাহায্যৰ দাবীৰ কথাটো সোমাব লাগিব।" ৰতনপুৰৰ মনবৰ পেগুৱে ক'লে।

"আৰু আমাৰ হালধিবাৰীৰ নাট্য মন্দিৰৰ কথা পাহৰিলে নহব।" মনবৰ পেগুৰ কথাৰ লগত হালধিবাৰীৰ কুমুদ বৰাই যোগ দিলে।

"গৰাখহনীয়াৰ ফলত আমাৰ গেজেৰা গাওঁ আৰু অঞ্চল কাহানিবাই নিঃশেষ হ'ল। গেজেৰা হাইস্কুলখন নিশকটীয়া হৈ ৰ'ল। বানপানী আৰু খহনীয়াৰ পৰা ৰক্ষা পাবৰ বাবে আমাৰ তাত চৰকাৰে কিবা কৰিব লাগে।" গেজেৰা হাইস্কুলৰ প্ৰধান শিক্ষক মনেশ্বৰ দলেয়ে ক'লে।

জলেশ্বৰ পেগুৱে সকলোকে আশ্বাস দিয়া দৰে ক'লে "ঠিক আছে, ঠিক আছে। দেৱগোস্বামীয়ে গোটেই আপত্তিখিনি একগোট কৰি মাজুলীবাসীৰ দাবী আৰু প্ৰস্তাৱ আকাৰে কৰ। মিনিষ্টাৰক তইঁতি একেলগে একেবাৰতে দেখা কৰি কথাবোৰ কবি। মইতো আছোৱেই।"

"আমাৰ সত্ৰৰ কথা কি হ'ব পিছে?" গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰীৰ প্ৰতিনিধি হৈ অহা গড়মূৰৰ পিতাম্বৰ মাষ্টৰে সন্দেহ প্ৰকাশ কৰাৰ দৰে জলেশ্বৰ পেগুক সুধিলে।

"চিন্তা নকৰিবি অ' মাষ্টৰ। তইঁতৰ কথাও সোমাব। সত্ৰৰ কথা মিনিষ্টাৰে বাৰুকৈয়ে জানে। মই অনুৰোধ কৰিলে মিনিষ্টাৰে সত্ৰও দৰ্শন কৰিবগৈ, মোটা টকাৰ অনুদানো পাবি। সত্ৰাধিকাৰীক কথাটো কবিগৈ।" আপং খাই নিচাত ৰিমঝিম হোৱা জলেশ্বৰ পেগুৱে পিতাম্বৰ মাষ্টৰক সান্ত্বনা দিয়াৰ সুৰত ক'লে।

এনে সময়তে জলেশ্বৰ পেগুৰ চাংঘৰৰ সমুখৰ জেংৰাই-হালধিবাৰী ৰাস্তাইদি কেইবাখনো গাড়ী ধূলি উৰুৱাই হেলিপেডৰ ফালে গ'ল। কেইবাখনো গাড়ী একেলগে যোৱা দেখি হালধিবাৰীৰ কুমুদ বৰাই ঔৎসুক্য প্ৰকাশ কৰি ক'লে, "মিনিষ্টাৰ আহিলেই নেকি আকৌ!"

"নহয় অ'। মিনিষ্টাৰ পৰহিলৈ, মানে বাৰ তাৰিখ বুধবাৰে আহিব। মুখ্য মন্ত্ৰী আহিব বুলি যোৰহাটৰ পৰা বহু গাড়ী পঠাইছিল হেনো। এতিয়া গাড়ীবোৰ লৈ যোৱাতকৈ হেলিপেডৰ পৰা মিটিং হ'ব লগীয়া ঠাইলৈ মিনিষ্টাৰক লৈ আনিবলৈ আখৰা কৰিছে হ'বলা। আহিবলগীয়া মিনিষ্টাৰ যে মুখ্যমন্ত্ৰীৰ সোঁহাত স্বৰূপ আৰু অতি ক্ষমতাশীল এই কথা জিলাৰ ডি, চি, এছ, পিয়ে জানে। হেলিকপ্টাৰত অহাটোৱেই প্ৰমাণ নকৰে জানো! তাতে জানই নহয় আজিকালি পুলিচে ডেকা ল'ৰাবোৰলৈ কিমান ভয় কৰে! মিনিষ্টাৰৰ কিবা হ'ব লাগিলে তাহাঁতৰ চাকৰি যাব! সেয়ে এই আখৰা।" কথাবোৰ কওঁতে জলেশ্বৰ পেগুৰ নিজকে বৰ ডাঙৰ ৰাজনৈতিক নেতা যেন ভাব হ'ল।

"এৰা, চৰকাৰে ৰাজভঁৰাল উদং বুলি কৈ থাকে যদিও, চাউল-দাইলৰ দাম বাঢ়িছে যদিও, মিনিষ্টাৰ আহিলে গাড়ীবোৰ দৌৰাতেই বহু খৰচ কৰিব পাৰে!" কমলাবাৰী কলেজৰ অধ্যাপক কৰুণাকান্ত দেৱগোস্বামীয়ে নিজকে কোৱাদি ক'লে।

"হেৰৌ এইবোৰ আমাৰ চৰকাৰৰ বাবে সাধাৰণ কথা প্ৰফেছাৰ। চাউল-দাইলৰ দামনো কিমান বাঢ়িছে– আমিচোন মাজুলীবাসীয়ে এইবোৰ কিনিকে নাখাওঁ!"

হঠাৎ মনত পৰাৰ দৰে জলেশ্বৰ পেগুৱে পুনৰ ক'লে, "অ' যোৰহাটৰ পৰা ডি, চি, এছ, পিও আহি গড়মূৰত আছেহি বুলিছে। আজি মই গড়মূৰ চাৰ্কিট হাউচলৈ গৈ তেওঁলোকক দেখা কৰিম। তইঁতৰ মিনিষ্টাৰক দেখা কৰা কথাটো মহকুমাধিপতিৰ লগত কথা পাতিম। এতিয়া তইঁত যাগৈ।"



কৰুণাকান্ত দেৱগোস্বামীয়ে সকলোৱে অনা লিখিত ওজৰ-আপত্তিবোৰ একগোট কৰি জলেশ্বৰ পেগুৰ হাতত দিলে। জলেশ্বৰ পেগুৰ চাংঘৰত গোট খোৱা সকলোৱে পেগুৰ চাংঘৰৰ তুংগীং অৰ্থাৎ বাৰান্দাৰ পৰা কঃবাং বা জখলাইদি নামি বিদায় ল'লে।

২

কথা মতেই জলেশ্বৰ পেগুৱে গড়মূৰলৈ গৈ মহকুমাধিপতিৰ পৰা ৰাইজৰ দাবী, প্ৰস্তাৱ আদি মিনিষ্টাৰক সাক্ষাৎ কৰি দিয়াৰ অনুমতি ল'লে। ডি, চি আৰু এছ পি বিশেষ কামত যোৰহাটলৈ ঘূৰি যোৱাত লগ নাপালে। তেওঁ থাকোতে আইন-শৃংখলাৰ বাবে চিন্তা কৰিব নালাগে বুলি জলেশ্বৰ পেগুৱে মহকুমাধিপতিক আশ্বাস দিলে।

মিনিষ্টাৰে যোৰহাটৰ পৰা আহি দুপৰীয়াৰ সাজ ভাত জেংৰাইৰ স্থানীয় ই, এণ্ড, ডি বিভাগৰ আই, বি-ত খোৱা কথা। ভাত-পানী খাই অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধিক সাক্ষাৎ কৰি, দলীয় কৰ্মীৰ লগত কথা-বতৰা হৈ, প্ৰেছ মিটৰ পিছত ৰাজহুৱা সভাত ভাষণ দি যোৰহাটলৈ ঘূৰি যোৱা প্ৰগ্ৰেম। আপং, গাহৰি খোৱা জাতৰ মিনিষ্টাৰ বুলি জানে বাবে জলেশ্বৰ পেগুৱে গাঁৱৰে দঁতাল গাহৰি এটা আৰু কেইবাকলহো পঃৰ আপং যোগাৰ কৰি ৰাখিলে।

সমগ্ৰ মাজুলীবাসী, বিশেষকৈ জলেশ্বৰ পেগুৰ বহু আকাংক্ষিত দিনটো অৰ্থাৎ মিনিষ্টাৰ যোৰহাটৰ পৰা হেলিকপ্টাৰ যোগে মাজুলীৰ জেংৰাইমুখলৈ অহা দিনটো আহিল।

প্ৰগ্ৰেম মতেই দিনৰ দহটা ত্ৰিশমান বজাত মিনিষ্টাৰক লৈ জেংৰাইৰ আকাশত হেলিকপ্টাৰ ওলালহি। আকাশত হেলিকপ্টাৰ দেখি মিটিঙলৈ বুলি অহা বুঢ়া-বুঢ়ী, মুনিহ-তিৰোতা, ডেকা-গাভৰু, ল'ৰা-ছোৱালী সকলোৱে মিটিং গ্ৰাউণ্ড এৰি হেলিপেডৰ ফালে দৌৰ দিলে। সকলোৰে ইচ্ছা হেলিকপ্টাৰখন ওচৰৰ পৰা চোৱাৰ, কেনে ধৰণৰ মানুহেনো হেলিকপ্টাৰ চলাই তাক চোৱাৰ। কেইবা গৰাকীও তিৰোতাই পিঠিত কেঁচুৱা বান্ধি লোৱা অৱস্থাতে দৌৰাত লাগিল। দুই-এক সৰু ল'ৰা-ছোৱালী দৌৰি যোৱা মানুহজাকৰ খুন্দা খাই বাটতে থিয় হৈ কন্দাত লাগিল।

যথা সময়ত হেলিপেডত হেলিকপ্টাৰ নামিল। পৰিবাৰসহ মিনিষ্টাৰ হেলিকপ্টাৰৰ পৰা নমাত জলেশ্বৰ পেগু আৰু মাজুলীৰ স্থানীয় দলীয় কৰ্মীয়ে মিনিষ্টাৰক ডিঙিত ফুলৰ মালা আৰু গামোচা পিন্ধালে। ই, এণ্ড, ডি-ৰ আই, বি লৈ বুলি মহকুমাধিপতি আৰু এছ, ডি, পি, অ'ই ইতিমধ্যে মিনিষ্টাৰৰ বাবে ৰখাই থোৱা গাড়ীলৈ মিনিষ্টাৰ আৰু তেওঁৰ পৰিবাৰক আগবঢ়াই লৈ গ'ল। জলেশ্বৰ পেগু আৰু দলীয় কৰ্মীসকলেও অতি ব্যস্ততাৰে মিনিষ্টাৰৰ লগত গ'ল।

নিৰাপত্তাৰ বাবে ৰঙা লাইট আৰু ৰঙা ফ্লেগ থকা পুলিচৰ এছকৰ্ট জীপখন হুইচেল বজাই চোঁ-চোঁৱাই আগবঢ়াৰ লগে লগে মিনিষ্টাৰসহ চৰকাৰী-বেচৰকাৰী প্ৰায় বিশখনমান গাড়ী হেলিপেডৰ পৰা মিটিং গ্ৰাউণ্ডৰ কাষতে থকা ই, এণ্ড, ডি-ৰ আই বি লৈ ঢাপলি মেলিলে। তীব্ৰ গতিত যোৱা গাড়ীৰ লাইনে ক্ষন্তেকৰ বাবে জেংৰাইৰ আকাশ ধূলিময় কৰি পেলালে।

হেলিপেডত গোট খোৱা বুঢ়া-বুঢ়ী, মুনিহ-তিৰোতা, ডেকা-গাভৰু, ল'ৰা-ছোৱালীবোৰে গাড়ীৰ লাইনলৈ অৱজ্ঞাৰে এবাৰ চাই পুনৰ হেলিকপ্টাৰখন চোৱাত লাগিল। হেলিকপ্টাৰখনলৈ অবাক হৈ চাই ৰোৱা মিচিং ৰাইজৰ এজন আদহীয়া লোকে কাষৰজনক মিচিং ভাষাত সুধিলে, "এইটো বাৰু আকাশত কেনেকৈ উৰে? কেতিয়াবা উঠি চাবৰ মন যায়!"

"এই বুঢ়া বয়সত উঠিবৰ মন? ক'ৰবাত খেপেচকৈ সৰি পৰিলে কি হ'ব! এই বয়সত মোৰ হ'লে এনেদৰে মৰিবৰ মন নাই।" কাষতে ৰৈ থকা পমুৱা গাঁৱৰ নাবদঙে ক'লে।

"মিনিষ্টাৰেই ইয়াত উঠে! আকাশৰ পৰা সৰি পৰিলে সিওতো মৰিব!"

"এহ্ মিনিষ্টাৰৰ কথা বেলেগ। সি মৰিলেও মানুহে তাক উঠাই নিব, সংকাৰ কৰিব। আমি মৰিলে কোনে চাব? বিনা পইছাত উঠিবলৈ ক'লেও মই হ'লে নুঠো!"

দুজন পাইলট হেলিকপ্টাৰখন অলপ চোৱা-চিতা কৰি তেওঁলোকৰ বাবে ৰখা জীপলৈ বুলি আহিল। কোনো যাতে ওচৰলৈ নাযায় তাৰ বাবে ৰাইফল লৈ গাৰ্ড দি থকা চিপাহীক বুজাই স্থানীয় মেজিষ্ট্ৰেট এজনৰ লগত জীপত বহিল। মিচিং চেহেৰাৰ পাইলটজনে জীপত উঠাৰ আগতে হাতত শুকান বিৰিণা এডোখৰ লৈ অবাক হৈ হেলিকপ্টাৰলৈ চাই থকা সৰু ছোৱালী এজনীক মৰমতে গালত চুই দিয়াত তাই সচকিত হৈ একে দৌৰে জুমৰ মাজত সোমাই ভেঁ-ভেঁয়াই কন্দাত লাগিল।

"এই আপদীয়া জনী! ডাঙৰ মানুহে মৰম কৰিলে এনেদৰে ভয় খাই ভেঁ-ভেঁয়াই কান্দেনে?" বুঢ়ী এজনীয়ে হেলিকপ্টাৰলৈ চাই থাকি ক'লে।

ইফালে ই, এণ্ড, ডি-ৰ আই, বি-ত মিনিষ্টাৰে মুখ-হাত ধুই চাহ খোৱা পৰ্ব আৰম্ভ কৰিলে। জলেশ্বৰ পেগুক বাধ্য ছাত্ৰৰ দৰে বহি থকা দেখি মিনিষ্টাৰে সুধিলে, "কিহে পেগু, মিটিং গ্ৰাউণ্ডত মানুহ গোট খাইছেনে? কিমানমান মানুহ হ'ব?"

"এক লাখৰ ওচৰা-ওচৰি হ'ব চাৰ! প্ৰায়বোৰ মানুহ এতিয়া হেলিকপ্টাৰ চোৱাত লাগিল। আমাৰ ইয়াৰ মানুহবোৰ বৰ পিছপৰাতো! হেলিকপ্টাৰ ওচৰৰ পৰা দেখা নাই বাবে চাই আছে। আপুনি ভাত-পানী খাই উঠে মানে মই ৰাইজক মিটিং গ্ৰাউণ্ডলৈ মতোৱাই পঠাম।" জলেশ্বৰ পেগুৱে টপৰাই উত্তৰ দিলে।

"চাৰ ভাত খোৱাৰ আগতে স্থানীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধিসকলক লগ কৰা ভাল হ'ব। তেতিয়া হ'লে ৰাজহুৱা মিটিঙৰ পিছত বাহিৰে বাহিৰে হেলিপেডলৈ যাব পাৰিব। সন্ধিয়া হ'লে হেলিকপ্টাৰ উৰা মস্কিল হ'ব বুলি পাইলটে কৈছে।" মহকুমাধিপতি অৰুণ কুমাৰ কাকতীয়ে ক'লে।

"হ'ব। এতিয়াই মাতি দিব পাৰে তেওঁলোকক।"

মিনিষ্টাৰৰ কথা শুনি জলেশ্বৰ পেগুৱে ক'লে, "সমগ্ৰ মাজুলীৰ প্ৰস্তাৱ, দাবী ইত্যাদিবোৰ মই এক গোট কৰি আনিছো। বেলেগে লগ নকৰিলেও হব চাৰ।"

"ইচ্ পেগু, আপুনি সেই একেই ভুল কৰিছে। যোৱা নিৰ্বাচনত দেখিলে নহয়! এই আমাৰ বিপক্ষ দলৰ প্ৰতি আনুগত্য থকা মানুহক লগ কৰিব দি হাতলৈ আনিব লাগে।"

মহকুমাধিপতি কাকতীলৈ চাই মিনিষ্টাৰে পুনৰ ক'লে, "অ' আপুনি কাকতী, এইবোৰ আমাৰ পাৰ্টিৰ কথা। বৰকৈ কাণ নিদিব দেই।"

"হ'ব দিয়ক। মই কাণ-সাৰ দিয়া নাই।" মহকুমাধিপতি কাকতীয়ে ক'লে।

"কাণ-সাৰ নিদিবলৈ কিটো আছে! আমাৰ এছ, ডি, অ' চাৰে পাৰ্টিৰ মিটিঙতহে বহিবলৈ বাকী ৰৈছেগৈ! যোৱাবাৰ নিৰ্বাচনত বিপক্ষ দলৰ বানেশ্বৰ দলে জিকাৰ কাৰণো– । চাৰক মই কেতিয়াবাই কৈছিলো।" আক্ষেপৰ সুৰত কোৱাৰ দৰে মিনিষ্টাৰলৈ চাই জলেশ্বৰ পেগুৱে ক'লে।

জলেশ্বৰ পেগুৰ কথাৰ সুৰ বুজি মহকুমাধিপতি কাকতীয়ে বহাৰ পৰা উঠি

ক'লে, "মই এতিয়াই এটা এটাকৈ অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধি সকলক মাতি দিছো।"

"হ'ব দিয়ক। মাজুলীখন ইমান ডাঙৰ ঠাই নহয়। ময়েই মাতি দিছো। আপুনি বহক, আমাকো অলপ কাম কৰাৰ সুবিধা দিয়কচোন!" এই বুলি কৈ জলেশ্বৰ পেগুৱে আই, বি-ৰ দুৱাৰ ঠেলি ডিঙিটো উলিয়াই বাৰান্দাত অপেক্ষা কৰি থকা কৰুণাকান্ত দেৱগোস্বামীক তেওঁৰ লগত অহা প্ৰতিনিধিসহ ৰুমৰ ভিতৰলৈ মাতি পঠালে।

কমলাবাৰীৰ স্থানীয় কলেজ, সত্ৰ আদিৰ অভাৱ অভিযোগৰ কথা কৰুণাকান্ত দেৱগোস্বামী, প্ৰফুল্ল বৰা আৰু কমলাবাৰীৰ আন প্ৰতিনিধিসকলে মিনিষ্টাৰক অৱগত কৰাই চৰকাৰী সাহায্যৰ বাবে অনুৰোধ জনালে।

গড়মুৰ, জেংৰাই, ৰতনপুৰ, হালধিবাৰী, গেজেৰা আদি অঞ্চলৰ অনুষ্ঠান-প্ৰতিষ্ঠান সমূহৰ প্ৰতিনিধি সকলেও নিজ অঞ্চলৰ অভাৱ অভিযোগৰ কথা মিনিষ্টাৰক অৱগত কৰি চৰকাৰী সাহায্যৰ বাবে অনুৰোধ জনালে। প্ৰায় প্ৰতিটো প্ৰতিনিধি দলেই চৰকাৰী সাহায্যৰ কথাকে দোহাৰিলে।

অনুষ্ঠান-প্ৰতিষ্ঠানৰ সকলোবোৰ প্ৰতিনিধিক মিনিষ্টাৰে আশ্বাস দিলে। ৰাজধানীলৈ ঘূৰি বিভাগীয় মিনিষ্টাৰ আৰু বিভাগীয় চৰকাৰী মুৰব্বী বিষয়াসকলৰ লগত কথা হোৱাৰ প্ৰতিশ্ৰুতি দিলে। মাজুলীৰ দুই-এক অনুষ্ঠানৰ অনুদানৰ বাবে মুখ্যমন্ত্ৰীয়ে অনুমতি দিয়া সাপেক্ষে আজিৰ ৰাজহুৱা মিটিঙত ঘোষণা কৰিব বুলিও ক'লে।

প্ৰতিনিধিৰ সাক্ষাৎ শেষ হোৱাত জলেশ্বৰ পেগুৱে মিনিষ্টাৰক ক'লে, "চাৰ এইবাৰ ট্ৰাইবেল কালচাৰেল চেন্টাৰ এটা ইয়াত দিম বুলি আৰু তাৰ বাবে মোটা টকাৰ অনুদানৰ কথা আজিৰ ৰাজহুৱা মিটিঙত ঘোষণা কৰি যাব। তেতিয়া হ'লে মই অহা নিৰ্বাচনত– ।"

জলেশ্বৰ পেগুক আৰু দীঘলীয়া কৰাৰ সুযোগ নিদি মিনিষ্টাৰে ক'লে, "ঠিক আছে মই আজিয়েই ঘোষণা কৰিম। এতিয়া আৰু কি থাকিল ?"

"প্ৰেছৰ মানুহে আপোনাক লগ কৰো বুলিছে।" মহকুমাধিপতি কাকতীয়ে ক'লে।

"অ' মাতক। মাতি দিয়ক তেখেত সকলক সোনকালে। নহ'লে ৰাজহুৱা মিটিং পলম হ'বগৈ। পাৰ্টিৰ মিটিঙো বাকী আছে।"

মিনিষ্টাৰৰ কথা শুনি মহকুমাধিপতি কাকতীয়ে আই, বি-ৰ বাৰান্দাত মিনিষ্টাৰলৈ অপেক্ষা কৰি থকা প্ৰেছৰ মানুহখিনিক ৰুমৰ ভিতৰলৈ মাতি পঠাই ৰুমৰ দুৱাৰ বন্ধ কৰি দিলে।

যি যেনেকৈ পাৰে বহি, বেছিভাগেই থিয় হৈ থাকি নোটবুক আৰু কলম লৈ মিনিষ্টাৰৰ লগত প্ৰেছ-মিটৰ বাবে বাতৰি কাগজৰ সংবাদদাতা সকল সাজু হ'ল।

যোৰহাটৰ পৰা প্ৰকাশ পোৱা এখন দৈনিক কাকতৰ ৰিপোৰ্টাৰে মিনিষ্টাৰক প্ৰথমে প্ৰশ্ন কৰিলে, "পৃথিৱীৰ বৃহত্তম নদীদ্বীপ মাজুলীক বানপানী আৰু খহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ আপোনাৰ চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?"

ক্ষন্তেক ভাবি মিনিষ্টাৰে গহীনভাবে উত্তৰ দিলে, "আমাৰ চৰকাৰে বহু ব্যৱস্থা গ্ৰহণ কৰিছে। কেন্দ্ৰৰ লগত অনুদানৰ বাবে যোগাযোগ -কৰি থকা হৈছে। কেন্দ্ৰৰ অনুদান পালেই আমি লোৱা ব্যৱস্থাসমূহ কামত লগাব পৰা হ'ব।"

"মাজুলীখন এখন জনজাতি বিশেষকৈ মিচিং বসতিপূৰ্ণ অঞ্চল। অথচ ইয়াতেই প্ৰখ্যাত সত্ৰসমূহ অৱস্থিত। জাতি-জনজাতিৰ সম্প্ৰীতি, বিশেষকৈ জনজাতি ভাইসকলৰ উন্নতিৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে।"

"জনজাতিসকল আমাৰ ভাই, অতি আপোন। তেওঁলোকক আমি আঁকোৱালি লবলৈ শিকিব লাগে। সেই বাবেইতো মই ইমান ব্যস্ততাৰ মাজতো সময় উলিয়াই ইয়ালৈ আহিছো। শান্তি-সম্প্ৰীতি বজাই ৰাখিবলৈ আপোনালোকৰ লেখাৰ মাজেদি অৰিহণা যোগাব পাৰে।"

"আপুনি শান্তি-সম্প্ৰীতিৰ কথা ক'লে, আমি ভাল পালো। এইযে উত্তৰ-পূব ভাৰতত উগ্ৰপন্থীৰ কাৰ্যকলাপ স্বাধীনতাৰ যোৱা চাৰিটা দশক চলি আছে, তাত আপোনাৰ মতামত কি ? আজি অসমতো উগ্ৰপন্থী ওলাইছে, লগতে বড়োলেণ্ড, কাৰবি লেণ্ড, মিচিং লেণ্ডৰ দাবী। এই ক্ষেত্ৰত আপুনি কি ক'ব খোজে ?"

"এইবোৰ সংক্ৰান্তত আপোনালোকে কাগজে-পত্ৰই পায়েই আছে। মইনো আৰু কি কওঁ! সকলো সমস্যাৰ সমাধান আলোচনাৰ যোগে হোৱা উচিত।" কথাখিনি কৈ মিনিষ্টাৰে হাতৰ ঘড়ীলৈ চালে।

"আমাৰ এটা শেষ প্ৰশ্ন। বানপানী, গৰাখহনীয়া, জনজাতিৰ কল্যাণমূলক আঁচনিৰ কথা ক'লেই আপোনালোকে কেন্দ্ৰৰ অনুদানৰ কথা কয়। কাগজে-পত্ৰে পোৱা মতে এইবোৰ শিতানত কেন্দ্ৰই কোটি কোটি টকা দিয়ে। ৰাজ্য চৰকাৰেহে খৰচ কৰিব নোৱাৰি টকা ঘূৰাই দিয়ে হেনো। যিখিনি খৰচ হয় তাকো চৰকাৰী বিষয়া, আমোলা আদিৰ পকেটত সোমাই হেনো! লগতে ৰাজনৈতিক নেতাৰ ভাগটো আছেই! এনে অৱস্থাত কেন্দ্ৰই অসমক একো নিদিয়ে বুলি ৰাইজক কিয় মিছা কথা ক'ব লাগে!"

"এইবোৰ আগৰ চৰকাৰৰ দিনৰ কথা। আমাৰ চৰকাৰৰ দিনত এইবোৰ হ'বলৈ নাপায়। এই ক্ষেত্ৰত আমাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়া বৰ স্পষ্টবাদী। কোনোবা চৰকাৰী বিষয়া-আমোলা বা দলীয় কৰ্মীক দুৰ্নীতিত লিপ্ত হোৱাৰ প্ৰমাণ পালে আইন অনুসৰি ব্যৱস্থা লোৱা হ'ব।"

কথা কোৱা শেষ কৰি মিনিষ্টাৰে পুনৰ ঘড়ীলৈ চালে। জলেশ্বৰ পেগু আৰু মহকুমাধিপতি কাকতীয়ে মিনিষ্টাৰৰ মনৰ খবৰ বুজিলে। মহকুমাধিপতি কাকতীয়ে প্ৰেছৰ মানুহক উদ্দেশ্যি ক'লে, আপোনালোকে বেয়া নাপাব। সময় শেষ হৈ আহিল। চাৰে এতিয়া ভাত খাই উঠিয়েই ৰাজহুৱা মিটিঙলৈ যাব লাগে। মিটিং শেষ কৰি যোৰহাট হৈ ৰাজধানী পাবগৈ লাগে। আপোনালোক যাওকগৈ। আপোনালোকৰ বাবেও ভাতৰ ব্যৱস্থা আছে। কোনোবাই যদি খাই অহা নাই ইয়াতে খাব পাৰিব।"

মহকুমাধিপতি কাকতীৰ কথাত সাংবাদিকসকল ৰুমৰ পৰা ওলাই যাব ধৰিলে। ওলাই যাওঁতে দুৱাৰৰ কাষত এজন সাংবাদিকৰ হাৱাইন চেণ্ডেলৰ ফিটা ছিগি যোৱাত বাওঁ ভৰিৰ চেণ্ডেলপাত হাউলি ভৰিৰ পৰা তুলি হাতত লৈ ৰুমৰ পৰা ওলাই আহিল।

সকলো ওলাই যোৱাত মিনিষ্টাৰে জলেশ্বৰ পেগুক ক'লে, "এতিয়া দলীয় কৰ্মীসকলক মাতি দিয়ক।"

"হ'ব চাৰ। সকলোকে মাতো।"

"চাই-চিতি আৰু! নোখোৱাবোৰেতো আমাক ভোট নিদিয়েই! খোৱাবোৰকে মাতক।"

"বুজিছো, বুজিছো আপোনাৰ কথা। অ'ই পাপালহঁত, পঃৰ আপং আৰু গাহৰি মাংসৰ আঞ্জা আন ইয়ালৈ। ভাতৰো যোগাৰ কৰ। বাইদেউকো চাবি।" জলেশ্বৰ পেগুৱে ভীষণ ব্যস্ততাৰে চিঞৰি চিঞৰি ক'লে।

"এখেতক দেখিহে আছো। চিনাকি!" আপং আৰু গাহৰি মাংস দিয়াৰ পিছত আপং বাটিত এঢোক মাৰি মিনিষ্টাৰে ক'লে।

"অ' এখেত ইয়াৰ এছ, ডি, পি, অ' চেতিয়া চাৰ। ডিঙিত এঢোক নপৰিলে কথা নকয়। একেবাৰে আহোম ৰাজ পৰিয়ালৰ মানুহ। ৰিটায়াৰ হ'বলৈ সাত মাহ থাকোতে ইয়াত পঠাইছে। আমাৰ চৰকাৰেও কেতিয়াবা ল'ৰা ৰজাৰ ধেমালিখন কৰে দেই!" জলেশ্বৰ পেগুৱে ক'লে।

দুবাটিমান আপং খোৱাৰ পিছত এছ, ডি, পি, অ' চেতিয়াৰ মাত ওলাল। মিনিষ্টাৰলৈ উদ্দেশ্যি ক'লে, "অ' চাৰ, মই যেতিয়া নামৰূপ থানাৰ অ'চি আছিলো, দেওমালী বোলা ঠাইত খেদি খেদি বনৰীয়া গাহৰি ধৰি খাইছিলো। আমাৰ বৰ্তমান মুখ্যমন্ত্ৰীয়ে! তেখেত মোৰ জেঠাইৰ ফালৰ ভতিজা ল'ৰাহে! ইচ্ছা কৰিলে মই– ।"

জলেশ্বৰ পেগুৱে জানে যে এছ, ডি, পি, অ' চেতিয়াই ভাষণ দিয়া আৰম্ভ কৰিলে খোৱাৰ পৰ্বৰ ইতি পেলাব লাগে। সেয়ে পেগুৱে চিঞৰিলে, "এই পাপাল, হেলিকপ্টাৰ চাই থকা মানুহবোৰক মিটিঙলে মাতি আন। চাৰে ভাত খায়েই মিটিঙলৈ যাব। চাৰ আৰু বাইদেউৰ বাবে বাইদেউ বহা ৰুমত ভাত-পানী যোগাৰ কৰ।"

মিনিষ্টাৰলৈ চাই পেগুৱে পুনৰ ক'লে, "চাৰ উঠক আৰু। বাইদেউৰ লগত ভাত মুঠি ধৰি লওক। খাই উঠিয়েই মিটিঙলৈ যাব লাগিব।"

জলেশ্বৰ পেগুৰ কথাত মিনিষ্টাৰ বহাৰ পৰা উঠিল। পৰিবাৰে বহা ৰুমলৈ যাওঁতে জলেশ্বৰ পেগুহঁতলৈ চাই ক'লে, "আপোনালোকৰ খোৱাতো পিছে ?"

"হ'ব, আমি লোকেল মানুহ। ঘৰতে খাই বৈ আহিছো। খাবৰ হ'লে চুকে-কোণে বহি লৈ খাম।" জলেশ্বৰ পেগুৱে টপৰাই উত্তৰ দিলে।

দুপৰীয়া সাজ ভাত খোৱা-মেলা হোৱাত ডেৰটামান বজাত মিনিষ্টাৰ ৰাজহুৱা মিটিঙলৈ বুলি ওলাল। ই, এণ্ড, ডি, আই, বি-ৰ পৰা মিটিং গ্ৰাউণ্ডলৈ পুনৰ দীঘলীয়া শাৰীৰ চৰকাৰী-বেচৰকাৰী গাড়ীয়ে মিনিষ্টাৰ আৰু তেওঁৰ পৰিবাৰক লৈ জেংৰাইৰ আকাশ ধূলিময় কৰি গ'ল। মিনিষ্টাৰে বক্তৃতা দিবৰ বাবে নিৰ্দ্দিষ্ট কৰি থোৱা ৰুষ্ট্ৰাম বা চাঙত, মিনিষ্টাৰ, তেওঁৰ পৰিবাৰ, জলেশ্বৰ পেগু দুই-এক দলীয় কৰ্মী আৰু মহকুমাধিপতি বহিল।

ইতিমধ্যে কেইবা হাজাৰো ৰাইজ মিটিং গ্ৰাউণ্ডত গোট খাইছিলহি। হেলিকপ্টাৰ চাই থকা ৰাইজো আহিল। প্ৰেছৰ বাবে ৰখা নিৰ্দ্দিষ্ট ঠাইৰ কাষতে মাইকী মানুহৰ লগত অহা কেঁচুৱাৰ কান্দোনৰ মাজতে জলেশ্বৰ পেগুৱে মাইকত ৰাজহুৱা মিটিঙৰ উদ্দেশ্য ব্যাখ্যা কৰিলে। লগতে মিনিষ্টাৰৰ পৰিচয়ো ৰাইজক দিলে।

মিনিষ্টাৰ আৰু দলৰ গুণ বখানি দীঘলীয়া উদ্দেশ্য ব্যাখ্যা কৰি জলেশ্বৰ পেগু বহাৰ লগে লগে মিনিষ্টাৰে থিয় হৈ মাইকত বক্তৃতা আৰম্ভ কৰিলে।

"আজিৰ সভাত উপস্থিত ভদ্ৰ মহিলা, কণ কণ ল'ৰা-ছোৱালী, ডেকা-গাভৰু, বৃদ্ধা-বনিতা তথা সমবেত ৰাইজ, মাজুলী এখন জনজাতি অধ্যুষিত পৃথিৱীৰ সৰ্ববৃহৎ নদীদ্বীপ। ইয়াতেই আকৌ আছে প্ৰখ্যাত সত্ৰসমূহ। গতিকে মাজুলীখন জাতি-জনজাতিৰে পূৰ্ণ ভাৰতবৰ্ষৰ ক্ষুদ্ৰ সংস্কৰণ বুলিব পাৰি।"

প্ৰায় আধা ঘন্টামান বক্তৃতা দিয়াৰ পিছত টেবুলত থোৱা গিলাচৰ পৰা পানী অলপ খাই মিনিষ্টাৰে বক্তৃতাৰ মোখনি মাৰো বুলি ক'লে, "মই আৰু দীঘলীয়া নকৰো ৰাইজ। আপোনালোকৰ বানপানী, গৰাখহনীয়া, ভূমি সমস্যাৰ কথাবোৰ কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰাৰ ব্যৱস্থা কৰিম। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আজি নিজেই অহা কথা আছিল। তেখেত জৰুৰী কামত দিল্লীলৈ যাবলগীয়া হোৱাত আপোনালোকৰ প্ৰতি দয়াবশতঃ তেখেতে ব্যৱহাৰ কৰা হেলিকপ্টাৰতে মোক পঠালে। মোৰ বক্তৃতা আৰু দীঘলীয়া নকৰি দুটামান কথা ঘোষণা কৰি যাওঁ। আপোনালোকৰ ইয়াৰ জলেশ্বৰ পেগুৰ মানস প্ৰতিমা ট্ৰাইবেল কালচাৰেল চেন্টাৰ এটা এই জেংৰাইত পতা হ'ব। তাৰ বাবে দহ হাজাৰ টকাৰ চৰকাৰী অনুদানৰ কথা মই আজি ঘোষণা কৰিলো।"

মিনিষ্টাৰৰ ঘোষণাটো শুনাৰ লগে লগে সমবেত ৰাইজৰ জাউৰিয়ে জাউৰিয়ে হাত চাপৰি পৰিল। জলেশ্বৰ পেগুৱে তেওঁৰ নাম লোৱা দেখি গৌৰৱ অনুভৱ কৰিলে। অহাবাৰলৈ নিৰ্বাচনত জিকি মিনিষ্টাৰ – । হাত চাপৰি শাম কটাত মিনিষ্টাৰে পুনৰ বক্তৃতা দিয়া আৰম্ভ কৰাত জলেশ্বৰ পেগুৰ চিন্তাত আঁত লাগিল। মিনিষ্টাৰে হাত দুখন দাঙি ৰাইজক শান্ত হ'বলৈ কোৱাৰ দৰে ভঙ্গী কৰি ক'লে, "ৰাইজ আৰু এটা ডাঙৰ অনুদানৰ কথা মুখ্যমন্ত্ৰী ডাঙৰীয়াই আজি ঘোষণা কৰি যাবলৈ কৈছে। সময় পালে তেখেত নিজেই আহি জেংৰাইত ট্ৰাইবেল কালচাৰেল চেন্টাৰটোৰ আধাৰশিলা স্থাপন কৰি যাবহি। আৰু তেতিয়াই মই এতিয়া ঘোষণা কৰিবলগীয়া অনুদানটো নিজ হাতে দি যাবহি।"

ডাঙৰ অনুদানৰ কথা কওঁতে জলেশ্বৰ পেগুৰ মনটো উচপিচ কৰি উঠিল। মিনিষ্টাৰে অনুদানৰ কথাটো ঘোষণা কৰাত পলম কৰা বাবে জলেশ্বৰ পেগুৰ মন অধৈৰ্য হোৱাৰ দৰে হৈ ঘামি গ'ল। তাৰ মানে এইবোৰৰ গইনা লৈ অহাবাৰ নিৰ্বাচনত – ।

মিনিষ্টাৰৰ বক্তৃতাত জলেশ্বৰ পেগুৰ চিন্তাৰ আঁত আকৌ হেৰাল।

"মই ঘোষণা কৰিব লগীয়া, অৰ্থাৎ মাননীয় মুখ্যমন্ত্ৰীৰ অনুমতি সাপেক্ষে ঘোষণা কৰিব লগীয়া অনুদানটো হ'ল, আমাৰ এই মাজুলীৰ অসম তথা ভাৰত প্ৰখ্যাত সত্ৰটোৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ফালৰ পৰা এক লাখ টকীয়া চৰকাৰী অনুদান। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইয়ালৈ নিজেই আহি সত্ৰাধিকাৰী প্ৰভুৰ হাতত অনুদানটি অৰ্পণ কৰি যাবহি।"

মিনিষ্টাৰৰ ঘোষণাত যিমান হাত চাপৰি ৰাইজৰ ফালৰ পৰা পৰিব বুলি মিনিষ্টাৰে ভাবিছিল সিমান নপৰিল। ছেগা-চোৰোকাকৈ দৰ্শক ৰাইজৰ হাত চাপৰি পৰিল। ঘোষণা শুনাৰ লগে লগে জলেশ্বৰ পেগু সৰগ পৰা মানুহৰ দৰে হ'ল। বিপক্ষ দলৰ বাণেশ্বৰ দলেই তেতিয়া হ'লে – ।

ৰাজহুৱা মিটিং শেষ হোৱাত মিনিষ্টাৰ আৰু তেওঁৰ পৰিবাৰক আথে-বেথে জলেশ্বৰ পেগুৱে হেলিকপ্টাৰত তুলি দিলে। হেলিকপ্টাৰৰ ইঞ্জিন ষ্টাৰ্ট হৈ পাংখা ঘূৰিবলৈ আৰম্ভ কৰাত মিটিঙলৈ অহা ৰাইজ দৌৰা-দৌৰিকৈ অবাক হৈ চোৱাত লাগিল। মিনিষ্টাৰক লৈ হেলিকপ্টাৰ আকাশলৈ উঠিল। ৰাইজৰ ভিৰৰ মাজৰ পৰা জলেশ্বৰ পেগুৱে আকাশত হেলিকপ্টাৰ বিলীন নোহোৱালৈকে চাই চাই ভাবিলে, অহা বাৰলৈও এম, এল, এ হোৱাৰ আশাৰ মুদা মৰিল। তেওঁৰ মানস প্ৰতিমা ট্ৰাইবেল কালচাৰেল চেন্টাৰৰ বাবে মুঠেই দহ হেজাৰ টকা চৰকাৰী অনুদান আৰু আজিৰ মিনিষ্টাৰৰ প্ৰগ্ৰেমত দেখা সাক্ষাৎ নকৰা বিপক্ষ দলৰ এম, এল, এ বাণেশ্বৰ দলেৰ ভোট বেংক সত্ৰৰ নামত এক লাখ টকাৰ অনুদান! জলেশ্বৰ পেগুৱে আৰু ভাবিব নোৱাৰিলে। আকাশত মিনিষ্টাৰক লৈ হেলিকপ্টাৰ হেৰাই যোৱাৰ দৰে হেলিকপ্টাৰ চাবলৈ অহা ৰাইজৰ ভিৰৰ মাজত জলেশ্বৰ পেগু হেৰাল।



সূত্ৰধাৰ ◻ ১৬–৩১ মাৰ্চ, ১৯৯২

নলিনীধৰ ভট্টাচাৰ্য

# নগেন শইকীয়াৰ গল্প

সুপ্ৰতিষ্ঠিত গল্পকাৰ ড° নগেন শইকীয়াৰ 'আন্ধাৰত নিজৰ মুখ' নামৰ ব্যক্তিগত গল্প-সংকলন এখন সম্প্ৰতি প্ৰকাশ পাইছে। অসমীয়া গল্প-সাহিত্যৰ এটা সুকীয়া ধাৰাৰ স্ৰষ্টা হিচাপে নগেন শইকীয়া আমাৰ পৰিচিত ; অৱশ্যে, এই বিষয়ত তেওঁ প্ৰথম নহয়। সৌৰভ চলিহা এই সুকীয়া ধাৰাটোৰ সাৰ্থক পথিকৃৎ। এই ধাৰাটোৰ পম খেদি গ'লে আমি তাৰ বিদেশী উৎসতে ওলামগৈ। সম্ভৱতঃ ইংৰাজী সাহিত্যত এটি মনস্তাত্ত্বিক ধাৰা সৃষ্টি কৰা ভাৰ্জিনিয়া উল্‌ফাৰ চিন্তা আৰু দৰ্শনেই আমাৰ এই গল্পকাৰ সকলক প্ৰেৰণা যোগাইছে।

নিঃসন্দেহে ইংৰাজী উপন্যাসৰ এটা নতুন ধাৰাৰ সৃষ্টি কৰিলে উল্‌ফে। উপন্যাসৰ ফৰ্ম আৰু গাঁথনিৰ আধুনিকীকৰণৰ বাবেই তেওঁ আন্তৰিক চেষ্টা কৰিছিল। চেতনাৰ মুক্ত প্ৰক্ৰিয়া বা চেতন মনে নাকচ কৰা প্ৰক্ৰিয়াক তেওঁ কলা ৰূপ দিছিল ; সেয়ে তেওঁৰ কীৰ্তি বুলিব পাৰি। প্ৰথম ইংৰাজী ঔপন্যাসিক ডৰথী ৰিচাৰ্ডচনেই চেতনা প্ৰবাহৰ কৌশল ব্যৱহাৰ কৰিছিল ; কিন্তু উল্‌ফৰ মনস্তাত্ত্বিক উপন্যাসৰ এটা বৈজ্ঞানিক ভিত্তিও আছিল। উল্‌ফক আকৃষ্ট কৰিছিল কাৰ্ল য়ুঙে। য়ুঙৰ মতে, প্ৰতীকবাদৰ লগত মনৰ (Psyche) সম্পৰ্ক আছে আৰু অৱচেতনত বিকশিত হোৱা প্ৰতীকী ভাৱসমূহেই মানুহৰ সকলো ধাৰণাৰ ভেটি। অৱচেতনৰ এই ধাৰণাবোৰকে তেওঁ 'আৰ্কিটাইপ' বুলিছিল– যাৰ ৰূপ সাৰ্বজনীন। চেতন মনৰ ওপৰত অৱচেতনৰ প্ৰভাৱ, 'কমপ্লেক্স তত্ত্ব'– এইবোৰৰ সম্পৰ্কেও য়ুঙৰ মতামত আছে। উল্‌ফৰ ৰচনাত এইবোৰৰ পৰোক্ষ প্ৰভাৱ আছে। এই ধৰণৰ পন্থা তেওঁ অৱলম্বন কৰাৰ আন এটি কাৰণ হ'ল সভ্যতাৰ পতন। নৈৰাশ্যবোধ, আধ্যাত্মিক অৱক্ষয়, উদ্বিগ্নতা, দিক্‌ভ্ৰষ্টতা, সৌন্দৰ্যৰ ৰুগ্ন ধাৰণা, অতীতৰ প্ৰতি আগ্ৰহ, বিশুদ্ধ কলা-প্ৰীতি– এইবোৰ আছিল উল্‌ফৰ কালৰ আধ্যাত্মিক পৰিবেশৰ লক্ষণ। এই পৰিবেশেই তেওঁক মনস্তাত্ত্বিক উপন্যাস লিখিবলৈ প্ৰেৰণা দিছিল। আত্মাৰ জীৱন অন্বেষণেই তেওঁৰ লক্ষ্য আছিল, তেওঁৰ উপন্যাসত নিৰ্দ্দিষ্ট প্লট নাই, চৰিত্ৰ-চিত্ৰণ নাই, লেখকো তাৰ মাজত নেথাকে। ব্যক্তিত্বক পুনৰ কলা ৰূপৰ সমগ্ৰতাত পাবলৈহে তেওঁ আপোন ব্যক্তিত্বক বিসৰ্জন দিয়ে। চৰিত্ৰৰ জীৱনৰ মুহূৰ্তবোৰৰ অনুষঙ্গময় চিন্তা-প্ৰক্ৰিয়াকহে তেওঁ ৰূপ দিছিল, কেতিয়াবা সেই চিন্তা-প্ৰবাহ অসংলগ্ন যেন লাগিলেও, তাৰ মাজত একোটা কল্পচিত্ৰই যোগসূত্ৰ ৰক্ষা কৰা যেন অনুভৱ হয়। দেখাত তেওঁ বাস্তৱৰ প্ৰতি উদাসীন, কিন্তু দৰাচলতে চিন্তা-স্ৰোতৰ মাজত বাস্তৱৰ জিলিঙনি নথকা নহয়। অন্তৰ্জীৱনৰ চিন্তা-প্ৰক্ৰিয়া উদঙাই দেখুওৱা সেই স্বপ্নময় পৰিবেশত, সময়ো বহিৰঙ্গ (External) আৰু অন্তৰঙ্গ (Inner) দুটা ভাগত ভাগ হৈ যায়। অন্তৰঙ্গ সময়ত অতীত-বৰ্তমান ওত-প্ৰোত হৈ পৰে।

নগেন শইকীয়াৰ গল্পৰ কলাতো এনে ধৰণৰ ধ্যান-ধাৰণাৰ ছিটিকনি পৰিছে। অৱশ্যে, উল্‌ফক তেওঁ অনুকৰণ কৰা নাই,– কাৰণ উল্‌ফ অননুকৰণীয়। তথাপি, তেওঁৰ ৰচনাত পৰা এটা আকস্মিক বা ক্ষণিক দৃষ্টিয়েও আমাৰ লেখকক আকৃষ্ট কৰিব পাৰে, এই কথা বিশ্বাসযোগ্য। প্ৰতিভাবান লেখকক সেই অকণমান দৃষ্টিয়েই নিজৰ পথ ৰচনা কৰিবলৈ প্ৰেৰণা যোগায়। কেতিয়াবা এটা সামান্য স্ফুলিঙ্গই প্ৰতিভাৰ জুই জ্বলাই তোলে।

নগেন শইকীয়াৰ 'আন্ধাৰত নিজৰ মুখ' নামৰ গল্প সংকলনত সৰ্বমুঠ কুৰিটা গল্প আছে। এই গল্পবোৰত গতানুগতিক প্লট, চৰিত্ৰ, ট্ৰেজিক বা কমিক পৰিস্থিতি– এইবোৰ পাবলৈ নাই ; গল্প যেন অভিজ্ঞতাৰ জটিলতাৰ পুনৰ্নিৰ্মাণহে,– আৰ্ণল্ডে কোৱাৰ দৰে তাক 'জীৱনৰ সমালোচনা' বুলিও ক'ব নোৱাৰি। অভিজ্ঞতাৰ ছাঁ-পোহৰক ধৰি ৰখাৰ বাবেই গল্পক আমি সজাব লাগিব। এই প্ৰত্যয়েই শইকীয়াৰ গল্পবোৰৰ উৎস হৈ পৰিছে। সকলো ধৰণৰ অভিজ্ঞতাক এইদৰে ধৰি ৰখাৰ সীমাবদ্ধতাও আছে। সম্ভৱতঃ ইয়াত ফৰ্মহে প্ৰধান হৈ উঠে– অৰ্থাৎ ই ঘাইকৈ এটা আঙ্গিকৰ নিৰ্মাণ হোৱাৰ সম্ভাৱনাই বেছি। এই সীমাবদ্ধতা সত্ত্বেও শইকীয়াই জীৱনৰ ষাড় গৰুৰ কাষত থিয় দিছে। অৱশ্যে তেওঁ তাৰ শিঙত ধৰিব খোজা নাই। প্ৰতিবাৰেই ষাড় গৰুটো কাষেদি পাৰ হৈ গৈছে ; তাতেই তেওঁ সন্তুষ্ট। ইও এক দৃষ্টিভঙ্গী। আমি এই দৃষ্টিভঙ্গীকো নাকচ কৰিব নোৱাৰো, কিয়নো তাতো বাস্তৱ সত্যৰ গোন্ধ নথকা নহয়। তদুপৰি গতানুগতিকতাৰ পৰা আঁতৰি এটি অভিনৱ ৰীতিৰ কলা ৰূপ দিওঁতে শইকীয়াই যি আন্তৰিকতা দেখুৱাইছে সি নিশ্চয় প্ৰশংসনীয়। আনহাতে, এই কৌশলে পাঠককো ৰচনাৰ কাষ চপাই আনে আৰু তাৰ তাৎপৰ্যত দীক্ষিত কৰিব পাৰে। প্ৰথম গল্পটোৱেই তাৰ বিশিষ্ট উদাহৰণ ; 'মজিদ ছাৰ'– এটা মেটাফ'ৰ, এটা ৰূপক,– সততাৰ প্ৰতিভূ, ............. সেই সততাৰ আজি মৃত্যু ঘটিছে, তাৰ ঠাই লৈছে ভণ্ডামিয়ে। ব্যঞ্জনাৰ এই বৈপৰীত্যই যি কোনো সহৃদয় পাঠকক আকৃষ্ট কৰিব। বিপুলৰ অভিজ্ঞতা আৰু অন্তৰ্জীৱনৰ উন্মোচনৰ মাজত 'মজিদ ছাৰ' সততাৰ প্ৰতিমূৰ্তি হৈ যে ধৰা দিছে– এই কথা আগ্ৰহী পাঠকে সহজে উপলব্ধি কৰিব। আন এটি ভাল গল্প 'অসময়'ত অৱশ্যে ৰূপকৰ ব্যৱহাৰ নাই, কোনো যুক্তি-পৰম্পৰা থকা বৰ্ণনাও নাই,– তাত ফুটি উঠিছে বিগত যৌৱন প্ৰেমিক-প্ৰেমিকাৰ যৌৱন-ধন হেৰুওৱাৰ অন্তৰ্ভেদী হাহাকাৰ– সকলো আছে, গাড়ী আছে, ঘৰ আছে– কিন্তু যি অৱস্থাত কামনাৰ পলাপ পল্লৱিত হৈ উঠে, সেই অৱস্থাটো তেওঁবিলাকে ইতিমধ্যে অতিক্ৰম কৰিছে,– যদিও নিজ নিজ পৰিয়ালৰ বাবে উভয়ৰে অশেষ ত্যাগো আছে। ত্যাগ আৰু কষ্টৰ পিছত যেতিয়া বৈষয়িক ভাবে নিশ্চিন্ত হ'ল, তেতিয়াই তেওঁলোকে আৱিষ্কাৰ কৰিলে,– এক বিৰাট শূন্যতা– বয়সৰ ভাৰে অনা দেহ-মনৰ ক্লান্তি; সেই অৱস্থাত প্ৰেমৰ শতদল আৰু নুফুলে। এই উপলব্ধিৰ মুহূৰ্তটোৰ ছবি 'অসময়ত' সুন্দৰকৈ দাঙি ধৰা হৈছে। বাস্তৱ-সত্যক স্পৰ্শ কৰি যোৱা আৰু দুই-চাৰিটা গল্প আমাৰ ভাল লাগিছে। তাৰ ভিতৰত 'জোনাকীৰ জুই', 'মৃত্যুৰ উত্তাপত', 'মুখাৰ পিছফালে' আদি উল্লেখযোগ্য। তুলনামূলক ভাবে অৱহেলিত শোষিত মানুহৰ চমকপ্ৰদ সততাৰ, আভিজাত্যৰ দম্ভ আৰু অপমানিত নিম্নবিত্তৰ যন্ত্ৰণা আৰু ক্ৰোধৰ মাজত থকা বৈপৰীত্যৰ মুখা পিন্ধাসকলৰ কপটতাৰ বিপৰীতে সাধাৰণ লোকৰ বিফল আশা-আকাংক্ষাৰ মুহূৰ্ত উদ্ভাসিত হৈ উঠিছে এই গল্পবোৰত। অৱশ্যে, নকলেও হব, এইবোৰতো গতানুগতিক বৰ্ণনা নাই, আছে চৰিত্ৰৰ মনোজগতৰ ইঙ্গিত, আৰু তাতেই মুহূৰ্তৰ অভিজ্ঞতাও নান্দনিক হুবলৈ উঠিছে। গল্পবোৰৰ মানৱীয় ব্যঞ্জনাই গল্পবোৰলৈ সৌন্দৰ্য আনিছে। 'জোনাকীৰ জুই'ত ৰিক্সাৱালাটোৱেই জোনাকী, তাৰ অপূৰ্ব সততাই হ'ল জুই– এই জুইৰ পোহৰেই গল্পটোৰ অসংলগ্ন চিত্ৰবোৰৰ সংযোগ-সূত্ৰ। 'মৃত্যুৰ উত্তাপ'ত পুত্ৰৰ মৃত্যুত শোকাতুৰ, অভিজাত আত্মীয়ৰ দ্বাৰা অপমানিত গোলাপৰ মনৰ বিষণ্ণতা, যন্ত্ৰণা আৰু শেষ মুহূৰ্তৰ ক্ৰোধৰ জুইত গল্পটোৰ প্ৰতিপাদ্য স্পষ্ট হৈছে। সেইদৰে 'মুখাৰ পিছফালে'ও যে অৱহেলিত চাকৰণীৰ আশা-আকাংক্ষা থাকিব পাৰে এই ইঙ্গিতেই গল্পটোৰ নান্দনিক দিশ সম্পূৰ্ণ কৰি তুলিছে। গল্পটোত সামান্য ব্যঙ্গৰ ছিটিকনিও আছে।

কিছুমান গল্পৰ আঙ্গিক সুকীয়া ধৰণৰ। 'কাঠ-সংস্কাৰ' এটা কথা কবিতা যেন লাগে, অথচ সি কথা কবিতা নহয়, কিন্তু লেখকৰ কাব্যিক সত্তাক কলাৰ সমগ্ৰতাত ধৰি ৰখাৰ প্ৰমাণ তাত আছে। বৃদ্ধ কেইজনে অতীত জীৱনৰ নিদৰ্শন, ঈশ্বৰ-বিশ্বাস আৰু বিশ্ব-বীক্ষা হেৰুৱাইছে, আৰু অনুভৱ কৰিছে চৌপাশে জুইৰ পোৰণি– সকলো পুৰি যেন ছাই হৈ গৈছে ; গছ-ফুল গজিলেও, শিশুৰ হাঁহি থাকিলেও লাভ একো নাই, কিয়নো, সমগ্ৰ পৰিবেশ মৃত্যুৰ দৰে বিবৰ্ণ আৰু নিষ্প্ৰাণ হৈ পৰিছে। 'চহৰৰ মন' গল্পটোত বাস্তৱৰ কথা দেখাত একো নাই যেন লাগিলেও, তাত বহিৰ্বাস্তৱ আহি ব্যক্তিৰ চিন্তা-প্ৰক্ৰিয়াত সোমাই নানা অনুষঙ্গৰ ৰূপত ধৰা দিছে। তাত বহিৰঙ্গ সময় যেন স্থিৰ, কিন্তু বোৱতী নিজৰা, গোহাঁই দেউতা আৰু শিশুৰ মিলনৰ দৃশ্য– এইবোৰে সময়ক অন্তৰঙ্গভাবে গতিশীল কৰিছে আৰু অতীত-বৰ্তমানৰ মিলন সম্ভৱ কৰি তুলিছে।

'অন্তিম অপেক্ষা', 'আকাংক্ষিত শব্দৰ প্ৰতীক্ষাত', 'আন্ধাৰত নিজৰ মুখ'– এইবোৰ গল্পৰ আঙ্গিক চেতনা প্ৰবাহৰ অন্য ৰূপ বুলিব পাৰি। 'অন্তিম অপেক্ষা' নামৰ গল্পক শইকীয়াই অৱশ্যে গল্পাংকিকা আখ্যা দিছে কিয়নো ইয়াত 'Inner monologue' প্ৰয়োগ কৰা হৈছে আৰু তাৰ জৰিয়তে পৰিবেশৰ ইঙ্গিতো দিয়া হৈছে। গল্পটোৰ গাঁথনি নাটকীয় ; তাত আছে আপাত অসংলগ্ন অন্তৰঙ্গ সংলাপ, তাৰ মাজত প্ৰতিফলিত হৈছে পৰাধীনতাৰ বিৰুদ্ধে সংগ্ৰামী মনোভাব, শাসকৰ নিৰ্মমতাৰ বিপক্ষে প্ৰতিবাদী সুৰ– আনহাতে যুদ্ধ বা ৰক্তপাতৰ প্ৰতি অনীহা (যুদ্ধ বন্ধ কৰিবলৈহে এই যুদ্ধ)– এইবোৰৰ অন্তঃস্ৰোত হিচাপে প্ৰবাহিত হৈছে প্ৰেম- যাৰ বাবে চৰিত্ৰ দুটা অন্তিম অপেক্ষাত কাল কটাইছে। কিয়নো, নৰ-নাৰীৰ প্ৰকৃত প্ৰেমেই সকলো উদ্যমৰ উৎস স্বৰূপ। 'এটা আকাংক্ষিত শব্দৰ প্ৰতীক্ষাত' নামৰ গল্পটোত Inner monologue-ৰ প্ৰয়োগ কৰা হৈছে আৰু এজন একাগ্ৰী বেমাৰত ভোগা মানুহৰ অন্তৰ্জীৱনৰ ব্যাকুলতাক ভাষাৰ একীভূত গাঁথনিত ৰূপ দিয়া হৈছে ; তাত ফুটি উঠিছে হৃদয়ৰ ধৰ্মেৰে জীৱনক উজ্জীৱিত কৰাৰ বিমূৰ্ত আকাংক্ষা। আপাত দৃষ্টিত লেখকৰ ব্যক্তিত্বৰ আভাস পোৱা নাযায় যদিও কলা সুলভ সমগ্ৰতাত লেখকৰ জীৱন ধৰ্মী আকাংক্ষা প্ৰচ্ছন্ন হৈ আছে। গল্পটো অসমীয়া পাঠকে গল্প বুলি গ্ৰহণ কৰে নে নকৰে সন্দেহ, কিন্তু শইকীয়াৰ পৰীক্ষা নিৰীক্ষা আমি উপেক্ষা কৰিব নোৱাৰো। শেষ গল্প 'আন্ধাৰত নিজৰ মুখ' দহোটা অনুচ্ছেদত বিভক্ত, শেহত 'উপসংহাৰ' এটাও সন্নিবিষ্ট কৰা হৈছে। কলেজৰ চাকৰি এৰি আৰ্মড ফৰ্চত সোমোৱা যুৱকৰ স্বাধীন সত্তা হেৰুওৱাৰ দুঃস্বপ্নৰ মাজত শৈশৱৰ ভয়াবহ অভিজ্ঞতা নানা অনুষঙ্গ আৰু কল্পচিত্ৰৰ মাজেদি পুনৰ মূৰ্ত হৈ উঠিছে আৰু যন্ত্ৰবৎ জীৱনৰ পৰিসমাপ্তি ঘটাৰ আভাসেৰে গল্পৰ সামৰণি পৰিছে। গল্পটোত জীৱন সম্বন্ধে থকা দুঃসহ বিভ্ৰান্তি আৰু অসন্তুষ্টিয়েই বিভিন্ন খণ্ডৰ যোগসূত্ৰ হৈছে। আনহাতে, এনে অসন্তুষ্টি আৰু নৈৰাশ্যৰ মাজতো শৈশৱৰ সৰল জীৱনমুখিতাও প্ৰকাশ পাইছে। শৈশৱৰ 'কমপ্লেক্স'ৰ ব্যৱহাৰ গল্পটোৰ অন্যতম বৈশিষ্ট্য।

এইবোৰ গল্পৰ বাহিৰেও, 'বিভ্ৰান্ত সংলাপ', 'মোক শুবলৈ দিয়া' আদি উল্লেখযোগ্য ৰচনা। 'মোক শুবলৈ দিয়া'ত প্ৰচ্ছন্ন ব্যঙ্গও আছে। আমি উল্লেখ কৰা গল্পৰ বাহিৰেও পুথিখনত আৰু গল্প আছে। সেই আটাইবোৰেই উৎকৃষ্ট ৰচনা বুলি ক'ব নোৱাৰি, তথাপি সেইবোৰতো শইকীয়াৰ স্বকীয় দৃষ্টিকোণ আৰু অগতানুগতিক আঙ্গিক ধৰা পৰিছে।

শইকীয়াই সম্ভৱতঃ ধাৰণা কৰে, জীৱনটো ক্ষুদ্ৰ ক্ষুদ্ৰ মুহূৰ্তৰ সমষ্টি আৰু এইবোৰৰ একোটা অৰ্থও আছে। গল্পৰ ভাষা সম্পৰ্কেও তেওঁ সচেষ্ট– ভাষিক সমগ্ৰতাৰ লগত তেওঁৰ জীৱন বীক্ষাও ওত-প্ৰোতভাবে জড়িত হৈছে। জীৱন সম্পৰ্কে তেওঁ অসন্তুষ্ট, নৈৰাশ্যৰ মনোভাবো তেওঁৰ আছে। লগতে পৰিবেশৰ বাস্তৱ তেওঁৰ চিন্তা-প্ৰক্ৰিয়াত অনুষঙ্গৰ ৰূপত প্ৰকাশিত হৈছে। এই ৰীতিৰ সীমাবদ্ধতা আছে, ইয়াত ভৱিষ্যত সম্বন্ধে কৌতূহল কম। তথাপি অসমীয়া গল্প-সাহিত্যত এই বৈচিত্ৰ্য উপভোগ্য আৰু তাৎপৰ্যপূৰ্ণ।

দুই এটা প্ৰকাশভঙ্গীত আঁসোৱাহ থকা যেন লাগে। 'আমাৰ বাবে মানুহ কি কেৱল পৰিসংখ্যা আৰু ৰাজনৈতিক ডবা খেলৰ গুটি'– এই প্ৰকাশভঙ্গী বঙলুৱা বুলি ক'ব পাৰি। 'কি'-ৰ ঠাইত 'জানো' ব্যৱহাৰ কৰিলে ঠাঁচটো অসমীয়া হব। ইয়াৰ বাহিৰেও, 'সিঁচৰতি' শব্দটো ক'ৰবাত ক'ৰবাত 'সিচৰিত' হৈছে। এইটো ছপাৰ ভুলো হব পাৰে। এনেবোৰ সামান্য আসোঁৱাহ বাদ দিলে, শইকীয়াৰ 'আন্ধাৰত নিজৰ মুখ' অন্তৰাত্মাৰ সংগীত যেন হৈ পৰিছে আৰু এই সংগীতত প্ৰচ্ছন্নভাবে পৰিবেশজনিত দ্বন্দ্বও উদ্ভাসিত হৈছে। এটা নৈৰাশ্য বা বিষণ্ণতাৰ সুৰ থাকিলেও, সি সময়ৰে দান বুলিব পাৰি। শইকীয়াৰ এই আঙ্গিক ইউৰোপৰ প্ৰথম মহাসমৰৰ কালৰে, সেইবাবে শইকীয়াৰ দক্ষ হাতত দেশ-কাল-পাত্ৰৰ আধাৰত নতুন দিশ উন্মোচিত হব বুলি আমি আশা কৰিছো।

পুথিখনে পাঠকৰ হাতত আদৰ পাব বুলিয়েই আমি বিশ্বাস কৰিছো।

'আন্ধাৰত নিজৰ মুখ'
ড° নগেন শইকীয়া
*প্ৰকাশক ঃ সাহিত্য প্ৰকাশ*
*ট্ৰিবিউন বিল্ডিংছ*
*গুৱাহাটী–৩*

# টি, এচ, খাৰমফলঙ

মনোৰমা বৰুৱা

মহা মহা পুৰুষৰ চানেকিৰে জীৱনৰ

□ □ □

কিন্তু যাৰ কথা ক'ব খুজিছো তেওঁ কোনো মহাপুৰুষ নহয়। নহয় কোনো ঐতিহাসিক, মহিমামণ্ডিত চৰিত্ৰ। তেওঁৰ চৰিত্ৰ, তেওঁৰ আদৰ্শ লৈ তেওঁৰ অতি ঘনিষ্ঠ নিকটতম আত্মীয় বন্ধুৱেও কেতিয়াবা অৱসৰৰ মুহূৰ্তত ভাবিছে বুলিও মই নেজানো। অথচ তেওঁ আৰু তেওঁৰ জীৱন কি যে এক অপূৰ্ব ত্যাগৰ মহিমাৰে উজ্জ্বল সেইটো তেওঁৰ সান্নিধ্যলৈ অহা প্ৰতিজনেই অনুভৱ কৰিব পাৰে। তেওঁৰ হৃদয়ৰ গভীৰতালৈ যিজনেই এবাৰ ভুমুকি মাৰিব পাৰিছে তেওঁহে অনুভৱ কৰিব পাৰিব, কি অমৃতৰ আস্বাদ তেওঁ পাইছে। কিন্তু আধুনিক জীৱন, যান্ত্ৰিক সভ্যতাৰ কোলাহলৰ মাজতে ক্ষন্তেক থমকি তেওঁৰ মায়া মমতা স্নেহৰ মণিমুকুটাবোৰ তুলি ল'বলৈ সময় হয়তো কাৰো নাই। কোনোবাই দেখিছে, অনুভৱ কৰিছে যদিও তেওঁৰ হৃদয়ৰ এই অমূল্য সম্পদৰ সঠিক মূল্যায়ন কৰিবলৈ জনা নাই।

মানুহজনৰ নাম টি, এচ, খাৰমফলঙ। এজন অতি সাধাৰণ সহজ-সৰল খাচীয়া ভদ্ৰলোক। শ্বিলঙৰ মালকী পাহাৰৰ শিখৰত ঘৰ। সাধাৰণ জীৱনযাত্ৰা। লগত থাকে একমাত্ৰ ভনীয়েক, – যাক আমি মাতো কং'ডু বুলি (Doh)। কং মানে বাইদেউ, "ডু" অৰ্থাৎ পৰিয়ালৰ কনিষ্ঠা কন্যা। খাৰমফলঙ আমাৰ সকলোৰে মামা। (খাচীলোকক সম্বোধন কৰোতে সাধাৰণতে সকলোৱে "মামা" বুলিয়েই কৰে) মামাৰ বয়স এতিয়া সত্তৰ কিম্বা বাসত্তৰ। "ডু"-ৰ বয়সো বোধকৰো সত্তৰৰে পদুলিত। আপোন বুলিবলৈ দূৰৈৰ খাচী গাঁৱত কৰবাত কোনোবা হয়তো আছে।



দেশে দেশে পাহাৰে ভৈয়ামে এনেকুৱা যদি আৰু এজন টি, এচ, খাৰমফলঙ থাকিলেহেঁতেন, আজিৰ ব্যৱসায়িক তথা কৃত্ৰিম মূল্যবোধৰ দিনতো আৰু মোৰ দৰে কোনোবাই যদি তেওঁলোকক 'মামা' বুলি মতাৰ সৌভাগ্য অৰ্জন কৰিলেহেঁতেন,– সংহতিৰ আলোচনাচক্ৰ, বিজ্ঞাপন নেলাগিলেহেঁতেন

সকতেই মামা আৰু "ডু"-ৰ মাক-দেউতাক ঢুকাইছিল। পিতৃ-মাতৃৰ বিয়োগৰ সময়ত মামা নিজেই আছিল অকণমান ল'ৰা এটা। ডু অৰ্থাৎ সৰু এই অকণমান ভনীয়েকক কোলাই বোকোচাই লৈ মামাই ডাঙৰ দীঘল কৰিলে। সময় আগবাঢ়িল। মাতৃতান্ত্ৰিক খাচী সমাজৰ এটা উল্লেখযোগ্য ৰীতি হ'ল– বিয়াৰ পিছত দৰা গুচি যাব লাগে কইনাৰ ঘৰলৈ। শহুৰৰ ঘৰলৈ। মামাৰ উপযুক্ত বয়সত যেতিয়া বিয়া-বাৰুৰ কথা আহিল, প্ৰথম চিন্তা হ'ল, বিয়া কৰাই ঘৰ এৰি আহিলে কং'ডু (সৰু ভনীয়েকক) কাৰ হাতত গটাই থৈ আহিব? কোনে চাব ভনীয়েকক? কোনে লব দায়িত্ব? দায়িত্ব দিবলৈ মানুহ বিচাৰোতে, আগ-পাছ ভাবোতেই আঙুলিৰ ফাঁকেৰে পানী সৰকি যোৱাৰ দৰে সময় সৰকি গ'ল। বয়স সৰকি গ'ল। বহুদিনৰ মূৰত দাপোণত মুখ চাওঁতে হঠাতে আৱিষ্কাৰ কৰিলে মূৰৰ চুলিবোৰত বৰফৰ চামনি পৰিল। বেছিখিনিয়েই ৰূপালী ৰঙৰ। ৰৈ গ'ল মামা। দায়িত্ব আৰু জীৱিকা লৈ। মামাই এটা সাধাৰণ চৰকাৰী চাকৰিও কৰিছিল।

আমাৰ দেউতাই ভাড়া ঘৰ এটা লৈছিল মাল্কী পাহাৰৰ ওপৰত খাচী গাঁৱত। ওচৰত গোটেই খিনিয়েই খাচী লোকৰ ঘনবসতি। মা তেতিয়া নতুন কইনা। ওচৰতে 'ডু আৰু মামাৰ ঘৰটো। কোনে জানো, মামাহঁতক মাৰ শহুৰৰ ঘৰৰ ভূমিকা এটা দি দিলে। দিলে দায়িত্ব। তেতিয়া মোৰ জন্ম হোৱাই নাছিল। মাৰ সুখ-দুখ সংসাৰৰ সঙ্গী হ'ল এই হাল মানুহ। জাত-পাত ভাষাৰ অমিল। পৰস্পৰে পৰস্পৰক প্ৰথম অৱস্থাত ভাব-ভঙ্গীৰ মাধ্যমেৰেহে ভাব বিনিময় কৰিবলৈ সমৰ্থ হৈছিল কোনোমতে। দেউতা চাকৰি লৈ বৰ বেছি ব্যস্ত থাকিব লগীয়া হৈছিল। ফলত নিৰ্বান্ধৱ প্ৰবাসত মা আছিল অকলশৰীয়া। বয়সো আছিল তেনেই কম। কিন্তু এইহাল মানুহে চৰায়ে পোৱালি ৰখাৰ দৰে মৰম-চেনেহৰ উমেৰে ঢাকি ৰাখিলে মাক। সংসাৰলৈ আহিলো মই। 'নতুন মাতৃ' মাৰ নানান সমস্যা অজ্ঞতা। বন্ধু বুলিবলৈ সহায় বুলিবলৈ মাত্ৰ এওঁলোক। তেওঁলোক দুজনতো আৰু অনভিজ্ঞ। সংসাৰ-সন্তান, সমস্যাৰ কিয়েই বা জানে? মা-দেউতা, মা-'ডু চাৰিজনৰ মই নতুন আলহী। মামাৰ দায়িত্ব বাঢ়িল। বাঢ়িল ব্যস্ততা। মামাৰ কোলাতেই পাৰ হয় দিনটোৰ বেছিখিনি সময়। এইদৰেই দিন পাৰ হৈ যাব ধৰিলে। মোৰ হেনো তেতিয়া বয়স আঢ়ৈ বছৰমান। মাত ফুটিছে। ঠেং গজিছে। ইঘৰৰ পৰা সিঘৰ, ইখন চোতালৰ পৰা সিখন চোতাল ঘূৰি ফুৰাই দিনটোৰ কাম। বিচাৰি আনি মাৰ হাতত গোটোৱাটো মামাৰ দায়িত্ব। তেনেকুৱা এটা দিনতে দেউতাৰ বন্ধু কোনোবাই জোকালে হেনো মোক, "খাচীয়া মামাক ইমানেই ভাল পোৱা যদি তাতেই থাকিবা।" মই মামাৰ শাসনত বন্দী হৈ আছিলো। মই হেনো উত্তৰ দিছিলো "মোৰ মামা খাচীয়া নহয়। মামা অসমীয়া।" আঢ়ৈ বছৰীয়া ছোৱালীজনীৰ সেইটো একো মনত ৰাখিব লগীয়া বা ধৰি থবলগীয়া উক্তি নহয়। সৰু ল'ৰা-ছোৱালীক সাধাৰণতে বিভিন্ন কথাত মানুহে জোকায়েই। কোনোবাই কান্দে। কোনোবাই মুখখন ফুলায়। কোনোবাই বিসঙ্গতিপূৰ্ণ কিবা এটা উত্তৰ দিয়ে। কিন্তু সেই সাধাৰণ সৰু উত্তৰটোৰে, এজনী সৰু ছোৱালীৰ মাজেৰে খাচীয়া মামাই গোটেই অসমীয়া জাতিটোকে ভাল পাই পেলালে, সমগ্ৰ সত্তাৰে। বৰ গভীৰভাৱে। দিন গৈ থাকিল। সিদিনাৰ সৰু 'মই' আজি আৰু 'সৰু' হৈ থকা নাই। কিন্তু শৈশৱৰ সৰু ধেমালিৰ শিপাই মামাৰ বুকুখন খান্দি খান্দি বহুত দলৈ, গভীৰলৈ গৈ থাকিল। যেতিয়া পাহাৰ ভৈয়ামৰ মানুহৰ মাজত ভুল বুজাবুজি, মনান্তৰ ঘটিবলৈ ধৰিছিল, মামাই দুখ পাইছিল। সেই দুখে মামাক খুলি খুলি খাইছিল। মামাৰ নো কিমান ক্ষমতা? তথাপিও ওচৰ-চুবুৰীয়া খাচীয়া মানুহক, অসমীয়া মানুহক বুজাইছিল। অসন্তোষৰ ডাৱৰে মেঘালয়ৰ নীলা আকাশ তেতিয়া ক'লা কৰিছিল। তেতিয়া পৰস্পৰৰ মাজত ভ্ৰাতৃত্ববোধ, মৰম, প্ৰীতিৰ ভাব জগাই তুলিবলৈ মামাই হাবাথুৰী খাই ফুৰিছিল। কিন্তু মন যেতিয়া ভাঙে, ভাঙেই আৰু। নৈৰ পাৰৰ গৰাৰ দৰে খহি যায় প্ৰেম, প্ৰীতি, বিশ্বাস আশ্বাস। সকলোৱেই আত্মহাৰা হয় ধ্বংসৰ খেলাত।

সুকীয়া মেঘালয় ৰাজ্যৰ দাবীত মেঘালয়ৰ পাইনৰ বতাহ উত্তাল। খাচী আৰু অখাচী মানুহৰ মাজত অবিশ্বাস, ভুল বুজাবুজি। সন্ত্ৰাসৰ ৰাজত্ব চাৰিওফালে। তেতিয়াও সেই সাধাৰণ মোৰ খাচীয়া মামাৰ একেই উক্তি– "এইটো বৰ বেয়া কথা হৈছে। ডেকা ল'ৰাবোৰে ভুল কৰিছে, ভায়ে ভায়ে কাজিয়া কৰি। ভৈয়ামৰ মানুহ গুচি যাব নিজৰ ঠাইলৈ য'ত নদী আছে, মাটি আছে, আকাশ আছে। কিন্তু আমি থাকিম কাক লৈ? পুতেকহঁতে নিজৰ বলত বলিয়ান হৈ ইটোৱে সিটোৰ হাত ভৰি ভাঙি নিওঁতে মাকজনীৰ দশা কি হব ইহঁতে ভাবি চোৱা নাই।" মেঘালয়ৰ মানুহে নিজৰ ভালৰ কাৰণে, নিজৰ অস্তিত্ব ৰাখিব খোজা প্ৰচেষ্টাক হয়তো মামাই বেয়া পোৱা নাছিল, কিন্তু পাইছিল প্ৰচেষ্টাৰ ধৰণটো। বেয়া পাইছিল পৰস্পৰৰ মাজত অবিশ্বাস, ৰক্তক্ষৰণ। কাৰণ মামাৰ মতে মানুহ খাচীয়া বা অসমীয়া নহয়। মানুহ মানুহেই। কাৰোবাক দেশ লাগে, ভাষা লাগে ভাল কথা, কিন্তু মানুহৰ খোজাৰ ভাষাটোও মানুহৰ দৰে হব লাগে। নখ শিং থকা হিংস্ৰ জন্তুৰ ভাষা আৰু মানুহৰ ভাষা জানো একে?

সংহতিৰ বিজ্ঞাপন, শ্লোগান, বেনাৰ বিভিন্ন ধৰণৰ বহুত দেখিছো কিন্তু আজিলৈ দেখা নাই মামাৰ দৰে বা ধৰণেৰে জীৱন্ত সংহতি, সম্প্ৰীতিৰ অপৰূপ ৰূপ। মামাৰ জীৱনৰ মাজেৰে সংহতিৰ অনন্য ৰূপ দেখি মই ধন্য।

সীমা ভাগ হ'ল। মানুহ ভাগ হ'ল। পাইনৰ সেউজ আৰু মেঘালয়ৰ নীলাভ এৰি অসমীয়া মানুহ নামি আহিল সমতললৈ। মামাহঁত ৰৈ গ'ল।

কিন্তু আজিৰ তাৰিখতো মামা হৈ ৰ'ল অসমীয়া আৰু খাচীয়া মানুহৰ সম্প্ৰীতিৰ সাঁকো। ১৯৭২ চনৰ পিছত আমি আহি গুৱাহাটী পালোহি। তাৰ পিছত এনেকুৱা এটা মাঘৰ বিহু নাই, যিটো বিহুত মেজিৰ জুইৰ ওচৰত মামা আহি থিয় হোৱা নাই? আমি মামাৰ ভৰি চুই সেৱা কৰি আশীৰ্বাদ লৈ চাহ খোৱা নাই। এনে এটা বহাগ নাই, যিটো বহাগৰ প্ৰথম পুৱাতে প্ৰথম গামোচা আমি মামাক পিন্ধাই দিয়া নাই। নাজানো কেলেন্দাৰত ডিচেম্বৰ, জানুৱাৰী অথবা এপ্ৰিল মাহৰ তাৰিখবোৰ সঠিক ভাবে কেনেকৈ বুজে মামাই মাঘ বা বহাগ বুলি। কিন্তু সঠিক তাৰিখৰ সঠিক মুহূৰ্তত মামা পাহাৰৰ পৰা নামি আহে অসমীয়া মানুহলৈ এবুকু মৰম আৰু শুভকামনা লৈ।

ঘৰত হোৱা নাৰায়ণ পূজাৰ পাঁচালি, লক্ষ্মীপূজাৰ নাম মন দি শুনি শান্তিপানী হোমৰ ফোঁট লবলৈ মূৰটো আগবঢ়াই দিয়ে। অথচ মন্ত্ৰ দূৰৰ কথা, মামাই অসমীয়া ভাষাও ভালকৈ নাজানে। আমাৰ মাজত ভাব বিনিময়ৰ মাধ্যম অসমীয়া বা খাচী নহয়– ইংৰাজী। আনকি আজিলৈকে এইটোও আমি নেজানো সঁচাকৈ মামাৰ নিজৰ ধৰ্ম কি? মামাক চাৰ্চলৈ যোৱা মই দেখা নাই। দেখা নাই মন্দিৰলৈ যোৱা। সুধিলে হাঁহি হাঁহি বুকুখন দেখুৱাই দি কয়,– ধৰ্ম মোৰ গীৰ্জাতি, মন্দিৰত নাই। বুকুৰ ভিতৰতহে মোৰ ভগৱানৰ ঘৰ। এতিয়াও মোক জোকায়, "ধৰিবই নোৱাৰো বুজিছ, ভগৱান মোৰ হিন্দু নে খৃষ্টিয়ান? অসমীয়া নে খাচীয়া।

মামাৰ ওচৰ-চুবুৰীয়াৰ ওচত এটাই পৰিচয় বা' (Bah) অৰ্থাৎ ককাইদেউ। কাৰোবাক নিশা পৰ দিবলৈ 'নজৰথ হস্পিতালত থাকিব লগীয়া হ'ল তাতো 'বা' অৰ্থাৎ মামা। কাৰোবাৰ ক'বৰলৈ গৈ শেষ কাম কৰি আত্মাৰ শান্তিৰ বাবে প্ৰাৰ্থনা কৰিব লগা হ'ল তাতো 'বা'।

দেশে দেশে পাহাৰে ভৈয়ামে এনেকুৱা যদি আৰু এজন 'টি, এচ, খাৰমফলঙ থাকিলেহেঁতেন, আজিৰ ব্যৱসায়িক তথা কৃত্ৰিম মূল্যবোধৰ দিনতো আৰু মোৰ দৰে কোনোবাই যদি তেওঁলোকক 'মামা' বুলি মতাৰ সৌভাগ্য অৰ্জন কৰিলেহেঁতেন,– সংহতিৰ আলোচনা চক্ৰ, বিজ্ঞাপন নেলাগিলহেঁতেন। জীৱন সুন্দৰ হ'লহেঁতেন তাতোকৈয়ো, যিমান সুন্দৰ হব পাৰে। সূ

# চেলুন পৰ্ব

ঘনকান্ত লস্কৰ

সূত্ৰধাৰৰ কোনো এটা সংখ্যা ৰাজীৱ গান্ধীৰ হত্যা সম্পৰ্কে লেখা মোৰ প্ৰবন্ধবোৰত এখন চেলুনৰ কথা উল্লেখ কৰিছিলো। ৰাজীৱ গান্ধী হত্যাৰ আগদিনা (১০/৫/৯১) জগন্নাথে তাৰ কেঁচিৰ লগতে মুখেদি মহাত্মা গান্ধীৰ হত্যাৰ পৰা আৰম্ভ কৰি তাৰ বিহাৰত নিৰ্বাচনত হোৱা হত্যাৰ কাহিনী চলাইছিল। ৰাজীৱ গান্ধীৰ হত্যাৰ ভৱিষ্যত্‍বাণী কৰা নাছিল; কিন্তু হিন্দু্স্তানত কোনো নেতা সাৰি যাব নোৱাৰিব বুলি অভিমত দিছিল। আৰু অভিমতটো পিছদিনাই ৰাজীৱ গান্ধীৰ গাতে ফলিয়ালে।

জগন্নাথ কোনো দাৰ্শনিক পণ্ডিত বা জ্যোতিষী নহয়। চেলুনত দাড়ি-চুলি কাটি পেট প্ৰৱৰ্তায়। জগন্নাথৰ নিচিনা বহুত সাধাৰণ মানুহ আছে যাক আনুষ্ঠানিক শিক্ষাৰ মাপ-কাঠিত শিক্ষিত বুলি ক'ব নোৱাৰি। কিন্তু তেওঁলোকে স্বাভাৱিক প্ৰবৃত্তিতেই জীৱনৰ গভীৰ তত্ত্ব অনুভৱ কৰে। ঘটনা প্ৰবাহৰ উমান তেওঁলোকে কুটিল তৰ্কৰে নহয় স্বাভাৱিক প্ৰবৃত্তিতেই অনুভৱ কৰে।

"ওমৰকা বাত হ্যেই – বাজাৰমে নেমখকা কিয়া ভাও যো নেহি জানতা ওৱে কিয়া দেশ চালায়েগা" – এই বুলি জগন্নাথে চুলি কটা পৰ্ব আৰম্ভ কৰিলে। বিহাৰৰ মানুহ হিচাপে ডঃ ৰাজেন্দ্ৰ প্ৰসাদলৈ গভীৰ শ্ৰদ্ধা। ৰাজেন্দ্ৰ প্ৰসাদৰ পৰীক্ষাৰ বহিত হেনো পৰীক্ষকে লিখি দিছিল – পৰীক্ষাৰ্থীয়ে পৰীক্ষকতকৈ বেছি জানে। ৰাজেন্দ্ৰ প্ৰসাদ কোনো পৰীক্ষাতে দ্বিতীয় হোৱা নাই। ৰাষ্ট্ৰপতি হিচাপেও তেওঁ প্ৰথম। ৰাজেন্দ্ৰ প্ৰসাদে ইচ্ছা কৰিলে বহুত সা-সম্পত্তি কৰিব পাৰিলেহেঁতেন, কিন্তু নকৰিলে। আজিকালি এবাৰ মন্ত্ৰী হলেই ধন-দৌলত উভৈনদী হয়।

ৰাজীৱ গান্ধীৰ হত্যাত জগন্নাথক বৰ ব্যথিত যেন নেলাগিল। হিন্দুস্থানত ৰাজনৈতিক হত্যা কেতিয়াবাই আৰম্ভ হৈছে, হৈ থাকিব ই – এটা গতানুগতিক প্ৰক্ৰিয়া – ৰাজীৱ নহৈ অন্য কোনোৱা এজন ইয়াৰ বলি হ'লহেঁতেন। অৱশ্যে ৰাজীৱৰ ক্ষেত্ৰত এটা ব্যতিক্ৰম হ'ল। ৰাজীৱৰ ঘৰ ক'ত জগন্নাথে প্ৰশ্ন কৰে আৰু তাৰ উত্তৰ নিজেই দিয়ে – মোৰ ঘৰ বিহাৰৰ গোপাল গঞ্জত। তাতে মোৰ জন্ম। সেয়ে মোৰ জন্মস্থান। তাতে মোৰ বংশ পৰিয়াল আছে। ঘৰ ক'ত বুলি সুধিলে সেইয়ে মোৰ ঠিকনা। কিন্তু ৰাজীৱৰ জন্মসূত্ৰে ঘৰ ক'ত।



ককাক-মাকৰ ঘৰ ৰাজীৱৰ ঘৰ নহয় – কাৰণ এলাহাবাদৰ আনন্দ ভৱন কেতিয়াবাই দান দিয়া হ'ল। চৰকাৰী বাংলা ৰাজীৱৰ বাংলা নহয়। ৰাজীৱ গান্ধীয়ে তেওঁ কৰ মানুহ বুলি কয় বা চৰকাৰী কাগজত লিখে মই নেজানো। মই যেনেকৈ গোপাল গঞ্জৰ মানুহ বুলি পৰিচয় দিওঁ সেইমতে ৰাজীৱে চিনাকি দিবৰ ঠাইয়ে নাই দেখোন। তেতিয়া হলে তেওঁ অঘৰী। মই অসমত কামায় কৰো। কিন্তু ঘৰ বুলি এদিন মই মোৰ গোপাল গঞ্জলৈ যাওঁ। ৰাজীৱে কলৈ যাব। তেওঁ ভাৰততে জন্ম হৈছিল। তেওঁৰ মাক-বাপেক ভাৰতীয়। গতিকে তেওঁ ভাৰতীয়। তেওঁ ভাৰতৰ কোনো ঠাইৰে স্থানীয় মানুহ নহয়। যিহেতুকে তেওঁ মোৰ নিচিনা এখন ঠাইৰ বাসিন্দা নহয় অথচ ভাৰতীয় – তেওঁ এজন সৰ্বভাৰতীয় লোক। তেওঁৰ কোনো এখন ঠাইৰ প্ৰতি বিশেষ আকৰ্ষণ নাই। মোৰ যেনেকৈ গোপাল গঞ্জলৈ আছে। তেওঁৰ স্থানীয় স্বাৰ্থ নাই যেনেকৈ বহুত মন্ত্ৰী বা এম-পি-ৰ আছে। তেওঁৰ স্বাৰ্থ গোটেই ভাৰতৰ কাৰণেই হ'ব।

আমাৰ বিহাৰত কৰ্পূৰী ঠাকুৰে মুখ্য মন্ত্ৰী হৈ থাকোতে কেতিয়াবাই অনুন্নত সম্প্ৰদায়ৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰিছিল। তেওঁ আমাৰ নাপিত সম্প্ৰদায়ৰ মানুহ আছিল। ৰাজা চাহাবে (প্ৰাক্তন প্ৰধান মন্ত্ৰী ভি পি সিং মান্দাৰ ৰজাৰ পৰিয়াল কাৰণে ৰাজা চাহাব বুলি জনাজাত) মণ্ডল কমিশ্যনৰ ৰিপোৰ্ট মতে সংৰক্ষণৰ প্ৰচাৰ সিদিনাহে কৰিলে। প্ৰাৰ্থক্য হ'ল দাতাৰ। এজন অনুন্নত সম্প্ৰদায়ৰ লোক আৰু আনজন ৰজা শ্ৰেণীৰ লোক। অৱশ্যে দাতা হিচাপে একেটা দানৰ মূল্য পৃথক হয়। এজন ৰজাই এজন গৰীবক দিয়া এটা টকাৰ আবেগিক মূল্য এজন গৰীবে অন্য এজন গৰীবক দিয়া এটা টকাৰ মূল্যতকৈ বেছি। ৰজাই নিদিয়ে অন্যৰ পৰা লয়হে। গৰীবে গৰীবকে দিয়া এটা দৈনন্দিন ঘটনা তাত একো বিশেষত্ব নাই। কিন্তু সদায় লৈ থকা ৰজাই কেতিয়াবা দিলে তেওঁক দাতাকৰ্ণ বুলি সন্মান কৰে। সন্মান কি পূজা কৰে। টকা কিন্তু একেটাই। ৰজাৰ এটা টকাৰ আৰু গৰীবৰ এটা টকাৰ মূল্য বজাৰত একেই।

জগন্নাথৰ খুৰৰ ধাৰ আৰু জিভাৰ ধাৰ সমানে চোকা। ৰাজীৱক পাইলট বেটা প্ৰধান মন্ত্ৰী হ'নেকা লায়েক নেহি হ্যেই – বুলি তিৰস্কাৰ কৰা লোকক চেলেঞ্জ কৰি কয় – 'গৰুৰ গাড়ীৰ গাৰোৱানেও এনে কথা নকয়। গাৰোৱানৰ তলখাপৰ লোকেহে এনে তুচ্ছ কথা কয়। গাৰোৱানে জানে তাৰ গাড়ী চলোৱা কিমান কঠিন কাম। পৃথিৱীৰ মাটিত গাড়ীৰ গৰুহাল চম্ভালিবলৈকে কিমান টান কাম। তথাপিও সিহঁতৰ নেগুৰ পকাই চাবুকেৰে কোবাই গাড়ীখন টনাব পাৰি। কেতিয়াবা এক্‌চিডেন্ট হলেও গাড়ীখনৰ কিছু ক্ষতি, গাৰোৱান আৰু গৰুহালৰ কিছু জখম হ'ব – সিমানেই। কিন্তু আকাশত উৰা জাহাজখনক ইঞ্জিনটোৱে টানে। টানিব নোৱাৰিলে বা নেটানিলে গৰুহাল নহয় যে কোবাই চলাই দিব পাৰি। গৰু গাড়ী নহয় যে বাটতে খাৰা কৰি বাতি-বুজি লম। বা বাটেদি অহা-যোৱা কৰি থকা মানুহৰ পৰা সহায় লম। উৰিব পাৰিলে উৰিবা যদি নোৱৰা মাটিত সৰি পৰিবা আৰু এৰোপ্লেন, যাত্ৰী পাইলট চব 'নাপাট্টা' হ'ব। এই জাহাজৰ চালকজন এলাপেচা মানুহনে। এক চেকেণ্ডৰ গব্‌বৰ্‌ হলেই চব ধ্বংস হ'ব পাৰে। এই পাইলটজন শৰীৰৰ বল, মনৰ বল, বিচাৰ-বুদ্ধিত এজন অসাধাৰণ মানুহ। গছত উঠি তললৈ চালে মূৰ ঘূৰোৱা মানুহে পাইলট হ'ব পাৰিবনে। পাইলট হ'ব পৰা মানুহ সংখ্যাত কম। যেয়ে সেয়ে পাইলট হ'ব নোৱাৰে। পাইলট হ'বলৈ যিখিনি গুণৰ অধিকাৰী হ'ব লগা বা হোৱাৰ পিছত যিখিনি গুণ আহৰণ কৰে সেইখিনিৰে যিকোনো পাইলটে যিকোনো কঠিন কাম দক্ষতাৰে কৰিব পাৰে। যাৰ যৎকিঞ্চিত যানবাহন চলোৱা জ্ঞান আছে, তেওঁহে বুজি পায় পাইলট হোৱা মানুহজন কিমান উচ্চস্তৰৰ। গতিকে পাইলটক উপহাস কৰা মানুহজন গাৰোৱানতকৈ নিকৃষ্ট। গাড়ীত উঠি 'বয়লৰ' নেগুৰ পকাব নোৱৰা মানুহেহে পাইলটক ঠাট্টা কৰে।'

এৰা স্বৰ্গ-মৰ্তৰ প্ৰভেদ কেঁচি-খুৰ চলাই মেহনত কৰি খোৱা সকলে যিমান বুজে, কলম খুচি খোৱা সকলে সিমান নুবুজে।

জগন্নাথৰ নিজস্ব অৰ্থনৈতিক সচেতনতা আছে। বিহাৰত আটা-চাউলৰ দাম অসমতকৈ বহুত কম। তাৰ কাৰণ হ'ল অসমীয়া খেতিয়ক বিহাৰী খেতিয়কতকৈ অৱস্থাপন্ন। বিহাৰৰ খেতিয়ক মহাজনৰ ধৰুৱা। খেতি চপোৱাৰ লগে লগে মহাজনক ধান-ঘেহু কম দামতে বিক্ৰী কৰি ধাৰ মাৰে। অসমৰ খেতিয়কে মহাজনৰ লগত দৰ-দাম কৰি উপযুক্ত দামত বিক্ৰী কৰে। কম দামতে ঘেহু-ধান কিনাৰ কাৰণে আটা-চাউল কম দামত বিক্ৰী হয়।

ভাৰতে বিদেশৰ পৰা ধন ধাৰ কৰিছে। তাৰ বাবে ২০/২১ টন সোণ বন্ধক দিছে। এই সংক্ৰান্তত জগন্নাথে মত প্ৰকাশ কৰি কৈছে – আমাৰ নিচিনা গৰীবৰ ধাৰ কৰিবৰ দৰকাৰ নাই। দৈনিক খুৰ-কেঁচি চলাওঁ। দৈনিক উপাৰ্জনেৰে দিনৰ আৰু ৰাতিৰ দুবেলা দুই ৰুটি চলি যায়। ধাৰ কৰিবৰ দৰকাৰ নাই। দৰকাৰ হলেও আমাক কোনোৱে ধাৰ নিদিয়ে কাৰণ আমি ধাৰ মাৰিব নোৱাৰো। কাজেই আমাৰ ধাৰ কৰা নহয়। আমি দৈনিক খুৰ-কেঁচি চলাওঁ আৰু তাৰে যি দৈনিক কামাই কৰো তাৰে পেট প্ৰৱৰ্ত্তাওঁ। সেইয়ে আমাৰ জীৱন। ধনী মানুহে কেৱল পেট প্ৰৱৰ্ত্তাতেই সন্তুষ্ট নেথাকে। তেওঁলোকক সন্তুষ্ট কৰিবলৈ পেটৰ বাহিৰে আৰু বহুত আছে। গতিকে তেওঁলোকে উপাৰ্জন বঢ়াব লাগিব। তাৰ কাৰণে তেওঁলোকে ব্যৱসায় বঢ়াব লাগিব। ব্যৱসায় বঢ়াবলৈ হলে ধাৰ কৰিব লাগিব। কেতিয়াবা ধাৰ কৰি অনা ধনৰ পৰাই অন্যক ধাৰ দি ওপৰঞ্চি লাভ কৰিব লাগিব। তেহে ব্যৱসায় চলিব। আমাৰ কিছুমানে যদি গৰীব হৈয়ে থাকিব খোজে আমাৰ নিচিনা কেৱল পেট প্ৰৱত্তহি থাকিব বিচাৰে, তেতিয়াহে ধাৰ-ঋণ বাদ দিব পাৰিব। নহলে বিদেশৰ পৰা ধাৰ কৰিবই লাগিব আৰু আনকো ধাৰ দিব লাগিব। আমাৰ নিচিনা নিধৰুৱাহে আমি নিধৰুৱা – এনে বুলি ফুটনি মাৰিবলৈ যদি ধাৰ নকৰে, তেতিয়াহলে দুবেলা দুমুঠি খাই ধাৰ্মিক হৈ দৰিদ্ৰ নাৰায়ণৰ পূজা কৰি বহি থাকিব পাৰিব। দুনীয়াৰ ধনী দেশৰ লগত ফেৰ মাৰিব নোৱাৰিব।

ভাৰতে ধন ধাৰ কৰোতে ২০/২১ টন সোণ বন্ধক দিছে। এই সংক্ৰান্তত জগন্নাথৰ সমালোচনা ক্লাচিক (classic)। ধাৰ কৰিলে বন্ধক দিয়া নতুন কথা নহয়। ধাৰ শুজিলে বন্ধক মুকলি হ'ব। কিন্তু সেইটো ধৰুৱাৰ ওপৰত নিৰ্ভৰ কৰে। বিশ্বাসযোগ্য বা সন্মানীয় ধৰুৱা হলে ঋণদাতাই বিনা বন্ধকে ধাৰ দিয়ে। আনকি লেন-দেনৰ খবৰ কাঠিৰ কুকুৰেও গম নেপায়। ভাৰত আজিয়ে নহয় – নেহৰু, ইন্দিৰা, ৰাজীৱৰ দিনতো বিদেশৰ পৰা ধাৰ কৰিছিল। ভাৰত স্বাধীন হৈয়েই ধনী হৈছিল জানো। এতিয়া যদি দুখীয়া তেতিয়া আৰু দুখীয়া আছিল। তেতিয়া বৰং ভাৰতক ধাৰ দিলে মৰা পৰিব বুলি সন্দেহ কৰিবৰ থল আছিল। কিন্তু এতিয়া প্ৰথম সোণ বন্ধক দিব লগীয়া হ'ল কিয়। ইয়াৰ কাৰণ – ভাৰতত বিশ্বাসযোগ্য চৰকাৰ বা 'খানদানী' লোক নাই। বছৰত দুই-তিনিবাৰ চৰকাৰ বদলি হলে কোন ঋণদাতাই বিনা বন্ধকে ঋণ দিব।

মোৰ একালৰ বন্ধু স্বৰ্গীয় মধু বাবুৰ কথা মনত পৰিছে। তেওঁৰ পূৰা নাম মধুসূদন দাস। এবাৰ অসম বিধান সভাৰ সদস্যও আছিল। নেহৰুৰ নাম শুনিলে তেওঁৰ গা-বিছা-বৰলে ডাকে। নেহৰু অহৈতুকী মুছলিম প্ৰেমী বুলি তেওঁৰ ধাৰণা। আৰু সেইটোৱেই তেওঁৰ ক্ষোভৰ কাৰণ। নেহৰুৰ যেতিয়া প্ৰথম ষ্ট্ৰোক (strock) হয়, দেশী-বিদেশী বহুতে তেওঁক সমবেদনা জনাইছিল আৰু আৰোগ্য কামনা কৰি বাৰ্ত্তা পঠাইছিল। মই মধু বাবুক খেমালি কৰি কলো – চাওক আপুনিহে নেহৰুক তুচ্ছ জ্ঞান কৰে। তেওঁ এজন বিশ্ববৰেণ্য পুৰুষ। পৃথিৱীৰ সকলো ঠাইৰ পৰা মানুহে তেওঁৰ খবৰ কৰিছে। আপুনি ডায়াবিটিছত (Diabetes) ভুগি পৰি থাকিলে কোনেও খবৰ নকৰে।

মধুবাবু ৰঙা পৰি গ'ল – আঙুলি জোঁকাৰি কলে – খবৰ নকৰিবনে – ধওৰতাৰ (ধৰুৱা) খবৰ নকৰিবনে। মৰিলে যে ধাৰ মাৰা যাব। সেই কাৰণে ঋণদাতাই ধৰুৱাৰ দীৰ্ঘ-জীৱন কামনা কৰে। নেহৰুৱে পৃথিৱীৰ সকলো ঠাইৰ পৰা ধাৰ কৰিছে। গতিকে পৃথিৱীৰ সকলো মানুহে খবৰ কৰিছে। মই মৰিলে কি আহে যায়। মইতো ধৰুৱা নহয়।

আমাৰ ধৰুৱাৰ ধাৰণা পাঠশালা স্কুলত পঢ়া কবিতা ফাকিয়ে দিছিল–

সুখ নাই সুখ নাই কতো ধৰুৱাৰ
অনুমাত্ৰ সুখ নাই চিৰ ৰুগীয়াৰ।
সুখ নাই যিটো সদা গোচৰত ফুৰে
মাতৃৰ অসুখ যদি পুত্ৰ থাকে দূৰে।

# ৮ মাৰ্চৰ দৃষ্টিত নাৰী সংগ্ৰাম

বিপুল শৰ্মা

৮ মাৰ্চ।
১৯৯০ চন।

নিউইয়ৰ্ক চহৰৰ ৰাস্তাই ঘাটে শোভাযাত্ৰাকাৰী দৰ্জী নাৰী সমদলৰ সন্মিলিত কণ্ঠই আকাশ বতাহ মুখৰিত কৰি তুলিছিল। ভাত কাপোৰৰ দাবীত নহয়; পুৰুষৰ সমান ৰাজনৈতিক মৰ্যাদাৰ দাবীত। উচ্চ অভিজাত শ্ৰেণীৰ নাৰীৰ সমান ৰাজনৈতিক মৰ্যাদাৰ দাবীত, ভোটাধিকাৰৰ দাবীত। অৱশ্যে ইয়াৰ বহু আগতেই বিশ্বৰ প্ৰান্তে প্ৰান্তে সংগঠিত নাৰী আন্দোলন মূৰ দাঙি উঠিছিল। গঢ়ি উঠিছিল আন্তৰ্জাতিক সমাজতান্ত্ৰিক নাৰী সন্মিলন। ১৯১০ চনত এই সন্মিলনৰ দ্বিতীয় অধিবেশনত নাৰীৰ সমান অধিকাৰৰ দাবীত প্ৰতিবছৰে এটা দিৱস পালনৰ সিদ্ধান্ত লোৱা হয়। ১৯০৮ চনৰ ৮ মাৰ্চৰ দৰ্জী নাৰী শ্ৰমিকসকলৰ সংগ্ৰামৰ সোঁৱৰণতে ৮ মাৰ্চক আন্তৰ্জাতিক নাৰী দিৱস হিচাপে পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

সমাজ বিকাশৰ ধাৰাৰ বস্তুনিষ্ঠ বিশ্লেষণে দেখুৱাই দিয়ে যে কৃষিৰ আৱিষ্কাৰে পৰিয়াল ব্যৱস্থা স্থাপনৰ দিন ধৰি নাৰী শোষিত হৈ আহিছে দুই ধৰণে (১) পুৰুষ প্ৰধান সমাজ ব্যৱস্থা আৰু (২) শ্ৰেণী শাসনৰ দ্বাৰা।

পাৰিবাৰিক চাৰিসীমাত আৱদ্ধ থাকি উৎপাদনশীল কামত নিয়োজিত হব নোৱৰাত নাৰীয়ে অৰ্থনৈতিক স্বাধীনতা হেৰুৱাই পুৰুষৰ ওপৰত নিৰ্ভৰশীল হব লগা হয়। স্বকীয়তা হেৰাই যায়। আনহাতে শ্ৰেণী বিভক্ত সমাজ ব্যৱস্থাত ক্ষমতাত থকা শোষক শ্ৰেণীৰ দ্বাৰা পুৰুষৰ লগতে নাৰীও বিভিন্ন ধৰণৰ শোষণৰ বলি হব লগা হয়।

দাস আৰু সামন্ত ব্যৱস্থাত নাৰীৰ পৰিচয় আছিল পুৰুষৰ জৈৱিক বাসনা নিবৃত্তিৰ আধাৰ আৰু সন্তান উৎপাদনৰ যন্ত্ৰ হিচাপে। সমাজ মানসত এনে এটা ধাৰণা প্ৰোথিত হৈছিল নাৰীজাতি যেন আদিৰ পৰাই পুৰুষৰ দাসী আছিল।

'Origin of Family, Private Property and State ' গ্ৰন্থত এংগেলচে কৈছে ' The woman was the slave of man at the commencement of the society is one of the absurd notious that have come drawn to us from the period of enlightenment of Eighteen century."

দাসক পুতৌ কৰা যায়।
নাৰীও যেন পুতৌৰ পাত্ৰ।
দাসৰ কোনো অধিকাৰ নাথাকে।
নাৰীৰো যেন কোনো অধিকাৰ থাকিব নোৱাৰে।

নাৰীৰ প্ৰতি পুৰুষ প্ৰধান ব্যৱস্থাৰ এনে হীন দৃষ্টিভঙ্গী ফুটি উঠে মানৱ সভ্যতাই বহু বিকাশ লাভ কৰাৰ পাছতো নাৰীৰ মানৱীয় মূল্য স্বীকাৰ কৰি নোলোৱাত। ১৮৬৯ চনলৈকে সভ্যতাৰ শিখৰত আৰোহণ কৰা ইংলণ্ডতে নাৰীক পৌৰ সভাৰ ভোটাধিকাৰ দিয়া হোৱা নাছিল। পৰ্যায়ক্ৰমে বিশ্বজুৰি নাৰীৰ ভোটাধিকাৰ প্ৰদানৰ আৰম্ভণি হৈছিল যদিও এই কুৰি শতিকালৈকে শ্ৰমজীৱী নাৰীক ভোটাধিকাৰৰ পৰা বঞ্চিত কৰি ৰখা হৈছিল, যাৰ ফলতেই বিশ্বই লাভ কৰিছে ঐতিহাসিক নাৰী দিৱস ৮ মাৰ্চ। বিজ্ঞানৰ চমকপ্ৰদ আৱিষ্কাৰ আৰু অগ্ৰগতি, পুঁজিবাদৰ উত্তৱ আৰু বিকাশে নাৰীজাতিক পুৰুষৰ সমান স্থানলৈ সমাজ জীৱনলৈ আগবঢ়াই অনাত এক প্ৰগতিশীল ভূমিকা পালন কৰে। মধ্যযুগীয় আবেষ্টনী ভাঙি পুঁজিবাদে নাৰীক শৈক্ষিক সাংস্কৃতিক খেলা-ধূলাৰ ক্ষেত্ৰলৈ উলিয়াই আনে। নাৰীৰ পুৰুষৰ সমান অধিকাৰ অন্ততঃ আইনত স্বীকাৰ কৰি লোৱা হয়। ভোটাধিকাৰ শিক্ষা আৰু জীৱিকা অৰ্জনৰ অধিকাৰ, বিবাহ আৰু বিবাহ বিচ্ছেদৰ অধিকাৰ, সম্পত্তিৰ অধিকাৰ আদি আইনত স্বীকাৰ কৰি লোৱা হৈছে।

কিন্তু বাস্তৱ ক্ষেত্ৰত নাৰীৰ প্ৰতি পুৰুষৰ দৃষ্টিভঙ্গী ব্যৱহাৰিক জীৱনত সামন্ত যুগীয় অৱশিষ্টৰ মাজতে থকা বুলিলেও বঢ়াই কোৱা নহয়। পুঁজিবাদী সভ্যতাৰ নিষ্ঠুৰ সৃষ্টি শ্ৰমিক সম্প্ৰদায়ৰ নাৰীসকলৰ ওপৰত চলা শোষণ অতি জঘন্য। নানা অসামাজিক অশালীন কামত টকা পইছাৰ দ্বাৰা এই সকল নাৰীক ব্যৱহাৰ কৰা হয়। একে কামৰ বিনিময়ত পুৰুষতকৈ নাৰীক নিম্ন মানৰ মজুৰি দিয়া হয়। অকল সন্তীয়া নাৰী শ্ৰমিক সকলকে নহয়, আচলতে সামগগ্ৰিকভাৱে নাৰী সম্প্ৰদায়কে পুঁজিবাদী সভ্যতাই পণ্য সামগ্ৰী আৰু শোষণৰ বস্তু হিচাপে ব্যৱহাৰ কৰে। কথাছবিৰ পৰা কাকত আৰু আলোচনীৰ বিজ্ঞাপনলৈকে নাৰী দেহৰ নগ্ন অৰ্দ্ধ নগ্ন ৰূপ প্ৰদৰ্শন কৰি ধন ঘটাৰ সংস্কৃতি হ'ল পুঁজিবাদী সংস্কৃতি। সেয়ে পুঁজিবাদী সভ্যতা বিকাশৰ বিভিন্ন স্তৰত বুৰ্জোৱাসকলে নাৰীক বিভিন্ন অধিকাৰ প্ৰদান কৰি পুৰুষৰ সমান মৰ্যাদা দিয়াৰ যিমান ভাও নধৰক, আচলতে নাৰীৰ অৱমাননা ক'তো দূৰ হোৱা নাই।

দাস ব্যৱস্থা বা সামন্ত ব্যৱস্থাৰ দৰেই পুঁজিবাদী ব্যৱস্থাতো নাৰীৰ প্ৰতি প্ৰকৃত মানৱিক আৰু সম্মানজনক দৃষ্টিভঙ্গী গঢ়ি উঠাটো আচলতে সম্ভৱ নহয়।

এইখিনিতে আহে নাৰী মুক্তিৰ প্ৰশ্ন।

বিশ্বৰ সৰ্বত্ৰ আজি বিভিন্ন ৰূপত নাৰী মুক্তিৰ আন্দোলন চলিছে। কিন্তু এই আন্দোলনসমূহৰ নিৰ্মোহ পৰ্যবেক্ষণ আৰু পৰ্যালোচনাই এনে ধাৰণা জন্মায় তথাকথিত আন্দোলন সমূহ যেন বাট এৰি অবাটে পৰিচালিত হৈছে। পুৰুষৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰাত বা



পুৰুষক অৱমাননা কৰাতহে নাৰীমুক্তি আন্দোলনৰ সাৰ্থকতা নিৰ্ভৰ কৰিছে। আচলতে শোষণ ভিত্তিক কোনো ব্যৱস্থাত নাৰীমুক্তি সম্ভৱ নহয়। দাস ব্যৱস্থা, সামন্ত ব্যৱস্থা বা পুঁজিবাদী সমাজ ব্যৱস্থা, যিবোৰ ব্যৱস্থা নিজেই শোষণ ভিত্তিক, শোষণ নকৰিলে (নাৰীও তাৰ বাহিৰত নহয়) সি কেনেকৈ চলিব ? গতিকে শোষণ ভিত্তিক নোহোৱা এটা ব্যৱস্থাতহে প্ৰকৃত নাৰীমুক্তি সম্ভৱ। নাৰীমুক্তিৰ অন্য এটা প্ৰধান চৰ্ত হ'ল– নাৰী উৎপাদনশীল কামত নিয়োজিত হৈ অৰ্থনৈতিক স্বাৱলম্বিতা লাভ কৰিব লাগিব। ইয়াৰ অন্যথা নাৰীৰ ওপৰত পুৰুষৰ কৰ্তৃত্বৰ অৱসান কেতিয়াও আশা কৰিব নোৱাৰি।

উল্লেখযোগ্য যে শাৰীৰিক শক্তিত নাৰী দুৰ্বল হলেও, তেওঁলোক প্ৰচণ্ড মানসিক শক্তিৰ অধিকাৰী। তেওঁলোকৰ হিয়াত নিহিত হৈ থাকে পৃথিৱী জয়ৰ বাসনা জন্মাব পৰা প্ৰেৰণাৰ অফুৰন্ত উৎস। পৃথিৱীৰ বুকুত সৰগৰ সপোন দিঠকত পৰিণত কৰাৱ পৰা কল্পনাৰ ৰেখা আঁকি দিব পাৰে হিয়াই হিয়াই। সেইবাবেই সংগঠিত নাৰী ৰূপটো হ'ল এক বিৰাট শক্তি। প্যাৰী বিপ্লৱত অংশ গ্ৰহণ কৰা নাৰীসকলৰ গৌৰৱময় ভূমিকাৰ কথা স্বয়ং কাৰ্লমাৰ্ক্সে এনেদৰে সুঁৱৰিছে– "প্ৰকৃত প্যাৰী নাৰী সকল পুৰণি কালৰ নাৰীৰ নিচিনাকৈয়ে মহৎ একনিষ্ঠৰূপে অগ্ৰগামী হৈ আহিছে। প্যাৰীৰ নাৰী সকলে ব্যাৰিকেড আৰু বধ্যভূমিত আনন্দমনেৰে জীৱন বিসৰ্জন দিছে।" ("The real parisian women had come to a surface, noble and devoted like the women of antiquity. The women of paris joyfully sive up their livee on the barricade and execution ground.")

নাৰীৰ সংগঠিত সংগ্ৰামৰ উদাহৰণ বিৰল নহয়। বিশ্বৰ প্ৰান্তে প্ৰান্তে সাম্ৰাজ্যবাদীৰ ঔপনিবেশিক শোষণৰ বিৰুদ্ধে, পুঁজিবাদী শাসন শোষণৰ বিৰুদ্ধে, যুদ্ধৰ বিৰুদ্ধে, নাৰীৰ প্ৰতি অপমানসূচক কাৰ্যৰ বিৰুদ্ধে নাৰীৰ সক্ৰিয় সংগ্ৰাম আৰু পুৰুষৰ লগত সহযোগ সাম্প্ৰতিক বিশ্বৰ দৈনন্দিন জীৱনৰ ঘটনা। নাৰীৰ বলিষ্ঠ পদক্ষেপে বা সহযোগে সংগ্ৰামৰ গতিত নতুন শক্তিৰ সঞ্চাৰ কৰে। কাৰণ মাতৃ হিচাপে, ভগ্নী হিচাপে, যি কোনো বৃত্তিধাৰী পুৰুষৰ ওচৰতে নাৰীৰ এক অদ্বিতীয় মূল্যও নথকা নহয়। ইয়াৰ লগতে আছে নাৰীৰ আকৰ্ষণী আৰু প্ৰেৰণাদায়িনী শক্তি। কিন্তু দুৰ্ভাগ্যৰ কথা যে বৰ্তমান দুষ্ট ৰাজনৈতিক শক্তিবিলাকে নাৰী জাতিৰ এই মূল্যবান শক্তি সমূহক স্ব-স্বাৰ্থ পূৰণৰ হাতিয়াৰ হিচাপে ব্যৱহাৰ কৰিবলৈ লৈছে। নিজৰ ধ্বংসাত্মক কাৰ্যকলাপৰ চৌদিশে নিৰাপদ আবেষ্টনী হিচাপে নাৰীক থিয় কৰাই বহুতে জন্ম দিয়া, লালন পালন কৰা নাৰী জাতিৰ ৰচনাত্মক জীৱনদৰ্শনক যেন অপমান কৰিবলৈ লৈছে। সময় থাকোতেই দুষ্ট শক্তি সমূহৰ কূট-কৌশলৰ প্ৰতি সচেতন নহলে নাৰী জাতিয়ে অন্তৰৰ পৰা তাৰ মূল্য দিব লগা হব পাৰে। ■

# গুণী ব্যক্তিৰ ফটো

নৱকান্ত বৰদলৈ

এটি হাঁহি উঠা কথাৰে আৰম্ভ কৰো। বিশেষ সকামত এদিন ক হাজৰিকা খ বৰুৱাৰ ঘৰলৈ আহিল। ক হাজৰিকা কংগ্ৰেছ (ই) দলৰ সমৰ্থক বুলি জনাজাত। খ বৰুৱা আকৌ অসম গণ পৰিষদ দলৰ এজন সক্ৰিয় কৰ্মী। শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত অসমৰ মুখ্যমন্ত্ৰী হৈ থাকোতে তেওঁৰ হাঁহি মুখৰ একোখন ৰঙীন আলোকচিত্ৰ দলৰ সমৰ্থক সকলৰ কোঠাৰ বেৰত ওলমিছিল। তেনে এখন ফটোও আছিল খ বৰুৱাৰ ড্ৰয়িং ৰুমত। এই বছৰৰ নিৰ্বাচনত গণ পৰিষদ দলৰ চৰম বিপৰ্যয়ৰ পিছত সেই ফটোবোৰ প্ৰায় এলাগী হ'ল। বৰুৱাৰ ঘৰৰ ফটোখন সময়ত এলাণ্ডুৱে ছাটি ধৰিলে। ক হাজৰিকা গৈ বাহিৰত মাত দিওঁতেই বৰুৱাৰ গাভৰু 'জীয়েকে' ফটোখন একৱাই ভিতৰৰ কোঠাত ভৰাই থলেগৈ। ক হাজৰিকা আহি কোঠাত বহিল – কথা-বতৰা হৈ গুচি গ'ল। বৰুৱাই জীয়েকক সোধাত উত্তৰ পালে যে হাজৰিকা মানুহটো কংগ্ৰেছ (ই) দলৰ লোক – তেওঁবা কি ভাবে – গতিকে ফটোখন তাই আঁতৰাই থলে। এয়া এক সত্য ঘটনা – গোপনীয়তাৰ খাতিৰত প্ৰকৃত নামবোৰ উহ্য ৰখা হ'ল। মৰিগাঁও আৰক্ষী থানাত কিছুদিন আমি দেখা কোনোবা ডি আই জি নে আই জি পি-ৰ ফটো এখন আজিকালি নেদেখা হলো। জিলাখনৰ বিভাগ এটাৰ মুৰব্বীৰ কক্ষত ১৯৮৫-৯১ চন পৰ্যন্ত শোভাবৰ্দ্ধন কৰি থকা প্ৰাক্তন মুখ্য মন্ত্ৰীৰ ফটোখন আজিকালি নেদেখা হলো।

অলপতে কাকতত এটা বাতৰি পঢ়া মনত আছে – কামৰূপ জিলাৰ কোনোবা এখন কলেজত কংগ্ৰেছ (ই) দলৰ দিনত কোনোবা মন্ত্ৰীয়ে স্থাপন কৰা আধাৰশিলা গণ পৰিষদ চৰকাৰৰ দিনত আঁতৰাই পেলোৱা হ'ল বা নিশ্চিহ্ন কৰি পেলোৱা হ'ল। এনে কাৰ্যৰ দ্বাৰা একোজন লোকক বা এখন চৰকাৰৰ প্ৰতি থকা ভক্তিভাব যে সম্পূৰ্ণ স্বাৰ্থ জড়িত – কিবা সুবিধা আদায়ৰ আশাত তেনে কৰা হয় সেইটো স্পষ্ট ৰূপত প্ৰকাশ পায়। আমাৰ সমাজত এনে লোকৰ অভাৱ নাই যি সকলে কোনো বিশেষ ব্যক্তিয়ে ৰাজনৈতিক ক্ষমতাত ক্ষমতাধিষ্ঠ হলে তেওঁক নানান ধৰণৰ বিশেষণেৰে বিভূষিত কৰিবলৈ উঠি পৰি লাগে। সৰুতে যেতিয়া মোমায়েকক অহা ভাগিনীয়েকহঁতে দূৰৰ পৰাই দেখে ভাগিনহঁতৰ মাজত দৌৰ-প্ৰতিযোগিতা হয় – কোনে মোমাইক আগতে চুবগৈ পাৰে। যিয়ে আগতে চুবগৈ পাৰে – সিয়েই মোমাইৰ বেছি আপোন ভাগিন। এনে ভাগিনেৰে আমাৰ সমাজখন ভৰি পৰিছে ফলত প্ৰকৃত মানৱীয় মূল্যবোধ নিঃশেষ হৈ যাব ধৰিছে। এতিয়া অসমৰ জিলা কংগ্ৰেছ কমিটিৰ কাৰ্যালয় সমূহত বিৰদি বাট পাবলৈ নাই। কিছুদিন আগলৈকে এইবোৰ কাৰ্যালয়ত ভূতে বাহ লোৱাৰ অৱস্থা হৈছিল। এই চাৰি-পাঁচ মাহতে কংগ্ৰেছ (ই) দললৈ কি এনে এক অসাধ্য সাধন কৰিলে যে দলৰ কাৰ্যালয়ত মানুহ উবুৰি খাই পৰিছেগৈ। এতিয়া জানিব পৰা মতে অসমৰ মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াৰ জীৱনী লেখা লেখকৰো অভাৱ নাই। গণ পৰিষদ চৰকাৰৰ দিনত শ্ৰীপ্ৰফুল্ল মহন্তৰ ওপৰত কিতাপ পত্ৰ লেখি মানুহজনক স্তুতিবাদেৰে বুৰাই পেলোৱা হৈছিল। ঘৰে ঘৰে প্ৰফুল্ল মহন্তৰ ৰঙীন ফটোৱে শোভাবৰ্দ্ধন কৰিবলৈ ধৰিলে। এতিয়া ক্ষমতাত নাই বাবেই সেইবোৰ ফটো এলাগী হৈ পৰিল। চৰকাৰী উপাধি (মেন অব দা নেচন জাতীয়) সমূহৰ কথাও তল পৰিল। এতিয়া সেইজন মানুহকে দলৰ পৰাও আঁতৰোৱাৰ কথা ভবা হৈছে।

কিছুমান মানুহ মহান হৈ ওপজে, কিছুমান মানুহে নিজৰ কৰ্ম অধ্যৱসায়ৰ জোৰত মহত্ব অৰ্জন কৰে – আৰু অধিকাংশ মানুহৰ গাত মহত্ব জাপি দিয়া হয় – এয়া মহৎ লোকৰ বাণী। আমাৰ সমাজত তৃতীয় বিধৰ লোকৰ সংখ্যাই বেছি। পৰিবৰ্তিত পৰিস্থিতিত, বা ৰাজনীতিৰ উত্থান-পতনত এওঁলোকে একোখন নিৰাপদ আসন লাভ কৰে আৰু তেতিয়াই এচাম সুবিধাবাদীয়ে সেই সকলক নানানটো বিশেষণেৰে বুৰাই পেলায়। অলপতে দেখিছিলো দূৰদৰ্শনৰ পৰ্দাত একালৰ মহাপ্ৰতাপী নেতা, অসম মন্ত্ৰী সভাৰ মন্ত্ৰী, এখন ৰাজ্যৰ ৰাজ্যপাল, ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভাপতি শ্ৰীদেৱকান্ত বৰুৱাক। মানুহজন প্ৰায় অথৰ্ব হৈ পৰিছে। অসমৰ সৰহ ভাগ লোকেই এতিয়া নেজানে দেৱকান্ত বৰুৱা ক'ত কেনেকৈ কি কৰি আছে। আমাৰ চকুৰ আগতে ঘটা ঘটনা – এবাৰ সেইজন সভাপতি মৰিগাঁওলৈ আহোতে ৰাষ্ট্ৰীয় পথৰ পৰা মৰিগাঁৱলৈ ৭/৮ মাইল শিলগুটি দিয়া ৰাস্তাত দহবাৰ দিন আগৰে পৰা ৰোলাৰ মাৰি ধূলি উৰিব নোৱৰাকৈ পানী ছটিওৱা হৈছিল। মানুহজন গাড়ীৰ পৰা নামি সভাস্থলীলৈ যাওঁতে তেওঁৰ গাতে গা লগাই যাব খোজা মানুহে তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহকো হাতেৰে ঠেলি পিছ পেলাই থৈ গৈছিল।

এতিয়া আমাৰ সমাজত মুখ্যমন্ত্ৰীজনক ঠেলি হেঁচি আঁতৰাই যোৱা লোক সকলৰে প্ৰাদুৰ্ভাৱ বেছি। ফলত প্ৰকৃত গুণী লোকৰো গুণ মহত্ববোৰ তল পৰিছে। তোষামোদকাৰী লোকসকলৰ হেতা ওপৰাত মানুহে এতিয়া বোকা আৰু পানীৰো পাৰ্থক্য ধৰিব নোৱৰা হৈছেগৈ। কাউৰীৰ গাৰ বৰণ এঙাৰ ক'লা বুলি জানিও কেৱল মাংস টুকুৰাৰ লোভত শিয়ালটোৱে তাইক তোষামোদেৰে উপচাই পেলোৱা কাহিনী এনেকৈয়ে যুগে যুগে চিৰন্তন সত্য হৈ আহিছে।

বীৰ পূজা (Hero worship) সকলো দেশতে যুগে যুগে চলি আহিছে। কিন্তু এই বীৰ পূজা ব্যক্তি পূজা নহৈ গুণৰহে পূজা হ'ব লাগে। ওঠৰ শতিকাৰ বিখ্যাত লেখক কালহিলে (Thomas Carlyle) বীৰ পূজাৰ (Hero worship) সম্পৰ্কে এখন মহান গ্ৰন্থ ৰচনা কৰি গৈছে। On Heroes, Hero worship and the Heroic in Historyত তেওঁ ছয় প্ৰকাৰৰ বীৰৰ বৰ্ণনা কৰিছে সুন্দৰভাৱে। There is in every Nation and Community a fittest wisest, bravest, best whom could we find and make king over us all were in truth very well - অৰ্থাৎ সমাজ বা জাতিৰ আটাইতকৈ উপযুক্ত, জ্ঞানী, সাহসী শ্ৰেষ্ঠ পুৰুষজনেই ৰজা বা নেতা হৈ পৰে। মানৱ ইতিহাসৰ সকলো সময়তে কিছুমান বিশেষ ব্যক্তিৰ গাতহে কালহিলে বীৰৰ গুণ দেখিবলৈ পাইছে। যেতিয়াই পৃথিৱীক দুখ-যন্ত্ৰণা আৰু ধ্বংসৰ কৰাল গ্ৰাসে আগুৰি ধৰে তেতিয়াই কোনো বিশেষ ব্যক্তি ত্ৰাণকৰ্তাৰূপত আৱিৰ্ভাৱ হয় – কালহিলৰ এই ধাৰণা ঠিক যেন ভাৰতীয় দৰ্শনৰ লগত মিলি যায়।

বীৰ বা আদৰ্শ পুৰুষ সম্পৰ্কে কালহিলৰ যি সংজ্ঞা তেনে সংজ্ঞাৰে চাবলৈ হলে যাৰ গাত বীৰত্বৰ কোনো লক্ষণ নাই তেনে পুৰুষেই আজি বীৰ আখ্যা পাইছে। ক্ষন্তেক সময়ৰ কাৰণে তিৰবিৰাই জ্বলি উঠা ফুলজাৰিৰ দৰে এওঁলোক জিলিকিছে। তথাপি এই কথা ক'ব পাৰি যে ব্যক্তি ভেদে ৰুচি অভিৰুচি দৃষ্টিভংগী, বিচাৰ বিবেচনা আদৰ্শ চিন্তা সুকীয়া সুকীয়া – গতিকে কোনোৱে কাৰোবাক বীৰ বুলি পূজা কৰাটো একো আচৰিত কথা হ'ব নোৱাৰে। কিন্তু এই বীৰ পূজা বা বীৰ বন্দনা যেতিয়া মানুহক দেখুৱাবৰ বাবেহে কৰা হয় তেতিয়াই গোটেই ব্যৱস্থাটোৱেই আমাক মনত পেলাই দিয়ে মধ্যযুগীয় ৰজা-মহাৰজাৰ ৰাজসভাত প্ৰাধান্য বিস্তাৰ কৰা বহুৱা সকললৈ যিসকলক বিদুষক, ভাট স্তাৱক স্তুতিকাৰ, চাটুকাৰ, তোষামোদকাৰী, clown, court jester মোচাহেব আদি বিভিন্ন নামেৰে অভিহিত কৰি অহা হৈছে। ৰজা মহাৰজাসকলৰ ৰাজত্বৰ কথা বেলেগ – এইসকলৰ কামেই আছিল পৃথিৱীত যিমান বিশেষণ আছে সকলোবোৰ সংগ্ৰহ কৰি ৰজাৰ ব্যক্তিত্বত আৰোপ কৰা – সেয়াই তেওঁলোকৰ কাম, তাৰ বাবে তেওঁলোকে দা-দৰমহা পাইছিল। এতিয়া ৰাজতন্ত্ৰ নাই – গণতন্ত্ৰ চলিছে – পিছে সেই বিদূষক সকল কিন্তু থাকিয়েই গ'ল – বিভিন্ন ছদ্মবেশত। গণতন্ত্ৰত এই বিদূষক সকলেই আটাইতকৈ বিপদজনক সম্পদ। আমাৰ গণতান্ত্ৰিক 'ৰজাসকলে' এই শ্ৰেণীটোৰ পৰা নিজক বচাই ৰখাৰ সামৰ্থ্যই হৈছে নেতা বা বীৰ হোৱাৰ অন্যতম যোগ্যতা।

## SUTRADHAR

### STATEMENT ABOUT OWNERSHIP AND OTHER PARTICULARS ABOUT NEWSPAPER

Form IV
(See Rule-8)

| | | |
|---|---|---|
| 1. Place of Publication | : | GUWAHATI, ASSAM |
| 2. Periodicity of its publication | : | Fortnightly |
| 3. Printer's Name | : | Shri Anil Kr. Gogoi |
| Whether citizen of India | : | Yes |
| (If foreigner, state the country of origin) | : | Does not arise |
| Address | : | Monjera House<br>Motilal Nehru Road,<br>Panbazar, Guwahati-781001. |
| 4. Publisher's Name | : | Shri Anil Kr. Gogoi<br>for the proprietors,<br>Puravi Prakashon Pvt. Ltd. |
| Whether citizen of India | : | Yes |
| (If foreigner, state the country of origin) | : | Does not arise |
| Address | : | Monjera House<br>Motilal Nehru Road,<br>Panbazar, Guwahati-781001. |
| 5. Editor's Name | : | Shri Homen Borgohain |
| Whether citizen of India | : | Yes |
| (If foreigner, state the country of origin) | : | Does not arise |
| Address | : | Housing Complex,<br>Hengerabari<br>Guwahati-781006. |
| 6. Name and Addresses of individuals who own the newspaper and partners or shareholders holding more than one percent of the total capital. | : | Share holders<br>**(i) Dr. Paul Petta**<br>**(ii) Dr. H. P. Saikia**<br>Monjera House<br>Motilal Nehru Rd.<br>Panbazar, Guwahati-781001 |

I Shri Anil Kr. Gogoi hereby declare that the particulars given above are true to the best of my knowledge and belief.

Dated, Guwahati
the 16.03.92

Sd/- Anil Kr. Gogoi
Signature of the Publisher.


সূত্ৰধাৰ ◻ ১৬–৩১ মাৰ্চ, ১৯৯২

# গুণী ব্যক্তিৰ ফটো

নৱকান্ত বৰদলৈ

এটি হাঁহি উঠা কথাৰে আৰম্ভ কৰো। বিশেষ সকামত এদিন ক হাজৰিকা খ বৰুৱাৰ ঘৰলৈ আহিল। ক হাজৰিকা কংগ্ৰেছ (ই) দলৰ সমৰ্থক বুলি জনাজাত। খ বৰুৱা আকৌ অসম গণ পৰিষদ দলৰ এজন সক্ৰিয় কৰ্মী। শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত অসমৰ মুখ্যমন্ত্ৰী হৈ থাকোতে তেওঁৰ হাঁহি মুখৰ একোখন ৰঙীন আলোকচিত্ৰ দলৰ সমৰ্থক সকলৰ কোঠাৰ বেৰত ওলমিছিল। তেনে এখন ফটোও আছিল খ বৰুৱাৰ ড্ৰয়িং ৰুমত। এই বছৰৰ নিৰ্বাচনত গণ পৰিষদ দলৰ চৰম বিপৰ্যয়ৰ পিছত সেই ফটোবোৰ প্ৰায় এলাগী হ'ল। বৰুৱাৰ ঘৰৰ ফটোখন সময়ত এলান্ধুৱে ছাটি ধৰিলে। ক হাজৰিকা গৈ বাহিৰত মাত দিওঁতেই বৰুৱাৰ গাভৰু 'জীয়েকে' ফটোখন একৰাই ভিতৰৰ কোঠাত ভৰাই থলেগৈ। ক হাজৰিকা আহি কোঠাত বহিল – কথা-বতৰা হৈ গুচি গ'ল। বৰুৱাই জীয়েকক সোধাত উত্তৰ পালে যে হাজৰিকা মানুহটো কংগ্ৰেছ (ই) দলৰ লোক – তেওঁবা কি ভাবে – গতিকে ফটোখন তাই আঁতৰাই থলে। এয়া এক সত্য ঘটনা – গোপনীয়তাৰ খাতিৰত প্ৰকৃত নামবোৰ উহ্য ৰখা হ'ল। মৰিগাঁও আৰক্ষী থানাত কিছুদিন আমি দেখা কোনোবা ডি আই জি নে আই জি পি-ৰ ফটো এখন আজিকালি নেদেখা হলো। জিলাখনৰ বিভাগ এটাৰ মুৰব্বীৰ কক্ষত ১৯৮৫-৯১ চন পৰ্যন্ত শোভাবৰ্দ্ধন কৰি থকা প্ৰাক্তন মুখ্য মন্ত্ৰীৰ ফটোখন আজিকালি নেদেখা হলো।

অলপতে কাকতত এটা বাতৰি পঢ়া মনত আছে – কামৰূপ জিলাৰ কোনোবা এখন কলেজত কংগ্ৰেছ (ই) দলৰ দিনত কোনোবা মন্ত্ৰীয়ে স্থাপন কৰা আধাৰশিলা গণ পৰিষদ চৰকাৰৰ দিনত আঁতৰাই পেলোৱা হ'ল বা নিশ্চিহ্ন কৰি পেলোৱা হ'ল। এনে কাৰ্যৰ দ্বাৰা একোজন লোকক বা এখন চৰকাৰৰ প্ৰতি থকা ভক্তিভাব যে সম্পূৰ্ণ স্বাৰ্থ জড়িত – কিবা সুবিধা আদায়ৰ আশাত তেনে কৰা হয় সেইটো স্পষ্ট ৰূপত প্ৰকাশ পায়। আমাৰ সমাজত এনে লোকৰ অভাৱ নাই যি সকলে কোনো বিশেষ ব্যক্তিয়ে ৰাজনৈতিক ক্ষমতাত ক্ষমতাধিষ্ঠ হলে তেওঁক নানান ধৰণৰ বিশেষণেৰে বিভূষিত কৰিবলৈ উঠি পৰি লাগে। সৰুতে যেতিয়া মোমায়েকক অহা ভাগিনীয়েকহঁতে দূৰৰ পৰাই দেখে ভাগিনহঁতৰ মাজত দৌৰ-প্ৰতিযোগিতা হয় – কোনে মোমাইক আগতে চুবগৈ পাৰে। যিয়ে আগতে চুবগৈ পাৰে – সিয়েই মোমাইৰ বেছি আপোন ভাগিন। এনে ভাগিনেৰে আমাৰ সমাজখন ভৰি পৰিছে ফলত প্ৰকৃত মানৱীয় মূল্যবোধ নিঃশেষ হৈ যাব ধৰিছে। এতিয়া অসমৰ জিলা কংগ্ৰেছ কমিটিৰ কাৰ্যালয় সমূহত বিৰদি বাট পাবলৈ নাই। কিছুদিন আগলৈকে এইবোৰ কাৰ্যালয়ত ভূতে বাহ লোৱাৰ অৱস্থা হৈছিল। এই চাৰি-পাঁচ মাহতে কংগ্ৰেছ (ই) দলেনো কি এনে এক অসাধ্য সাধন কৰিলে যে দলৰ কাৰ্যালয়ত মানুহ উবুৰি খাই পৰিছেগৈ। এতিয়া জানিব পৰা মতে অসমৰ মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াৰ জীৱনী লেখা লেখকৰো অভাৱ নাই। গণ পৰিষদ চৰকাৰৰ দিনত শ্ৰীপ্ৰফুল্ল মহন্তৰ ওপৰত কিতাপ পত্ৰ লেখি মানুহজনক স্তুতিবাদেৰে বুৰাই পেলোৱা হৈছিল। ঘৰে ঘৰে প্ৰফুল্ল মহন্তৰ ৰঙীন ফটোৱে শোভাবৰ্দ্ধন কৰিবলৈ ধৰিলে। এতিয়া ক্ষমতাত নাই বাবেই সেইবোৰ ফটো এলাগী হৈ পৰিল। চৰকাৰী উপাধি (মেন অৱ দা নেচন জাতীয়) সমূহৰ কথাও তল পৰিল। এতিয়া সেইজন মানুহকে দলৰ পৰাও আঁতৰোৱাৰ কথা ভবা হৈছে।

কিছুমান মানুহ মহান হৈ ওপজে, কিছুমান মানুহে নিজৰ কৰ্ম অধ্যৱসায়ৰ জোৰত মহত্ব অৰ্জন কৰে – আৰু অধিকাংশ মানুহৰ গাত মহত্ব জাপি দিয়া হয় – এয়া মহৎ লোকৰ বাণী। আমাৰ সমাজত তৃতীয় বিধৰ লোকৰ সংখ্যাই বেছি। পৰিবৰ্তিত পৰিস্থিতিত, বা ৰাজনীতিৰ উত্থান-পতনত এওঁলোকে একোখন নিৰাপদ আসন লাভ কৰে আৰু তেতিয়াই এচাম সুবিধাবাদীয়ে সেই সকলক নানানটো বিশেষণেৰে বুৰাই পেলায়। অলপতে দেখিছিলো দূৰদৰ্শনৰ পৰ্দাত একালৰ মহাপ্ৰতাপী নেতা, অসম মন্ত্ৰী সভাৰ মন্ত্ৰী, এখন ৰাজ্যৰ ৰাজ্যপাল, ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভাপতি শ্ৰীদেৱকান্ত বৰুৱাক। মানুহজন প্ৰায় অথৰ্ব হৈ পৰিছে। অসমৰ সৰহ ভাগ লোকেই এতিয়া নেজানে দেৱকান্ত বৰুৱা ক'ত কেনেকৈ কি কৰি আছে। আমাৰ চকুৰ আগতে ঘটা ঘটনা – এবাৰ সেইজন সভাপতি মৰিগাঁওলৈ আহোতে ৰাষ্ট্ৰীয় পথৰ পৰা মৰিগাঁৱলৈ ৭/৮ মাইল শিলগুটি দিয়া ৰাস্তাত দহবাৰ দিন আগৰে পৰা ৰোলাৰ মাৰি ধূলি উৰিব নোৱৰাকৈ পানী ছটিওৱা হৈছিল। মানুহজন গাড়ীৰ পৰা নামি সভাস্থলীলৈ যাওঁতে তেওঁৰ গাতে গা লগাই যাব খোজা মানুহে তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহকো হাতেৰে ঠেলি পিছ পেলাই থৈ গৈছিল।

এতিয়া আমাৰ সমাজত মুখ্যমন্ত্ৰীজনক ঠেলি হেঁচি আঁতৰাই যোৱা লোক সকলৰে প্ৰাদুৰ্ভাৱ বেছি। ফলত প্ৰকৃত গুণী লোকৰো গুণ মহত্ববোৰ তল পৰিছে। তোষামোদকাৰী লোকসকলৰ হেতা ওপৰাত মানুহে এতিয়া বোকা আৰু পানীৰো পাৰ্থক্য ধৰিব নোৱৰা হৈছেগৈ। কাউৰীৰ গাৰ বৰণ এণ্ডাৰ ক'লা বুলি জানিও কেৱল মাংস টুকুৰাৰ লোভত শিয়ালটোৱে তাইক তোষামোদেৰে উপচাই পেলোৱা কাহিনী এনেকৈয়ে যুগে যুগে চিৰন্তন সত্য হৈ আহিছে।

বীৰ পূজা (Hero worship) সকলো দেশতে যুগে যুগে চলি আহিছে। কিন্তু এই বীৰ পূজা ব্যক্তি পূজা নহৈ গুণৰহে পূজা হ'ব লাগে। ওঠৰ শতিকাৰ বিখ্যাত লেখক কাৰ্লাইলে (Thomas Carlyle) বীৰ পূজাৰ (Hero worship) সম্পৰ্কে এখন মহান গ্ৰন্থ ৰচনা কৰি গৈছে। On Heroes, Hero worship and the Heroic in Historyত তেওঁ ছয় প্ৰকাৰৰ বীৰৰ বৰ্ণনা কৰিছে সুন্দৰভাবে। There is in every Nation and Community a fittest wisest, bravest, best whom could we find and make king over us all were in truth very well - অৰ্থাৎ সমাজ বা জাতিৰ আটাইতকৈ উপযুক্ত, জ্ঞানী, সাহসী শ্ৰেষ্ঠ পুৰুষজনেই ৰজা বা নেতা হৈ পৰে। মানৱ ইতিহাসৰ সকলো সময়তে কিছুমান বিশেষ ব্যক্তিৰ গাতহে কাৰ্লাইলে বীৰৰ গুণ দেখিবলৈ পাইছে। যেতিয়াই পৃথিৱীক দুখ-যন্ত্ৰণা আৰু ধ্বংসৰ কৰাল গ্ৰাসে আগুৰি ধৰে তেতিয়াই কোনো বিশেষ ব্যক্তি ত্ৰাণকৰ্তাৰূপত আৱিৰ্ভাৱ হয় – কাৰ্লাইলৰ এই ধাৰণা ঠিক যেন ভাৰতীয় দৰ্শনৰ লগত মিলি যায়।

বীৰ বা আদৰ্শ পুৰুষ সম্পৰ্কে কাৰ্লাইলৰ যি সংজ্ঞা তেনে সংজ্ঞাৰে চাবলৈ হলে যাৰ গাত বীৰত্বৰ কোনো লক্ষণ নাই তেনে পুৰুষেই আজি বীৰ আখ্যা পাইছে। ক্ষন্তেক সময়ৰ কাৰণে তিৰবিৰাই জ্বলি উঠা ফুলজাৰিৰ দৰে এওঁলোক জিলিকিছে। তথাপি এই কথা ক'ব পাৰি যে ব্যক্তি ভেদে ৰুচি অভিৰুচি দৃষ্টিভংগী, বিচাৰ বিবেচনা আদৰ্শ চিন্তা সুকীয়া সুকীয়া – গতিকে কোনোৱে কাৰোবাক বীৰ বুলি পূজা কৰাটো একো আচৰিত কথা হ'ব নোৱাৰে। কিন্তু এই বীৰ পূজা বা বীৰ বন্দনা যেতিয়া মানুহক দেখুৱাবৰ বাবেহে কৰা হয় তেতিয়াই গোটেই ব্যৱস্থাটোৱেই আমাক মনত পেলাই দিয়ে মধ্যযুগীয় ৰজা-মহাৰজাৰ ৰাজসভাত প্ৰাধান্য বিস্তাৰ কৰা বহুৱা সকললৈ যিসকলক বিদূষক, ভাট স্তাৱক স্তুতিকাৰ, চাটুকাৰ, তোষামোদকাৰী, clown, court jester মোচাহেব আদি বিভিন্ন নামেৰে অভিহিত কৰি অহা হৈছে। ৰজা মহাৰজাসকলৰ ৰাজত্বৰ কথা বেলেগ – এইসকলৰ কামেই আছিল পৃথিৱীত যিমান বিশেষণ আছে সকলোবোৰ সংগ্ৰহ কৰি ৰজাৰ ব্যক্তিত্বত আৰোপ কৰা – সেয়াই তেওঁলোকৰ কাম, তাৰ বাবে তেওঁলোকে দা-দৰমহা পাইছিল। এতিয়া ৰাজতন্ত্ৰ নাই – গণতন্ত্ৰ চলিছে – পিছে সেই বিদূষক সকল কিন্তু থাকিয়েই গ'ল – বিভিন্ন ছদ্মবেশত। গণতন্ত্ৰত এই বিদূষক সকলেই আটাইতকৈ বিপদজনক সম্পদ। আমাৰ গণতান্ত্ৰিক 'ৰজাসকলে' এই শ্ৰেণীটোৰ পৰা নিজক বচাই ৰখাৰ সামৰ্থ্যহি হৈছে নেতা বা বীৰ হোৱাৰ অন্যতম যোগ্যতা। ■


## SUTRADHAR

### STATEMENT ABOUT OWNERSHIP AND OTHER PARTICULARS ABOUT NEWSPAPER

**Form IV**
**(See Rule-8)**

| | | |
|---|---|---|
| 1. Place of Publication | : | GUWAHATI, ASSAM |
| 2. Periodicity of its publication | : | Fortnightly |
| 3. Printer's Name | : | Shri Anil Kr. Gogoi |
| Whether citizen of India | : | Yes |
| (If foreigner, state the country of origin) | : | Does not arise |
| Address | : | Monjera House<br>Motilal Nehru Road,<br>Panbazar, Guwahati-781001. |
| 4. Publisher's Name | : | Shri Anil Kr. Gogoi<br>for the proprietors,<br>Puravi Prakashon Pvt. Ltd. |
| Whether citizen of India | : | Yes |
| (If foreigner, state the country of origin) | : | Does not arise |
| Address | : | Monjera House<br>Motilal Nehru Road,<br>Panbazar, Guwahati-781001. |
| 5. Editor's Name | : | Shri Homen Borgohain |
| Whether citizen of India | : | Yes |
| (If foreigner, state the country of origin) | : | Does not arise |
| Address | : | Housing Complex,<br>Hengerabari<br>Guwahati-781006. |
| 6. Name and Addresses of individuals who own the newspaper and partners or shareholders holding more than one percent of the total capital. | : | Share holders<br>**(i) Dr. Paul Petta**<br>**(ii) Dr. H. P. Saikia**<br>Monjera House<br>Motilal Nehru Rd.<br>Panbazar, Guwahati-781001 |

I Shri Anil Kr. Gogoi hereby declare that the particulars given above are true to the best of my knowledge and belief.

Dated, Guwahati
the 16.03.92

Sd/- Anil Kr. Gogoi
Signature of the Publisher.


OLD IS GOLD

## শ্বাবনা আজমীৰ দাঁত



শ্বাবানা আজমীৰ দাঁত দুপাৰি সামান্য উজলা– অৰ্থাৎ সামান্য পৰিমাণে বাহিৰলৈ ওলাই অহা ধৰণৰ। ছবিৰ নায়িকাৰ বাবে এয়া অসুবিধাৰ কথা নহয়নে ?

শ্বাবানাই নিজে এনেদৰে কয়– 'মোৰ দাঁতৰ বিষয়ে সাংবাদিকসকলে বহু কথাই কৈছিল। ফলত মই নিজেও হঠাতে এই বিষয়ে সংবেদনশীল হবলৈ আৰম্ভ কৰিছিলো। হাঁহিবলৈ মই বৰ অসুবিধা পোৱা হৈছিলো আৰু নানান ধৰণে দাঁত দুপাৰি ঢাকি ৰখাৰ চেষ্টা কৰিছিলো। মই ভাবিবলৈ লৈছিলো যে দাঁত দুপাৰি ঠিক হ'লে মই আৰু বেছি সুন্দৰী হ'লোহেঁতেন আৰু বেছি ভাল অভিনেত্ৰী হ'লোহেঁতেন।

'অংকুৰ' ছবিৰ বাবে বিদেশলৈ গৈ অন্য এটি অভিজ্ঞতা হ'ল। সকলোৱে মোক ধুনীয়া বুলি কোৱা শুনিলো। দেশৰ অসুন্দৰীজনী বিদেশত কেনেকৈ সুন্দৰী হ'লো ? দেশলৈ ঘূৰি আহোতে দেশৰ পৰম্পৰাগত সুন্দৰীৰ ধাৰণাৰ পৰা কিছু মুক্ত ধাৰণা এটি লগত লৈ আহিলো। মই হাঁহোতে দাঁত কেইটা ঢাকি ৰখাৰ চেষ্টা কৰো আৰু তেতিয়া মোক বেয়া দেখি– এই কথাটো প্ৰথমে সোঁৱৰাই দিছিল মহেশ ভাটে। 'তুমি যদি অন্তৰৰ পৰা হাঁহিব পাৰা তেতিয়াহে তোমাক সুন্দৰী যেন দেখা যাব। হাঁহিৰ বাবে বত্ৰিছটা দাঁত দেখুওৱাৰ কোনো প্ৰয়োজন নাই। স্বাভাৱিক হোৱা। তোমাৰ প্ৰয়োজন এটি সুন্দৰ হাঁহিৰ– দাঁতৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই।'

## ৰূপা গাংগুলীৰ দিন

'মহাভাৰত' ধাৰাবাহিকখন চলি থাকোতে ৰূপা গাংগুলী ইমান বিখ্যাত হৈ পৰিছিল যে তেওঁৰ ভৰিৰ তলৰ পৰা পৃথিৱীখন আঁতৰি গৈছিল। বিজ্ঞাপনৰ মডেল, ষ্টেজ পাৰফৰমেন্স আদিৰেও ভালেখিনি টকা অৰ্জন কৰিছিল, স্তাবকসকলে দিছিল নানান উপহাৰ– আৰু বহুতে দিছিল হিন্দী ছবিত অভিনয়ৰ সুযোগ দিয়াৰ প্ৰতিশ্ৰুতি।

মহাভাৰত শেষ হ'ল। দৰ্শকে দ্ৰৌপদীক পাহৰি গ'ল, আঁতৰি গ'ল স্তাবক-বন্ধু-শুভাকাংক্ষী। তথাপিতো ৰূপাই কিবাকৈ দুখনমান হিন্দী ছবি যোগাৰ কৰি অভিনয় কৰাৰ চেষ্টা চলালে যদিও বক্স অফিচত ছবিবোৰ নচলিল। গতিকে–

এনেতে ৰূপাই আমন্ত্ৰণ পালে গৌতম ঘোষৰ। নব্যধাৰাৰ চিত্ৰ পৰিচালকসকল এতিয়া গ্লেমাৰ জগতৰ অভিনেতা-অভিনেত্ৰীৰ প্ৰতি আগ্ৰহী হোৱা দেখা গৈছে– গতিকে গৌতম ঘোষো আকৰ্ষিত নোহোৱাৰ কোনো কাৰণ নাই। এতিয়া গৌতমে গ্লেমাৰময়ী ৰূপাক গ্ৰামীন যুৱতী সজাইছে নিৰ্মীয়মান ছবি 'পদ্মা নদীৰ মাঝী'ৰ বাবে।



ৰূপা গাংগুলী

## হায় ওম



ওম পুৰী

দেশত এতিয়া ভাল ছবিৰ আকাল– এটা সাক্ষাৎকাৰত এই মন্তব্য কৰিছিল ওম পুৰীয়ে। নব্যধাৰাৰ ছবিবোৰত অভিনয় কৰি ওম পুৰীয়ে খ্যাতি অৰ্জন কৰিছিল, এতিয়া এই ধাৰাটোও স্তিমিত। বন্ধু নাচিৰুদ্দিনে আহি বোম্বাইৰ গ্লেমাৰ জগতত থিতাপি ল'লে, ওম পুৰীয়েও চেষ্টা দিছিল। এন, চন্দ্ৰাৰ 'নৰসিংহ' ছবিত দুৰ্দ্দান্ত খলনায়কৰ ৰূপত অভিনয় কৰিও ওম পুৰীয়ে নিজৰ বাবে এখন স্থিৰ আসন যোগাৰ কৰি ল'ব নোৱাৰিলে।

## নায়িকাৰ প্ৰহৰী



শতাব্দী ৰায়

হিন্দী ছবিৰ কথা যিসকলে পঢ়ে, তেওঁলোকে জানে যে নায়িকাৰ প্ৰহৰী হিচাপে দৃশ্যগ্ৰহণৰ সময়ত উপস্থিত থাকে মাক-ভনীয়েক-আন্টি ইত্যাদি। বাংলা ছবিৰ- দেবশ্ৰী ৰায়ৰ বায়েক, শতাব্দী ৰায়ৰ বাপেক- এই কাৰণতেই বিখ্যাত। শতাব্দী ৰায়ৰ নিৰীহ বাপেকৰ নাম 'ফাদাৰ টেৰেছা'। এক চিত্ৰ সাংবাদিকে ফাদাৰ টেৰেছাৰ বৰ্ণনা কৰি কৈছিল– 'নিউ থিয়েটাৰ ষ্টুডিঅ'ৰ চোতালত বহি আছো। লগত কলিকতাৰ কেইজনমান লোক– অলপ আঁতৰতে শতাব্দী ৰায়ৰ দেউতাক। মেকআপ ৰুমৰ পৰা শতাব্দী ওলাই আহিল– খোজ ল'লে ফ্লোৰৰ পিনে। হঠাতেই দেখা পালে বোম্বাইৰ পৰা আহি কলিকতাত·থিতাপে লোৱা এক ডেকা হিৰো-পৰিচালকক। পৰিচালকে আবেগত ৰব নোৱৰা হৈ সকলোৰে সমুখতে শতাব্দী ৰায়ক সাবট মাৰি ধৰিলে। ওচৰতে থকা বাপেকৰ পিনে চালো– বাপেকে বেলেগ পিনে মুখ ঘূৰাই বহি আছে।'

অসমীয়া ছবি জগতত অৱশ্যে তেনেকুৱা বিখ্যাত বাপেক বা প্ৰহৰীৰ সাক্ষাৎ এতিয়ালৈকে হোৱা নাই। বিবাহিতা অভিনেত্ৰীৰ কথা বেলেগ, অবিবাহিতাসকলৰ কথাহে আমাৰ আলোচ্য বিষয়– কাৰণ এইসকলক লৈয়েই সকলোৰে আগ্ৰহ বেছি– অবিবাহিতা অভিনেত্ৰীৰ কোনো বয়ফ্ৰেণ্ড ছবিৰ দৃশ্য গ্ৰহণলৈ আহে- ইউনিটৰ যুৱকসকলে কথাটো বৰ ভাল মনেৰে গ্ৰহণ নকৰে। ডেকাসকলে সেই বয়ফ্ৰেণ্ডক লৈ ঠাট্টা-মস্কৰাহে কৰে।

বহু ছবিৰ লগত জৰিত ব্যক্তিৰ মতে– যিসকল অভিনেত্ৰীৰ পৰিয়ালৰ লোক ছবিৰ লগত জড়িত নহয়, আৰু তেওঁলোক যদি অভিভাৱকক লগত ননাকৈ দৃশ্যগ্ৰহণলৈ আহে– তেন্তে ছবি জগতত তেওঁলোকৰ স্থায়িত্ব দীৰ্ঘদিনীয়া নহয়গৈ। প্ৰিয় পাঠক, কাৰণবোৰ নিজেই অনুমান কৰি লওকচোন ! অসমীয়া ছবিৰ লগত জৰিত কেইগৰাকী মাত্ৰ অভিনেত্ৰী, যাৰ পৰিয়ালৰ লোক ছবিৰ লগত জৰিত– মৃদুলা বৰুৱা (স্বামী তপোব্ৰত বৰুৱা প্ৰযোজক), পূৰবী শৰ্মা ভট্টাচাৰ্য (স্বামী বিৰিঞ্চি ভট্টাচাৰ্য অভিনেতা), বিদ্যা ৰাও (স্বামী স্বৰ্গীয় নায়াৰ চিত্ৰ পৰিবেশনাৰ লগত জৰিত আছিল), মুনমী ঠাকুৰ (পিতৃ শিৱপ্ৰসাদ ঠাকুৰ পৰিচালক-অভিনেতা), মঞ্জুলা বৰুৱা (স্বামী মুনীন বৰুৱা (পৰিচালক-চিত্ৰনাট্যকাৰ) ইত্যাদি।

## বুঢ়া মিথুন

বোম্বাইৰ ডেন্সিং হিৰো, বাহুবলী-অপৰাজেয় এংৰি ইয়ং মেন মিথুন এইবাৰ আহি·দাঢ়ি-গোফ লগাই বুঢ়া ৰূপ ধৰি অভিনয় কৰি আছে বুদ্ধদেব দাসগুপ্তৰ 'তাঁহাদেৰ কথা' ছবিত। বোম্বাইত মিথুনৰ অৱস্থা বৰ ভাল নহয়– একেৰাহে ছবিবোৰ ফ্লপ হৈ আছে– বিখ্যাত বেনাৰৰ ছবিৰ বাবে আমন্ত্ৰণ নাই– অমিতাভৰ পুনৰাগমন, নতুন নায়কৰ আৱিৰ্ভাৱ– এইবোৰে মিথুনক ভয় খুৱাই দিছে। গতিকে অইন এখন পথাৰত প্ৰতিষ্ঠা লাভৰ আশাৰেই মিথুনে আহি বঙালী ছবি পাইছেহি। গোপনে মনৰ ভিতৰত লালন কৰিছে ৰাষ্ট্ৰীয় বঁটাৰ সপোন।



'তাহাদেৰ কথা'ত মিথুন চক্ৰৱৰ্তী

## দীপ্তিৰ দুখ



দীপ্তিনাভাল

'কাষৰ ঘৰ ছোৱালী'ৰ ইমেজ থকা দীপ্তি নাভালে কেইবাখনো ছবিত সুন্দৰ অভিনয় কৰি দৰ্শকৰ প্ৰিয়পাত্ৰী হৈ পৰিছিল। ৰাষ্ট্ৰীয় বঁটাৰ বাবে একাধিকবাৰ দীপ্তিৰ নাম উল্লেখ হৈছিল।

'হিপ হিপ হুৰৰে' নামৰ ছবিখন কৰিবলৈ গৈ প্ৰেমপাশত আবদ্ধ হৈ পৰিছিল ডেকা পৰিচালক প্ৰকাশ ঝাৰ সৈতে। সেই প্ৰেম বিয়ালৈ ৰূপান্তৰিত হৈছিল। পিছে এই বিয়াও বেছিদিন নিটিকিল। বিবাহ-বিচ্ছেদ হ'ল। তাৰ পিছত আবেগিক ভাৱে জড়িত হৈ পৰিল নানা পাটেকাৰৰ লগত। নানা বিবাহিত। 'প্ৰহাৰ' ছবিখন নিৰ্মাণ কৰিবলৈ গৈ ডিম্পল-মাধুৰীৰ লগত পৰি নানাই দীপ্তিৰ কথা পাহৰিলে। এতিয়া দীপ্তি নিসংগ। হাতত ছবি নাই।

ড° ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য

# নেপ'লিয়ন বোনাপাৰ্টী নে "গাধ" ?

জহিৰ আৰু চিৰপতীয়ে কলিকতা-গুৱাহাটীৰ মাজত চলা চিণ্ডিয়া কোম্পানীৰ জাহাজত খালাচী কাম কৰে ; এদিন সিহঁতৰ লগৰ এজনে জাহাজত লগ পাই ক'লে যে এনেকৈ ইয়াত গেৰাৰী খাটি মৰাতকৈ তাৰ লগত যদি গুৱাহাটীত থাকে তেতিয়া বেছি উন্নতি হব। সি বুজাবলৈ চেষ্টা কৰিলে যে অসমীয়া মানুহে বোজা টনা গাড়ী নচলায়, মাটিয়াৰ কাম নকৰে ; বিক্সা নচলায়, চুলি কটা কাম নকৰে, মুচিয়াৰী নকৰে ; গতিকে, সিহঁত দুয়ো যদি এইবোৰৰ কিবা এটাত মনযোগ দি লাগে তেনেহ'লে অজস্ৰ পইছা। সময় থাকোতেই সিহঁতে সেই ব্যৱসায় সিহঁতৰ একচেটীয়া কৰি লব লাগে, নহ'লে পিছলৈ হয়তো তাত মূৰ সোমাব নোৱাৰিবও পাৰে।

জহিৰ আৰু চিৰপতীৰ ঘৰ বীৰভূমত। বীৰভূমত গাধ বৰ সস্তা। এদিন দুয়ো কলিকতা বন্দৰত নামি হাঁৰাৰে ৰেলত উঠি বীৰভুম পালেগৈ। তাতেই দুয়ো দুটা গাধ কিনি লৈ আহি গুৱাহাটীমুখী পানী জাহাজত উঠিল।

গুৱাহাটীত জহিৰ আৰু চিৰপতীয়ে সিহঁতৰ সাঁচতীয়া পইছাৰে দুটা কাঠৰ ইস্পাত লগোৱা গাড়ীৰ চকা কিনিলে আৰু মিস্ত্ৰীৰ হতুৱাই দুখন গাড়ী সাজিলে। এদিন দেখা গ'ল গুৱাহাটীৰ আলিবাটত গাধই চলোৱা গাড়ী দুখনে মাল কঢ়িয়াই ফুৰিছে।

জহিৰ আৰু চিৰপতীয়ে কোনো আস্থাবৰ সম্পত্তি নথকাত স্থানীয় মানুহ এঘৰৰ এটকুৰা মাটিত এনেয়ে খেৰী ঘৰ এটা বান্ধি আছিল। ঘৰটোৰ সমুখত এটা নলা আৰু সেই নলাৰ দাঁতিত ৰাতিপুৱা গধূলি সদায় গাধ দুটা বন্ধা থাকে। গাধ বন্ধা ঠাইডোখৰৰ পৰাই আৰম্ভ হৈছে এখন ফুটবল খেলা পথাৰ। পথাৰৰ এচুকত এডাল কৃষ্ণচূড়া। তগৰগীয়া ৰঙা কৃষ্ণচূড়া ফুলবোৰ ফুলাৰ সময়ত কিছুমান ল'ৰাই সেইফালে ফুল পাৰিবলৈও যায়। ফুটবল খেলা ফিল্ডৰ কাষতে উত্তম আৰু চাঞ্জাদৰ ঘৰ। উত্তম আৰু চাঞ্জাদ দুয়ো বৰ বন্ধু। দুয়ো জহৰ বন্ধত কৃষ্ণচূড়াৰ ফেৰেকাডালত বহি গ্ৰাম্য পৰিবেশৰ গুৱাহাটী আৰু তাৰ চৌদিশৰ পাহাৰৰ চূড়া চাই চাই গুঁহুৰিয়াই থাকে। মাজে মাজে দূৰৈৰ আলিবাটেৰে পাৰ হৈ যোৱা সমনীয়া ছোৱালীবোৰক জোকায়। তাৰ তলৰ ঘাঁহনিত বহি আমিও বল খেলো, কথা পাতো আৰু মাজে মাজে গুঁহুৰিয়াওঁ, হিন্দী চিনেমাৰ গান গাওঁ।

এদিন দুপৰীয়া কৃষ্ণচূড়াৰ ছাঁত বহি আমি কেইজনমানে ডবা খেলিছো। গছৰ ওপৰত বহি উত্তম আৰু চাঞ্জাদে কথা পাতিছে–

**উত্তম ঃ** দোস্ত। আবে, দিল-চিল একদম ভাল নলগা হৈছে বে।

**চাঞ্জাদ ঃ** কিয় বে ? আবে, যি দেখিছো তোৰ ছব্বিশ ঘণ্টাই খাৰাব লাগি থাকে–

**উত্তম ঃ** নহয় বে। এইৰকম আৰু কিমান দিন পঢ়া-শুনা কৰি থাকিবি ? কলেজ পাবলৈ এতিয়াও আৰু এবছৰ বাকী আৰু কলেজ যে পাম তাৰো কোনো হোপ-চোপ নাই। তইঁতৰ কথাই দোচোৰা। চোকা ল'ৰা–

**চাঞ্জাদ ঃ** আবে মাৰ গুলি চোকা-ফোকা। চোকা হৈ কি হব বে ? কলেজ পাবলৈ আৰু এবছৰ আছেই। একঘেয়ামি জীৱন কি ভাল লাগে ? কিন্তু আজি ৰাতিপুৱা নেপ'লিয়ন বোনাপাৰ্টীৰ বিষয়ে এখন কিতাপ পঢ়ি মোৰো নেপ'লিয়নৰ দৰে হবলৈ মন গৈ আছে। ঘোঁৰা এটা পালে তাতেই উঠি নেপ'লিয়নৰ দৰে এক চক্কৰ মাৰি আহিলোহেঁতেন–

**উত্তম ঃ** নেপ'লিয়নৰ দৰে হবলৈ প্ৰথমে তৰোৱাল আৰু মুকুট লাগিব। পাবি ক'ত ?

**চাঞ্জাদ ঃ** আমাৰ ঘৰত এতিয়াও দুখন তৰোৱাল মজুত আছে ; জানইতো মীৰজুমলাৰ নেতৃত্বত অসম আক্ৰমণ কৰিবলৈ অহা মানুহ। মই নেপ'লিয়ন সাজি ককাৰ সমুখত হাজিৰ হ'লে ককাদেউতাই কিজানি তামাম স্ফূৰ্তি পাব–

**উত্তম ঃ** কিন্তু ঘোঁৰা ?

**চাঞ্জাদ ঃ** সেইটোৱেই মহা মস্কিল হৈছে–

**উত্তম ঃ** ঘোঁৰা দুটা পালে দুয়ো আলিয়ে আলিয়ে কদমত গৈ থাকিলোহেঁতেন। বাটৰ মানুহে আমালৈ ঘূৰি ঘূৰি চালেহেঁতেন–

**চাঞ্জাদ ঃ** আবে দোস্ত। আইদিয়া এটা পাই গৈছো। নেপ'লিয়ন হ'লেই যে ঘোঁৰাত উঠিবই লাগিব তাৰতো কোনো কাৰণ নাই আমি গাধৰ পিঠিত উঠিবওতো পাৰো। নেপ'লিয়ন সদায় নেপ'লিয়ন– সি য'তেই নুঠক কিয় ?

**উত্তম ঃ** পিছে গাধই বা পাবি ক'ত ?

**চাঞ্জাদ ঃ** সেইটো আৰু ভাবিবলগীয়া কথানে ? সদায় ৰাতিপুৱা জহিৰ আৰু চিৰপতীৰ গাধ দুটা ঘৰৰ সমুখত বান্ধি থোৱা থাকে, খুলি লৈ গ'লেই হ'ল। ঘৰত বহুতো খালি থৈলা আছে, তাৰেই জিন বনাই ললেই দেখোন খেলা খতম্।

শুই থাকোতেই এদিন প্ৰত্যুষতে জহিৰ আৰু চিৰপতীৰে গাধ দুটা লৈ চাঞ্জাদ আৰু উত্তমে পাহাৰৰ বনৰীয়া থোপাবোৰৰ মাজে মাজে যাবলৈ ধৰিলে। গাধ দুটা তাৰ পাছত গছ এডালত বান্ধি থৈ থৈলাৰে জিন সাজিলে আৰু ওৰে দিনটো পাহাৰৰ লুংলুঙীয়া ওখ-চাপৰ পথেৰে গাধ-চালনৰ অনুশীলন কৰিলে।

সন্ধিয়া দুই নেপ'লিয়নে গাধৰ পিঠিত উঠি পাহাৰৰ পৰা নামি আহিল। আলিবাটত ৰৈ থকা সিহঁতৰ লগৰীয়াবোৰে মুখেৰে বিং বজালে। চুবুৰিৰ সিহঁতৰ সমনীয়া ছোৱালীবোৰে দুয়োকে চাবলৈ পদূলিলৈ ওলাই আহিল। চাঞ্জাদ আৰু উত্তমে শূন্যত তৰোৱাল ঘূৰাবলৈ ধৰিলে।

চাঞ্জাদে ককাদেউতাকক নিজৰ নেপ'লিয়নৰূপী ৰূপটো দেখুৱাবলৈ গাধৰ পিঠিত উঠিয়েই ঘৰৰ পিছফালে গ'ল। ককাকে বাৰাণ্ডাত 'টাইমছ্ অব ইণ্ডিয়া' পঢ়ি আছিল। এবাৰ তেওঁ মূৰ তুলি চালে আৰু চোৱাৰ লগে লগেই গাধৰ পিঠিৰ পৰা জাঁপ মাৰি শূন্যত তৰোৱাল ঘূৰাই ঘূৰাই ক'লে– ককা, আজিৰ পৰা মই কিন্তু নেপ'লিয়ন।

কেৰাহিকৈ ককাকে তাৰ ফালে এবাৰ চালে আৰু হাতবাউল দি মাতিলে– এইফালে আহ–

সি ককাকৰ সমুখত উপস্থিত হ'ল।

ষ্টুপিড। নেপ'লিয়ন জীয়াই থাকিলে তোক শূলত দিলেহেঁতেন। কোনখন কিতাপত বাৰু এনেকৈ নেপ'লিয়নে ঘূৰি ফুৰা কথা লিখা আছে ? আৰু নেপ'লিয়ন জানো তোৰ দৰে ইমান কাপুৰুষ আছিল ? দুপৰীয়া সেই চিৰপতী আৰু জহিৰ নামৰ ধেঙাৰী দুজনে ঘৰলৈ আহি গোচৰ দি গৈছে। নেপ'লিয়নে নিশ্চয় সেই দুখীয়া মানুহদুজনৰ গাধ দুটা নি পাহাৰৰ ওপৰত বান্ধি ৰখা নাছিল। সিহঁতৰ ঘৰতো ল'ৰা-তিৰোতা আছে। আজি যে দিনটো গাড়ী নচলিল সেইবাবে জানো সপৰিয়ালে লঘোণ দিব নালাগিব ? সেইয়া চা, গিৰিহঁতৰ দুখত গাধটোৰ চকুৰ পৰা কেনেকৈ চকুলো ওলাইছে। গাধবো চকুপানী ওলায়, অথচ তই মানুহ হৈও কথাটো বুজি নাপাৱ। আচলতে তই গাধতকৈও বেছি গাধ। ষ্টুপিড। আঁতৰ হ মোৰ কাষৰ পৰা–

চাঞ্জাদে ককাকৰ কথাক ভেঙুচালি কৰিলে। তাৰ পাছত ককাকৰ খং উঠিল আৰু খণ্ডত একো নাই হৈ গাধৰ ওপৰতে তাক এক চৰ মাৰিলে।

গাধৰ ওপৰৰ পৰা নেপ'লিয়ন বাগৰি পৰিল।

---

*অহা সংখ্যাৰ 'একপৃষ্ঠা'*

কমল মানে কি ? "দৌৰি থকা ঘোঁৰা"– চাৰ





With Best Wishes to

SUTRADHAR

Space donated by
A Wellwisher